## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Kesob Narayan Dutta. | |
| Title: অসম- সাহিত্য· সভা· পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Asom Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1952 (1878 Sak) | Edition: |
| Size: 24 cm 75 16 252 | Genre: Magazine |
| Volumes: Neo - 3 issues | Condition of the original: Not bad |
| Remarks: The 1st volume of the Magazine first published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম
সাহিত্য-সভা পত্ৰিকা

কাতি, মাঘ, | নতুন প্ৰকাশ ২য় আৰু ৩য় সংখ্যা | ১৮৭৪ শক ।

## সূচি


| | বিষয় | নাম | পৃষ্ঠা |
|---|---|---|---|
| ১। | কেইখনমান পুৰণি অসমীয়া ছপাপুথি | ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱা এম· এ, পি এইচ· ডি· | ৭৫ |
| ২। | প্ৰায়শ্চিত্ত | ডাঃ হেম বৰুৱা ... | ৮৫ |
| ৩। | ভূঞাৰাজ্য | শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ ... | ৯৪ |
| ৪। | আমাৰ নাৰী-সাহিত্য—বিয়ানাম— | শ্ৰীপ্ৰেমধৰ ৰাজখোৱা .... | ১০৩ |
| ৫। | আপত্তি নাসক -— | অধ্যাপক শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী এম-এ | ১১৫ |
| ৬। | অসমীয়া মন্ত্ৰ-সাহিত্য | শ্ৰীহৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য এম এ, ·· | ১১৭ |
| ৭। | আমাৰ জন সাহিত্য | শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস ... | ১২৩ |
| ৮। | বৰ্ণ বিন্যাস আৰু উচ্চাৰণৰ বেমেজালি | অধ্যাপক শ্ৰীমহেশ্বৰ নেওগ, এমঃ এ | ১২৬ |
| ৯। | ইংৰাজী সাহিত্যৰ বুৰঞ্জীৰ ৰূপৰেখা | শ্ৰীকালিৰাম বৈশ্য এম এ, ... | ১২৯ |
| ১০। | গ্ৰন্থৰক্ষক যাদৱ বৰুৱা | শ্ৰীবেণুধৰ শৰ্ম্মা ... | ১৩৩ |
| ১১। | পৰিত্ৰাতা ( কবিতা ) | শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা ... | ১৩৮ |
| ১২। | দুই ৰঙৰ দুটা কবিতা | শ্ৰীঅম্বিকাগিৰী ৰায় চৌধাৰী ... | ১৩৮ |
| ১৩। | সাহিত্য-সভাৰ কথা | স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামী .. | ১৪২ |
| ৪। | ভগবানলৈ প্ৰাৰ্থনা | শ্ৰীঅম্বিকাগিৰি ৰায় চৌধাৰী ··· | ১৭৬ |
| ১৫। | পূজ্যপাদ শ্ৰীশ্ৰীআউনিআটি সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ আশীৰ্ব্বাদ | | ১৭৮ |
| ১৬। | সুসাহিত্যিক শ্ৰীযুত চিন্তাহৰণ পাটগিৰী ডাঙৰীয়াৰ চিঠি | | " |
| ১৭। | ডঃ কাকতি-স্মৃতি | অম্বিকাগিৰি ৰায় চৌধাৰী | ১৭৯ |
| ১৮। | সম্পাদকীয় : (১) নিবেদন, (২) সাহিত্য সভাৰ ভবিষ্যৎ, (৩) শাখা সভা সমূহ, (৪) সভাৰ অহা অধিৱেশন, (৫) সাহিত্য, সংস্কৃতি আৰু চৰকাৰ (৬) অৱাঞ্চিত প্ৰভাৱ, (৭) শ্ৰদ্ধাঞ্জলি | | ১৮৬ |


Printed by S. R. Bez, at the New Press, Gauhati. Published by Asom Sahitya Sabha.

অসম
# সাহিত্য সভা পত্ৰিকা

কাতি, মাঘ | নতুন প্ৰকাশ ২য় আৰু ৩য় সংখ্যা | ১৮৭৪ শক

## কেইখনমান পুৰণি অসমীয়া ছপা পুথি

ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱা

বৃটিছ যুগৰ আদি ছোৱাত আমেৰিকান বেপ্‌টিষ্ট মিছনৰ যোগে আৰু গাই গুটীয়া ভাৱে যিবোৰ অসমীয়া পুথি ছপা হৈছিল তাৰ বহুল আলোচনা এতিয়ালৈকে হোৱা নাই। এনে আলোচনাৰ পৰা সেই যুগৰ অসমীয়া সাহিত্যৰ অৱস্থা, নানা লেখকৰ পৰিচয় আৰু সমসাময়িক শিক্ষা বিস্তাৰৰ বিষয়ে বিশেষভাৱে জনা যাব। ইয়াৰ কাৰণে সদ্যহতে সেই সময়ৰ পুথি সমূহৰ তালিকা এখনি প্ৰস্তুত কৰা আৰু সেই দুষ্প্ৰাপ্য গ্ৰন্থ সমূহ ক'ত পোৱা যায়—তাৰ অনুসন্ধান প্ৰয়োজন। আমাৰ নিজৰ হাতত সেই সময়ৰ দুই এখন আপুৰুগীয়া পুথি আছে। তাকেই সমল কৰি বৰ্ত্তমান প্ৰবন্ধটি যুগুত কৰা হৈছে।

"অসমীয়া লৰাৰ মিত্ৰ।

"৬আনন্দৰাম ঢেকিয়াল ফুকনৰ "অসমীয়া লৰাৰ মিত্ৰ" প্ৰথম ১৮৪৯ চনত ছপা কৰা হয়। এই পুথিৰ চতুৰ্থ সংস্কৰণত (সংক্ষিপ্ত) এইদৰে উল্লেখ আছে :—

"চতুৰ্থ বাৰৰ বিজ্ঞাপন।

"প্ৰথম দুবাৰ এই "অসমীয়া লৰাৰ মিত্ৰ" বিদেশত ছাপা হইছে। এতিয়া আমাৰ এই দেশত ছাপা কৰা হ'ল। আগৰ দৰে ইয়াকো সাধাৰণে গ্ৰাহ্য কৰিলে সন্তোষ পাম। পূৰ্ব্বতকৈ ইয়াত কিঞ্চিত সৰহ কথা দিয়া গইছে। ইতি

"প্ৰথম বাৰ ... ... ১০০০
দ্বিতীয় বাৰ ... ... ২০০০

| | | | |
|---|---|---|---|
| তৃতীয় বাৰ | ... | ... | ১০০০ |
| চতুৰ্থ বাৰ | ... | ... | ১০০০ |

বৈশাখ ১২৮৩<br>নগাওঁ } শ্ৰীগুণাভিৰাম শৰ্ম্মা

সংক্ষিপ্ত সংস্কৰণ "গোৱালপাৰা হিত বিধায়িনী যন্ত্ৰে শ্ৰীজগদ্বন্ধু সামন্ত কৰ্ত্তৃক মুদ্ৰিত। সন ১২৮৩, ইংৰাজি ১৮৭৬।" এই সংস্কৰণৰ ভূমিকাত প্ৰকাশকে লিখিছে :—

"ভূমিকা।

"ইংৰাজি ১৮৪৯ শকত আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া লৰাৰ মিত্ৰ নামে দুখনি পুথি ছপায়। দেশৰ উপকাৰ কৰাই তেওঁৰ প্ৰধান ইচ্ছা। সেই পুথি ইমানদিনে কোনো পাঠশালাত চলিত হোৱা নাছিল। এতিয়া অসম দেশৰ পঢ়াশালী বিলাকত অসমীয়া ভাষা চলিবলৈ ৰাজাজ্ঞা প্ৰচাৰ হোৱাত সেই পুথিৰ দ্বিতীয় কাণ্ডৰ পৰা কিছু কথা তুলি মূল নামে এই পুথী প্ৰচাৰ কৰা গল। "অসম দেশৰ বিবৰণ" নামে আখ্যান তাতকৈ বাহুল্য কৰা গইছে। এতিয়া এই পুথী সাধাৰণে স্বীকাৰ কৰিলে কৃতাৰ্থ হম। পৰিশেষত এই কথা কওঁ যে এই পুথি প্ৰচাৰ কৰিবলৈ আমাৰ দেশৰ বিদ্যাশিক্ষাৰ অধিকাৰ সকলে অভিপ্ৰায় কৰিছে। আৰু মূল গ্ৰন্থকৰ্ত্তাৰ পুত্ৰ শ্ৰীযুক্ত ৰাধিকা ৰাম ঢেকিয়াল ফুকনৰো অনুমতি পোৱা গইছে। ইতি

নগাওঁ<br>১৬ বৈশাখ, ১২৮৩ } শ্ৰীগুণাভিৰাম শৰ্ম্মা।

এই সংক্ষিপ্ত সংস্কৰণত (১) পাঠকৰ প্ৰতি নিবেদন (২) উপদেশ বাক্য (৩) সদানন্দ হোৱাৰ সংকেত, (৪) সন্তান সকলৰ পিতৃ মাতৃৰ প্ৰতি কৰ্ত্তব্য কৰ্ম্ম, (৫) ছাত্ৰৰ অধ্যাপকৰ প্ৰতি কৰ্ত্তব্য কৰ্ম্ম, (৬) জ্ঞানৰ সংবাদ, (৭) কলিকত নগৰৰ বিবৰণ, (৮) ভাৰতবৰ্ষৰ সংক্ষেপ বুৰঞ্জি, (৯) অসম দেশৰ সংক্ষেপ বুৰঞ্জি, (১০) অসম দেশৰ বিবৰণ, (১১) কামৰূপ, (১২) দৰঙ্গ, (১৩) নগাওঁ, (১৪) শিৱসাগৰ, (১৫) লক্ষীমপুৰ, (১৬) নাগা হিলস্ বা নগা পৰ্ব্বত, (১৭) খাছিয়া বা জয়ন্তীয়া পৰ্ব্বত, (১৮) গোৱাল পাড়া বা গুৱালপাড়া, (১৯) ভোট, (২০) অকা, (২১) ডফালা, (২২) মীৰি, (২৩) আবৰ, (২৪) মিচমী, (২৫) খামতী, (২৬) চিংফৌ, (২৭) কছাৰী, (২৮) মিকীৰ, (২৯) গাৰো, (৩০) কাছাৰ আৰু (৩১) শ্ৰীহট্ট বা ছীলট" নামৰ প্ৰবন্ধ আছে। পুথিখনি ৭৮ পৃষ্ঠাত সমাপ্ত হৈছে।

ঢেকিয়াল ফুকনৰ অসমীয়া লৰাৰ মিত্ৰই সেই সময়ৰ অসমীয়া সাহিত্যত কিদৰে সমাদৰ লভিছিল সেই কথা ইং ১৮৪৯ ৰ অক্টোবৰৰ অৰুনোদই সম্বাদ-পত্ৰৰ সমালোচনাতে প্ৰকাশ পাইছে :—

"অসমিয়া লৰাৰ মিত্ৰ নামে দুতিয় আৰু ত্ৰিতিয় ভাগ দুখন সুন্দৰ কিতাপ গুআহাটিৰ পৰা পালোঁ।

"শ্ৰীজুত বাবু আনন্দিৰাম ঢেকিয়াল ফুকনে কলিকতালৈ গৈ হিন্দু কলিজত ভালৰূপে ইংৰাজি বিদ্যা সিকিলে; পাছে গুআহাটিলৈ উভতি আহি আপোন অসম দেসৰ উপকাৰ হবৰ নিমিতে চিন্তা কৰি জেতিয়া আহৰি পাই তেতিয়া অলপ অলপকৈ এনে কিতাপ লিখিব ধৰিলে। আৰু বহু প্ৰমেৰে ইংৰাজি ভাসাৰ পৰা অসমিয়া ভাসাকৈ এই দুখন কিতাপ লিখি আৰু কলিকতাত সুন্দৰ আখৰেৰে চপালে।

"মাজে মাজে ভুল ওলাই, কিন্তু মানুহৰ লিখা কিতাপত বিসেসকৈ কোনো ভাষাত প্ৰথমে লিখা কিতাপ বোৰত ভুল থাকে; কিন্তু বহু ভাল আৰু গিয়ানৰ কথা ইয়াতে ওলাই আৰু পঢ়িব জনা মানুহে কিনি পঢ়িলে ভাল। এই ফুকনৰ নিচিনা কেৱল আপোন সুখ বা লাভ নিবিচাৰি আন শত্ৰ মানুহ-



বোৰে আপোন দেসৰ মানুহৰ উপকাৰৰ নিমিতে সেই ৰূপে কোনো গিয়ানৰ কিতাপ লিখিলে ভাল।

"লোকৰ আগত আপোনাৰ নামত প্ৰসংসা পাবৰ ইচা নাই দেখি ফুকনে সেই কিতাপৰ ওপৰত আপুনি কৰা বুলি নাম নিদিলে। অসমীয়া লোকৰ মাজত প্ৰথমে আপোন দেসৰ উপকাৰ চিন্তি এনে কোনো গিয়ানৰ কিতাপ কৰি চপোআত এই পুৰুসৰ আগত জদি তেওঁৰ প্ৰসংসা নোলাই তথাপি ইয়াৰ পাচে অনেক পুৰুসলৈকে তেওঁৰ সুজসস্য থাকিব।......

"এই দুই কিতাপৰ প্ৰথম পাতত জি লিখা আচে তাকে তলত চাপিচোঁ।

"অসমীয়া লৰাৰ মিত্ৰ। ২ দুতিয় কাণ্ড। বালকোপদেসক; অৰ্থাৎ অসম দেসৰ লৰা বিলাকৰ উপকাৰলৈ নিতি ধৰম, আৰু নানা বিদ্যা বিসয়ক উপদেশ। অসম দেসৰ লোক একজনাৰ দো আৰাই ইংৰাজি ভাসাৰ নানা পুস্তকৰ পৰা সংগ্ৰহ হৈ অসমিয়া ভাসাই ভাসান্তৰ হল। দুতিয় ভাগ। মূল্য ৷১০, পাচ সিকি মাত্ৰ"

"অসমীয়া লৰাৰ মিত্ৰ। ৩ ত্ৰিতিয় কাণ্ড। ভূগোল প্ৰকৰণ; অৰ্থাৎ প্ৰিথিবিত জি সকল দেস আছে, তাৰ নদি, পৰ্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্য সাসন, উতপন দ্ৰব্য, বাণিজ্য আৰু লোক সকলৰ ৰিতি, চৰিত্ৰ, ধৰম ইত্যাদিৰ বিবৰণ" (অৰুনোদই পৃঃ ৭৫-৭৬)

অসমীয়া আলোচনীৰ পাতত পুথি সমালোচনা এয়ে সৰ্ব্ব প্ৰথম, সেই পিনৰ পৰা এই মন্তব্য খিনিৰ বিশেষ তাৎপৰ্য্য আছে।

দুখৰ বিষয় ঢেকিয়াল ফুকনৰ "অসমিয়া লৰাৰ মিত্ৰ" যিমান বহুল ভাৱে প্ৰচাৰ হব লাগিছিল, তেনেদৰে নহল। এই কথা অৰুনোদইৰ ইং ১৮৫৩ ৰ মেইৰ সংখ্যাত "অচম দেসৰ লোক সকলৰ প্ৰতি নিবেদন পত্ৰ" (Letter from an Assamese in Calcutta to his countrymen) * শীৰ্ষক চিঠিত প্ৰকাশ পাইছে। "অসমত বিদ্যাচৰ্চ্চা অনাদৰ হোৱা প্ৰসঙ্গত পত্ৰ লেখকে লিখিছিল।

"......আমাৰ দেসৰ কোনো এজন লোকে দেসৰ অবিদ্যা দেখিব নোৱাৰি "অসমিয়া লৰাৰ মিত্ৰ" এনে নামেৰে দুই এক পুথি ৰচি ভাল ভাল পুথি ৰচিবলৈ প্ৰতিগ্যা কৰিছিল, কিন্তু তেওঁক কোনেও উচাহ নিদিয়াৰ হেতুকে এতিয়া তেওঁ পুথি ৰচিবলৈ এৰিচে। সেই পুথিৰ দৰে আমাৰ দেসত অন্য ভাল পুথি নাই; আৰু তাৰ সোআদ জি এবেলি আগৰ পৰা গুৰিলৈকে মন দি পঢ়িচে, সিএহে বুজিব পাৰিছে; অন্যে কেনেকৈ বুজিব ?......"(কলিকতা, ২১ মাৰ্চ, সন ১৮৫৩)

এই চিঠিৰ তলতে অৰুনোদয়ৰ সম্পাদকে মন্তব্য কৰিছিল— ......"অসমিয়া লৰাৰ মিত্ৰ" এনে নামেৰে পুথি ৰচনা কৰা শ্ৰীজুত আনন্দিৰাম ফুকনে আৰু পুথি ৰচনা কৰিবলৈ এৰা কথা শুনাত আমি অসন্তোস পাইচোঁ; কিন্তু তেৱেঁ আৰু অচম দেসৰ আন আন গিয়ানি লোকেও জেন একেচিতে দেসৰ উপকাৰ কৰিবলৈ উদ্যোগি হব, ইয়াকে আমি নিবেদন কৰিচোঁ," (পৃঃ ৬৮)

সমসাময়িক প্ৰকাশিত আৰু প্ৰকাশ হব লগা পুথিৰ বিষয়ে অৰুনোদইত ছপা হোৱা বিজ্ঞাপনৰ পৰাও জানিব পাৰি। এই বিজ্ঞাপন সমূহো এক প্ৰকাৰৰ পুথি সমালোচনাহে। ইং ১৮৫৪ ৰ জানুৱাৰীৰ অৰুনোদইত প্ৰকাশ হৈছিল :—

'অৰুনোদইৰ সু নিয়ম।

"To the Readers of the Orunadoi

"অৰুনোদই পাঠক জুবা বন্ধু সকলৰ প্ৰতি নিবেদন।

---

* অৰুনোদইৰ পাততে 'সম্পাদকলৈ চিঠি' এই বিধৰ সাহিত্য প্ৰথমে গঢ়ি উঠে। অৰুনোদইৰ পাতৰ এই চিঠিৰ বিষয় বস্তুসমূহ চালি জাৰি চালে সেই যুগৰ বহু তথ্যই পোহৰলৈ আহিব।—লিখক—

এই অৰুনোদই আমাৰ নিমিত্তে সৰ্ব্ব প্ৰকাৰে উপকাৰি কাৰত, কিন্তু জি সকলে অৰুনোদই নৈছে, সিবিলাকে মাহে মাহে অৰুনোদই পালে সেই সমস্ত সিবিলাকৰ আন আন কথাত মন থাকে। তথাপি অৰুনোদই পালেই মেলি চাই তাত জি জি কথা আচে, সেই সেই বিসয়ৰ ওপৰত ডাঙৰ আখৰেৰে লিখা কথাটি চায়েই তাৰ সকলো কথা নপঢ়ি বা মন গলে কেতিয়াবা কোনোটো কথা-চায়েই, ঠায়ে ঠায়ে অৰুনোদই পেলাই থই; এই গুনে তাত থকা সকলো বিবৰণ প্ৰাই লোকে ন জনাকৈএ থাকে। জনিবা কোনো কোনো লোকে সৰসেসে চায়ো তথাপি সেই সেই কথাবোৰ ভালকৈ মনত নে থাকে; এই গুনে তোমালোকে মাহে মাহে অৰুনোদই পালে শ্ৰেনি মতে তাক কিতাপৰ দৰে গাঠি গাঠি লিখা পৰ্হা ঠাইত থৈ দিলে, কেতিয়াবা আহৰি পোৱা সময়ত মনগলে তাক মেলি চালে আৰুও সেই কথা নকৈ পোৱা জেন লাগিব, আৰুনোদই কেনে অমূল্য উপকাৰি তেতিয়াহে বুজিবাইক।

"ডাঙৰ চাৰি পিঠিয়া অৰুনোদইৰ বাহিৰে দিহে ১২ আঙুল, পথালিএ ৭ আঙুল চুটি ১৬ পিঠিৰে মেগজিন নামে এবিধ অৰুনোদই গিয়ান ভাণ্ডাৰ মাহে মাহে প্ৰকাস হই। তাৰ দাম দিগুন বিধ অৰুনোদইৰ এৰে, অৰ্থাৎ ইয়াতকৈ তাত কথা অধিক আৰু মাহে মাহে গোটাই নি বছৰেকত কিতাপ বান্ধিবলৈ অতি সুন্দৰ; অৰুনোদই প্ৰকাস কৰা চাহাবলৈ চিটি লিখিলে সেই বিধকে মাহে মাহে পঠাব।

"বন্ধু সকল, আমাৰ কথা যদি বিবেচনা কৰি ভাল পালা, তেন্তে আগত সন (১৮৫৪) সনৰ আদি জানুআৰি মাহৰ পৰা সেই ৰূপ কৰাইক, আৰু মেগেজিন অৰুনোদই পাবলৈ সম্পাদক চাহাবলৈ লিখি পঠোৱা।

আৰুনোদই পাঠক এজন।

১৮৬১ চনৰ জুলাই মাহত প্ৰকাশিত হোৱা তলৰ বিজ্ঞাপন খনেও অৰুনোদইৰ প্ৰচাৰ, পাঠক-সংখ্যা আৰু প্ৰবন্ধ পাতিৰ বিষয়ে কিছু আভাষ দিব :—

"REMARKS BY THE EDITOR.

The Editor of the Orunodoi takes occasion to acknowledge with many thanks the generous patronage of this Paper by many of the Gentlemen and Babus of the Province; and he also begs to solicit the favor of their further kind offices to promote its wider circulation.

The Orunodoi has entered on its 16th year; and though it has never paid its own expenses, still the circulation among the Natives has been sufficient to justify its continuance; and the Editor deems it extremely undesirable to discontinue it for want of support in the very probable event of its being left to its own resources.

The Editor believes that the natives read the Orunodoi with a gradually increasing interest; and he feels sure that a few commendatory words from the Gentlemen of the Province and from influential natives, would greatly increase the list of paying Subscribers.

The Editor feels confident none will doubt that the Orunodoi has been useful to the natives of this secluded Province in the diffusion of general information and more liberal ideas.

The Editor has taken, and will continue to take, great pains to increase the interest of the Orunodoi; and he trusts that his selection of matter and news is of that judicious character which will tend to the promotion of good morals and the maintenace of good order.

The Editor begs to inform Gentlemen lately arrived in the Province, that the postage is paid by ourselves on all packages containing 5 Copies or upwards; and it is presumed that those having natives under their charge will gladly avail themselves of this means of promoting their improvement.

The Engravings of the Orunodoi are executed by Assamese trained at the Press, and at an expense of nearly 20 Rs. a number.



## ২। ৺পদ্মহাস গোস্বামী ৰচিত পুথি

"পদ্যমালা প্ৰথম ভাগ" ৺পদ্মহাস গোস্বামী কৰ্ত্তৃক বিৰচিত আৰু সংগৃহীত (নগাওঁ)। এই পুথি দ্বিতীয় বাৰৰ কাৰণে কলিকতাৰ আদি ব্ৰাহ্ম সমাজ যন্ত্ৰত, বৈশাখ ১৭৯৭ শকত (১৮৭৫) ছপা কৰা হৈছিল। কবিতাৰ সংগ্ৰহ পুথি স্বৰূপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত পদ্যমালা উল্লেখযোগ্য। পুথিৰ প্ৰথম বাৰৰ ভূমিকাত আছে :—

"মহামান্য লেপ্টনেণ্ট গৱৰ্ণৰ শ্ৰীযুক্ত কাম্বেল সাহাবৰ অনুগ্ৰহত আমাৰ মাতৃভাষা বিদ্যালয় সকলত পঢ়াবলৈ আজ্ঞা দিছে। কিন্তু পুথি নোহোৱা গতিকে লৰা চোৱালী বিলাকৰ পঢ়াৰ ক্ষতি হোৱা যেন দেখি (নথকাতকৈ বেয়াও ভাল এই ভাবি) নগাওঁৰ নৰ্ম্মাল স্কুলৰ পণ্ডিত শ্ৰীযুক্ত দীনবন্ধু তৰ্কালঙ্কাৰ মহাশয়ৰ উৎসাহত এই ক্ষুদ্ৰ পুথিখনি স্কুলত ব্যৱহাৰ হবৰ আশাৰে অসমীয়া ভাষাত ৰচনা কৰা গৈছে। ইয়াত অন্য অন্য কোনো লোকৰো জ্ঞানগৰ্ভ পদ্য ৰচনা গ্ৰহণ কৰিছোঁ, আৰু যি সকলৰ পদ্য পোৱা হৈছে, তেওঁ বিলাকৰ সংক্ষেপ নাম প্ৰত্যেক পদৰ তলতে দিয়া গৈছে। যই তেওঁবিলাকৰ কোনো অংশ পৰিবৰ্ত্তন অথবা একেবাৰে পৰিত্যাগ কৰিছোঁ। তাক যেন দয়াগুণে তেওঁবিলাকে মাৰ্জ্জনা কৰিব। যদি ক্ষুদ্ৰ পুথি খনিৰ দ্বাৰাই পাঠাৰ্থী লৰা চোৱালী বিলাকৰ অলপমানো উপকাৰ হয়, তেন্তে সকলো পৰিশ্ৰমৰ দুঃখ সফল বোধ কৰিম, ইতি—

নগাওঁ
১৭৯৪ শক } শ্ৰীপদ্মহাস গোস্বামী

পদ্যমালাত সৰ্ব্বমুঠ ২২ টা কবিতা আছে। কবিতা সমূহৰ একাদিক্ৰমে নাম :— "ঈশ্বৰলৈ সেৱা জনোৱা, বিনয়, মাতৃস্নেহ, নীতিকথা, প্ৰকৃত মানুহ কাক বোলে ? সৎলোকৰ সৰলতা গুণ এড়িব লগা নহয়, সত্যতা, দয়া, জ্ঞান, বিচাৰ কৰা, শীতকাল, বিদ্যা, শিক্ষকলৈ ভক্তি প্ৰকাশ কৰা, কানি বা আফিঙ্গ, ঈশ্বৰৰ মাহাত্ম্য, ধাৰ্ম্মিক লোকৰ দুঃখতো সুখ, যথাৰ্থ বন্ধু, পৰাধীন আৰু স্বাধীন লাজ বা লজ্জা, বুদ্ধি আৰু বিবেচনা, ঈশ্বৰৰ নিয়ম লঙ্ঘিলে মূৰ্খত্ব প্ৰকাশ পায়, অহঙ্কাৰ, অহিংসা।"

পদ্যমালাৰ জি, ৰ, ৰচিত 'শীতকাল' অমৃতাক্ষৰ ছন্দত ৰচিত প্ৰকৃতি বিষয়ক আধুনিক যুগৰ প্ৰথম কবিতা। কবিতাৰ কিছু অংশ নিদৰ্শন স্বৰূপে উদ্ধৃত কৰা হল :—

"শীতকাল।

"আহাঁ শীত ঋতু ! তুমি মহানন্দ কৰি।
দলবল লই, কিন্তু অতি সাৱধানে ॥
অজস্ৰে আহিবা, সুখে নিজ ৰাজ্য লাগি
তুমি দূৰ কৰা আহি, বাৰিষাৰ দুঃখ ॥
আশা আমাশাৰ এই, শীত মহামতি।
নদী অতি ভয়ঙ্কৰ, বৃষ্টি, জল ধাৰা ॥
পথ ঘাট ক্লেশকৰ, পৃথিবীত আতি।
তোমাৰ জানিয়া বাৰ্ত্তা, সমস্ত প্ৰকৃতি।
থৰথৰ কম্পমান, হাঁহি মোৰ মনে ॥

বৃষ্টি, মেঘ, বিযুলি থাকিছে আকাশত।
পলাল, পীপৰা, মহ ডাঁহ শঙ্কা কৰি ॥
শালীধানে পথাৰত, দেখাহি হাহিছে।
প্ৰফুল্লিত মন, কলা, মূলা তৰকাৰী ॥
... ... ... ...
... ... ... ...
আহাঁ শীত ! তোমাৰ ৰাজত্ব, মহামুখী ॥
কিন্তু কোনো বৃক্ষ ই কালত, দুঃখী অতি।
পত্ৰ এড়ি এড়ি হয়, জীৰ্ন কলেৱৰ ॥
আহিব বসন্ত ৰজা, মহানন্দ কৰি।
তাৰ বাৰ্ত্তা জানি তুমি, গৰ্ব্ব নকৰিবা ॥
বিষম দৈৱৰ গতি এই সংসাৰত।
আহা ! চিৰকাল প্ৰাণী একত্ৰে নেথাকে ॥
.... .... .... ...
... .... ... ....

৺পদ্মহাস গোস্বামীৰ অন্য এখনি পাঠ্য পুথি হ'ল "অসমীয়া লৰাৰ শিক্ষাসাৰ"। এই পুথিৰ বহুল প্ৰচলন হৈছিল, সেইদেখি ৺গোস্বামী দেৱৰ মৃত্যুত এই পুথিৰ চতুৰ্থ সংস্কৰণ "শ্ৰীযুক্ত মিলাৰাম দেৱ শৰ্ম্মা, নগাওঁ ডিষ্ট্ৰিকস্কুল কমিটীৰ মেম্বৰ মহাশয় দ্বাৰাই প্ৰকাশিত হয়। ভাদ্ৰ। শক ১৮০২। মূল্য—চাৰি অনা"। পুথিৰ পৃষ্ঠা সংখ্যা ৫৬।

এই পুথিৰ বিষয়ে এম্ ব্ৰনচন চাহাবে লিখিছিল—
"I have examined these Reading Lessons in Assamese, prepared by Baboo Padma Hash Goswami, Sanskrit Teacher in the Nowgong Govt. School and hope he will print them without delay, as they will make a very excellent Reader which is much needed in all the Vernecular Schools. Nowgong. 9 the May 1874."

"অসমীয়া ল'ৰাৰ শিক্ষাসাৰ"ত বিভিন্ন বিষয়ৰ ষোলটি প্ৰৱন্ধ আছে। ইয়াত অন্তৰ্ভুক্ত হোৱা প্ৰাকৃতিক বিজ্ঞান বিষয়ক প্ৰৱন্ধৰ ভিতৰত "মেঘৰ বিষয়, বৃষ্টি বা বৰষুণ, ৰামধনু, বিদ্ৰুত আৰু বজ্ৰাঘাত, চন্দ্ৰ সূৰ্য্যৰ গ্ৰহণ, পৃথিবীৰ আকৃতি, ভুইকঁপ, বা ভূমিকম্প, পৰমাণু" আদিয়েই প্ৰধান। অসমীয়া ভাষাৰ প্ৰথম যুগৰ বিজ্ঞান সম্বন্ধীয় প্ৰৱন্ধ স্বৰূপে গোস্বামীৰ সহজ সৰল ভাষাত ৰচিত এই ৰচনাৱলী সমাদৰৰ যোগ্য। তলত "পৰমাণু" নামৰ প্ৰৱন্ধৰ পৰা কিছু উদ্ধৃত কৰা হ'ল:—

"বস্তুৰ অতি সূক্ষ্ম সূক্ষ্ম ভাগক পৰমাণু বোলে। এই বোৰ পৰমাণু ইমান সৰু যে, তাক চকুৰে দেখা নাযায়, হাতেৰে ধৰা নাযায়, আৰু আন কোনো ইন্দ্ৰিয় দ্বাৰাই প্ৰত্যক্ষ কৰিব নোৱাৰি। সোন, ৰূপ, লো, শিল পানী, মাংস, শিৰা ও তেজ প্ৰভৃতি পৃথিৱীত যত জড় বস্তু আছে, সকলোৱেই ক্ষুদ্ৰ ক্ষুদ্ৰ পৰমাণু লগ লগোৱা।

"এইযে সূৰ্য্য, চন্দ্ৰ, গ্ৰহ নক্ষত্ৰাদি থকা অতি বিচিত্ৰ জগত আমি দেখিছোঁ, ই কেৱল পৰমাণু সমূহত বাহ্যে আন একো ন হয়। ঈশ্বৰে সৃষ্টি কৰিবৰ অভিপ্ৰায়ে প্ৰথমে এই ক্ষুদ্ৰ পৰমাণুকেই সৃজন কৰিলে। সমুদায় বস্তুৱেই ইয়াৰ যোগ বিয়োগ দ্বাৰাইহে উৎপন্ন হইছে। এতিয়াও কোনো কোনোয়ে বস্তুৰ পৰমাণুবোৰ বেলেগ বেলেগ কৰি দেখুৱাব পৰা নাই; কিন্তু সকলো দ্ৰব্যকে পুনঃ পুনঃ ভাগ কৰি সৰু কৰিব পৰা যায়, ইয়াতে পৰমাণু যে অতি সূক্ষ্ম তাক সুন্দৰে বুজিব পাৰি। এক ভৰি সোণেৰে ৭৬ ছয়সত্তৰ ক্ৰোশ দীঘল তাৰ প্ৰস্তুত কৰিব পৰা যায়, মকৰাই যি সূতাৰে জাল সাজে তাৰ এডাল সূতাৰ মাজত ৬,০০০ ছ হাজাৰ গজ অতি সূক্ষ্ম সূতা আছে। এতেকে এই বিলাক তাৰ আৰু সূতা যি বোৰ পৰমাণুৰ সমষ্টি অৰ্থাৎ যি



বোৰ পৰমাণুৰে লগলগাই সাজিছে, সি কিমান সৰু এতিয়া তাক বিবেচনা কৰি চোৱা"। (পৃঃ ৫০—৫১)

৺পদ্মহাস গোস্বামীয়ে "ব্ৰাহ্মধৰ্ম্মৰ লক্ষণ" আৰু "ব্ৰাহ্মধৰ্ম্মনো কাক বোলে?" নামৰ দুখন কণ কণ পুথি ৰচিছিল। "ব্ৰাহ্মধৰ্ম্মৰ লক্ষণ" পুথি "গুৱাহাটীৰ চিদানন্দ প্ৰেসত শ্ৰীঅমৃত লাল শৰ্ম্মা দ্বাৰা ১৭৯৫ শকত (নগাওঁ) ছপা" হৈছিল। মূল্য আছিল "/০ আনা মাত্ৰ; কিন্তু যি কোনোএ ব্ৰাহ্মধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে ১০ খন বা তাতকৈ অধিক ক্ৰয় কৰিছিল তেওঁক খনে দুই পইছাকৈ" দিয়া হৈছিল। দ্বিতীয় পুথি খনি "ঢাকা ইষ্টবেঙ্গল প্ৰেসত মুদ্ৰিত। ইং ১৮৭৪।১২ জনুৱাৰী।" অসমত ব্ৰাহ্মধৰ্ম্ম প্ৰচাৰৰ চেষ্টাৰ কিছু পৰিচয় এই পুথি-দুয়ে দিব।

## ৩—"পদাৰ্থ বিদ্যাৰ সাৰ।"

বিজ্ঞান বিষয়ক সেই সময়ৰ অন্য এখন পুথি "পদাৰ্থ বিদ্যাৰ সাৰ"ৰ ইয়াতে উল্লেখ কৰা উচিত। পুথি খনিৰ দ্বিতীয় সংস্কৰণত বেটু পাতৰ কথাখিনি তলত উদ্ধৃত কৰি দিয়া হ'ল।

"Natural Science
in
Familiar Dialogues
পদাৰ্থ বিদ্যাৰ সাৰ অৰ্থাৎ—
ঈশ্বৰে স্ৰজা বস্তুৰ কথাত শিক্ষক আৰু ছাতৰৰ কথোপ-কথন।

From the Bengali
By
Nidhi L. Farwell, 1855
Revised By E. W. C.
Sibsagar, Assam;
Baptist Mission Press.
and edition 1874 (800 copies)

"পদাৰ্থ বিদ্যাৰ সাৰ" পুথি ১২৫ পিঠিত সমাপ্ত হৈছে। ইয়াত চৈধ্যটি কথোপকথনৰ অধ্যায় আছে, প্ৰত্যেক অধ্যায়ৰ শিৰোনামাত ইংৰাজীৰেও বিষয় বস্তুৰ নামাকৰণ কৰা আছে। সেই সময়ৰ ই এখনি আকাৰত ডাঙৰ পুথি। "পদাৰ্থ বিদ্যাৰ সাৰ"ৰ প্ৰথম অধ্যায়ৰ পৰা সেই পুথিৰ গদ্য ৰীতিৰ নিদৰ্শন স্বৰূপে কিছু অংশ উদ্ধৃত কৰি দিয়া হল:—

### ১—"কথোপকথন।"

"Dialogue 1.—Introductery.

"শিক্ষকে চাতৰত সুধিলে, হে চাতৰ, তুমি ভূগোলৰ বিৱৰণ শিকি এটা'লা, এতিয়া কি বিদ্যা শিকিবৰ ইচ্ছা কৰা, তাক মোত কোৱাচোন?

ছাতৰে উত্তৰ কৰি কলে, হে দেও, এতিয়া ঈশ্বৰে স্ৰজা বস্তুৰ কথা জানিবলৈ মোৰ বাঞ্ছা। শিক্ষকে বুলিলে, এয়ে অতি উত্তম হয়; কিয়নো সাধু লোকে ঈশ্বৰে স্ৰজা বস্তুৰ কথাৰ জ্ঞানেৰেই সদায় আনন্দেৰে থাকে।

ছাতৰে সুধিলে, ভাল দেওঁ, ঈশ্বৰে স্ৰজা বস্তুৰ গুণ বুঝাত কি ফল হব?

শিক্ষকে সমিধান দি বুলিলে, তাৰ পৰা সুখ আৰু জ্ঞান বাঢ়ে।

ছা—ময় অজ্ঞানী হোৱাত ঈশ্বৰে স্ৰজা বস্তুৰ গুণ বুঝিব পাৰিম নে? তাক জানিবলৈ অধিক জ্ঞানী হব নেলাগেনে?

## ৩—"অসমীয়া লৰাৰ ব্যাকৰণ"।

"ওপৰুক্ত পুথি শ্ৰীদীনবন্ধু তৰ্কালঙ্কাৰ কৰ্ত্তৃক ৰচিত। শ্ৰীযুক্ত ৰায় গুণাভিৰাম বড়ুয়া বাহাদুৰ কৰ্ত্তৃক প্ৰকাশিত। কলিকাতা বাল্মীকি যন্ত্ৰত শ্ৰীকালীকিঙ্কৰ চক্ৰবৰ্ত্তি কৰ্ত্তৃক মুদ্ৰিত। শক ১৭৯৫। ইংৰাজি ১৮৭৩। মূল চাৰি অনা মাত্ৰ।

পৃষ্ঠ ৪৯।” প্ৰথম সংস্কৰণৰ প্ৰকাশকৰ ভূমিকাৰ পৰাই পুথিৰ পৰিচয় পোৱা যাব।

“আমাৰ দেশৰ পঢ়াশালি বিলাকত অসমীয়া ভাষা শিক্ষা দিবলৈ সংক্ষেপ ব্যাকৰণ নোহোৱাত শ্ৰীযুক্ত দীনবন্ধু তৰ্কালঙ্কাৰ মহাশয়ে এই ব্যাকৰণ খনি ৰচনা কৰি তেওঁৰ ছাত্ৰ বিলাকক শিক্ষা দিছিল। ইয়াক ময় পঢ়ি চালোঁ। সংস্কৃত ভাষাৰ ব্যাকৰণ অৱলম্বন কৰি ইয়াক ৰচনা কৰা হলেও সেই ভাষাৰ নিয়ম আমাৰ ভাষাত যিমান চলিছে সিমানহে ইয়াত সংক্ষেপে আছে। আৰু অসমীয়া ব্যাকৰণত থাকিব লগীয়া প্ৰায় সকলো নিয়ম ইয়াত আছে, ইয়াৰ দ্বাৰা আমাৰ ভাষা শিকিবলৈ অনেক সাহাজ্য হব হেন আশা কৰি ময় বৰ সন্তোষ পাইছো আৰু গ্ৰন্থকৰ্ত্তাৰ অভিপ্ৰায় অনুসাৰে ইয়াক মুদ্ৰিত কৰিলোঁ। এতিয়া আমাৰ দেশৰ লৰাছোৱালী বিলাকৰ ইয়াৰ পৰা উপকাৰ হলেই আশা সফল হোৱাৰ সন্তোষ লভিব পাৰিম। নগাওঁ জিলাৰ শিক্ষা বিভাগৰ ডিষ্ট্ৰিক্ট কমিটিয়েও এই পুথিক পঢ়াশালিত পঢ়িব লগীয়া বুলি অভিমত কৰিছে। ...............”

অসমীয়া পাতনি আৰু সমালোচনা সাহিত্যৰ আদি নিদৰ্শন বুলিও এই ভূমিকাৰ মূল্য আছে। ৺গুণভিৰাম বৰুৱাই অসমীয়া সাহিত্য প্ৰচাৰত লিখক আৰু ৰচক সকলক কিদৰে উৎসাহ উদগনি দিছিল সেই কথা অসমীয়া লৰাৰ ব্যাকৰণৰ দ্বিতীয় সংস্কৰণত (এই পুথিৰ বহু সংস্কৰণ হৈছিল; প্ৰবন্ধ লেখকৰ হাতত দ্বিতীয় আৰু পঞ্চম সংস্কৰণৰ পুথি আছে) পুথিৰ ৰচক ৺দীনবন্ধু শৰ্মাই লিখিছে :—

“......ইয়াক যেতিয়া দেখে তেতিয়া ময় সামাজিকতো ভৰা নাভিলোঁ যে ই কেতিয়াবা মুদ্ৰিত হই জ্ঞানি সমাজত প্ৰচাৰ হব। অকল প্ৰকাশক মহোদয়ৰ যত্নতহে ই মুদ্ৰাযন্ত্ৰত উঠে। এতেকে কৃতজ্ঞতাৰ চিনৰূপে তেওঁৰ নাম আগৰ দৰে ইয়াৰ শিৰোভূষণ ৰাখি দ্বিতীয় বাৰ প্ৰচাৰ কৰিলোঁ। ইতি—

শ্ৰীদীনবন্ধু শৰ্ম্মা। অসম, নগাওঁ। শক ১৭৯৫। ২৫ চৈত্ৰ।

## ৪—“হিত পাঠ। প্ৰথম ভাগ।”

“এই পুথি “অসমীয়া লৰাৰ কাৰণে শ্ৰীতুলাৰাম দাস বিৰচিত। গুৱাহাটী চিদানন্দ যন্ত্ৰত শ্ৰীঅমৃত লাল শৰ্ম্মাৰ দ্বাৰা ছাপা হল। ১৭৯৬ শঁক বহাগ মাহ। বেচ ৶৬ সাৰে তিনি অনা মাথোন”। পুথিখনি ৬০ পৃষ্ঠাৰ; সৰহভাগ প্ৰবন্ধ; শেষৰ পিনে কেইটিমান উপদেশ-মূলক কবিতা আছে। পুথিৰ পাতনিত (জাননি বুলিহে পুথিত আছে) লেখকে অসমীয়া উচ্চাৰণৰ বিষয়ে আলোচনা কৰিছে।

উচ্চাৰণ আৰু আখৰ জোটনিৰ বিষয়ে উল্লেখ থকা হেতু পাতনিটিৰ মূল্য বাঢ়িছে। পাতনিটো সম্পূৰ্ণভাৱে তলত উদ্ধৃত কৰা হল :—

“আমাৰ অসম দেশৰ অসমীয়া পঢ়াশালি বিলাকত অকাৰ দুই প্ৰকাৰে উচ্চাৰিত হয়। যেনে; কলা (শ্ৰৱণ শক্তিহীন), ক’লা (বৰণ বিশেষ), মৰা (মৃত) ম’ৰা (চৰাই বিশেষ) এই চাৰিটি শব্দৰ অকাৰ। একাৰবো তেনে। যথা এটা (১), এটি (১) এই দুই শব্দৰ একাৰ) * লৰা পাঠ দ্বিতীয় ভাগ পঢ়ি এটোৱা লৰা বিলাকে, ন পুথি পঢ়ি চকু বলাবলৈ, আৰু কথা শিকিবলৈ, সেই ভাষাৰ ভাল একো সাহিত্য পুথি নথকা হেতুকে, হিত পাঠ প্ৰথম ভাগ নাম দি, এই পুথিখনি প্ৰকাশ কৰা হল।

“এই পুথি লৰা ছোৱালী বিলাকৰ লাগতীয়াল হিত কথাৰে ভৰা; অথচ কোনো পুথি বিশেষ ইয়াৰ আৰ্হি নহয়। আৰু ইয়াত যিমানলৈ পৰা গৈছে, সৰু সৰু ঢিলা চলতি ভাষাৰ (লৰা ছোৱালী আৰু চহা মানুহ বিলাকে, যি ভাষা সদায় ব্যৱহাৰ কৰে) সেই ভাষাৰ পদ সকলেৰে কথা সজোৱা হৈছে। আৰু সৰু সৰু লৰাছোৱালীবোৰে, সহজে বুজিব পৰাকৈ সেই পদ বিলাকক উজুকৈ গথাঁও হৈছে।

ৰচনা কৰিবৰ পৰত ভবা হৈছিল যে, পৰা পক্ষে ডাঙৰ ডাঙৰ শব্দ সকল এৰা যাব, যেতিয়া ডাঙৰ শব্দ নিদিলে, মনৰ ভাব প্ৰকাশ কৰিব পৰা নেযায়, কি ৰচনা অশ্ৰাব্য হয়, তেতিয়াহে বা কি। কিন্তু কাৰ্য্যত কিমানলৈ পাৰ্গত হোৱা গৈছে, তাক এতিয়া বুজিব পৰা নাই।

... ... ...
... ... ...

শ, ষ, স ইহঁতক ব্যঞ্জন কি ঋ, ৰ্‌ৰ, আগত যোগ কৰিলে আৰু স হলন্ত কৰি পিচত থাকিলে, আপোনাৰ মাত এৰি, কোমল ছ কাৰৰ মাত ধাৰণ কৰে। যেনে—নিস্তাৰ, বস্ত্ৰ, অষ্টমী, স্ৰজন, স্ত্ৰী, স্বভাৱ, শিষ্য, সৃষ্টি, সংশ্লিষ্ট, বৎসল, চিকিৎসা, জুগুপ্সা ইত্যাদি। কিন্তু স্বয়ম্বৰা শব্দৰ স্ব দেও শব্দৰ আগত থকা স্বৰ্গ শব্দৰ স্ব আৰু সদাৰ, কাউৰী আদি শব্দৰ আগত থকা শ্বেত শব্দৰ শ্ব, কোমল স কাৰৰ দৰে উচ্চাৰিত হয়। যেনে, স্বয়ম্বৰা, স্বৰ্গদেও, শ্বেত সদাৰ, শ্বেত কাউৰী ইত্যাদি। কিন্তু স, শ দিও লিখে।

বিদেশীয় শব্দৰ লগত যদি সেই তিনটি আখৰ থাকে, তেন্তে সিহঁতক কোমল ছ কাৰৰ দৰে মাতিব লাগে। যেনে, সাহাব, পয়সা, তপশীল, পুলষ, মুৰসিদাবাদ, নিশান ইত্যাদি।

শ যদি সংখ্যা বুজোৱা শব্দৰ শেহতীয়া আখৰ হয়, তেন্তে সি হলন্ত ছ কাৰৰ দৰে উচ্চাৰিত হব। পূৰণ বাচক একাদশ, দ্বাদশ আদি শব্দ বৰ্জ্জে যেনে, উনৈশ, একৈশ, বাইশ ইত্যাদি।

... ... ...
... ... ...

“এতিয়া এই ভাষাৰ ভাল ব্যাকৰণ নৌ হয়; এইদেখি অধ্যাপক সকলক অনুৰোধ কৰো; সি বিলাকে যেন, আপোনাৰ ছাত্ৰৰ বিলাকক ওপৰত লিখা ব্যাকৰণ সম্পৰ্কীয় অতিৰিক্ত কথা কেইফাকি, আৰু সেই টিকাটি ভালকৈ বুজাই দিয়ে।

গুৱাহাটী সদৰ বঙ্গলা স্কুল } শ্ৰীতুলৰাম দাস
১৭৯৬ শকঁ বহাগ মাহ } দ্বিতীয় পণ্ডিত

এই খিনিতে সেই সময়ত আড়ম্বৰপূৰ্ণ সংস্কৃত আৰু সৰল অসমীয়া লেখা ৰীতিৰ বিষয়ে পণ্ডিত আৰু পাদ্ৰী সকলৰ মাজত হোৱা বিৰোধিতাৰ বিষয়ে উল্লেখ কৰা উচিত। ‘অৰুণোদই’ৰ ভাষা সংস্কৃতৰ দৰে আড়ম্বৰপূৰ্ণ কৰিবলৈ কোনো কোনোৱে নিৰ্দ্দেশ দিয়াত ১৮৫৪ চনৰ এপ্ৰিলত সম্পাদকে মন্তব্য কৰিছিল।

“..........আৰু সংস্কৃতৰ মাত লিখাৰ দৰে দিৰ্ঘ ঈকাৰ উকাৰ আদিৰে ভাসাৰ মাতো লিখিব দিছে, আৰু আমাত কৈছে, “আনন্দ বৰ্দ্ধক, ও শুদ্ধ, ও সংসিকৃত কঠোৰ কঠোৰ শব্দ এবং গভিৰ ভাব, জ্ঞানৰ নিমিত্ত পদ বিলাক শুদ্ধ ও পদ বন্ধবিলাক শ্ৰাবণী জনৰ শ্ৰৱণ কুহৰে সুধা শ্ৰৱিত তুল্য হলহৈতেন, অৰুণোদই নো কি অমূল্য নিধি হলহৈতেন, কবই নোৱাৰোঁ; তথাচ বাখৰ দিয়া শোনাৰ ভূষনতে হিৰা পতাৰ নিচিনা হব।”

ইয়াৰ উত্তৰত সম্পাদকে যি লিখিছিল সি প্ৰনিধান যোগ্য :

“কিন্তু আমি কেৱল পণ্ডিতলৈ লিখা নহই, সকলো মানুহৰ নিমিত্তে লিখিছোঁ। সংস্কৃত আৰু ভাসা মিহলি কৰিলে, আমি ভাল নেদেখোঁ; সংস্কৃত হলে

* মূল পুথিত বন্ধনীত দিয়া কথাখিনি ফুটনোটত আছে।

শুধ সংস্কৃতেই হব লাগে। সংস্কৃতত হলে প্ৰাই সংযোগি আখৰ, ভাষাত গোট গোট আখৰ। আগৰ কালৰ মানুহৰ মুখত সংস্কৃতৰ সকলো মাত লিখা দৰে ফুটিছিল; এতিয়া প্ৰাই পণ্ডিতৰ মুখতে সুফুটে।

"ভাষা লিখোঁতে আখৰৰ জিমান জাত তিমানহে লিখিব লাগে; একে জাতিৰে দুই তিনি প্ৰভেদৰ সকাম নাই। জ, য় জৰ এই দুইৰো একেটা উচ্চাৰণ; এই হেতুকে অন্তস্থ য় ৰ বাহিৰে আন যি লিখোঁ। শ, ষ, স তিনটাৰে একে মাত; শ্ৰী, স্ত্ৰী,ৰ একো ভেদ নে দেখোঁ। ন, ণ, আৰু হ্ৰস্ব, দীৰ্ঘতো এইদৰে বুজিবা। ভাষাত ৰণ নো বোলে ৰনহে বোলে; পানী হলে পানি বোলে; পাপীৰ ঠাইত পাপি, কূলৰ ঠাইত কুল সূৰ্য্যৰ ঠাইত সুৰ্জ বা সুৰুজ। আৰু ৰেফৰ পাচত এটা আখৰ দুটাকৈ নু ফুটে; পৰ্ব্বত নো বোলে পৰ্বত হে বোলে; সৰ্ব্ব, ধৰ্ম্ম, কৰ্ম্ম, মৰ্ম্ম মুখত নোলাই; সৰ্ব, ধৰ্ম, কৰ্ম, মৰ্ম নাইবা ধৰম, কৰম, মৰম এইৰূপে ওলাই। শ্লোক লিখিলে সংস্কৃতৰ ভাবেৰে অযত্নে লিখিব লাগে। ভাষাত হলে আমাৰ দাই ন ধৰিবা। ........ ......" (পৃ: ৫৯—৬০)।

তলত "হিতপাঠ"ৰ প্ৰথম প্ৰবন্ধৰ পৰা ভাষাৰ নিদৰ্শন স্বৰূপে কিছু অংশ তুলি দিয়া হল:—

## "হিতপাঠ।

### প্ৰথম ভাগ।

#### পুৱাই শুই উঠাৰ কথা।*

"ককাইদেওঁ! ৰাতিপুৱাল উঠা, আমাৰ শোৱা ঠাইত বেৰৰ সুৰুঙ্গাযিদি, সোৱা পোহৰ পৰি-লেহি, চোৱা চোঁন, কেনে ওৱা যেন জিলিকিছে! চৰাই বোৰে; ৰাতি পুব্যবৰ দেখি ৰং পাই, আপোন মাতেৰে কেনেকৈ মাতিছে! শুনাচোঁন! ৰাতিৰ ৰিবৰিবীয়া জুৰ বতাহ পাই, গছ গছনি বোৰৰ কুমলীয়া পাতটিইঁত, চাগৈ ঠন ধৰি, জক-মকাব লাগিছে দেহী! নিয়ৰ পৰা ডুবৰীবন বিলাক, এই পৰত দেখিবলৈকে নো, কি ৰূপহ্ হৈছে চাগৈ। আহা আমিও বাহিৰলৈ গৈ, সেই বোৰ চাই ৰং পাওঁ, আৰু মুখ হাত ধুই, আমাৰ পুথিৰ পাঠ আওড়াওঁ গৈ।"

'হিতপাঠ'ৰ শেষৰ পিনে থকা 'এলাহ' কবিতাটিৰ কিছু অংশ সেই যুগৰ নীতি কবিতাৰ নমুনা স্বৰূপে উদ্ধৃত কৰা হল:—

### "এলাহ।"

পদ্য।

"টেকনীয়া লৰা সোটে নলয় কাচুটি।
পিন্ধালে থহে যদি তেও নলয় আঁটি॥
চুৰিয়া হুঁহকি যদি সুলকি পৰয়।
তথাপিতো সি, তাক সামৰি নলয়॥
একাঁচল যুৰে যদি মাটিত চুঁচৰি।
এলাহতে নেসামৰে হৰি, হৰি, হৰি॥

*　　*　　*　　*

গা ধুলে ডুব মাৰি পোনেই আহে উঠি।
ঘঁহি পিহি কেতিয়াও নোধোবে, দেহাটি॥
গামোছাৰে কেতিয়াও মুৰটি নোটোকে।
গা ধোব্য পানী তাৰ গাএ শুহি থাকে॥
এই দেখি গাত মলে বান্ধিছে টাটৰি।
এলাহতে নপথালে হৰি, হৰি, হৰি॥
... ইত্যাদি ইত্যাদি।

### ৫। "কামিনী কান্ত।"

ই এখনি উপন্যাস শাৰীৰ পুথি। "শিৱসাগৰ আমেৰিকান বাপ্তিষ্ট মিসন যন্ত্ৰ। ১৮৭৭।" এই পুথি ৺পদ্মাৱতী দেবী ফুকননীৰ "সুধৰ্ম্মাৰ উপা-

*এই পুথিত ৰ টো ৰ আৰু ৱ টো ব্ লিখা হৈছে। এই বিষয়ে পাতনিত আছে "দন্তৌষ্ঠ্য বৰ্ণ আৰু পেটকটা ৰ এই দুই আখৰৰ অভাৱে ক্ৰমে ব্ আৰু ৰ দিয়া হৈছে"। —লিখক



খ্যান"তকৈ তিনি বছৰৰ পূৰ্ব্বে প্ৰকাশ হয়। সুধৰ্ম্মাৰ উপাখ্যান ছপা হয় ১৮৮০ খৃঃত। কামিনী কান্ত উপন্যাসৰ বিষয় বস্তু-ৰামচন্দ্ৰ চট্টোপাধ্যায়ৰ সৰু পুতেক কামিনী কান্তই ৰাঘৱন্দ্ৰ বন্দোপাধ্যায়ৰ বৰ জীয়েক সৰলাক বিবাহ কৰিছিল। কামিনীকান্তই খৃষ্ট ধৰ্ম্ম গ্ৰহণ কৰাত বাপেকে তেওঁক ত্যজ্য পুত্ৰ কৰে: সৰলাৰ পৰাও তেওঁৰ বিচ্ছেদ ঘটে। কিন্তু কামিনী সৰলাৰ বন্ধু নৰেন্দ্ৰ আৰু তেওঁৰ পত্নী হেমাঙ্গীৰ সহায়ত স্বামী-স্ত্ৰীৰ পুনৰ মিলন ঘটে। কামিনীয়ে আঁতৰি থকা অৱস্থাত সৰলালৈ খৃষ্ট ধৰ্ম্মৰ বিষয়ে বহু চিঠি-পত্ৰ দিয়ে; আৰু সেই চিঠিৰ দ্বাৰা সৰলাকো খৃষ্টধৰ্ম্ম গ্ৰহণ কৰোৱাবলৈ সমৰ্থ হয়। বৰ্ণনা মূলক গদ্যৰ নমুনা স্বৰূপে পুথিৰ শেষ আধ্যা বা সামৰণি অংশৰ পৰা কিছু উদ্ধৃত কৰি দিয়া হ'ল:—

"পাঠক, পূৰ্ব্বে কোৱা ঘটনাৰ চাৰি বছৰৰ পাছে কামিনীকান্তৰ অৱস্থা এবাৰ দেখা; কামিনী কান্তই এতিয়া কচাৰিত কাম কৰে, বহু বজাৰত এটা ডাঙ্গৰ দুই টলা ঘৰত থাকে। ঘৰটী দেখিবা; বলা, কিন্তু আতঁৰতে থিয় হৈ দেখিব লাগিব। তুমি অপৰিচয় পুৰুষ, তোমাক দেখিলে সৰলায় নিশ্চয় লুকাব। তেন্তে মোৰ লগত আহাঁ; তুমি দ্বাৰৰ ওচৰ হৈ দেখিবা। সেইয়া দেখা, সৰলা পাটীত বহি আছে, কোলাত এটা শিশু, ওচৰত এটি ছোৱালী বহি খেল কৰিছে।

ছোৱালীৰ নাম অমৰাৱতী; বয়স তিনি বছৰ, ওঠত যেন হাঁহি লাগি আছে। সেইয়া শুনা মধুৰ বাক্যে মাকক কি সুধিছে। এনে মধুৰ বচন কি কোনো সময়ত শুনিছা? পাঠক, যদি সৰপাৰ মৃদু, নম্ৰ আৰু পবিত্ৰৰ সাক্ষাৎ প্ৰতিমূৰ্ত্তি দেখিব খোজা তেন্তে এবাৰ অমৰাবটীৰ মুখৰ ফালে চাই দেখা। দেখিলেই বোধ হব, যেন কপট বা কোনো প্ৰকাৰ মন্দই ওচৰ ছাপিব নোৱাৰে ............ (পৃ: ৬৪-৬৫)

(ক্ৰমশঃ)

*এই পুথি অধ্যাপক শ্ৰীযুত উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ পৰা পোৱা গৈছে। —লিখক

---

# প্ৰায়শ্চিত্ত

ডাঃ হেম বৰুৱা

আমাৰ শাস্ত্ৰমতে মানুহৰ গাতে লাগি ছটা ৰিপু আছে,—কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য্য। সন্দেহতওে ৰিপু বোলা হৈছে,—কাৰণ, সাধাৰণ চলন্তিত এই ৰিপুকেইটাই শত্ৰু শালিবলৈ সাহ নেপায়; 'দৰিত' থাকি মানুহৰ জীৱনৰ ধাউতি যোগায়; ভালত ভাল, তেতিয়া তইহে তই, মইহে মই। সততে কিন্তু দৰিৰ বান্ধ মুৰপিলিকা দিবলৈ ছল চাই থাকে; এবাৰ কেনেবাকৈ এটামানো যদি মুৰপিলিকা দিয়ে—তেতিয়া ই মানুহৰ বৈৰী হয়,—ৰিপু। ইয়াৰ

স্বাভাৱিক অৱস্থা ক্ষিপ্ত ; সেই ক্ষিপ্ত ৰিপুৰ তাড়নাত মানুহে যি কাম কৰে—সেয়ে পাপ। এই ষড়ৰিপুৰ ক্ষিপ্ত তাড়নাৰ বাহিৰে মানুহে পাপ কৰিবলৈ অক্ষম।

পাপকৰ্ম্মৰ এটা ছাব থাকে, সেইবাবে পাপ বুলি চিনাকি দিয়ে,—ছাব নেথাকিলে পাপ বুলি গণ্য নহয় ; পাপ-কৰ্ম্মই কৰ্ত্তাৰ মনত আঘাত লগায় ; এই আঘাতৰ ফলত, পাপৰ গুৰুত্ব অনুযায়ী মনত ঘা লাগে ;—সুচিকিৎসাত সেই ঘা নুশুকালে তাৰ বিষ জন্ম-জন্মান্তৰ ভোগ কৰিব লাগে আৰু ঘাৰ বিষাক্ত পুঁজ-পানীয়ে সমাজৰ ভালেমান অনিষ্ট কৰিবৰ সম্ভাৱনা হয়। আঘাত যিমানেই গুৰুতৰ নহওক, ঘা যিমানেই বিষাক্ত নহওক, আমাৰ শাস্ত্ৰত ইয়াৰ যথোচিত চিকিৎসাৰ বিধান আছে, আৰু সেই বিধানমতে চিকিৎসা কৰিলে ঘা সম্পূৰ্ণ শুকুৱাৰ আশা দিছে। হিন্দু ধৰ্ম্মমতে এনে পাপী নাই যাৰ উদ্ধাৰ অসম্ভৱ। চিকিৎসা কঠোৰ হব পাৰে, কিন্তু চিকিৎসাৰ অন্তত আৰোগ্য নিশ্চিত,—পাপীৰ পৰিত্ৰাণ অৱশ্যম্ভাৱি।

এই পাপ ধাৰণাটোত, আইন্‌ষ্টাইন্ চাহাবৰ “থিয়ৰি অব ৰিলেটিভিটি (theory of relativity) বিশেষকৈ প্ৰযোজ্য। মনৰ উৎকৰ্ষতা অনুযায়ী ষড়ৰিপুৰ তাড়না আৰু ঘা লগাব পৰা শক্তিৰ তাৰতম্য হয়। এক সমাজত যিটো ক্ৰিয়া পাপ হব পাৰে, অন্য সমাজত সেই ক্ৰিয়া পাপ নহবও পাৰে,—মানসিক উৎকৰ্ষ এনে স্তৰৰ—তাত সেই ক্ৰিয়াৰ আঘাত কৰা জোখৰ শক্তি অকুলান। নিউগিনিৰ আদিম অধিবাসী এজনে ভোকত ৰক্ষা নেপাই ওচৰতে থকা পৰিবাৰক কাটি আহাৰ কৰিলে ; খৃষ্টিয়ান পাদুৰী এগৰাকীয়ে, ভোক গুচাৰ পাচত হাজিৰ হৈ মানুহজনক বুজাবলৈ চেষ্টা কৰিছিল,—কামটো বেয়া হ'ল বুলি। বোধকৰোঁ আদিম অধিবাসীজনে মনত আলোচনা কৰি পাদুৰী চাহাবৰ মঙহ, (সময়মতে পোৱা হ'লে) আৰু পৰিবাৰৰ মঙহৰ সোৱাদ তুলনা কৰি উত্তৰ দিলে-হেঁতেন,—“বেয়া নহয়, সোৱাদ”। এই পুৰুষজনে স্ত্ৰী হত্যা কৰিলে, কিন্তু তৎজনিত পাপ কৰিব নোৱাৰিলে। ৩০০০ বছৰৰ আগেয়ে পৰশুৰামে স্ত্ৰী হত্যা কৰাৰ ফলত হাতৰ কুঠাৰ হাতৰ পৰা খহাব নোৱাৰা হ'ল ; আজিকালিৰ সমাজত তেনে স্ত্ৰী হত্যা কৰিলে ফাঁচি দিয়ে। এক সমাজত গোবধ মহাপাপ, আন এটা সমাজত গো-বধ কৰি খাদ্য যোগাই পুণ্য অৰ্জ্জন কৰে। এক সমাজত সগোত্ৰী-বিবাহ নিষেধ, আৰু এক সমাজত দদায়েকৰ জীয়েকক বিয়া কৰায়। ব্যক্তিগত মনৰ উৎকৰ্ষৰ তাৰতম্য অনুসৰি পাপ ক্ৰিয়াৰ আঘাতৰ ব্যতিক্ৰম হয় ; এজনে পখিলা উৰি ফুৰা দেখি ভাল পায়, পখিলা নামাৰে,—মনত দুখ পায় ; কিন্তু আন এজনে ধুনীয়া পখিলাটি দেখিলেই মৰম কৰি মাৰি আনি আইনা লগোৱা বাকচত ভৰাই সদায় চাই থাকে। মানসিক উৎকৰ্ষৰ মানদণ্ডৰ জোখেৰে সমাজৰ স্তৰ নিৰ্ণীত হয়,—সেই স্তৰ অনুযায়ী, সেই সমাজৰ ব্যৱহাৰৰ নিমিত্তে, ক্ৰিয়াবোৰ ভাগ কৰি, আঘাত দিব পৰা সীমাৰ ভিতৰত পৰা ক্ৰিয়াবোৰ “পাপ” বুলি নিষিদ্ধ শ্ৰেণীভুক্ত কৰা হয়। এনে অৱস্থাত পাপৰ শ্ৰেণী সমাজে সমাজে বেলেগ বেলেগ হোৱা উচিত আৰু সৰু-সুৰা কথাত হয়ো ; কিন্তু বৰ্ত্তমান সভ্য জগতৰ ব্যৱহাৰত সমতা অনা হৈছে।

ভাৰতৰ আৰ্য্য সভ্যতাৰ পূৰ্ণ-বিকাশৰ যুগত পাপক্ৰিয়াৰ সুক্ষ্ম বিচাৰ কৰি, আঘাতৰ তাৰতম্য অনুযায়ী সেই যুগৰ মানুহৰ উপযোগী আঘাত-জনিত ঘাৰ চিকিৎসাৰ বিধান কৰি লৈছিল ;



সেই বিধান সমূহ ভগৱান মনুৱে “সংহিতা” কৰি শাস্ত্ৰভুক্ত কৰিলে। আজিকালি সভ্যতাৰ সমাজ,—সেই “মনুসংহিতা” প্ৰচলনৰ যোগ্য নহয়। আগৰ সমাজৰ আৰ্য্য এজনে পৰিবাৰক চৰ এটা মৰাৰ পাচত মনত আঘাত পাই নিজেই ৰাজদৰবাৰত গোচৰ দিয়েছি,—“হুজুৰ মই দোষ কৰিলোঁ, মোক দণ্ড দিয়ক”। আজিৰ সমাজত আৰ্য্য এজনে পৰস্ত্ৰীগমন কৰিও অকল মনে মনে থাকিয়েই সন্তুষ্ট নহয়, নিজকে তাৰিফো কৰে,—“চাবাচ্, কোনেও গম নেপালে”।

মনুসংহিতাত মোৰ বুৎপত্তি নাই,—সেই কাৰণে মনুসংহিতাৰ পক্ষে উকালতি কৰিবৰ ভাগ্য মোৰ নাই ; কিন্তু মনুসংহিতাত, আজিকালি সভ্যতাৰ তৰ্কবাগিচ সকলে যি দোষাৰোপ কৰে তাৰ নিমিত্তে ভগৱান মনু যে একেবাৰে জগৰীয়া নহয়, সেইটো ক'বলৈ কোনো হিন্দুৰে উকালতনামাৰ প্ৰয়োজন নাই। আৰ্য্য সমাজৰ পূৰ্ণবিকাশৰ যুগৰ উপযোগী কৰি ৰচনা কৰা আইনৰ আদিগ্ৰন্থ খনত, আৰ্য্য সমাজৰ পৰিৱৰ্ত্তনত ফেৰ মাৰি, খাঁপি খুৱাই, আজিকালিৰ আইনৰ ভাষাত, বহুত সংশোধন (amendments) যোগ দিব লগা হৈছিল,—আৰু ঠায়ে ঠায়ে পৰিৱৰ্ত্তন কৰিবলগা হৈছিল,—সকলো সময়তে সমাজৰ পৰিৱৰ্ত্তনৰ দাবী পূৰণ কৰি। মাজতে এটা অনৰ্থ ঘটিল,—হিন্দু সমাজৰ নিজৰ নিমিত্তে আইন কৰিব পৰা শক্তি ৰহিত হ'ল, সেই শক্তি বিদেশীৰ হাতলৈ গ'ল। যদিও হিন্দু সমাজ জী থাকিল, মনুসংহিতা লগতে বাঢ়িব নোৱাৰি একে ঠাইতে ৰ'ল,—আনকি কিছুমান সাময়িক (temporary) ব্যৱস্থা গুচাবও (repeal) নোৱাৰা হ'ল। সেই কাৰণে আজিকালি দুই এগৰাকী চুলুং বিদ্বানে উপলুঙা কৰি হাঁহিবলৈ সুবিধা পাইছে,—“এইবোৰেই হিন্দুৰ আইন”। মনুসংহিতা আজি-কালিৰ বিশাল হিন্দু-সমাজৰ ৪০০০ বছৰ ধৰি বিৱৰ্ত্তনৰ চানেকি,—জ্ঞানী আৰু সুধি সমাজে পঢ়ি সম্মান জনায়। ৫০০ বছৰৰ পাচত আজিকালি ভাৰতত প্ৰচলিত Preventive Detention Act খনৰ পৰা গোটেই Indian Penal Code খন অসভ্য আইনত পৰিগণিত হ'ব নোৱাৰে।

সেই সভ্যতাৰ হিন্দু সমাজৰ উপকাৰৰ অৰ্থে ভগৱান মনুৱে সেই সময়ৰ ৰিপুজনিত অনিয়মৰ ক্ৰিয়াবোৰ সুক্ষ্মভাৱে বিচাৰ কৰি পাপক শ্ৰেণীৱদ্ধ কৰিলে আৰু প্ৰত্যেকবিধ পাপৰপৰা পৰিত্ৰাণ পাবলৈ তাৰ উপযোগী চিকিৎসা,—“প্ৰায়শ্চিত্ত” বিধান কৰিলে। আমাৰ চন্দ্ৰকান্ত অভি-ধানত “প্ৰয়শ্চিত্ত”ৰ অৰ্থ তৃপ্তিকৰ নহল,—(পাপৰ চিন্তাৰ পৰা হোৱা শোক)। সংস্কৃতত ব্যাখ্যা সুখ দায়ক :—

প্ৰায়োনাম তপঃ প্ৰোক্তং চিত্তং নিশ্চয় উচ্যতে
তপো নিশ্চয় সংযুক্তং প্ৰায়শ্চিত্তম্ ইতি স্মৃতম্।

(শব্দসাৰ)—প্ৰায়ঃ নামে তপস্যা কৰি পোৱা নিশ্চিত ফল। ইয়াৰ সংকীৰ্ণ অৰ্থ লৈ আপত্তি নকৰিলে দেখা যায় প্ৰায়শ্চিত্ত কেবাটাও কথাৰ সমষ্টি।

১। কৰ্ম্মটো যে পাপ এইটো সাব্যস্ত হ'ব লাগিব।

২। কৰ্ত্তাই নিখুঁতকৈ বুজাব লাগিব। যে তেওঁ কৰা কৰ্ম্ম নীতি-বিৰুদ্ধ ; সেই কৰ্ম্ম কৰি তেওঁ পাপী হৈছে ; ইয়াত অলপো সন্দেহ থাকিলে তেওঁ সেই কৰ্ম্মৰ নিমিত্তে প্ৰায়শ্চিত্তৰ অধিকাৰী নহয়।

৩। পাপীজ্ঞান হোৱাৰ পাচত কৰ্ত্তাৰ অনুতাপ হ'ব লাগিব।

৪। আগলৈ তেনে পাপ নকৰিবলৈ দৃঢ় প্ৰতিজ্ঞা।

৫। প্ৰতিজ্ঞাৰ সাক্ষী স্বৰূপে সমাজ বিহিত দ্বন্দ গ্ৰহণ; এই দ্বন্দত ক্ষতি পূৰণ বা পোতক তোলা ( deterent ) ভাৱ অসিদ্ধ।

এই সমষ্টিৰ এটা স্বৰ্ত্তও ক্ষুণ্ন হ'লে প্ৰায়চিত্ত অঙ্গহীন হব, কল্পিত ফল দিব নোৱাৰে। সকলো স্বৰ্ত্ত পূৰ্ণ কৰি বিধানমতে প্ৰায়শ্চিত্ত কৰিলে মনৰ আঘাতজনিত ঘা শুকাই যায়,—আকৌ সুস্থ হয়, "নিস্পাপী হলো" ভাৱ হয়; পাপী বুলি কোনেও আঙুলিয়াব নোৱাৰে; হিন্দু শাস্ত্ৰত আদিকৃত পাপীৰ পৰিত্ৰাণ।

আত্মাই পৃথিৱীৰ মলিয়ন হাওৱা-পানী সহিব নোৱাৰি পৃথিৱীৰ মলিৰ লেও লৈ আত্মৰক্ষা কৰিব লগা হয়; পৃথিৱীৰ পৰা বিদায় লোৱাৰ পাচত লেওবোৰ খহাবলৈ সময় লাগে: তাতে যদি অজ্ঞানকৃত পাপৰ কাৰণে ঘাও থাকে, আৰু সেই ঘা প্ৰায়শ্চিত্তৰ অভাৱত মৃত্যুৰ পাচত মনক বিষাক্ত কৰি থাকে, হিন্দুৰ বিশ্বাস,—সেই ঘা কৰ্ম্মৰ দ্বাৰা চিকিৎসা কৰি শুকুৱাবলৈ মানুহ আকৌ পৃথিৱীত জন্মগ্ৰহণ কৰিব লাগে; আৰু শাস্ত্ৰই ইয়াকো উন্নুকিয়ায়, যে ক্ষেত্ৰ বিশেষে সেই দুষিত আত্মা পুনৰ জন্ম লওঁতে আধাৰত জন্মোঁতে সেই বিষৰ চিন প্ৰকাশ কৰে। আমাৰ ধৰ্ম্ম বৰ জ্ঞানী; পাপ বুলি সাৱ্যস্ত হোৱা কৰ্ম্মৰ মোচনৰ বাবে প্ৰায়শ্চিত্তৰ বিধান আছেই,—তাৰ উপৰিও অজ্ঞানকৃত পাপ যাৰ প্ৰায়শ্চিত্তও সম্ভৱ নহয়, তাৰো মোচন বিধান আছে,—হিন্দুৰ তীৰ্থ-পাৰ্ব্বন, স্নান-দান, পূজাপাঠ এইবোৰ অনুষ্ঠানে অজ্ঞানকৃত অনিয়মৰ দোষ মোচন কৰি মনত তৃপ্তি দিয়ে, মনে শান্তি পায়, কাৰণ অজ্ঞান আঘাতত পোৱা ঘা শুকাই বিষ লোপ পায়; আৰু হিন্দুৱে আশা কৰে মৃত্যুৰ পাচত মন খালাচ হৈ আত্মাৰ নিৰ্ম্মলতাৰ ভোগ পায়।

খৃষ্টীয়ান সকলৰ Confession বুলি অনুষ্ঠান এটা আছে। ৰুচি অনুযায়ী দৈনিক, বা সাপ্তাহিক বা যেতিয়াই মন যায়, খৃষ্টীয়ান জনে পাদ্ৰী চাহাবৰ ওচৰলৈ গৈ গোপনে সৈ কাঢ়ে—'ফাদাৰ মই এনে-তেনে কাম কৰি পাপ কৰিলোঁ, এতিয়া মোৰ অনুতাপ হৈছে, মোৰ পাপ মোচন কৰক"। তেতিয়া পাদ্ৰী চাহাবে তাৰ দ্বন্দ বিধান কৰি পাপ মোচনৰ ব্যৱস্থা ( absolution ) দিয়ে। সেই বিধানমতে কাম কৰি মানুহজনে তৃপ্তি পায়, পাপীৰ পৰিত্ৰাণ হয়,—প্ৰায়শ্চিত্ত। হিন্দুৰ প্ৰায়শ্চিত্তৰ সৈতে এইটো মাত্ৰ প্ৰভেদ,—যে হিন্দুৱে অনুতাপ কৰোঁতে পৰমেশ্বৰ বা পৃথিৱীত তেখেতৰ ৩৩ কোটী অনুচৰৰ এগৰাকীক মুক্তিয়াৰ কৰি নিবেদন কৰে, খৃষ্টীয়ান সকলে যীশুৰ অনুচৰ পাদ্ৰী চাহাবক মুক্তিয়াৰ ধৰে।

আধুনিক সভ্যতাই গঢ়া সমাজত পাপ কল্পনাটো চহা "সেকেলে" ( obsolete ); ধৰ্ম্মৰ নেগুৰত চিকৰা; সেইকাৰণে মনুসংহিতাৰ তাকো লগতে দলিয়াই পেলাব লাগে। সেইকাৰণে বৰ্ত্তমান ৰুচি অনুসাৰে এতিয়া মনুসংহিতাৰ ঠাইত Criminal Procedure Code,—আৰু প্ৰায়শ্চিত্তও হয় Indian Penal Code ৰ বিধানমতে। আধুনিক শাস্ত্ৰত পাপ Crime; প্ৰায়শ্চিত্তৰ তপস্যা punishment। মনুসংহিতাৰ প্ৰায়শ্চিত্তৰ ভেটিত পাচোঁতা স্বৰ্ত্তৰ ছাটো মাত্ৰ সাক্ষী-গোপাল হৈ আছে। দোষ সাব্যস্ত কৰিবলৈ এতিয়া পুলিচবাহিনী। দোষী ধৰিবলৈ পুলিচ। দোষী সাব্যস্ত কৰিবলৈকে বিৰাট অনুষ্ঠান,—আদালত, উকিল চাপ্ৰাচীৰ পৰা জজ্ চাহাবলৈকে। ইয়াত দোষী সাব্যস্ত হয়—to the satisfaction of the court; পাপীৰ দোষ-জ্ঞান অলাগতীয়াল; punishment deterent;



শাস্তি বিহিত কৰিব আদালতে এনে ধৰণে, যাতে সেকা পাই আগলৈ এনে কাম নকৰে; শাস্তিৰ মূৰ্ত্তি দেখি অনুতাপত কলিজা শুকাই যায়। শাস্তি হৈ যোৱাৰ পাচত "নিস্পাপী হোৱা" ভাৱৰ জন্মই নহয়' তাৰ ঠাইত "কম সুদতে ধাৰ মৰা সম্ভৱনাৰ ভাৱ হবলৈকো পুলিচে নিদিয়ে, কাৰণ, দাগী আখ্যা দি সদায় চোকা নজৰত ৰাখে। এইটো নতুন বিজ্ঞানত Penology; হাঁহি উৰুৱাই দিব নোৱাৰি, কুকুৰ চাই টাঙোন সমাজৰ কল্যাণৰ অৰ্থে সমাজেই কৰি লৈছে; সেই সমাজৰ ভিতৰত আপুনিও, ময়ো।

জনা বা নজনা পাপে কৰা কিছুমান মনৰ ঘা মৃত্যুকালে এই জীৱনতে ক্ষয়ৰ শান্তি আৰম্ভ হৈ কিছুমান বিষাক্ত ফল দিয়ে,—বহুবিধ মনৰ বিকাৰ সৃষ্টি কৰে। আধুনিক বিজ্ঞানে পাপৰ ঠাইত দোষ (Crime) ব্যৱহাৰ কৰাৰ লগে লগে, এই মনৰ বিকাৰবোৰ Penology ত ঠাই নোপোৱাৰ গতিকে, পৃথক কৰি নতুন বিজ্ঞান Psychiotry ত ঠাই দিছে। ইয়াৰ প্ৰায়শ্চিত্ত। চিকিৎসা। আজি দুকুৰিমান বছৰ খপজপোৱাৰ পাচত, সম্প্ৰতিকে কেইজনমান বৈজ্ঞানিকৰ হাতত ই ক্ৰমান্বয়ে গঢ় লৈ উঠিছে। চিকিৎসাৰ মূলনীতি একে,—ঘাডোখৰ ধুই নিকা কৰি দিব পাৰিলে শুকনি লয়। মানসিক ঘাডোখৰ ধুই-পখালি নিকা কৰিবলৈ, ঘাডোখৰ আৱিস্কাৰ কৰিব লাগে,—এই ক্ষেত্ৰত, কোনটো কৰ্ম্ম পাপ হৈ আঘাত কৰি মনত ঘা উৎপাদন কৰিছে, ধৰিব লাগিব। তাৰ পাচত অনুতাপ আৰু আগলৈ নকৰিবলৈ সংকল্পৰ ব্যৱস্থা হ'লেই লগে লগে ঘাৰ শুকনি ধৰে। অজ্ঞান দোষৰ ঘা বিচাৰি উলিওৱা প্ৰথা Psychiotry ত তিনিটা আছে:—

(১) হিপ্‌নটিজিম্ (Hypnotism)

(২) সপোন ব্যাখ্যা

(৩) চাইকো-এনালিচিচ্ (Psycho-analysis)

হিপ্‌নটিজিম্:—এই প্ৰথাৰে চিকিৎসকৰ মনৰ শক্তি প্ৰয়োগ কৰি, ৰোগীক অজ্ঞান কৰি ৰোগীৰ নিজ মুখেৰে সৈ কঢ়াই, পাচত সুস্থ হলে, তাকে সোঁৱৰাই দি অনুতাপৰ বাট দেখুৱাই দিব লাগে। এই প্ৰথাৰে মানসিক চিকিৎসা বৰ আগ বাঢ়িব নোৱাৰিলে,—কম সময়ৰ ভিতৰতে হেঁতিয়াই বিল এখনত এটা মাগুৰ মাছ ধৰিবলৈ বিচৰাৰ নিচিনা। বিল দ,—সকলো ঠাই হেঁতিউৱা সম্ভৱ নহয়, বৃথা। কেতিয়াবা পালেও, ৰোগীক অনুতাপ কৰাব পৰা জোখাৰে প্ৰত্যয় মনোৱা কঠিন হয়। বিপদ কিন্তু বহুত দেখা দিলে,—বেয়া চিকিৎসকৰ হাতত এই প্ৰথা ৰোগতকৈয়ো চাব হ'ল—এতিয়া এৰাগি।

সপোন চৰ্চ্চা:—সপোনবোৰ উত্তপ্ত মনৰ তলিৰ বুৰবুৰণি,—সেই বুৰবুৰণিবোৰ অহা সংকীৰ্ণ সুৰুঙাইদি, জনা মানুহে মনৰ গভীৰ অংশ জুখি চাব পাৰে। ডাক্তৰ ফ্ৰয়েদে এই সুৰুঙাটো আৱিস্কাৰ কৰি জুখি চাই মনৰ তলিৰ ভালেমান বস্তু মনিব পাৰিলে, আৰু লগতে দুই এডোখৰ ঘাও মনিব পাৰি আঘাত কৰা কৰ্ম্মটো ৰোগীৰ স্মৃতিত, ভাবৰ ঢাকোন গুচাই উদং কৰি দিয়াত ঘা শুকনি ললে। প্ৰায়শ্চিত্তৰ এই পথ আৱিস্কাৰ হোৱাৰ পাচত বহুত চিকিৎসকে এই উপায়েৰে মনৰ বিকাৰ চিকিৎসা কৰিব ধৰিলে; সকলোৱে সমানে কৃতকাৰ্য্য হ'ব নোৱাৰিলে,—পথসংকীৰ্ণ, সপোন ব্যাখ্যা নিভুল হ'বলৈ ব্যক্তিত্ব পুংখানুপুংখৰূপে বিশ্লেষণ কৰি সপোন উদ্ৰেকৰ গুং পালেহে চিকিৎসাই গুণ দিয়ে; সকলো চিকিৎসকৰ হাতত সপোন-পথ এদাল তীক্ষ্ণ অস্ত্ৰ।

চাইকো-এনালিচিচ্ (Psycho-analysis)—বাৰে-মিহলি ভুলচুকৰ মাজেদি এই প্ৰথা নিৰ্ভীকভাৱে ক্ৰমান্বয়ে অজ্ঞান পাপৰ ঘা চিকিৎসাত আগবাঢ়ি গৈছে। ইয়াৰ জন্মদাতা ডাক্তৰ ফ্ৰয়েদ বুলি মানুহে কয়,—সম্পূৰ্ণ সঁচা নহয় যেন লাগে। ফ্ৰয়েদ ইহুদি, কিবা অজ্ঞান যোগত তেখেতৰ মনৰ গঠন আমাৰ দৰ্শনৰ ভাৱ—স্পন্দনৰ সম—সেই সূত্ৰে চাইকো-এনালিচিচ্ৰ ভাৱটো আমাৰ অতি প্ৰাচীন দৰ্শনৰ ভাৱধাৰাৰ স্পন্দন, অনাৱিস্কৃত সাকোৰেদি আহৰণ কৰি জন্ম দিলে। চাইকো-এনালিচিচ্ গঢ়ি তোলাত আৰু দুজন বৈজ্ঞানিক ডাক্তৰ এড্‌লাৰ আৰু ডাক্তৰ ইউংএ (Dr. Adlar and Dr. Jung) সহায় কৰিছিল। পৰস্পৰৰ মতভেদ হৈ ভুলেচুকে আগুৰি ধৰা স্বত্তেও আজি চাইকো-এনালিচিচ অজ্ঞান-পাপজনিত মানসিক বিকাৰৰ একমাত্ৰ প্ৰায়শ্চিত্ত-প্ৰথা।

চাইকো-এনালিচিচ্ৰ ভিত্তি অতি ঘৰুৱা কথা; এজনৰ গোপন মতটো কি, সেই মানুহজনৰ সৈতে আলাপ কৰি তেখেতৰ অজ্ঞাতে আৰু কেতিয়াবা অমত স্বত্তেও জানিবলৈ চেষ্টা কৰা। ইংৰাজীৰ চহা ভাষাত ইয়াকে Pumping বোলে। অজ্ঞাত এনেই বৰ টান তাৰ উপৰিও যদি অমতৰ বাধা থাকে, কথা উলিয়াবলৈ চেষ্টা কৰা মানুহজন বৰ হুঁচিয়াৰ হব লাগিব। খেনো পুলিচে এই প্ৰথাকে নিৰ্ম্মমভাৱে ব্যৱহাৰ কৰি সাক্ষীৰ পৰা তথ্য আহৰণ কৰে। নিৰ্ম্মলভাৱে ব্যৱহাৰ কৰা বাবে প্ৰায়েই অকৃতকাৰ্য্য হয়, পুলিচে যিহকে বাঞ্ছা কৰে তাতে হয় দিয়ে। চিকিৎসা পদ্ধতিত ব্যৱহৃত আলাপত একো নিৰ্ম্মমতা থাকিব নোৱাৰে; বাধা পালে আলাপ বন্ধ কৰি আকৌ সুক্ষণত আৰম্ভ কৰিব লাগে। এই পদ্ধতিত ৰোগীয়ে চিকিৎসকৰ আগতে অবাধে ৰোগ সংক্ৰান্ত সকলো কথা গোচৰ দিয়ে, চিকিৎসকে শুনি যায় আৰু কথাৰ সোঁত বন্ধ হোৱাৰ আগন্তুক দেখিলে প্ৰশ্ন কৰি মুকলি কৰি ৰখা যাব পাৰে। এই গোচৰত প্ৰাসঙ্গিক অপ্ৰাসঙ্গিক প্ৰশ্ন নাই; সাহিত্য ব্যাকৰণ নাই; কথাৰ অৰ্থৰো বিশেষ প্ৰয়োজন নাই; ৰোগীৰ মনত যিহকে খেলায় তাকে ব্যক্ত কৰি যায়। সময়ত সুক্ষেত্ৰত ৰোগী আৰু চিকিৎসকৰ মাজত নতুন এটা সম্বন্ধ স্থাপিত হয়,—ৰোগীয়ে অতৰ্কিতে চিকিৎসকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি সকলো কষ্ট নিজৰ পৰা চিকিৎসকলৈ পাৰ কৰি দি বহুকালৰ আকাঙ্খিত শান্তি পায়—ইয়াকে—Transference বোলে—এইটোৱেই চাইকো-এনালিচিচ্ৰ বিশেষত্ব,—এইটো নহলে গুণ নিদিয়ে,—চাইকো-এনালিচিচ্ ফেইল মাৰে। Transference হোৱাৰ পাচত ৰোগী চিকিৎসকৰ সম্পূৰ্ণ আয়ত্বলৈ আহে; ৰোগীৰ গোচৰ, আলাপ বা প্ৰলাপ শুনি বিজ্ঞ চিকিৎসকে মনৰ ঘাৰ সন্ধেদ পায়; অতি আলফুলকৈ উপদেশ দি ভুলৰ আউল (Complex) বা পাপৰ অনুতাপ-বাটৰ নিৰ্দেশ দি সুস্থৰ বাটত এৰি দিয়ে। এই চিকিৎসাত বহুত সময় লাগে। সেই কাৰণে খৰছি, আৰু এতিয়াও সম্পূৰ্ণ আয়ত্ব নোহোৱাৰ কাৰণে ফল অনিশ্চিত।

এটা ভ্ৰান্ত ধৰণা লৈ বিলাতত মানসিক ৰোগৰ চিকিৎসা শিকিবলৈ গ'লোঁ। বিলাতত থকা এগৰাকী বন্ধুৰ অনুগ্ৰহত Bethlem Royal Hospital ত এবছৰৰ নিমিত্তে কাম এটা পালোঁ। এই সুযোগতে ওপৰত উল্লেখ কৰা তিনিওটা প্ৰথা কিছুদুৰ আয়ত্তাধীন হ'ল। বিলাতত আৰু ফ্ৰান্সৰ কেবাখনো ডাঙৰ আস্পাতালত এই প্ৰথাবোৰৰ প্ৰয়োগ পৰ্য্যৱেক্ষণ কৰি আমাৰ দেশত সেই সঁজুলিৰে পইচা ঘটিবলৈ উভতি আহিলোঁ। চেষ্টাৰ ত্ৰুটী হোৱা নাছিল; হিপ্‌নটিজমত ব্যুৎপত্তি অলপ হ'ল, কিন্তু ক্ষেত্ৰত প্ৰয়োগ কৰি ভিকাচন ভাগিল,—শেষত নিজৰ কল্যাণৰ অৰ্থে তাক এৰি দিলোঁ। সপোনৰ পথত নিৰাশ হ'লো,—ব্যক্তিত্ব বিচাৰ কৰি সপোন ব্যাখ্যাৰ নিমিত্তে যি সাধনা লাগে, সি মোৰ নাই,—সেই কাৰণে প্ৰায় ক্ষেত্ৰত ব্যাখ্যা প্ৰয়োগত নিৰৰ্থক হয়। চাইকো-এনালিচিচ কৰি যথেষ্ট অভিজ্ঞতা হ'ল যদিও, তাৰপৰা ৰোগীৰ বিশেষ উপকাৰ দেখা নগ'ল,—জানিতত গোপনীয় কথাৰে বিশ্বাস স্থাপন কৰাৰ ফলত কেবাগৰাকী বিশিষ্ট লোকৰ সন্দেহৰ পাত্ৰ হলোঁ। মাত্ৰ দুজন ৰোগীক ভাল কৰিলো বুলি সাহ কৰি কব পাৰোঁ। এজন এতিয়া প্ৰায়ভেট কলেজ এখনৰ অধ্যাপক, আৰু এগৰাকী, হাক দিয়া স্বত্বেও, পাকিস্থানত ২।৩ সন্তানৰ মাক। কিন্তু এটা কথা বুজিলো,—ৰোগীৰ উপকাৰৰ অৰ্থে চিকিৎসকৰ যিটো অৱদান, সেইটো পইচা লৈ বেচা বস্তু নহয়। সেই কাৰণেই ফ্ৰয়েদ মৰালৈকে দুখীয়া হৈয়ে ৰ'ল। সেই অৱদান যোগাব পৰা যোত্ৰ মোৰতো নায়েই, ফ্ৰয়েদকে আদি কৰি কেইজনমান বাদে, মোৰ মনেৰে অতি কম চিকিৎসকৰহে থকা যেন লাগে। এই যোত্ৰৰ অভাৱত চাইকো-এনালিচিচ এৰি দিব লগা হ'ল,—যি দুই এটা ৰোগী চাইছিলো তাতে জুকলা হলো। যোত্ৰ নোহোৱা চিকিৎসক কিন্তু বহুত আছে আৰু যথেষ্ট পইচা আৰ্জ্জন কৰিছে; ৰোগীয়ে পইচা খৰচ কৰি আংশিকভাৱে প্ৰায়শ্চিত্তৰ ফল পোৱা সম্ভৱ,—পইচা খৰচ কৰি হলেও তৃপ্তি পায়। চাইকো-এনালিচিচত জুকলা হৈ এৰি দিলোঁ যদিও, তাৰ বদলি এটা বহুমূলীয়া পুৰস্কাৰ লাভ হ'ল।

বিলাতত থাকোঁতে আমাৰ আস্পাতালৰ মেডিকেল চাইকোলজিৰ অধ্যাপক ডাঃ উইলিয়াম্ ব্ৰাউন্ (Dr. William Brown M. A., M.D., D.Sc., M.R.C.P.)ৰ সৈতে মোৰ সদ্‌ভাৱ হয়; তেখেতৰ পৰামৰ্শমতে তেখেতৰ ঘৰ ৮৮নং হাৰ্লি ষ্ট্ৰীটত তেখেতৰ ৰোগী চোৱাত সহায় কৰোঁ। তাতে তেখেতৰ মুখেই ফ্ৰয়েদৰ মহত্বৰ চিনাকি পাওঁ, আৰু ফ্ৰয়েদৰ প্ৰতিভাত জ্ঞানী মহিলা এগৰাকীৰ সন্ধান পাওঁ, তেওঁ ডাঃ আনিবেচান্ত। তেওঁ মোক হাতত ধৰি ঘূৰাই আনি মোৰ নিজৰ ঘৰতে অগাধ দৌলতৰ সন্ধান দিলে। দুখৰ বিষয়, এই দৌলতত মোৰ অধিকাৰ সামান্য আৰু যি সীমাৱদ্ধ অধিকাৰ আছে, তাক বঢ়াবলৈ কাল ঠেক।

হিন্দুৰ যোগ কৰাৰ আগতে আত্মশুদ্ধিৰ নিমিত্তে তপস্যাৰ ব্যৱস্থা আছে। এই তপস্যাৰে প্ৰায়শ্চিত্ত নকৰিলে যোগত অধিকাৰ নজন্মে। এই তপস্যাৰে বিগত জীৱনৰ যাৱতীয় কৰ্ম্ম মানস-পটত বৰ্ত্তমান চেতনাত উদ্বুদ্ধ কৰি সুক্ষ্মভাৱে বিচাৰ কৰিব লাগে, আৰু বিচাৰত কোনো কৰ্ম্ম অনিয়ম সাব্যস্ত হলে তাৰ নিমিত্তে অনুতাপ কৰি প্ৰায়শ্চিত্তও হব লাগে। বিগত জীৱনৰ সমস্ত ঘটনা মানস-পটত যে উদ্ধাৰ কৰা সম্ভৱ, এইটো প্ৰমাণ কৰিছে হিন্দুৰ এই দৃঢ় ধাৰণাই, যে মৃত্যুৰ মুহুৰ্ত্তত সকলো মানুহৰে জীৱদ্দশাৰ সম্পূৰ্ণ ছবি এটা, ক্ষণিকৰ নিমিত্তে হলেও, স্মৃতিপটত উদয় হয়; আৱশ্যকতা, বোধকৰোঁ মৃত্যুৰ দেওনা পাৰ হৈ, বিগত জীৱনৰ কৰ্ম্মফলৰ পৰা সিপুৰীত কি আশা কৰিব পাৰি, তাৰ এটা আভাস দিয়া। ডাক্তৰী জীৱনত পৰিয়ালৰ সৈতে বহুত ৰোগীক মৃত্যুকালত উপস্থিত থাকি বিদায়

দিছোঁ। কোনো ক্ষেত্ৰত পৰিয়ালৰ মানুহে কান্দি মৃত্যুৰ গাম্ভীৰ্য্য ভঙ্গ কৰাত ভাবি দি সামাজিক অপৰাধ কৰিছোঁ। মৃত্যুক্ষণৰ সেই গাম্ভীৰ্য্যত মৃতকে বিগত জীৱনৰ কৰ্ম্মফলৰ ৰায় পৃথিৱীৰ শেষ আদালতৰ পৰা মূৰ পাতি নিৰ্ম্মালী বুলি লৈ নিৰ্ভীকভাৱে নতুন ৰাজ্যলৈ আগ বাঢ়িছে,— অবুজ পৰিয়ালে অৱশ্যে কান্দি শান্তি ভঙ্গকৰা আশঙ্কা থাকে। কিছুমান মৃতকে বিগত জীৱনৰ কৰ্ম্মৰ ভয়াৱহ ফল দেখি আতঙ্কিত হৈছে,– কৰ্ম্মৰ পৰিণামৰ ভীষণ চানেকি দেখি ভয়ত পৃথিৱী এৰি যাবলৈকে অনিচ্ছুক হৈছে,– যমৰ কিঙ্কৰে বান্ধি নিব লগা যেন হৈছে। কিছুমান কম বয়সীয়া মৃতকে পৃথিৱীৰে পৰা আগন্তুক স্বৰ্গত লগৰীয়া দেখি, উশাহ লবলৈকে, সকলো পেলাই থৈ মিচিকি হাঁহিৰে লৰ ধৰে।

আমাৰ ঋষি সকলে এই প্ৰথাৰে প্ৰায়শ্চিত্ত কৰা কথা মই ভালেমান দিনৰ পৰা জানো। সত্যযুগৰ ক্ৰিয়া ঘোৰ কলিযুগত অচলন বুলি ভাবি বহি আছিলোঁ। কিন্তু যেতিয়া চাইকো-এনালিচিচ্ কৰি ৰোগীৰ আলাপ বা প্ৰলাপ শুনি শুনি কাণ ঘোলা হ'ল, সঁচাই-মিছাই ৰোগীৰ জীৱনৰ গুপ্ত কথাবোৰৰ অনিচ্ছুক ভৰালি হৈ আমনি লাগিল, তেতিয়া এদিন হঠাতে মনত খেলালে এই শাস্ত্ৰীয় প্ৰায়শ্চিত্ত-প্ৰথা। সাবেক প্ৰয়োগৰ পৰিসৰ বহলাই, বৰ্ত্তমান চিকিৎসা ক্ষেত্ৰত কাৰ্য্যকৰী কৰিব পাৰি নে নোৱাৰি তাৰ অনুসন্ধান কৰিবৰ মন গ'ল। পোনতে নিজতে অভ্যাস কৰিলোঁ। বহুত পাহৰা কথা মনত পৰিল। কেতিয়াবা অকলে অকলে হাহোঁ, কেতিয়াবা লাজতে নাক কটা যায়। যিমানেই আগ বাঢ়োঁ, মানসিক পৰিশ্ৰম কঠোৰ হ'বলৈ ধৰিলে। ধাৰাবাহিকৰূপে কথা মনত পেলাবলৈ এটা কাৰ্য্য পদ্ধতিও গঢ়ি ললোঁ। কিছুদিন ওপৰে ওপৰে ভাল চলিছিল, তাৰ পাচত অথাই সাগৰত ৰ, ৰিলোঁ। মানসপট যেন প্ৰশান্ত মহা সাগৰ। তাত ওপঙি ফুৰিছে যেন কেটামান স্মৃতিৰ দ্বীপপুঞ্জ। সেই সাগৰত ময় গঢ়ি লোৱা কাৰ্য্যপদ্ধতি অকুলান। বুজিলোঁ, চুটি বুদ্ধি প্ৰসূত কাৰ্য্যপদ্ধতিত কেৰোণ। আমাৰ আৰ্য্য সকলে উপদেশ দিয়েই খালাচ,,– "এইটো আছে বিচাৰি ল।" হাতত ধৰি দেখুৱাই দিওঁ, তেনে নাই। কাৰণ দেখুৱাই "অধিকাৰ" অৰ্জ্জা নাই। অধিকাৰ অৰ্জ্জন নিজ বাহুবলৰ কাম। বিশেষ আগ বাঢ়িব নোৱাৰিলোঁ যদিও মনৰ আত্মনিৰ্ভৰ ক্ষমতা ( parapsychic ) বঢ়া যেন গম পালোঁ; আৰু এটা অনৰ্থ অভ্যাসে দেখা দিলে,– মানুহৰ সৈতে কথা হওঁতে অতৰ্কিতে কথা বিশ্লেষণ কাৰ মনৰ নিভৃত স্থানৰ কি শক্তিয়ে কথা উদ্ৰেক কৰিছে, বাচি উলিউৱা অভ্যাস এটা হ'বলৈ ধৰিলে। কেতিয়াবা শুদ্ধ হয়, মন আমোদিত বা বিষাক্ত হয়,—কেতিয়াবা ভুল হয়, লাঞ্ছনা পাওঁ। অভ্যাস এতিয়াও এৰিব পৰা নাই,—এৰাৰ আশাও কম। আশা কৰিছোঁ, ক্ৰমান্বয়ে ভুলৰ অনুপাত ক্ষীণ হব। ইতিমধ্যে প্ৰয়োগৰ সুবিধা হ'ল।

কোনো এক জাৰ্ম্মান বিশ্ববিদ্যালয়ৰ D. Sc. ডেকা এজন এখন কলেজৰ নতুন প্ৰফেচাৰ হৈ সোমালহি। এমাহমানৰ পাচৰপৰা ক্লাচত সোমালেই প্ৰথম ৫।১০ মিনিটমান ভয়তে মাত নোলোৱা হয়, মাজে মাজে কাপোৰ তিতিবলৈকো ধৰিলে। লাজে অপমানে কাম ইস্তফা দি ভয় ভাঙিবলৈ ব্ৰাণ্ডি খাবলৈ ধৰিলে। বন্ধু এজনৰ পৰামৰ্শত ক্লাবত মোক এদিন লগ ধৰিলে; ময় মোৰ নতুন অস্ত্ৰ ব্যৱহাৰ কৰিবলৈ ৰাজি হলোঁ। কেদিন-



মানৰ পাচত চকুৰ পানীৰে গোচৰ দিলে,— "পাৰি না"। চকুৰ পানী দেখি মোৰ সাহ হ'ল,– এমাহ মানৰ পাচৰপৰা ব্ৰাণ্ডি এৰিলে,– ছমাহ মানৰ পিচত মুখৰ হাঁহি ওলাল, মানুহৰ চকুলৈ চাই কথা কবলৈ সাহ হ'ল। এতিয়া তেওঁ চৰকাৰি ডাঙৰ বিষয়া। ময় তবধ মানিলোঁ,– কাৰণ, এতিয়াও "চেষ্টা কৰছি,—পাৰি না"; কিন্তু উচ্চ শিক্ষাপ্ৰাপ্ত এই ডেকা জনৰ দৃঢ় বিশ্বাস, এই চেষ্টাৰ গুণতে তেওঁৰ ভয় আঁতৰিল,—আৰু ভয়ে চেপি ৰখা মানসিক শক্তিবোৰ আকৌ ক্ৰিয়াশীল হ'বলৈ ছল পালে। আৰু এজন ডেকা চৰকাৰি বিষয়া, কামত ভাল নাম কৰিছিল। এনেতে বাপেকে তেওঁৰ নিমিত্তে ছোৱালী এজনী চাই আঙঠি পিন্ধোৱা খবৰ দিলে। বিয়া কৰোৱাৰ নিচিনা গুৰুতৰ ভাব আগন্তুক দেখি মোৰ ওচৰ পালেহি,– মই আৰু এটা প্ৰয়োগৰ ছল পালোঁ। এতিয়া তেওঁ ডেকা গৃহস্থী।

আমাৰ ভাষাত কথা এটা আছে,—ভাল বস্তুৰ অলপেই সৰহ। আত্মস্মৰণৰ এই প্ৰায়শ্চিত্ত পদ্ধতি সম্পূৰ্ণ আয়ত্বাধীন সম্ভৱ নহয়; তথাপি দেখা যায় যি সামান্য হয়, তাৰপৰা যথেষ্ট উপকাৰ হয়। এই প্ৰায়শ্চিত্ত প্ৰথাৰে মানসিক বিকাৰৰ কিমানদূৰ চিকিৎসা হ'ব পাৰে, এতিয়াই কোৱা টান। মানসিক বিকাৰৰ চিকিৎসাৰ থল সংকীৰ্ণ। লাহি বিচাৰ আৰম্ভণিতে পালেহে চিকিৎসাত উপকাৰ হয়। এই ডেকা দুজনৰ বিকাৰ লাহি, পৰিয়ালত আগৰ একো কেৰোণ নাই; আৰু আৰম্ভণিতে পোৱা হৈছিল,– সেই কাৰণে চিকিৎসাৰ ফল ভাল পোৱা হ'ল। ইয়াৰ প্ৰয়োগত আৰু এটা অসুবিধা আছে,—প্ৰয়োগৰ থল মানসিক ঔৎকৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰে। অৱশ্যে সুবিজ্ঞ চিকিৎসকৰ হাতত ইয়াৰ প্ৰয়োগৰ পৰিসৰ ভালেমান বাঢ়িব পাৰে। বাটত বহুমূলীয়া বস্তু এটা বুটলি পালোঁ,—মোৰ তাত সম্প্ৰাতকে অধিকাৰ নাই। সুধীবৃন্দৰ অধিকাৰ থাকিব পাৰে—সাদৰে যাচিলোঁ।

এই আত্মস্মৰণ প্ৰথাৰে বৰ্ত্তমানৰ পৰা ভূতলৈ মানুহৰ জীৱনৰ প্ৰত্যেক মুহুৰ্ত্তৰ হিচাব একেবাৰে সম্পূৰ্ণ নহলেও সম্ভৱ। আৰ্য্যসকলে প্ৰমাণ কৰিছে, আত্মস্মৰণ বৰ্ত্তমানৰ পৰা জন্ম-মূহুৰ্ত্তলৈকে হয়। আধুনিক বিজ্ঞানে ইয়াক কিছুদূৰ সমৰ্থন কৰিছে। চাইকো-এনালিচিচত কেচুৱা অৱস্থাত ঘটা ঘটনাৰ স্মৰণ মানস-পটত উদ্ধাৰ হৈছে। থিয়চফিষ্টসকলৰ মতে মৃত্যুৰ মুহুৰ্ত্তত মৃত্যুৰ পৰৱৰ্ত্তী ঘটনাৰ ছায়াঁ মৃতকে উপলব্ধি কৰে। বৌদ্ধ দৰ্শনেও ইয়াকে শিকায়। ইয়াৰ অসমীয়া ভাঙনি এয়ে যে, মই সাধনা কৰি বিগত জীৱনৰ মোৰ কৰ্ম্ম মানস-পটত উদ্ধাৰ কৰি যদি পৰ-মুহুৰ্ত্ততে মৰিব লগা হয়, তেন্তে মৃত্যুৰ পাচত মই কি অৱস্থা-প্ৰাপ্ত হম তাক মই জানিম। বাৰু। এতিয়া আৰু এটা প্ৰশ্ন উঠে। যদিও মই সিমানদূৰ ভাবি চাইছোঁ, আমাৰ একো কামত নাহে। মোৰ জন্মৰ আগতে মই কি অৱস্থাত আছিলোঁ, এইটো জনা সম্ভৱনে? ঋষি সকল ত্ৰিকালজ্ঞ বুলি এটা বাতৰি পোৱা যায়, কিন্তু তেওঁলোক এই বিষয়ে নিমাত। কিছুমান ঘটনাৰ পৰা অলপ ইঙ্গিত পোৱা যায়— জাতিস্মৰ হয়।

আজি দুবছৰমান হ'ল দিল্লী চহৰত প্ৰৱল জাতিস্মৰৰ আলোচনা চলিছিল। মই যি ঘৰত আলহি আছিলোঁ, তাৰে মহিলা এগৰাকীয়ে মিচ্ মাঠুৰ বুলি ২৩।২৪ বছৰীয়া ছোৱালী এজনীক দেখা কৰি উভতি আহিছে। মিচ্ মাঠুৰ মথুৰাৰ,— আগৰ জন্মৰ কথা বহুত মনত আছে, –এতিয়া আগৰ জন্মৰ শহুৰেকৰ ঘৰ বিচাৰি উলিয়াইছে। গিৰিয়েক আকৌ বিয়া কৰাই সংসাৰী। আলাপত

বহুত গোপনীয় কথা কৈ চিনাকি দিলে। শাহুৱেক-শহুৰেক বৰ্ত্তমান। কথা পাতি আগৰ বোৱাৰীয়েকক নিঃসন্দেহে চিনি পালে। এই উপলক্ষে দিল্লী চহৰত সংশ্লিষ্ট মহলত জাতিস্মৰ লৈ বিশদ্ আলোচনা। কাকতৰ ৰিপোৰ্টাৰে প্ৰবন্ধ লিখিছিল—বহুত মানুহে দৰ্শন কৰিছিল। মই গৈ দৰ্শন নাপালোঁ। ইয়াৰ পাচত আৰু এটা জাতিস্মৰৰ কথা কাকতত ওলাইছিল, মোৰ সঠিক মনত নাই। আপোনালোকে হয়তো পঢ়িছে। মোৰ এজন প্ৰিয় বন্ধু ৪'৫ বছৰমান বয়সত গাৰ্ড্ৰৰ বাটেদি ফুৰিবলৈ যাওঁতে, ঘৰৰ পৰা ৪ মাইলমান হাবিৰ দাঁতিত বিশাল শিমলু গছ এজোপাৰ তলত থিয় দি গছ জোপালৈ চাই থাকে। ককায়েকে সোধাত কয়,—“মই ইয়ালৈ আগেয়ে বহুতবাৰ আহিছোঁ”। পাচত জেঠায়েকৰপৰা আবিস্কৃত হ'ল, তিনিপুৰুষৰ আগেয়ে সেইখন তেওঁলোকৰ বাৰী আছিল।

জাতিস্মৰৰ এইবোৰ দৃষ্টান্ত কিছুমান মানুহৰ অস্বাভাৱিক স্মৰণ শক্তিৰ আভাষ দিয়ে মাত্ৰ। এনে অস্বাভাৱিক শক্তি মাজে সময়ে মানুহত দেখা যায়,- কিছুমান মানুহে ভূত দেখে—আমি নেদেখোঁ; কিছুমান মানুহে বাৰীচুকত ৰাতি ধনগুলৈৰ জুই দেখে, কিছুমানে নেদেখে;— কিছুমানে পুতি থোৱা ধনৰ গম পায়। পানী উলিউৱা কথা জানেই। পানীবাবাই চৰকাৰি সন্মান পাইছে। এই চেলেকাচুবুৰীয়া জাতিস্মৰৰ অস্বাভাৱিক শক্তিটো বিজ্ঞানাধীন কৰি ধাৰাবাহিক কৰিব পাৰে নেকি ? মানুহৰ উপকাৰত অহা সম্ভৱ হব পাৰে।*

* সাহিত্য সভাৰ শিলং শাখা মুকুল সংঘত ৫।১০।৫২ তাৰিখে পঠিত।

# ভূঞাৰাজ্য

শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ

“ফটা হক, চিতা হক পাটৰ টঙালি, কণা হক, কুজা হক ভূঞাৰ পোৱালি।” এই ফকৰা অসমীয়াৰ মুখে মুখে অতীজৰ পৰা চলি আহিছে। অসমীয়াৰ মানত যিদৰে পাটৰ কাপোৰ সকলোতকৈ উত্তম আৰু আদৰণীয়, সেইদৰে কণাই হক বা কুজাই হক ভূঞাৰ পোৱালি সকলোতকৈ ডাঙৰ আৰু সন্মানীয়। অসমত এসময়ত বিদ্যা, বুদ্ধি, ধন, ক্ষমতা আদিতকৈ বংশক উচ্চ আসন আৰু সন্মান দিছিল। সেই কাৰণেই ভূঞাৰ পোৱালি হলেই বিদ্যা, বুদ্ধি, ধন, ক্ষমতা আদি নাথাকিলেও —সমাজত আদৰ আৰু সন্মান পাইছিল। এই ফকৰাই আন নহলেও ভূঞাবিলাক যে এসময়ত প্ৰতিপত্তিশালী অভিজাত বংশৰ আছিল তাকে বুজায়।

ৰজা নোহোৱাকৈ নিজ ভুজবলে যিসকলে ৰাজ্য শাসন কৰিছিল তেওঁলোককে ভূঞা বোলা হৈছিল। অসমত প্ৰধানকৈ দুবিধ ভূঞা আছে বুলি কব পাৰি। এবিধ ভূঞাৰ উৎপত্তিৰ স্থান উত্তৰ



লক্ষীমপুৰ আৰু আনবিধ ভূঞাৰ উৎপত্তিৰ স্থান কমতাপুৰ ৰাজ্য। লিখাৰ সুবিধাৰ অৰ্থে লক্ষীমপুৰৰ ভূঞাৰ উজনি খণ্ডৰ ভূঞা আৰু কমতাপুৰৰ ভূঞাক নামনি খণ্ডৰ ভূঞা বোলা হৈছে। এই দুই বিধ ভূঞাৰ আদি পুৰুষ পৃথক পৃথক। উজনি খণ্ডৰ ভূঞাৰ এখন ৰাজ্য আৰু নামনি খণ্ডৰ ভূঞাৰ এখন পৃথক ৰাজ্য নাছিল। উজনি খণ্ডত এজন ভূঞাই আৰু নামনি খণ্ডত আন এজন ভূঞাই শাসন কৰা নাছিল। উজনি আৰু নামনি দুয়ো খণ্ডতে একে সময়তে ভালেমান ভূঞা আছিল। প্ৰত্যেক ভূঞাৰ একোখন সৰু সৰু ৰাজ্য আছিল। কোন ভূঞাই কোন খণ্ডত ৰাজত্ব কৰিছিল সঠিক একো জনা নাযায়। উজনি খণ্ডৰ ভূঞাবিলাকে এসময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে চুটিয়া ৰাজ্যৰ পশ্চিমৰ পৰা কমতাপুৰ ৰাজ্যৰ পূব সীমালৈকে অৰ্থাৎ পূবে সোৱনশিৰী নদীৰ পৰা পশ্চিমে বৰ নদীলৈকে স্বাধীনভাৱে ৰাজত্ব কৰিছিল। কোনোৰ মতে এই ভূঞা ৰাজ্য পশ্চিমে বিশ্বনাথলৈকেহে বিস্তৃত আছিল। এই ভূঞাৰাজ্য লক্ষীমপুৰ, বিহপুৰ, নাৰায়ণপুৰ, ধলপুৰ, গহপুৰ, কলংপুৰ, বিশ্বনাথ আদি নামেৰে সৰু সৰু ৰাজ্যত ভাগ হৈছিল। নামনি অঞ্চলৰ ভূঞাবিলাক নগাঁৱৰ কপিলীখণ্ডত আৰু বৰ নদীৰ পশ্চিমে আছিল। তেওঁবিলাক কমতাপুৰ ৰজাৰ অধীন আছিল। কমতাপুৰ ৰাজ্য ১৪৯৮ খৃঃত ধ্বংস হোৱাত বৰনদীৰ পশ্চিমৰ ভূঞা বিলাক ১৫১৫ খৃঃ লৈকে, আৰু কপিলী খণ্ডৰ ভূঞা-বিলাক ১৫৩৯ খৃঃৰ পাচলৈকে স্বাধীনভাৱে থাকিবলৈ সুবিধা পায়।

উজনি খণ্ডৰ ভূঞা :—ৰজা আৰিমত্তক কিছুমানে নাগাক্ষ ৰজাৰ বংশৰ ৰজা প্ৰতাপৰ নাতি আৰু কিছুমানে ব্ৰহ্মপুত্ৰই হৰণ কৰা প্ৰতাপৰ ভাৰ্য্যাৰ পুত্ৰ বুলি কয়। নাগাক্ষ ৰজাই স্থাপন কৰা নাগশঙ্কৰ দেৱালয় তেজপুৰ মহকুমাৰ বিহালি চাৰ্কোলৰ নাগশঙ্কৰ মৌজাত আজিও আছে। ৰজা প্ৰতাপৰ ৰাজধানী ৰত্নপুৰত [ মাজুলী ] আছিল বুলি কয়। বিশ্বনাথৰ পশ্চিমৰ পৰা উত্তৰ ফালে যোৱা এটা ডাঙৰ গড় আছে। এই গড় প্ৰতাপগড় নামে জনাজাত আৰু গড়ৰ কাষতে বৰ্ত্তমান প্ৰতাপ-গড় নামে বাগিচা অৱস্থিত। সম্ভৱ, এই গড় প্ৰতাপ ৰজাই মৰোৱা। কোনোৱে কয় যে ৰজা ৰামচন্দ্ৰৰ ভাৰ্য্যাক ব্ৰহ্মপুত্ৰই হৰণ কৰে আৰু তেওঁলোকৰ পুতেকেই ৰজা আৰিমত্ত। কোনোৱে আকৌ কয়, যে ৰত্নপুৰৰ ৰজা ময়ূৰধ্বজৰ পুতেক তাম্ৰধ্বজ আৰু তেওঁৰ পুতেক প্ৰতাপুৰীয়া আৰু তেওঁৰ ভাৰ্য্যা হাৰমতীৰ [ সৌমাৰৰ ৰজা ইৰাৱন্তৰ বংশধৰ হৰবিন্দৰ জীয়েক ] পুত্ৰ হৈছে আৰিমত্ত। উত্তৰ লক্ষীমপুৰ মহকুমাৰ ধলপুৰ মৌজাত হাৰমতী গড় নামে এটি মাটিৰ কোঠ আছে। তাৰ কালি চাৰি বৰ্গ ফাৰ্লং মান হব। তাতে হাৰমতী কুঁৱৰী আছিল বুলি সেই অঞ্চলৰ মানুহে কয়। তাৰ পৰা প্ৰায় ১৯ মাইল উত্তৰ পূবে ডিক্ৰং নদীৰ পূব পাৰে লালুক মৌজাত হাৰমতী নামে এখন বাগিচা আছে। এই বাগিচাতো ডিক্ৰং নদীৰ কাষত এখন নগৰ থকাৰ চিন আছে। সেই নগৰতে হাৰমতী কুঁৱৰী আছিল বুলিও কয়। বোধ কৰোঁ, হাৰমতী কুঁৱৰী দুয়ো-ঠাইতে আছিল। কোনোৱে আকৌ লোহিত্যপুৰৰ ৰজা মৃগাঙ্কক আৰিমত্ত বোলে। এই ৰজাৰ মূৰটো আৰি মাছৰ দৰে হোৱাৰ কাৰণেই তেওঁৰ নাম আৰিমত্ত হয়।

আৰিমত্তৰ পিতাক দক্ষিণফালে ৰজা হৈ থাকোঁতে আৰিমত্ত উত্তৰ ফালে ৰজা আছিল। কোনোৱে কয়, আৰিমত্ত নামনিৰ ৰজা আছিল,

আৰু তেওঁৰ নগৰ কামৰূপৰ বেতনাৰ বৈদ্যগড়ত আছিল। কোনোৱে কয়, তেওঁৰ নগৰ তেজপুৰ মহকুমাৰ সাকোমঠা মৌজাত থকা মাজুলিগড়ত [ মাজুলিগড় বাগানৰ কাষত ] আছিল। মাকে আৰিমত্তক দক্ষিণফালে যাবলৈ হাক দিছিল; কিন্তু তেওঁ মাকৰ হাক বচন নামানি দক্ষিণফালে ৰাজ্য জয় কৰে, আৰু সেই কাম কৰোঁতে অজ্ঞাততে পিতাকক হত্যা কৰে। মাকৰ পৰা পিতাকক হত্যা কৰাৰ কথা জানি, পিতৃহত্যা পাপৰ পৰা উদ্ধাৰ পাবলৈ তেওঁ জগন্নাথ আৰু গঙ্গাত ধন, সোন দান দিয়ে; কিন্তু তেওঁৰ দান জগন্নাথ আৰু গঙ্গাই গ্ৰহণ নকৰিলে। মানুহে কয় যে পিতৃ বধ কৰাৰ পাচত আৰিমত্তই তেওঁৰ বৰ গাটো যি নদীত ধুইছিল সেই নদীৰ নাম "বৰগাং" হয়। এই নদী ডফলা পৰ্ব্বতৰ পৰা ওলাই আহি তেজপুৰৰ প্ৰায় ৩৮ মাইল পূবে ব্ৰহ্মপুত্ৰত পৰিছে। তাৰপৰা তেওঁ উজাই গৈ পিতৃবধ কৰা বল্লম আৰু শেল দুখন সৰু নদীত ধোৱে। যি নদীত বল্লম ধুইছিল সেই নদী "বলম" আৰু যি নদীত শেল ধুইছিল সেই নদী "হেলেম" নামে জনাজাত হয়। বৰগাং নদীৰ প্ৰায় ১৪ মাইল পূবে বলম নদী আৰু এই নদীৰ ওচৰতে হেলেম নদী। এই নদীৰ নামেৰেই হেলেম বাগিচা আৰু হেলেম মৌজাৰ নাম হয়। আৰিমত্তই বাপেকৰ সকাম কৰিবলৈ বহুত পিঠাগুৰি খুন্দায়। সেই পিঠাগুৰি কোনেও নাখায় আৰু পেলাই দিয়ে। কোনোৰমতে, ওপৰুক্ত হাৰমতী বাগিচাৰ কেইমাইলমান পশ্চিমে থকা পিঠাগুৰি গাৱঁই পিঠাগুৰি পেলোৱা ঠাই আৰু কোনোৰমতে তেজপুৰৰ প্ৰায় ১৪ মাইল পূবে কৰ্চ্চনতলা প্ৰান্তত থকা পিঠাগুৰি-পৰ্ব্বত নামৰ সৰু টিলা-টোৱেই পিঠাগুৰি পোলোৱা ঠাই। পিঠাগুৰি গাৱঁৰ পৰা পিঠাগুৰি পৰ্ব্বত প্ৰায় ৭৫ মাইল দূৰ হব। পিতৃবধ পাপৰ পৰা উদ্ধাৰ পাবলৈ আৰিমত্তই উত্তৰ পাৰে এহেজাৰ পুখুৰী খনাইছিল বুলি কয়। উত্তৰ পাৰে লক্ষীমপুৰৰ পৰা ভৰলীলৈকে সৰু বৰ অসংখ্য পুখুৰী পোৱা যায়। এই পুখুৰীবিলাক কোনে কেতিয়া খনাইছিল, কোনেও সঠিককৈ কব নোৱাৰে। ৰজা আৰিমত্তই তাঁত বৈ থকা সুন্দৰী গাভৰু এজনী দেখি ধৰিবলৈ খেদি যায়। গাভৰু কিছুদূৰ যোৱাৰ পাচত পলাবলৈ উপায় নাপাই মাটিৰ তললৈ সোমাই যায়। মানুহে এই গাভৰুক কল্যাণী গোসাঁনী বুলি কয় আৰু তেওঁ যি ঠাইত অন্তৰ্ধ্যান হৈছিল, সেই ঠাইত আজিও কল্যাণী গোসাঁনীৰ থান আছে। কল্যাণী গোসাঁনীৰ নামে সেই ঠাইৰ নাম কল্যাণীপুৰ হ'ল। কালক্ৰমত কল্যাণীপুৰ "কলংপুৰ" নামে জনাজাত হয়। বৰ্ত্তমান গমিৰি ঘাটৰ [ তেজপুৰৰ পৰা ৫৪ মাইল মান পূবে হব ] অলপ উত্তৰ-পূবে কল্যাণী গোসাঁনীৰ থান আছে। এই থান থকা মৌজাটোৰ নাম "কলংপুৰ"। প্ৰচলিত প্ৰবাদ বিলাক সঁচা বুলি ধৰিলে আৰিমত্তৰ ৰাজ্য উত্তৰ পাৰে লক্ষীমপুৰৰ পৰা ভৰলী-লৈকে আৰু তেওঁৰ ৰাজধানী মাজুলিগড়ত আছিল বুলিব পাৰি। কোনোৱে কয়, যে কমতাপুৰৰ ৰজা ফিঙ্গুৱাই আৰু কোনোৱে কয় যে নগাৱঁৰ চহৰী মৌজাত নগৰ পাতি ৰাজত্ব কৰা আৰিমত্তৰ পুতেক জোঙ্গাল বলহুৱে আৰিমত্তক হত্যা কৰে। কোনোৱে আকৌ কয়, যে আৰিমত্তই জগন্নাথ আৰু গঙ্গাই প্ৰত্যাখ্যান কৰা দান দিখৌ নদীত পেলাই দি, সেই নদীতে আত্মহত্যা কৰে।

আৰিমত্তৰ পাচত তেওঁৰ পুতেক ৰত্নসিংহ উত্তৰ পাৰে ৰজা হয়। ৰত্নসিংহই ফেঙ্গুৱাক বধ



কৰে; কিন্তু আৰিমত্তৰ মন্ত্ৰী সমুদ্ৰই ৰত্নসিংহক ৰাজ্যৰ পৰা খেদি নিজে ৰজা হয়। সমুদ্ৰৰ পাচত তেওঁৰ পুতেক মনোহৰ ৰজা হয়। মনোহৰৰ লক্ষ্মীনামে এজনী জীয়েক মাত্ৰ আছিল। সূৰ্য্যদেৱতাই লক্ষ্মীক বিয়া কৰায়। লক্ষ্মীৰ শান্তনু আৰু সমন্ত নামে দুজন পুতেক হয়। শান্তনুৰ পুতেক সকল বৈষ্ণৱ হয় আৰু নগাৱঁৰ ৰামপুৰলৈ উঠি যায়। সমন্তৰ পুতেক সকল শাক্ত হৈ লক্ষীমপুৰত * বাস কৰে। তেওঁবিলাকে ৰাজ্যশাসন কৰিছিল আৰু ভূঞা নামে জনাজাত হয়। [ চাৰ গেইট চাহাবৰ বুৰঞ্জী ]

'আদি-চৰিত' নামে পুথিৰ পৰা ভূঞা সকলৰ উৎপত্তিৰ বিষয়ে তলত লিখা হল:— ৰজা প্ৰতাপৰ পুতেক ময়মত্ত আৰু তেওঁৰ পুতেক আৰিমত্ত আৰু নাগমত্ত আৰু জীয়েক ভৈলাদৈ। ভৈলাদৈক লোহিতে বিয়া কৰায় আৰু তেওঁলোকে কুশাৰণ্যত ৰাজত্ব কৰে। আৰিমত্তৰ পাচত তেওঁৰ মন্ত্ৰী সুমন্ত্ৰই ৰাজ্য চলায়। সুমন্ত্ৰৰ পাচত তেওঁৰ পুতেক মনোহৰে ৰাজ্য চলায়। সুমন্ত্ৰ আৰু মনোহৰে ৰজা নোহোৱাকৈ ৰাজ্য চলোৱা বাবে ভূঞা নামে জনাজাত হয়। মনোহৰৰ একমাত্ৰ জীয়েক লক্ষ্মীক সূৰ্য্যদেৱতাই বিয়া কৰায়। তেওঁলোকৰ শান্তনু আৰু সুমন্ত নামে দুজন পুতেক হয়। শান্তনুৰ লহকৰ, কাব্যসি, পদ্ম, ৰায়, সলাল, হোকা, টেটন, টোৱা, উজিৰ সাৰল, ৰমাই আৰু ভমাই নামে বাৰজন আৰু সুমন্তৰ কৌনজবৰ, ৰঘু, মকুন্দ, ৰুদম্ব, সুৰথ, সুন্দৰ, সুৰ, সুৰশ, গৌৰৰাজ, মহাৰথ, লেপ আৰু কেশ নামে বাৰজন পুতেক হয়। শান্তনুৰ পুতেক সকলক বৰ-বাৰভূঞা আৰু সুমন্তৰ পুতেকসকলক সৰু-বাৰভূঞা বোলে। বৰ বাৰভূঞাসকল শাক্ত হৈ লক্ষীমপুৰত থাকে; কিন্তু সৰু-বাৰভূঞাসকল বৈষ্ণৱ হয় আৰু নগাঁৱৰ ৰামপুৰলৈ উঠি যায়। তামৰ ফলিত সকলো দেৱতাৰ বীজমন্ত্ৰ লিখা "ধাতু তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰ" নামে এখন শাস্ত্ৰ সূৰ্য্যদেৱতাই লক্ষ্মী দেৱীক দিয়ে। এই শাস্ত্ৰ প্ৰথমে বৰ বাৰ-ভূঞা সকলৰ হাতত থাকে; কিন্তু আহোম ৰজাই বৰ বাৰভূঞাৰ ৰাজ্য হস্তগত কৰাত সৰু বাৰ-ভূঞাই বৰ বাৰভূঞা সকলৰ তিৰোতাসকলক গোসানী পূজি ৰাজ্য উদ্ধাৰ কৰাৰ, লোভ দেখুৱাই শাস্ত্ৰ খন লৈ যায়। "আদি চৰিত" মতে ৺শ্ৰীমন্ত শঙ্কৰদেৱ সুমন্তৰ পুত্ৰ কনৌজবৰৰ দ্বাদশ বংশধৰ। কনৌজৰ পৰা ঘূৰি অহাৰ কাৰণেই তেওঁৰ নাম কনৌজবৰ হয়। কল্পতৰু শাস্ত্ৰখন ৺শ্ৰীমন্তশঙ্কৰ দেৱৰ ঘৰৰ পৰা মায়ামৰীয়া ধৰ্ম্ম প্ৰৱৰ্ত্তক ৺অনিৰুদ্ধ দেৱে চুৰ কৰি নিয়া বুলি আৰু সেই কাৰণেই ৺শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ লগত সকলো সম্বন্ধ ছেদ কৰে বুলি "আদি চৰিতে" কয়।

"আদি চৰিত"ৰ বাহিৰে ৺শ্ৰীমন্ত শঙ্কৰদেৱ সুমন্তৰ পুত্ৰ কনৌজবৰৰ বংশধৰ বুলি ক'তো পোৱা নাযায়। এই কথা আজিলৈকে কোনেও স্বীকাৰ কৰি লোৱা নাই। ৺অনিৰুদ্ধদেৱে কল্পতৰু শাস্ত্ৰ চুৰি কৰা আখ্যান মিছা বুলি ৺ৰজনীকান্ত বৰদলৈ দেৱে "বংশাৱলী পুথিত" বিস্তৃত ভাৱে লিখি ব্যাখ্যা কৰি দেখুৱাইছে। এই পুথিমতে ৺শ্ৰীমন্তশঙ্কৰ দেৱে "কল্পতৰু শাস্ত্ৰ" ৺মাধৱদেৱক, ৺মাধৱদেৱে ভবানীপুৰীয়া ৺গোপাল দেৱক আৰু তেওঁ ৺অনিৰুদ্ধদেৱক দিয়ে। বৰ্ত্তমান এই শাস্ত্ৰ নাই।

আৰিমত্ত ৰজাৰ ৰাজত্বৰ কাল সঠিককৈ জনা নাযায়। বুৰঞ্জীবিদ সকলে তেওঁৰ কাল খৃঃ ৭ শ শতাব্দিৰ পৰা ১০শ শতাব্দিৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। এতেকে উত্তৰ পাৰৰ ভূঞাসকলে

* লক্ষীদেৱীৰ নাম অনুসৰি "লক্ষীমপুৰ" হয়।

অন্ততঃ ১৩শ শতাব্দিৰ পৰা ১৬শ শতাব্দিৰ আৰম্ভণলৈকে ৰাজত্ব কৰিছিল। এওঁলোকে ৰাজত্ব কৰাৰ সীমা উপৰত দি অহা হৈছে।

আহোমসকলে উত্তৰপাৰৰ ভূঞাৰাজ্য নিজ ৰাজ্যৰ লগত চামিল কৰাৰ আগৰ পৰা উত্তৰ লক্ষীমপুৰ মহকুমাত বঠাৰতী গোসাঁনী, পঞ্চানন [ কালী গোসাঁনী ] মুৰাভগা, কেচাইখাতী আৰু লোনপানী আৰু তেজপুৰ মহকুমাত কল্যাণী গোসাঁনী, চণ্ডী, উমা, আৰু ভৈৰবী গোসাঁনীৰ পুজা চলি আহিছে। শক্তি পূজাৰ মন্দিৰৰ বাহিৰেও বিশ্বনাথ, থানেশ্বৰ, যোগেশ্বৰ, মুক্তিনাথ, নন্দিকেশৰ, ৰুদ্ৰপদ, শুক্লেশ্বৰ, পূৰ্ব্বশঙ্কৰ, নাগশঙ্কৰ, হলেশ্বৰ, ভৈৰৱপদ, মহাভৈৰৱ, হিন্দুলেশ্বৰ, টিঙ্গেশ্বৰ, শিঙৰিৰ গোপেশ্বৰ আদি শিৱমন্দিৰ আৰু শাক্ত আৰু শৈৱ মন্দিৰৰ বাহিৰেও সৌভাগ্যমাধৱ, বাসুদেৱ, বুঢ়ামাধৱ, সূৰ্য্যমাধৱ, দুলালমাধৱ আদি বৈষ্ণৱ মন্দিৰ তেজপুৰ মহকুমাত বিৰাজমান। এই শাক্ত, শৈৱ আৰু বৈষ্ণৱ মন্দিৰ বিলাক কোনে কেতিয়া নিৰ্ম্মাণ কৰাইছিল সঠিককৈ কব নোৱাৰি। ভূঞাসকলৰ ৰাজত্ব কালত উত্তৰ পাৰে এই মন্দিৰ বিলাক যে আছিল তাত কোনো সন্দেহ নাই। ভূঞা ৰাজ্যত একে সময়তে শাক্ত, শৈৱ আৰু বৈষ্ণৱ-মন্দিৰ থকাৰ পৰা বুজা যায় যে ভূঞাসকলে শৈৱ আৰু বৈষ্ণৱ-ধৰ্ম্মৰ ওপৰত হাত দিয়া নাছিল।"

ভূঞাবিলাকে সৰু সৰু ৰাজ্যত ৰাজত্ব কৰা বাবে তেওঁবিলাক বৰ পৰাক্ৰমী নাছিল। এই কাৰণেই চুটিয়া ৰজা ৰত্নধ্বজপালে ভূঞা ৰাজ্য অতিক্ৰম কৰি কমতাপুৰ আক্ৰমণ কৰাত কমতাপুৰৰ ৰজাই তেওঁলৈ জীয়েকক বিয়া দি মিত্ৰতা কৰে আৰু স্বৰ্গদেৱ চুখাংফাই [ ১২৯৩-১৩৩২খৃঃ ] আৰু স্বৰ্গদেৱ চুডাংফাই [ ১৩৯৭-১৪০৭ খৃঃ ] ভূঞা ৰাজ্য পাৰ হৈ কমতাপুৰ ৰাজ্য আক্ৰমণ কৰি কমতাপুৰ ৰজাৰ জীয়াৰী বিয়া কৰাবলৈ সমৰ্থ হৈছিল। স্বৰ্গদেৱ চুহুম্মুঙে কমতাপুৰ ৰাজ্য ধ্বংস কৰা হুছেন চাহক ১৪৯৮ খৃঃত অসমৰ পৰা খেদি দিয়ে। সেই সময়ত ভূঞাসকলে হুছেন চাহৰ আক্ৰমণত বাধা দিয়া বা বাধা দিবলৈ কৰা আয়োজনৰ কথা ক'তো পোৱা নাযায়। স্বৰ্গদেৱ চুহুম্মুঙ বা দিহিঙ্গীয়া ৰজাই ১৫০৫ খৃঃত উত্তৰ পাৰৰ ভূঞাবিলাকক যুদ্ধত পৰাস্ত কৰি তেওঁলোকৰ ৰাজ্য আহোম ৰাজ্যৰ লগত চামিল কৰে আৰু তেওঁলোকৰ বচোৱাল টঙ্গালি আৰু হাঁচটি লবলৈ ধৰে আৰু কিছুমান ভূঞাৰ লবাক স্বৰ্গদেৱে তামুলী আৰু পাচঁনিকৈ লগত লয়।

নামনি খণ্ডৰ ভূঞা:—৺শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয়ৰ চৰিত্ৰ পুথিবিলাকত পোৱা কথা তলত লিখা হ'ল। কমতাপুৰৰ ৰজা [ কমতাপুৰ ৰাজ্য বৰনদীৰ পৰা কৰতোৱা নদীলৈকে বিস্তৃত আছিল। ] দুৰ্লভনাৰায়ণ আৰু গৌৰৰ ৰজা ধৰ্ম্মনাৰায়ণৰ মাজত যুদ্ধ হয়। কোনো পক্ষ যুদ্ধত জয়ী নোহোৱাত সন্ধি কৰে। সেই সন্ধিমতে গৌৰৰ ৰজাই ৺শ্ৰীমন্ত শঙ্কৰদেৱ, ৺ৰামৰাম গুৰু আৰু ৺দামোদৰ দেৱৰ পূৰ্ব্ব পুৰুষকে আদি কৰি সাতঘৰ ব্ৰাহ্মণ আৰু সাত ঘৰ কায়স্থ কমতাপুৰলৈ পঠায়। কমতাপুৰৰ ৰজাই তেওঁলোকক দুৱাৰবিলাকত ৰখীয়া হিচাপে স্থাপন কৰে।

৺শ্ৰীমন্ত শঙ্কৰ দেৱৰ পুৰুষনামা। [ৰামচৰণ ঠাকুৰৰ মতে।]

গন্ধৰ্ব্বৰায়=১মা ভাৰ্য্যা অৰুণি, ২য়া ভাৰ্য্যা অমৃস্য়া, ৩য়া ভাৰ্য্যা ইন্দুনি।

|

কন্যা কৃষ্ণকান্তি।



[ কৃষ্ণকান্তি অবিবাহিত আছিল। হৰৰ বৰত শ্ৰীকৃষ্ণৰ বীৰ্য্যত তেওঁৰ পুত্ৰ লণ্ডাদেৱৰ জন্ম হয়। ]

|

চণ্ডীবৰ = সন্ধ্যা

|

ৰাজধৰ = দেহুতি

| সূৰ্য্যবৰ | হলায়ুদ | জয়ন্ত | মাধৱ |
| --- | --- | --- | --- |
| ভাৰ্য্যা | ভাৰ্য্যা | ভাৰ্য্যা | ভাৰ্য্যা |
| খেৰসুতি | সুভদ্ৰা | গুটিমালী | সুভাগী |

কুসুমবৰ = সত্যসন্ধ্যা, ২য়া ভাৰ্য্যা (সূৰ্য্যবৰৰ পুত্ৰ) — জগতানন্দ (জয়ন্তৰ পুত্ৰ)

বনগঞাগিৰি (কুসুমবৰ আৰু ২য়া ভাৰ্য্যাৰ পুত্ৰ) — ৰামৰায় (জগতানন্দৰ পুত্ৰ)

শঙ্কৰদেৱ = ১মা সূৰ্য্যৱতী, ২য়া কলিন্দী

কন্যা মনু = হৰি

ৰামানন্দ | কমললোচন | হৰিচৰণ | ৰুক্মিনী

পুৰুষোত্তম | চতুৰ্ভুজ (ৰামানন্দৰ পুত্ৰ)

লণ্ডাদেৱে গৌৰেশ্বৰৰ আদেশত বঙ্গৰ লগত যুদ্ধ কৰোঁতে সেই যুদ্ধৰ মানুহৰ তেজেৰে চণ্ডীক পূজা কৰি পুত্ৰ লাভ কৰাত, তেওঁৰ নাম চণ্ডীবৰ হয়। দেৱীক পূজা কৰাৰ কাৰণে চণ্ডীবৰৰ আন নাম দেৱীদাস আছিল। তেওঁ কনৌজত বাস কৰিছিল। গৌৰেশ্বৰৰ আদেশত তেওঁ কমতাপুৰলৈ আহে। কমতেশ্বৰে প্ৰথমে তেওঁক লেঙ্গামাগুৰিত স্থাপন কৰে।* তাত ভোটে দৌৰাত্ম্য কৰাত তেওঁ শিঙৰীয়েদি ব্ৰহ্মপুত্ৰ পাৰ হৈ † কালশিলা পাই, টেমুৰণীয়ে উজাই গৈ নগাওঁৰ বৰদোৱাত বসতি কৰিবলৈ লয়। বৰদোৱাত পানীয়ে শস্য নষ্ট কৰাত চণ্ডীবৰৰ পুত্ৰ ৰাজধৰ আলি পুখুৰীলৈ উঠি যায়। তেওঁ সূৰ্য্যক আৰাধনা কৰি পুত্ৰ লাভ কৰাৰ কাৰণে প্ৰথম পুতেকৰ নাম সূৰ্য্যবৰ দিয়ে। সূৰ্য্যবৰৰ পুত্ৰ কুসুমবৰক সকলো ভূঞাতকৈ চতুৰ দেখি কমতেশ্বৰে তেওঁক শিৰোমণি ভূঞা পাতে। কুসুমবৰে শিঙৰীৰ শিৱমন্দিৰত শঙ্কৰক আৰাধনা কৰি পুত্ৰ লাভ কৰাৰ কাৰণে পুতেকৰ নাম শঙ্কৰ হয়। এই শঙ্কৰেই অসমত ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰোঁতা মহাপুৰুষ ৺শ্ৰীমন্ত শঙ্কৰদেৱ।

ৰায় বাহাদুৰ ৺পদ্মনাথ গোহাঁই বৰুৱাই "অসম বুৰঞ্জী"ত লিখিছে:—"চাহাবুদ্দিনে কনৌজ আক্ৰমণ কৰাত লণ্ডাদেৱ প্ৰমুখ্যে ১২ ঘৰ কায়স্থ আৰু সাতঘৰ বামুণ তাৰ পৰা কমতাপুৰৰ ওচৰৰ গৌৰ ৰাজ্যলৈ উঠি আহে। তাৰ পাচত, গৌৰেশ্বৰ ধৰ্ম্মনাৰায়ণ আৰু কমতেশ্বৰ দুৰ্লভনাৰায়ণৰ মাজত বিশেষ বন্ধুতা থকাৰ সুচলতে চণ্ডীবৰ প্ৰমুখ্যে বাৰঘৰ কায়স্থ ভূঞা আৰু ২ ঘৰ বামুণ কনৌজীয়া মানুহ ১২২০ শকঁত কমতেশ্বৰ দুৰ্লভনাৰায়ণৰ ৰাজ্যলৈ উঠি আহি থিতাপিত হয়। চণ্ডীবৰ আৰু দুই চাৰিজনত বাজে উক্ত ১৪ ঘৰ কনৌজীয়া

* "পূৰ্ব্বে বাহ্ৰ ভূঞা চণ্ডীবৰ আদি কৰি।
অনুক্ৰমে ভূঞ্জে কামৰূপ বসুন্ধৰা॥
সবাৰ মধ্যতে শ্ৰেষ্ঠ ভূঞা চণ্ডীবৰ।
শ্ৰমে মহেশ্বৰ যেন পাইক ধনুৰ্দ্ধৰ॥ ২৫২৬
দৰ্পপাল ৰজা আছিলেক কামেশ্বৰ।
তাহাৰে খাটয় যত ভূঞা নিৰন্তৰ॥
["শঙ্কৰ চৰিত" ৺ৰামচৰণ ঠাকুৰ।]

† শিঙৰী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এটি সৰু পাহাৰ। ই তেজপুৰৰ পৰা প্ৰায় ৩০ মাইল পশ্চিমে হব। ইয়াত ঋষ্যশৃঙ্গমুনিৰ আশ্ৰম আছিল বুলি কয়। এই পাহাৰৰ তলিত ব্ৰহ্মপুত্ৰৰ পাৰত গোপেশ্বৰ শিৱ-মন্দিৰ। তাত শিৱলিঙ্গ নাই। মন্দিৰৰ গহ্বৰত সদায় পানী থাকে। তাত শিৱ গুপ্তভাৱে থকাৰ কাৰণে মন্দিৰৰ নাম "গোপেশ্বৰ"। বাৰিষা গহ্বৰৰ পানী ১২ ফুটমান দ হয়। ভোটবিলাকো এই মন্দিৰলৈ আহে। শিঙৰী পাহাৰৰ উত্তৰ পশ্চিম কোণাত আন এটা শিৱৰ মন্দিৰ আছিল। সেই মন্দিৰ ভাগি শিলবোৰ দ'মহৈ আছে।—লিখক—

মানুহৰ আটাইবিলাক ভূঞা নামেৰেই জনাজাত হ'ল। সিবিলাকৰ ভিতৰত চণ্ডীবৰ সবাতকৈ চতুৰ আছিল কাৰণে, তেওঁক কমতেশ্বৰ দুৰ্লভনাৰায়ণে 'শিৰোমণি ভূঞা' খিতাপ দি, কমতাপুৰৰ পূৰ্ব্বাঞ্চলৰ শাসনকৰ্ত্তা পাতিলে।''

ওপৰত কোৱা হৈছে যে সৰু-বাৰভূঞাবিলাক লক্ষীমপুৰৰ পৰা নগাৱঁলৈ উঠি যায়। ৺শ্ৰীমন্ত শঙ্কৰদেৱৰ উপৰিপুৰুষ সকলো নগাৱঁলৈ উঠি আহে। লক্ষীমপুৰৰ বৰ-বাৰভূঞা আৰু সৰু-বাৰভূঞা সকল কায়স্থ আছিল। গৌৰৰপৰা ৺শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষকে আদি কৰি কমতাপুৰলৈ উঠি অহা ১৪ ঘৰ মানুহৰ ভিতৰত সাতঘৰ কায়স্থ আছিল। চৰিত্ৰ-পুথিয়ে ৺শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষক ক্ষেত্ৰিয় বুলি কৈছে। নগাঁৱত এই সকলৰ বাহিৰেও কমতেশ্বৰে পতা আৰু কিছুমান ভূঞা আছিল। এই সকলো ভূঞা পাচত কায়স্থ বুলিয়েই জনাজাত হৈছিল আৰু তেওঁবিলাক সান-মিহলি হৈ পৰিছিল। নগাঁৱত শাসন কৰা ভূঞা সকলৰ ৰাজ্যৰ পূবে কছাৰী-ৰাজ্য আৰু তাৰ পূবে আহোম-ৰাজ্য আছিল।

১৪৯৮ খৃঃত গৌৰৰ ৰজা হুছেনচাহে কমতেশ্বৰ নীলাম্বৰক যুদ্ধত ঘটুৱাই কমতাপুৰ-ৰাজ্য ধ্বংস কৰে, কিন্তু তেওঁক আহোম সকলে অসমৰ পৰা খেদি দিয়ে। [ Sir Gait ]। আহোমসকলে হুছেন চাহক যদিও অসমৰ পৰা খেদি দিলে তথাচ কমতাপুৰ দখল নকৰিলে। সেই কাৰণে কমতা-পুৰ ৰাজ্য অৰাজকতাত পৰিণত হ'ল। কমতাপুৰ ৰজাৰ তলত থকা ভূঞা সকল স্বাধীন হ'ল আৰু লগে লগে অসংখ্য সৰু সৰু ৰজা বা ভূঞাৰ উৎপত্তি হ'ল।

'কামাখ্যা দেৱীয়ে যেৱে তাঙ্ক[কমতেশ্বৰ] শাপ দিলা।
আপুনাৰ ৰাজ্য এৰি বিদেশক গৈলা ॥ ২৫২৭ ॥
দেখিলেক লোকে যেৱে ভৈলেক অৰাজ।
গাৱেঁ গাৱেঁ ভৈল তেৱে সৱে ভূঞাৰাজ ॥

[ ৺ৰামচৰণ ঠাকুৰ কৃত—"শঙ্কৰ চৰিত"। ]

নামনি অসমৰ উত্তৰ পাৰে থকা ভূঞাসকলক পৰাস্ত কৰি বিশ্বসিংহই বৰনদীৰ পৰা কৰতোৱা-লৈকে কোচৰাজ্য প্ৰতিষ্ঠা কৰি ১৫১৫ খৃঃত ৰজা হয়। ধ্বংস হোৱা কমতাপুৰত কোচৰাজ্য গঢ়ি উঠে। গেইট চাহাবৰ মতে বিশ্বসিংহই উগুৰি [ UGURI ], লুকি আৰু সৰু ভূঞাসকলক আৰু ফুলগুৰি আৰু বিজনি আদিৰ নায়কসকলক পৰাস্ত কৰে। ৱেড্ ( Dr. I. P. Wade ) চাহাবৰ মতে বিশ্বসিংহই সৰুভূঞা, নাৰায়ণ ভূঞা আৰু অন্যান্য ভূঞাসকলক পৰাস্ত কৰে। ৺ৰামচৰণ ঠাকুৰ প্ৰণীত "শঙ্কৰ চৰিত"ত পোৱা যায় যে বিশ্বসিংহই ৰাউসীয়াৰায় বা গন্ধৰ্ব্বৰায়, চিৰমখা আৰু অন্যান্য ভূঞাসকলক বশ কৰে, কিন্তু প্ৰতাপখা আৰু তেওঁৰ ভতিজাক গাভৰুখা পলাই গৌৰলৈ যায়। গৌৰেশ্বৰৰ অনুপস্থিতৰ সুযোগ লৈ তেওঁ-লোকে গৌৰ লুট কৰি কোচৰজা নৰনাৰায়ণৰ [ ১৫৪০-৮৪ খৃঃ ] লগ লয়। প্ৰতাপখাই জীয়েকক নৰনাৰায়ণলৈ বিয়া দিয়ে। গাভৰুখা আৰু চিৰাম-খাৰ পুতেকে আহোম-ৰাজ্য দখল কৰোঁতে কোচৰজা নৰনাৰায়ণক সহায় কৰিছিল। ভূঞা সকলে "খা" উপাধি গ্ৰহণ কৰাৰ পৰা অনুমান হয় যে মুছলমান সভ্যতাৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত পৰিছিল।

৺শ্ৰীমন্ত শঙ্কৰদেৱৰ কাল ১৭৪৯ খৃঃৰ পৰা ১৫৬৯ খৃঃলৈ বুলি সকলোৱে ধৰি লৈছে। "শঙ্কৰ চৰিত" মতে ৺শ্ৰীমন্ত শঙ্কৰদেৱৰ ১৩ মাহ বয়স হওঁতে অৰ্থাৎ ১৪৫০ খৃঃত কছাৰীবিলাকে ভূঞা



সকলৰ ৰাজ্য তিনদিন লুটপাত কৰে; কিন্তু ভূঞাসকলে কছাৰীসকলক তেওঁলোকৰ ৰাজ্যৰ পৰা খেদি দিয়ে। ৺শ্ৰীমন্ত শঙ্কৰদেৱ ১৭ বছৰ বয়সত অৰ্থাৎ ১৪৬৬ খৃঃত নিজ গাৱঁৰ ভূঞা হয়। সেই সময়ত বুঢ়াখা, জয়ন্ত, মাধৱ, কৰ্ণপুৰ, চতুৰ্ভূজ আদি ভূঞা নগাৱঁত আছিল। ব্ৰাহ্মণ সকলে ভূঞা বুঢ়াখাৰ আগত ৺শ্ৰীমন্ত শঙ্কৰদেৱৰ বিপক্ষে লগোৱাত বুঢ়াখাৰ ৰাজসভাত তেওঁৰ বিচাৰ হয়। সেই বিচাৰত ৺শ্ৰীমন্ত শঙ্কৰদেৱে ব্ৰাহ্মণ সকলক তৰ্কত পৰাস্ত কৰে। ৺শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰথমবাৰ বাৰ বছৰ তীৰ্থ ভ্ৰমণ কৰি আহি পুনৰ ভূঞা হয়। তেওঁ তীৰ্থ-ক্ষেত্ৰত থাকোঁতে ৪০ বছৰ বয়স হৈছিল। এতেকে, তেওঁ ১৪৮৯ খৃঃৰ কেইবছৰমানৰ পাচত দ্বিতীয়বাৰ ভূঞা হয়। তেওঁ বিষয় বাব লবলৈ ভাল নাপাই ভূঞাপদ জোৱাঁয়েক হৰিক গতাই দিয়ে। কছাৰী বিলাকে ভূঞাসকলৰ ৰাজ্য পুনৰ আক্ৰমণ কৰাত ৺শ্ৰীমন্ত শঙ্কৰদেৱ অন্যান্য ভূঞা সকলৰ সৈতে গৈ আহোম-ৰাজ্যৰ বৰগাং আৰু ব্ৰহ্মপুত্ৰৰ সঙ্গম-স্থল * গাঙ্গমুখত গাংমৌ নামে সত্ৰ পাতি থাকে। কোচবিলাকে চিলাৰায়ৰ তলত ১৫৪৬ খৃঃত সেই ঠাই আক্ৰমণ কৰি নাৰায়ণপুৰত † কোঠ মৰাত ৺শ্ৰীমন্ত শঙ্কৰদেৱ উত্তৰলৈ যায়। এতেকে ৺শ্ৰীমন্ত শঙ্কৰদেৱ অন্যান্য ভূঞা সকলৰ সৈতে নগাওঁ এৰি আহোম ৰাজ্যলৈ ১৪৮৯ পৰা ১৫৪৬ খৃঃৰ ভিতৰত যায়। ৺শ্ৰীমন্ত শঙ্কৰদেৱ উজাই গৈ নৰোৱাত মাটিৰ তলত "বাসদেৱ" মূৰ্ত্তি পাই তাতে স্থাপন কৰে। সেই মূৰ্ত্তি তাতে আজিও আছে। তাৰ পাছত, তেওঁ বাৰভূঞাৰ সৈতে লগ লাগি আহোম ৰজাক মন্ত্ৰণা দি কোচ সকলক আহোম ৰাজ্যৰ পৰা খেদি পঠায়। ১৫৪৭ খৃঃত আহোম সকলে পিচলা নৈৰ ‡ যুদ্ধত কোচসকলক সমূলে ধ্বংস কৰে। তেতিয়া ৺শ্ৰীমন্ত শঙ্কৰদেৱ ভূঞা হাটত থাকিবলৈ লয়। চৰিত্ৰ পুথি মতে তেওঁ তাত থাকোঁতেই তেওঁৰ জোৱাঁয়েক ৺হৰিক হাতী ধৰি ৰাখিব নোৱাৰা অপৰাধত কোনো এক সন্দিহৈকৈ ৰৰাই কটায়। এজন ৰৰাই এজন ভূঞাক কাটি মৃত্যু দণ্ড দিয়া কথা বুৰঞ্জীয়ে সমৰ্থন নকৰে। যিহওক, সেই ঘটনাৰ পাচতো ৺শ্ৰীমন্ত শঙ্কৰদেৱ সেই ঠাইতে ১৪ বছৰ থাকে। তাত থাকোঁতেই ৺শ্ৰীমন্ত শঙ্কৰদেৱে ব্ৰাহ্মণ সকলক আহোম-ৰাজসভাত তৰ্কত ঘটুৱাত আহোম ৰজাই তেওঁক প্ৰশংসা কৰে। ১৫৬৩ খৃঃত চিলাৰায়ে পুনৰ অসম জয় কৰাত তেওঁ ধুঞাহাট এৰি কোচৰাজ্য বৰপেটালৈ যায় আৰু জীৱনৰ বাকীছোৱাকাল বৰপেটা আৰু কোচ-বেহাৰত কটায়। ব্ৰাহ্মণসকলে কোচৰজা নৰ-নাৰায়ণৰ ( ১৫৪০—৮৪ খৃঃ) আগত ৺শ্ৰীমন্ত শঙ্কৰ-দেৱ বৰপেটাত থাকোঁতে তেওঁৰ বিপক্ষে লগোৱাত কোচ-ৰাজসভাত তেওঁৰ বিচাৰ হয়। সেই সভাত তেওঁ ব্ৰাহ্মণ সকলক তৰ্কত পৰাস্ত কৰে। কোচ-ৰজাই তেওঁৰ গুণত মুগ্ধ হৈ তেওঁক বৰপেটা মহলৰ ভূঞা পাতে। তেওঁ পাটবাউসিত † থাকিবলৈ লয় আৰু তাতে এখন সত্ৰ পাতে। তাত থাকোঁ-তেই তেওঁ তাঁতীকুচিত বৃন্দাবনীয়া কাপোৰ বোৱাই কোচ-ৰজা নৰনাৰায়ণক উপহাৰ দিয়ে আৰু

* তেজপুৰৰ পৰা প্ৰায় ৩৮ মাইল পূবে আৰু উঃ লক্ষীমপুৰৰ পৰা প্ৰায় ৭২ মাইল পশ্চিমে। † লক্ষীমপুৰৰ পৰা ৩০ মাইল পশ্চিমে। ‡ লক্ষীমপুৰৰ পৰা ১২ মাইল পূবে। ‡ লক্ষীমপুৰৰ পৰা প্ৰায় ৩০ মাইল পশ্চিমে। † মাজুলীৰ আহঁতগুৰিৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ দক্ষিণে আছিল। বৰ্ত্তমান সেই অঞ্চল ব্ৰহ্মপুত্ৰৰ গৰ্ভত। —লিঃ

† বৰপেটাৰ পৰা চাৰি মাইল দক্ষিণ পশ্চিমে। লিঃ

লগতে ভূঞা পদো ইস্তকা দিয়ে। কোচ ৰাজ্যৰ পৰা তেওঁ দ্বিতীয়বাৰ তীৰ্থলৈ যায় আৰু কোচ-বেহাৰত তেওঁ ১৫৬১ খৃঃত ইহলীলা সম্বৰণ কৰে।

স্বৰ্গদেৱ দিহিঙ্গীয়া ৰজাৰ দিনত ১৫৩৬ খৃঃত চাওক্লাচেঙ্গমুন বৰগোহাঁয়ে কছাৰী ৰজাৰ ৰাজধানী ডিমাপুৰ ধ্বংস কৰি কছাৰী-ৰাজ্য আহোম-ৰাজ্যৰ চামিল কৰে। কছাৰীবিলাকে ভৈয়াম এৰি কাছা-ৰলৈ গুচি গৈ মায়বঙ্গত ৰাজধানী পাতে। তেতিয়াৰ পৰা ডিমাপুৰ অঞ্চল বৰ্ত্তমানলৈকে হাবি হৈ আছে। কছাৰী-ৰাজ্য আহোমসকলে দখল কৰাত আহোম ৰাজ্যৰ পশ্চিম সীমাই ভূঞা-ৰাজ্য ছোৱেগৈ। স্বৰ্গদেও চুক্লেনমুঙৰ দিনত [ ১৫৫৯-৫২ খৃঃ ] নগাৱঁৰ ভূঞাসকলক আহোমসকলে বশ কৰে। ভৱিষ্যতে ভূঞাসকলে বিদ্ৰোহ কৰে বুলি তেওঁলোকক আহোম ৰাজধানীৰ ওচৰলৈ স্থানান্তৰিত কৰা হয়। এইসকল ভূঞাৰ বাহিৰে যদি কোচ-ৰাজ্যত অন্য ভূঞা আছিল, হেন্তে আহোম-ৰজাই কোচৰাজ্য দখল কৰাৰ লগে লগে তেওঁলোক আহোমৰ তললৈ আহিল। ১৬১৬ খৃঃত মক্ৰমখাঁই কোচৰজা পৰীক্ষিতৰ ৰাজ্য মোগল-ৰাজ্যৰ লগত চামিল কৰে ; কিন্তু তেনেতে স্বৰ্গদেৱ প্ৰতাপসিংহই মুছ-লমান সকলক পৰাজয় কৰি পৰীক্ষিতৰ ভায়েক ধৰ্ম্মনাৰায়ণক কামৰূপ আৰু দৰঙ্গত আৰু তেওঁৰ ভায়েক গজনাৰায়ণক বেলতলাত কৰতলীয় ৰজা পাতে। উজনিৰ কোচৰাজ্য আহোম-ৰজাৰ হাতলৈ অহাৰ লগে লগে অসমত ভূঞা সকলৰ আধিপত্য শেষ হয়।

ডিমাপুৰ ধ্বংস হোৱাৰ পাচত কছাৰীসকলে মায়বঙ্গত ৰাজধানী স্থাপন কৰি কাছাৰত ৰাজত্ব কৰে। খাচপুৰ কছাৰী ৰজাৰ তললৈ অহাত ছিলটৰ পৰা হিন্দু আৰু মুছলমানবিলাক উঠি আহি খাচপুৰত বাস কৰিবলৈ লয়। এই বাসি-ন্দাবিলাকে কছাৰী-ৰজাক খাজানা উঠাই দিয়া এটি পদ্ধতি চলায়। সেই পদ্ধতিমতে ৰজাই একো অঞ্চলত খাজানা তোলা একোজন বিষয়া নিৰ্ব্বাচন কৰে। বিষয়াবিলাকৰ অঞ্চলৰ আয়তন আৰু প্ৰাধানাত্তা হিচাবে তেওঁলোকক চৌধাৰী, মজুমদাৰ, লস্কৰ, বৰভূঞা, চোটভূঞা আদি বোলা হৈছিল। এই বিষয়াবিলাক হিন্দু আৰু মুছলমান দুয়ো ভোগ কৰিছিল। এই উপাধি বিলাক মাটি বিষয়ৰ প্ৰতিনিধিৰ আছিল ; কিন্তু পাচত দাম লৈ বিক্ৰি কৰা হৈছিল—চৌধাৰী—১৩৩৲ টকা ; মজুমদাৰ—১০৭৲ টকা ; লস্কৰ—৮০৲ টকা; বৰভূঞা—৬৭৲ টকা আৰু চোটভূঞা—৫০৲ টকা। এই উপাধিবিলাক বংশগত হৈ পৰে আৰু বংশৰ সকলোৱে গ্ৰহণ কৰে। [ Cachar District Gazeteer ]

অসম উপত্যকাৰ ভূঞা সকল হিন্দু আৰু কায়স্থ। ব্ৰাহ্মণৰ মাজতো দুই এজন ভূঞা আছিল। এই ভূঞা বিলাক সময়ত স্বাধীন আৰু সময়ত কৰতলীয়া ৰজা আছিল। কাছা-ৰৰ ভূঞাবিলাক ৰজা নাছিল—খাজানা তোলা বিষয়াহে আছিল। কাছাৰৰ ভূঞাৰ ভিতৰত হিন্দু আৰু মুছলমান দুয়ো আছিল।

---

# আমাৰ নাৰী-সাহিত্য—বিয়া-নাম

শ্ৰীপ্ৰেমধৰ ৰাজখোৱা

শিৰোনামাটো ধাৰ কৰা। 'নতুন প্ৰকাশ'ৰ 'সাহিত্য সভা পত্ৰিকা'ত প্ৰকাশিত শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস ডাঙৰীয়াৰ প্ৰবন্ধৰ পৰাই লোৱা হৈছে। "নাৰী-সাহিত্য" শব্দটো তেখেতাৰেই সৃষ্টি। সেই শিৰোনামাৰে দাস ডাঙৰীয়াই যিযাৰ কথা বুজাব খুজিছে, সেইযাৰি আমাৰ মনঃপুত হোৱাত নতুন শব্দটি গ্ৰহণ কৰিছোঁ। গ্ৰহণ কৰিছোঁ যেতিয়া তাক ব্যৱহাৰো কৰিছোঁ। তাত কিজানি তেখেতৰ আপত্তি নোলাব।

দাস ডাঙৰীয়াই উল্লেখ কৰা 'আই-নাম'ৰ নিচিনাকৈ আমাৰ 'বিয়ানাম' বোৰকো এই নাৰী-সাহিত্যৰ মাজত স্থান দিব পাৰি। এই বিয়া-নাম বিলাক কোনেও লিখোঁ বুলি লিখা নাই ; কিন্তু এই বিয়া-নাম বিলাকেই হৈছে অসমীয়া সাহিত্যৰ এটি ডাঙৰ সম্পদ। এই সম্পদৰাশীও দাস ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ আমাৰ আই সকলৰ মস্তিষ্কৰ পৰাই বাহিৰ হৈ মুখে মুখে কত কাল চলি আহিছে তাক কোনো ক'ব। এই বিয়ানামবিলাক আমাৰ নাৰী সমাজৰ ইমান প্ৰিয় যে আজিৰ বৈজ্ঞানিক যুগৰ ৰেডিও, গ্ৰামো-ফ'ন, লাউড্-স্পীকাৰৰ গগন-স্পৰ্শা আত্তাহ-ৰাণী-য়েও বিয়া-নাম লোপ পেলাব পৰা নাই।

মুখে মুখে চলি অহা এই নাম বিলাক পোন প্ৰথমে লিপিবদ্ধ কৰি 'নামতি আই' আৰু 'নামতি বাই' নাম দি দুখনি পুথি ছপাই উলিয়ায় ডিব্ৰুগড়ৰ—৺দিবাকৰ দুৱৰাই সেই ইং ১৯০২। ১৯০৩ চনতে। আজিৰ দিনত তেনে বহুত বিয়া-নামৰ পুথি ওলাইছে যদিও, সেই পুথি দুখনি আজিও চলি আছে আৰু আজিও সেই দুখন পুথিয়ে আমাৰ নাৰী-সমাজৰ সমাদৰ সমানে লাভ কৰি পুনঃ পুনঃ মুদ্ৰিত হোৱাটোৱেই পুথি দুখনিৰ যোগ্যতা আৰু লোকপ্ৰিয়তা প্ৰমাণ কৰে। অযোগ্য কিতাপ দুই এবাৰ প্ৰকাশ পায়েই নোহোৱা হৈ পৰে।

পুথি দুখনিৰ নামাকৰণো অতি সুন্দৰ আৰু ভাৱ-পূৰ্ণ, তাত সন্দেহ নাই। বিয়াই-সবাহে যি গৰাকীয়ে নাম লগাই দিয়ে তেখেত সকলকেই নামতী বোলা হয়। সেই কালত (আজিৰ দিনৰ কথা পাছত কম ) এই নাম লগাই দিয়াৰ ভাৰ সমাজৰ বয়সস্থ আইসকলৰ গাতেই ন্যস্ত আছিল। আমাৰ আইটি আৰু আইদেউসকলে সেই আইসকলৰ গাতে ভেজা দি বহি লগাই দিয়া নামবিলাক জাত-জাতকৈ সুৰ লগাই গাবলৈ শিকিছিল। বয়সৰ লগে লগে সেই আইদেউ সকলেও পাকৈত নামতী হৈ পৰিছিল গৈ। নামতী আইৰ লগতে আমাৰ সমাজৰ বাইসকলেও নাম জুৰিছিল। বাই মানে সেই কালত অসমৰ প্ৰত্যেক নগৰে-চহৰে এনে এজাতি তিৰোতা আছিল, যিসকলৰ গাত বিয়া-সবাহৰ ভিতৰ মহলৰ যাৱতীয় কাম কাজ ন্যস্ত আছিল। সেই সকলক সমাজৰ সকলোৱে বাই বুলি মাতিছিল। বিয়া-সবাহত তেনে এগৰাকী বাই নহলে কামেই নচলিছিল। সকলো ঘৰতে সেই বাইসকলৰ মৰ্য্যাদা ৰক্ষিত হৈছিল, আৰু

তেওঁলোকৰ দ্বাৰা কোনেও কোনো হীন কাম কৰাব নোৱাৰিছিল। ৰংপুৰৰ জানেকী বাই, লাহী বাই, ডিব্ৰুগড়ৰ বহাগী, ভদৰী, ডালিমী বাই, গুৱাহাটীৰ ঘৰগুৱা, গোলাপী, যুতি, থুলুকী বাইক কোনে-ইবা চিনি নাপাইছিল? সেই দিনত কোনোখন বিয়া, কোনোখন সবাহতেই, বা এই বাইসকল ৰান্ধনি-ঘৰৰ হালধিৰ টেমা ৰূপে ব্যৱহৃত হোৱা নাছিল। সমাজৰ পৰিৱৰ্ত্তনৰ লগে লগে এই বাই-সকল আৰু লোপ পালে,—যিবা এগৰাকী মুখুৰী বায়ে অতীতৰ সেই বাই-সম্প্ৰদায়ৰ শেষ স্মৃতি ৰূপে আজিও বৰ্ত্তমান, সেই বায়েও আকৌ ৰাজ-নীতিত যোগ দি সদিয়াৰ পৰা ধুবুৰি পৰ্য্যন্ত বক্তৃতা আৰু ভাষণৰ দ্বাৰা থৌকিবাথৌ লগাই ফুৰিছে;—বিয়া-সবাহত লাচনি-পাঁচনি ধৰিবৰ কাৰণে সময়কে বা পায় ক'ত?

সেই নাম লগাই দিয়া আই, আইচু আৰু আইটা সকলকে 'নামতী আই' আৰু সেই বাই সকলক 'নামতী বাই' বুলিছিল বাবেই পুথি দুখনিৰ নামাকৰণ অতি সুন্দৰ বুলি আমি মত প্ৰকাশিছোঁ।

আমাৰ বিয়া বিলাকত বৈদিক কাম কাজৰ উপৰিও এনে কিছুমান দেশাচাৰ, লোকাচাৰ আৰু সামাজিক প্ৰথা আজি বহুকাল ধৰি চলি আহিছে যে আমি সেইবোৰ সঁচাকৈয়ে বিয়াৰ ঘাই-অঙ্গ বুলিয়েই ধৰিবলৈ বাধ্য হৈছোঁ। সেইবিলাক বাদ পৰিলে বিয়াৰ মূলতঃ আমোদদায়ক বুলি কবলৈ একেবাৰেই নৰয়গৈ। বিয়াত নাম গোৱা প্ৰথাটো হৈছে সামাজিক প্ৰথা। আইসকলে ভিতৰৰ ৰভাত সমাজ পাতি বহি দৰা বা কন্যাক নোৱাই-ধুৱাই বিবিধ সুৰত নাম লগাই দি আমোদ কৰে। নামৰ সুৰ, মান, লয় ইমান সুন্দৰ যে সেই নাম শুনিলে শুনি থাকিবৰ মন যায়। নামৰ ৰচনা, শব্দ সমাৱেশ আৰু ভাৱাৰ্থও উচ্চ,—প্ৰায় ভাগ নামতেই পোৱা যায় ধৰ্ম্ম ভাৱৰ ধাৰা। আই সকলৰ এই বিয়ানাম বিলাক স্থান কাল অনুযায়ী গাবলৈ পৃথক পৃথক ভাৱে ৰচিত, তাৰ সুৰ, মান, লয়ো বিভিন্ন। ঘণ্টাৰ পাচত ঘণ্টাকৈ গাই থাকিলেও শ্ৰোতাৰ আমনি নালাগে। এই এই নাম বিলাক লৰাৰ নিচুকনি হিচাপেও ব্যৱহৃত হয়। অৰ্থাৎ মিহি সুৰ লগাই আই সকলে নিশা লৰা শুৱাবলৈ নিতাল মাৰি থাকি শুই পৰে। বিয়া নামৰ সুৰে লৰা, ডেকা, বুঢ়া সকলোকেই মোহিব পাৰে।

বিয়াৰ ভিন ভিন সময়ত ভিন ভিন নাম গোৱা হয়। জোৰোণ পিন্ধাবলৈ যাওঁতে গোৱা নাম, অধিবাসত গোৱা নাম, দৰা অথবা কন্যাক সাজ-পাৰ কৰোঁতে গোৱা, দৈয়ন দিওঁতে গোৱা, বৰ বিয়াৰ নাম, সুৱাগুৰি তোলা নাম, দৰাৰ লগত বাটত যাওঁতে গোৱা নাম, হোমৰ কাষত গোৱা আৰু আনকি বাহি-বিয়াত গোৱা নামো পৃথক। প্ৰত্যেক নামতে ধৰ্ম্ম-ভাৱৰ ধাৰা দেখা পোৱা যায়। আমাৰ ঘৰ-সংসাৰৰ ধৰণী হৈছে আই-সকল। ধৰ্ম্ম-কৰ্ম্ম আদিৰ কাৰণে আই সকলৰ আন্তৰিকতা অতি পৰিমাণে বেচি বাবেই বিয়া নামৰ প্ৰত্যেক অঙ্গকে ধৰ্ম্ম-ভাৱেৰে সজাই-পৰাই দিছে। বিয়াৰ আৰম্ভণীতে জোৰোণ পিন্ধাওঁতে গোৱা নামষাৰিতেই প্ৰকাশ পায় ধৰ্ম্ম-প্ৰাণা আইসকলৰ অন্তৰৰপৰা অলক্ষিতে প্ৰকাশ পোৱা ধৰ্ম্ম ভাৱ।

ৰাম ৰাম, মাৰাৰ অলঙ্কাৰ,
ৰাম ৰাম, থোৱা কাটি কৰি,
ৰাম ৰাম, পিতাদেউৰ অলঙ্কাৰ থোৱা।
ৰাম ৰাম, ৰামে দি পঠাইছে,



ৰাম ৰাম, বিচিত্ৰ অলঙ্কাৰ,
ৰাম ৰাম, হাতে যোৰে কৰি লোৱা॥
ৰাম ৰাম, কৈকেয়ী আহিছে,
ৰাম ৰাম, সুমিত্ৰা আহিছে,
ৰাম ৰাম, আহিছে ৰামৰে মাও।
ৰাম ৰাম, জনকৰ জীয়াৰী,
ৰাম ৰাম, জানেকী সুন্দৰী,
ৰাম ৰাম, জোৰোণ পিন্ধাই আজি চাওঁ॥

দৰাক যেনেকৈ বিয়াৰ দিনা বিষ্ণুৰূপ জ্ঞান কৰি সম্ভাষণ জনায়, আমাৰ আইসকলে সেই ৰূপে কন্যাকো জনক-জীয়াৰী বুলি কল্পনা কৰি নাম গায়। সেই গৰাকী কন্যাক হোমৰ কাষত জন্মদাতা পিতাকে 'লক্ষ্মী' বুলি জ্ঞান কৰি, হাত-যোৰ কৰি ক্ষমা বিচাৰিব লাগিব এনেদৰে;—

"ওঁ জন্মপ্ৰভৃতিযৎকিঞ্চিৎ পাপংভদ্ৰে ময়াকৃতং,
তত্বংক্ষমস্ব হে লক্ষ্মি! স্বগদাত্ৰি! নমস্তুতে।
আক্ৰোযিতা তাড়িতা বা যচ্চ বাচা প্ৰপীড়িতা,
তৎং ক্ষমস্ব হে লক্ষ্মি! স্বৰ্গদাত্ৰি নমস্তুতে॥"

বিয়াৰ আগ নিশা অধিবাসত বহোঁতেও আই-সকলে ওচৰতে বহি অতি সুন্দৰ জাতত নাম লগাই দিয়ে,—

ওলাই আহাঁ ৰামচন্দ্ৰ ঐ সখি
বহা সিংহাসনে।
পিন্ধা পাটৰ বস্ত্ৰখনি ঐ সখি
ৰত্ন অলঙ্কাৰে॥
তুলসী দুৰৰি আৰু ঐ সখি
সুগন্ধি চন্দনে।
বেদধ্বনী কৰি আজি ঐ সখি
কৰে অধিবাসে॥

সৰহ সংখ্যক বিয়া নামতে উষা, চিত্ৰলেখা, কুমাৰ, হৰ-পাৰ্ব্বতী, ৰুক্মিণী, শ্ৰীকৃষ্ণ আদিৰ নাম উল্লেখ আছে। আইসকলে পানী তুলিবলৈ যাওঁতে গোৱা নামতো সেই বুৰঞ্জী বিখ্যাত যমুনাৰ কথাহে উল্লেখ কৰি এনে ধৰণে নাম জোৰে;—

ৰাম কৃষ্ণ সন্ধ্যাতে গমনে
ৰাম কৃষ্ণ যাত্ৰা সুমঙ্গলে,
হৰি মোৰ ঐ দৈ যমুনালৈ ওলায়।
ৰাম কৃষ্ণ বসুদেউৰ আগতে
ৰাম কৃষ্ণ সুধিয়ে আহাগৈ,
হৰি মোৰ ঐ দৈ যমুনালৈ যায়॥

আকৌ সেই তুলি অনা পানীখিনিকে গঙ্গাজল বুলিয়ে জ্ঞান কৰি আইসকলে নাম ধৰে;—

ৰাম কৃষ্ণ গঙ্গাজল আনিব, ৰাম কৃষ্ণ কৃষ্ণকে নোৱাব,
হৰি মোৰ ঐ কৃষ্ণৰে গুণ বৰ্ণাই।
ৰাম কৃষ্ণ যমুনাৰে জলে, ৰাম কৃষ্ণ অতি সুনিৰ্ম্মলে,
হৰি মোৰ ঐ আনিব ঘটে ভৰাই॥

সেই পানীখিনিৰে আইসকলে কৃষ্ণকহে নোৱাম বুলি কৈছে। পানী তুলি আহোঁতে আইসকলৰ মাজত নামৰ ধ্বনি উঠে;—

এ হৰি, লগাই থৈ আহিছোঁ,
এ হৰি, সোণৰ খুটি গছা,
এ হৰি, এতিয়াই আহোঁগই বুলি
ৰাম জানেকী।
এ হৰি, জলৰ ঐ কুঁৱৰী,
এ হৰি, এৰিকে নিদিয়ে,
এ হৰি, মোকো লৈয়ে যোৱাঁ বুলি
ৰাম জানেকী।
এ হৰি, বাটতে ফুলিলে,
এ হৰি, বাটে গুৱামালী,
এ হৰি, ঢাপতে ফুলিলে গুৱা
ৰাম জানেকী।
এ হৰি, ছকুৰি গোপিনী,

এ হৰি, আছে পানী তুলি,
এ হৰি, ভৱ সাগৰে পৰা
ৰাম জানেকী।

বিয়া ঘৰত সন্ধিয়াৰ লগে লগে, বিশেষকৈ ঘৰৰ পাচ-মহলত আইসকলৰ মাজত ভাল খদম্‌দম লাগে। সেই চাকি-বাত্তি লগোৱাৰ সময়ত, দিন আৰু ৰাতিৰ দোমোজাতে, লৰা-ছোৱালীয়েও, মাক-হঁতৰ ওচৰত ঠেন-বেন কৰি আমনি লগায়। এইটি পৰতে বিয়া-ঘৰলৈ আইহঁতৰ সমাগমো বেছি হৈ পৰে। কথাৰ গুণ-গুণনি, চিঞঁৰ-বাখৰ আদিয়ে উচ্চ স্তৰ লাভ কৰি এখন হাট-বজাৰৰ সৃষ্টি কৰে। ঠিক সেইটি সময়েই হৈছে আই-সকলৰ পানী তুলিবলৈ যোৱাৰ সময়। তেনে হুলস্থূল বাটাবৰণৰ মাজত, কোনে পানী তুলিবলৈ যাব, কোনে নাযাব, কাকেই বা মাতি নিব, নিনিব, এেকো উৱাদিহ পোৱা টান। পূৰ্ব্বে উল্লেখ কৰা ৰাই এগৰাকীকে দুনড়ীটো ববলৈ দি কাষত কলহটি লৈ দৰা বা কন্যাৰ মাকে লগত দুই এগৰাকী নামতী লৈ পানী তুলিবলৈ ওলায় আৰু লগে লগে বিয়া নামৰ সুৰ ৰতাহত ভাহি উঠে;—

কাষে ঘন্টা লোৱা ৰাধা,
ঐ সখি, মাথে লোৱা মালা,
যমুনালৈ যাব লাগে,
ঐ সখি, নকৰিবা হেলা।
ওলাই আহাঁ নন্দৰাণী,
ঐ সখি, বসুদেৱক কই,
শুভক্ষণে যাত্ৰা কৰি,
ঐ সখি, পানী আনোগই।

নামযাবিৰ লগে লগে আইসকলে খোজ চলাই আগ বাঢ়োতেই শ্ৰীকৃষ্ণৰ বাঁহীৰ মাত শুনি গোৱালনী বিলাক উত্ৰাৱল হৈ ঢাপলি ধৰা দি বিয়া-ঘৰৰ অন্যান্য জীয়াৰী-বোৱাৰী সকলৰ গা কেইখনো সাতখন আঠখন কৰি উঠে—সকলোটি গৈ লগ লাগি পৰেগৈ,— পানী-তোলাৰ যত্ৰীৰ দলটোও ঘনীভূত হৈ পৰে। পানী-তোলাৰ যাত্ৰীৰ আৰু সন্ধান কৰিব লগীয়া নহয়।

পানী তুলিবলৈ যাওঁতে আই সকলৰ নামত প্ৰকাশ পায় সেই ৰাধা-কৃষ্ণৰ লীলা ভূমি গকুল বৃন্দাৱন আৰু যমুনা পুলিন। ধৰ্ম্মপ্ৰাণা আই-সকলে এই গীত পদ ৰচনা কৰা কালত কল্পনা কৰি লৈছে, পানী তুলিবলৈ ঠিক যেন যমুনালৈহে গৈছে,—সেই যমুনাৰ পানী যেন তলমল কৰি আছে, যমুনাৰ পাৰত যেন কদম-বকুল আদি গছৰ শাৰী। কল্পনা-প্ৰসূতা আইসকলে কল্পনাৰ মাজেদিয়েই সেই নামবোৰৰ স্তৰ অতি উচ্চ আৰু মধুৰ জাত লগাই পোৱা শুনিলে শ্ৰোতাৰ মনো উৰা মাৰি গৈ সেই গকুল বৃন্দাৱন পায়গৈ।

"দূৰৈকৈ পুখুৰী খনালা পিতাদেউ
ঐ ৰাম! বন্ধালা সেন্দুৰী আলি হে—
তাৰে চউ পাশে কদম কয়ে গ'লা
ঐ ৰাম। তাৰ মাজে বকুলৰ শাৰী হে।

এই পদটিয়ে কি এখন সুন্দৰ চিত্ৰ চকুৰ আগত প্ৰকাশ কৰে। মুখে মুখে ৰচিত গীত-পদ বিলাকৰ ভিতৰত এনে সুন্দৰ বৰ্ণনা অতি বিৰল।

পানী তুলিবৰ পৰত আকৌ আইসকলৰ মুখত নতুন জাতৰ নতুন নামযাবি প্ৰকাশ পায়:—

যমুনাৰে ঢউ দেখি, ঐ সখি
ৰাধাৰ কম্পে হিয়া।
ঘাটে নাৱে চপাই দিয়া ঐ সখি
অ' বিনন্দিয়া॥
ইফালৰে চাকনৈয়া, ঐ সখি
সিফালৰে ঢৌৱে—



ভামৰে কলচি ৰাধা, ঐ সখি
ভৰিলনে নৌৱে।"

আই সকলৰ কল্পনা! যমুনাত এফালে ঢৌ আনফালে চাকনৈয়া, এক সঙ্কটাৱস্থা। পানীৰ কল্লোল দেখি নামিবলৈ ভয় কৰা দেখি আই সকলে জোকাই ৰং কৰিছে:—

"টেঙৰী যশোদা জললৈ নানামে
নাগে হৰি নিয়ে বুলি...............ইত্যাদি।

সেই যমুনাৰ পানী তুলি আনি ঘৰ সোমায়েই ঘৰৰ চাললৈ পানী চটিয়াই দি ছোৱালীক নোৱাবৰ কাৰণে উলিয়াই নিওঁতে নাম জোৰে,—

"ওলাই আহাঁ আইদেৱে
ঐ সখি দুৱাৰ দলি বাজে।
ঘৰতে নোৱাব মাৱে
ঐ সখি নকৰিবা লাজে॥
ওলাই আহাঁ আইদেৱে
ঐ সখি কদমতে ধৰি।
নোৱাবলৈ বৈ আছে
ঐ সখি দৈৱকী সুন্দৰী॥"

আইসকলৰ দ্বাৰা ৰচিত এই নামবোৰৰ প্ৰধান বৈশিষ্ট হৈছে এয়ে যে নামৰ মাজেদিয়েই বিয়াৰ যাৱতীয় ৰীতি নীতি প্ৰকাশ কৰি যায় আৰু সেইবাবেই আজি শ শ বছৰে সকলো নীতি নিয়মৰ অলপো লৰচৰ হোৱা নাই। এই বিয়া নামতে সকলো বিলাক বিধান পোৱা যায় আৰু সেইবাবে এই গীত পদ বিলাক কেৱল মাত্ৰ নামেই নহয়, প্ৰকৃততে ইয়াক "বিয়াৰ সামাজিক পদ্ধতি" বুলিবও পাৰি।

পানী কেনেকৈ তুলিব লাগে;— তাৰ বিষয়ে ভাবিব বা লোকক সুধিবৰ আৱশ্যক নাই। নামতীয়েই গাই যাব—

"ৰাম ৰাম গুৱা পানে দিবা,
ৰাম ৰাম হাতে যোৰ কৰি,
ৰাম ৰাম যমুনাত জলে মাগিবা হে,
ৰাম ৰাম কটাৰীৰে কাটি
ৰাম ৰাম কলসী ভৰায়ে
ৰাম ৰাম ঘৰলৈ উভতি আহাঁ হে।"

পানী তুলি আহি ঘৰ সোমাওঁতে কিজানিবা চালত পানী দিবলৈ পাহৰি নিয়ম লঙ্ঘনেই কৰে? সেইবাবেই ঘৰ সোমোৱাৰ লগে লগে নামতীয়ে নামযাবিৰ যোগেদিয়েই আদেশৰ দৰে নিৰ্দ্দেশ দিয়ে এনেদৰে.—

"চালত পানী দিবা, ধাৰে নিচিঙিবা,
ঐ ৰাম! অতি সাৱধান হ'বা হে,
চালত পানী দিবা, নিয়মকৈ সোমাবা,
ঐ ৰাম! মড়ল চাই টেকেলি থবা হে।"

ঘৰ আহি পায়েই, "লৰাই কান্দিছে" বুলি য'তে ত'তে টেকেলিটো থৈ ঢাপলি নধৰিবলৈকো নামৰ যোগেদিয়েই নিৰ্দ্দেশ দি কৈছে—"মড়ল চাই টেকেলি থ'বা" বুলি। পানী তুলিবলৈ যাওঁতে দুনৰিটোনো কেনেকৈ নজাব লাগে, কেনেকৈনো ঘটটো তুলি লব লাগে, তাৰো নিৰ্দ্দেশ দিছে এই বুলি;—

"সজোৱা দুনৰি ঘট মঙ্গল কৰিয়া শশী হে!
লগোৱা সহস্ৰ বাত্তি গন্ধ তৈল দিয়া এ—
সেৱা কৰি তুলি লোৱা ধৰমৰে টেকেলি,
সন্ধ্যাতে তুলিব লাগে কিয় এতে বেলি...
ইত্যাদি।

ছোৱালী নোৱাবৰ সময়ত কোনটো প্ৰথা আগ আৰু কোনটো পাচ খেলি-মেলি হোৱাৰ সম্ভাৱনা বাবেই আই সকলে নামযাবিতেই কৈ গৈছে:—

"প্ৰথমতে মুঠা দিবা, ঐ সখি মাহতে ঘিলাতে।
হালধিত তৈল দিবা ঐ সখি, খহিবা গাৰতে ॥
ৰজতৰ কনিখনি ঐ সখি! সুৱৰ্ণ চিটিকা,
গুঠিছে আইদেউৰ চুলি, ঐ সখি, মেলাই দিছে মাতা

মূৰত তেল দিবৰ পৰত অজ্ঞান বশতঃ বটলেবে মূৰত ঢালি দিয়ে বুলিয়েই বিধান দি গৈছে,—

"এ হৰি ডালিম থিয় কৰি,
এ হৰি মূৰত তেলে দিবা," ইত্যাদি

ডালিম ঠিয় কৰি মূৰত তেল দিয়াৰ নিৰ্দ্দেশ দিছে যদিও, আমি দেখাত হলে আই সকলে ডালিম নলয়। দৰা বা কন্যাৰ হাতত থকা কপৰ তামোল কটাৰীৰ তামোলটোকে মূৰৰ ওপৰত ঠিয় কৰি ধৰি লৈ তাৰ ওপৰত তেল ঢালি দি তামোলে দি বোৱাই মূৰত তেল দিয়াহে দেখিছোঁ।

"হেৰ! হালধিকণ থবলৈ কচুপাট এখিলা আনচোন," বুলি দৰাৰ মাকে মাতষাৰি দিওঁতেই ইফালৰ নামতী গৰাকীয়ে নাম লগাই দিলে,—

"আগলি পাততে বাওঁলি হালধি, ঐ ৰাম,—
ঘঁহে ম'ৰা চালি ধৰি।"...ইত্যাদি

নামষাৰি শুনি দৰাৰ মাকেও লগুৱাটোক বিতিয়াই ক'লে, "...হেৰ আগলি কলপাত এখিলাকে আন, কচুপাত নালাগে।" আয়তী সকলেও হাঁহিৰ গিৰিজনি তুলিলে। এনে ধৰণৰ নিৰ্দ্দেশ যদি নামষাৰিৰ মাজত নাথাকে, তেতিয়া হ'লে সেই সৰু-সুৰা প্ৰথাৰ বহুতেই সাল-সলনি হ'লহেঁতেন? বৰুৱানীয়ে কচুপাতত হালধি থোৱা হ'লে, সেইটোৱেই হয়তো চলি গ'ল হেঁতেন?

বিয়াত গায়ন-বায়ন অনা এটা পুৰণা প্ৰথা। সেই গায়ন-বায়নৰ কেনেকৈ মান ধৰিব লাগে, আজিৰ নগৰীয়া সমাজৰ ব্যক্তিয়ে তাৰ ভু নাপায়। আনকি, মান ধৰা প্ৰথাটোনো কি, তাকেই নাজানে বাইজৰ ওচৰত সকলো ব্যক্তিয়েই সৰু। ধনী দুখীয়াই সমানভাৱে বাইজৰ ওচৰত সেও হ'ব লাগিব। বাইজেই ৰজা। সেই বাইজৰ গায়ন-বায়নক মান সৎকাৰ কৰি নিমন্ত্ৰণ জনালে বিয়া বাহৰত আশীৰ্ব্বাদ দি যায়হি। টকা দি গায়ন-বায়নক সন্তুষ্ট কৰিবলৈ যোৱাটো মূৰ্খামী। পানী তুলি ঘূৰি পুনৰ ঘৰ পাওঁ-পাওঁ হওঁতেই বাইজলৈ বুলি শৰাইখন সোধোৱা নিয়ম। তাকে নকৰিলে গায়ন-বায়নৰ দলটি ভিতৰ নোসোমায়। তাকেই নামৰ মাজত আইসকলে উল্লেখ কৰি কৈছে;—

ঐৰে ৰবি - ঢাপৰে থেৰেজু-
ঐৰে ৰবি—টেঙা হৰি হৰি—
হৰি মোৰ ঐ, - ঢাপৰে থেৰেজু টেঙা।
ঐৰে ৰবি—খৰকৈ যোৱাগৈ—
ঐৰে ৰবি—দেউতাকক কোৱাগৈ,
হৰি মোৰ ঐ—গায়নৰ ভাঙকহি জেঙা ॥
ঐৰে ৰবি - কপৰে চকলি
ঐৰে ৰবি—পাতে, হৰি হৰি!
ঐৰে ৰবি—কপৰে চকলি পাত।
ঐৰে ৰবি খৰকৈ যোৱাগৈ,
ঐৰে ৰবি—দেউতাকক কোৱাগৈ
হৰি মোৰ ঐ দুলীয়াই নিদিয়ে বাট ॥

দৰা কন্যাক নোৱাই-ধুৱাই মূৰত চাউল দি আশীৰ্ব্বাদ কৰাৰ নিয়মো প্ৰচলিত আছে। এই মূৰৰ চাউল দিয়া নামষাৰি আৰু তাৰ সুৰটো বা জাতটো এনে মধুৰ যে প্ৰত্যেক অসমীয়াৰ কাণতে সেই শুভদিনৰ শুভ-সুৰটো ৰিণি-ৰিণি চিৰদিন বাজি থাকে। পাঁচ গৰাকী আয়তীয়ে মূৰত চাউল



দিবলৈ লওঁতে ঘেৰি থকা আইসকলে সুললিত সুৰে নাম লগাই দিয়ে,—

"মূৰত চাউল দিবা আশীৰ্ব্বাদ কৰিবা
সুমঙ্গল বসতি হওক এ ....ইত্যাদি
আগত দিয়া পাছত দিয়া পঞ্চ আয়তীয়ে
ৰাম ৰাম পঞ্চ আয়তীয়ে,
দুৰ্ব্বা ঘাটে পানী তোলে যশোৱা সুন্দৰী
ৰাম ৰাম যশোদা সুন্দৰী।
পুখুৰীৰ চউপাশে খাগৰিৰ বেৰা
ৰাম ৰাম খাগৰিৰ বেৰা।
দলি মাৰি পেলাই দিবা ফটিকৰে মালা,
ৰাম ৰাম ফটিকৰে মালা ॥
কপ পিন্ধে সোণ পিন্ধে পিন্ধে পাটৰ শাৰী
ৰাম ৰাম পিন্ধে পাটৰ শাৰী,
দেৱাঙ্গ ভূষণ পিন্ধে ইন্দ্ৰে দিছে আনি
ৰাম ৰাম ইন্দ্ৰে দিছে আনি ॥

ছোৱালীক হোমৰ ওচৰলৈ উলিয়াই নিওঁতে আইসকলে—"ভীষ্মক নন্দিনী আই এ,

স্বামী বৰিবলৈ যায় এ" বুলি সুললিত কণ্ঠে নাম গাই গাই আইদেউক উলিয়াই নিয়া দৃশ্যৰ লগত সেই নামষাৰি সুন্দৰৰূপে ৰঞ্জিতা খাই পৰে। হোমৰ গুৰিত গোৱা নামৰ চানেকি চালেই এই নামবোৰৰ সুৰৰ উচ্চতা বুজিব পাৰি:—

ৰাধিকাৰ কপ চোৱা কোনে দিব সীমা
সজাই থৈছে বিধি চোৱা সোণৰে প্ৰতিমা।
এওঁৱেই পদ্ম পলাশাক্ষী সুচাৰু ভাষিণী
পাঞ্চাল ৰাজাৰ কন্যা নাম যাজ্ঞসেনী ॥
তাল বাজে খোল বাজে বাজে শঙ্খধ্বনি,
সভা মধ্যে বহি আছে দ্ৰোপদ নন্দিণী ॥
আখৈ দিয়া আখৈ দিয়া আপোন মোমায়ে,
গোত্ৰ চিঙি আইদেৱে মিত্ৰ কৰি ৰায়ে ॥

এই নামবিলাকৰ লগতে সম্প্ৰদান কালত যেতিয়া নামৰ প্ৰত্যেক শাৰীতে,—

"গোলাপ লতা জৰী
ৰামে নিব হৰি,
চাই লোৱা চাই লোৱা চেনেহৰ জীয়াৰী"

বুলি কন্যাদাতাক উদ্দেশি যেতিয়া জাত লগাই নাম গাই কৰুণ সুৰটো ফুটাই তোলে, তেতিয়া কোনজন পিতাকৰ চকুত ধল আহি নপৰেহি?

ইফালে দৰাৰ ঘৰতো তেনে ধৰণেই বিভিন্ন অৱস্থাত সমাজৰ জীয়াৰী বোৱাৰীয়ে নাম গাই গাই বিয়া-বাহৰ থৌকি-বাথৌ লগাই তোলে। দৰা সজাওঁতে আইসকলৰ মাজৰপৰা নামৰ সুৰ ফুটি ওলায়:—

"এইনো সাজে পাৰে সুশুৱাই বোপাদেউ
আৰু সাজে পাৰে লাগে।
খৰকৈ যোৱা গই দেউতাকক কোৱাগৈ
এতিয়াই সলাব লাগে ॥

দৰা-কন্যাৰ ঘৰলৈ ওলাই অহা শুভ-মুহূৰ্ত্তত আইসকলে নাম গাই দৰাৰ দেউতাকৰ কাণত পেলায়,—

"হাতী আনো বুলি নানিলা দেউতা
ঘোঁৰাকো আহিলা এৰি,
অতখন বাটলই কেনেকৈ যাবগই
সোণৰ মণি হেন ভৰি ॥

ওলাই যাওঁতেই আয়তীসকলে আশীৰ্ব্বাদ দি নাম জোৰে:—

ৰাজতে কৰিছে ৰাজ্য হৰিধ্বনি,
বোপাদেউ কৰিছে সেৱা, কি ৰাম ৰাম,
ওলাই দেউতাকে আশীৰ্ব্বাদ কৰিছে
মোৰ বোপাই কুশলে যোৱা, কি ৰাম ৰাম।

ইকাষৰ নামতীয়ে হঠাতে নাম জুৰি দিলে:—

'সোণতৰা, আমাৰে বোপাদেউ,
সোণতৰা, যাবলৈ ওলাইছে,
হৰি মোৰ ঐ, সীতাৰে বাতৰি পাই।
সোণতৰা, ৰাইজৰ আশীৰ্ব্বাদে,
সোণতৰা, গুৰুৰে নিৰ্ম্মালি,
হৰি মোৰ ঐ, বোপাৰে শিৰতে লই।

আনফালে দৰাক ছুৱাৰ ধৰি ভিতৰৰপৰা উলিয়াই দিওঁতেই আইসকলে যিযাবি নাম লগাই দিয়ে, সেইযাবি কেৱল নামেই নহয়, সেই নামতেই প্ৰকাশ পায় ছুৱাৰ ধৰি দিয়াৰ অৰ্থ। ছুৱাৰ ধৰি দিওঁতে দৰাই সদৌ জনতাৰ প্ৰতি মুৰ দোঁৱাবলৈ বাধ্য হয়। সেই ভুলটি যাতে কোনো কালেই নহয় তাৰ কাৰণেই দৰাৰ মাকে ছুৱাৰ ধৰি দি দৰাক মুৰটো দোঁৱাবলৈ সুবিধা দিয়ে, যাতে ৰাইজে ছুৱাৰ ধৰাৰ অৰ্থ যিহকেই কৰি নলওক লাগিলে, তেখেতৰ চেনেহৰ পুত্ৰই যাতে আশীৰ্ব্বাদ ভিক্ষা কৰি ৰাইজৰ উদ্দেশ্য মুৰ দোঁৱাইহে শুভ কাৰ্য্যলৈ খোজ চলাই যাব পাৰে।

সোণতৰা, ছুৱাৰ ধৰি দিছে,
সোণতৰা, চেনেহৰ আয়েৰাই,
হৰি মোৰ ঐ, যাৰা চপৰায়ে মাথা।
সোণতৰা, ৰাইজক উদ্দেশি,
সোণতৰা, সেৱাটি জনোৱা,
হৰি মোৰ ঐ, ইয়ে সমাজৰ প্ৰথা।

আইসকলৰ এই বিয়ানাম বিলাকত এনে বহুত অৰ্থ প্ৰকাশ পায়। কিন্তু দুখৰ বিষয়, বৰ্ত্তমান সমাজৰ আধুনিক ৰীতি-নীতিৰ লগতে আমাৰ এই পুৰণা নামবোৰো আধুনিকতাৰ বা-বতাহত বিলুপ্তৰীয়া হ'বলৈ ধৰিছে।

এই বিয়ানাম বিলাকৰ যোগেদিয়েই আমি দেখা পাওঁ আমাৰ সমাজ-চৰিত্ৰ। বিশেষকৈ, আমাৰ নাৰী সমাজৰ বিষয়ে বহুতখিনি কথা প্ৰকাশ পাইছে এই বিয়ানামতে। জোৰোণত গোৱা নাম, "ঘৰতে পিন্ধাৰ শাছু, ঐ সখি, নকৰিবা লাজে," নোৱাওঁতে গোৱা নাম, "ঘৰতে নোৱাব মাৰে, ঐ সখি, নকৰিবা লাজে," আদি কিছুমানে সুন্দৰকৈ বুজাইছে যে আমাৰ ছোৱালীয়ে মুকলি ভাবে সাজ-পাৰ কৰা অথবা গা-ধোৱাৰ নিয়ম-অভ্যাস নাই;—লাজ কৰে, মুখখন লাজতে ৰাঙলী হৈ উঠে।

"When a girl ceases to blush, she has lost the most powerful charm of her beauty.—Gregory.

স্ত্ৰী জাতি স্বভাৱতে লজ্জাশীলা। এই লাজেই হৈছে তেওঁবিলাকৰ ভূষণ। এই লাজ যেতিয়া তিৰোতা-সমাজৰপৰা নিলগ হয়, তেতিয়াই সেই জাতিৰ ধ্বংস অনিবাৰ্য্য। নানান ঘাত-প্ৰতিঘাতৰ মাজেদিও এই অসমীয়া সমাজখনিয়ে মুৰ দাঙি থাকিব পাৰিছে কেৱল মাত্ৰ দুটা বস্তুৰপৰা;—মহাপুৰুষ শ্ৰীশঙ্কৰ শ্ৰীমাধৱ গুৰুৰ অৱদান আৰু আমাৰ লজ্জাশীলা নাৰী সমাজৰ চৰিত্ৰ আৰু মনোবল। যি সমাজৰ ছোৱালীক তিৰোতা সমাজৰ মাজত মাকে নোৱাবলৈকো নামৰ যোগেদি বুজনি দি কৈছে যে লাজ নকৰিবা, সেই জাতিৰ নাৰী চৰিত্ৰৰ ওপৰত কলা চামনিয়ে ছাটি ধাৰব পাৰে বুলি ধাৰণাকে কৰিব নোৱাৰি, তদুপৰি,—

"তাঁৰ কাপোৰ তৰি আইদেউক,
সাজকে সজালে।
* ঐৰাৱতৰ চাৰেং দাবো,
বাজানা বজালে।

এই নামযাৰিয়েই ছোৱালীহঁতৰ লজ্জাৰ বিষয়ে আৰু প্ৰমাণ দিয়ে।

* হাতীৰ দাঁতৰ এবিধ বাজানাৰ নাম।



বিবাহ আদি উৎসৱত অসমীয়া সমাজত অশ্লীলতাৰ নাম গোন্ধ নাই। আইসকলৰ বিয়া নামবোৰ প্ৰেমৰসপূৰ্ণ বঙ্গৰ বিবাহোৎসৱত শৃঙ্গাৰ-ৰসৰ সোৱাদ লোৱা সঙ্গুলি নহয়। সেই ধৰ্ম্মভাৱপূৰ্ণ নাম কেইযাৰিয়ে সেই শুভদিনত উপবাস কৰি থকা দৰা-কইনাৰ মনত সঁচাকৈয়ে এক পৱিত্ৰভাৱ জগাই তোলে।

আমাৰ ওচৰৰে এটা সমাজত যে শ্লীলতাৰ মাত্ৰা কম, তাৰ প্ৰমাণ আমি বহুত ক্ষেত্ৰত পাই আহিছোঁ। বঙ্গালী জীয়াৰী-বোৱাৰীয়ে মুকলি ভাৱে এতৰপীয়া পাতল শাৰী পিন্ধি ৰাজআলিৰ কাষৰ নাদত অথবা নৈ বা পুখুৰীত গা ধুই দেহাৰ শতকৰা ৭৫ ভাগ অঙ্গকে প্ৰায় মুকলি কৰি বিনা লজ্জাই প্ৰদৰ্শন কৰা কাৰ্য্যত পৱিত্ৰতা নাই।

কিন্তু ন-আগন্তুক ভগনীয়া বিলাকৰ ভিতৰত সৰহ সংখ্যক মহিলাই জাঁৰ-বেৰ নোহোৱা নাদৰ পাৰত একেবাৰে দিগম্বৰী হৈ স্নান কৰা প্ৰথাটো সামাজিক, বৈদিক নে ধৰ্ম্মমূলক প্ৰথা বুলিব নোৱাৰিলোঁ। তদুপৰি, অশোকাষ্টমী, চন্দ্ৰ-গ্ৰহণ আৰু গঙ্গা-স্নান প্ৰভৃতিত শতকৰা কিমান নাৰীয়ে যে কৌপীন পৰিধান কৰি স্নানৰতা হয়। তাক দেখিলে সভ্য সমাজৰ পুৰুষ-মহিলাই সঁচাকৈয়ে বিস্ময় মানে। এই বিলাকৰ উপৰিও, তেওঁবিলাকৰ বিয়া বিলাকত অশ্লীলতাৰ নমুনা দেখিবলৈ পোৱা যায়। জনৈক প্ৰেমেন্দ্ৰ বিশ্বাসৰ প্ৰবন্ধ এটাৰ কিয়দংশ উদ্ধৃত কৰি দিলেই এই মন্তব্যৰ প্ৰমাণ কৰিব পৰা হব;—

'মানব সমাজে বিবাহ প্ৰথা শুরু থেকেই নব-দম্পতির ফুলশয্যায় যে কাহিনী, রুচি প্ৰকৃতি বা শিক্ষাভেদে তার প্ৰকাশ ভঙ্গিতে পাৰ্থক্য থাকতে পারে, কিন্তু মূল কথাটা বোধহয় এক এবং যারা সে ঘরে আড়িপাতায় বেচি উৎসাহশীলা, বেশি স্থলেই তারা বিবাহিতা;—অৰ্থাৎ এ বিষয়ে তারা হাতে কলমে ওয়াকিবহাল। তবু তাদের যেকোনও নব-দম্পতির ফুলশয্যার ঘরে আড়ি পেতে যেন আশ মেটেনা। মেয়ে মহলে এটা এত লোভনীয় যে নিজেদের মধ্যে সে বিষয়ে কোনো লজ্জা শালীনতা বা নীতিগত প্ৰশ্নের পৰ্দ্দা এমনভাবে উঠে গেছে যে সেখানে কুমারী, সধবা, বিধবা—এমনকি বয়সের ছোটোবড়ো পাৰ্থক্য বা সম্পৰ্কেরও কোনো বালাই নেই। এ বিষয়ে সামাজিক ভাবে কোনো নৈতিক সমৰ্থন না থাকলেও, এটা যেন নারী জীবনের একটা অলিখিত শাস্ত্ৰীয় কলঙ্ক-প্ৰথায় দাঁড়িয়ে গেছে।" *

বিশ্বাস ডাঙৰীয়াই এই বৰ্ব্বৰ প্ৰথাটোৰ কথা লিখোঁতে মানৱ সমাজৰ কিয় নাম লৈছে, আমি নাজানো। বঙালী সমাজৰ বাহিৰে মানৱৰ অন্য কোনো সমাজতে এনে অশ্লীল প্ৰথা সম্ভৱতঃ নাই। আনকি, আমাৰ উপজাতি অঞ্চলৰ পৰ্ব্বতীয়া ভাই-সকলৰ সমাজ এই বিষয়ে বঙ্গালী সমাজতকৈ বহুত উন্নত। সমাজ পৰিৱৰ্ত্তনশীল। সময়ৰ লগে লগে বহুত সামাজিক প্ৰথা আৱিৰ্ভাৱ হৈ পৰে। যিবিলাক বেয়া, অবাঞ্ছনীয় প্ৰথা বুলি পৰিগণিত হয়, কালৰ সোঁতত সেই প্ৰথা বিলাক লোপ পায়। কিন্তু বিশ্বাস ডাঙৰীয়াৰ মতে বিবাহ প্ৰথাৰ আৰম্ভণীৰ পৰাই চলি অহা সেই 'ফুলশয্যা'ৰ নিশা সমাজৰ জীয়াৰী-বোৱাৰী মাক জীয়েক, কুমাৰী, অকুমাৰী, সধবা-বিধবা, নাবালিকা, সাবালিকা সকলে শালীনতাৰ পৰ্দ্দা উঠাই দি, বিয়া-বাহৰত ইমান মতা মানুহৰ সমাগম-স্থানতো যে উলঙ্গ পৰিচয় দি লাজ আৰু শ্লীলতাৰ মুৰ চোবাই খাব পাৰে, সেইটোৱেই সেইবোৰ লোকৰ সামাজিক-জীৱনৰ দুৰ্ব্বল চৰিত্ৰ প্ৰমাণ কৰে। সেই প্ৰচলিত প্ৰথা আজিৰ সভ্য জগতত

* ভয় নাই, আমাৰ অসমীয়া সমাজকো কলা-শিল্পৰ (?) ভিতৰেদি বহুৰ এই নিৰ্লজ্জ ক্লেদাদৰ্শ ই বুৰাই আনিছে। —টিকাকাৰ—

অশ্লীলতাৰ শেষ সীমা, বৰ্ব্বৰতাৰ জ্বলন্ত দৃষ্টান্ত,—নাৰী জাতিৰ লজ্জাহীনতাৰ প্ৰত্যক্ষ প্ৰমাণ।

কালৰ সোঁতত আমাৰ সমাজতো যে এনে ক্লেদ জমি আহিছে, তাক পূৰ্ব্বেই কোৱা হৈছে। আজি ছুৰবাদেৰৰ 'নামতী আই' আছে যদিও, সমাজত নাম দিয় আইসকল নাই,—সেই 'নামতী বাই' আছে যদিও, সেই বাইসকল আৰু নোহোৱা হ'ল। সমাজৰ জীয়াৰী আৰু পাট-গাভৰু সকলে সমুখত বিয়ানামৰ কিতাপ মেলি লৈ নাম দিবলৈ ধৰাৰে পৰা আইসকল হৈ পৰিল "বেক বেঞ্চাৰ"। আজিৰ বিয়ানাম হ'ল কেৱল মাত্ৰ যোৰা-নাম।

অলপতে হৈ যোৱা বিয়া দুখনমানত যোগদান কৰা সৌভাগ্য ঘটাত নীৰৱে একাষত বহি আজিৰ দিনৰ আধুনিক নাম বিলাক শুনিবলৈ চেষ্টা কৰাত যি পোৱা গ'ল তাৰ এটি বিৱৰণ দি গ'লেই সকলো প্ৰকাশ পাব। সেই বিয়া কিখনত জোৰোণৰ দিনাৰে পৰা শুনিবলৈ পালোঁ—যোৰা-নাম;—দুৱাৰত আমদালি বান্ধোতেও ছোৱালীহঁতে মঙ্গল উৰুলি দিয়া দূৰৈৰ কথা "মই নোৱাৰোঁ" "মই নোৱাৰোঁ" বুলি হাঁহিৰ ৰোলহে তুলিছিল। ৰভাৰ কামে-কাজে লাগি থকা ডেকা কেইজনেই যেনিবা উৰুলি এজোলোকা দি বিয়া-ঘৰ বুলি জাননী দিলে। সন্ধিয়া পানী তুলিবলৈ যাওঁতে গোৱা নামৰ মাজত আৰু সেই গকুল-বৃন্দাবন, ৰাধা ৰুক্মিণী আদি শব্দ নোহোৱা হল,—তাৰ ঠাইত শুনিবলৈ পালোঁ, যোৰা-নাম;—আধুনিক যোৰা-নাম:—

'ব্লাউজ চোলাৰ ভিতৰত, কেঁছা খৰিৰ লাগনী,
কি সৌৱা লুকালা—কেঁছা খৰিৰ লাগনী,
কাৰে 'লভে লেটাৰ' পালা হে, কেঁছা খৰিৰ লাগনী,
তুমি দিয়া 'লভ লেটাৰ'
কৰি দিয়া ভাওনি।

ছোৱালীহঁতৰ নামত অস্বস্তি বোধ কৰি আগত টেকেলি লৈ যোৱা গৰাকীৰ কাষতে যোৱা আই কেগৰাকীয়ে নাম লগাই দিলে;—

"সাগৰৰ ঢউ দেখি, ঐ সখি,
ৰাধাৰ কম্পে হিয়া,"………

"গাচোন গা……ছোৱালীহঁত" বুলি বৈ পৰিল। নামত কোনেও যোগ নিদিলে। নাম লগাই দিয়া গৰাকীৰে মাজু বোৱাৰীয়েকে ছোৱালীহঁতৰ জুমটোৰ পৰা পুনৰ নাম লগাই দিলে;—

"টিপতে চিঠি দি, কি ফুলে ফুলালা,
কতেনো লুকালা, কি ফুলে ফুলালা,
কিয়নো আঁতৰি গ'লা হে, কি ফুলে ফুলালা,
কিনো চকুৰ পাক মাৰি,
আমাৰ মন ভুলালা।

ছোৱালীহঁতে এইবাৰ উচ্চস্বৰে নামত যোগ দিয়াত কাষৰৰ ঘৰৰপৰা ডেকাসকলেও হাতৰ আঙুলি পাক মাৰি মাৰি জিভাৰ তলত সুমাই লৈ শব্দ কৰিলে,……সু…ই…ট্। ছোৱালী জাকৰ মাজত হাঁহিৰ ৰোল উঠিল, "খিল খিল খিল।" আইসকলে মত প্ৰকাশিলে, "নেওচা কেওচা দিবলৈ ৰহি।"

বিয়াৰ দিনা ডেকাৰ দলটোৱে দৰা সজাওঁতে ছোৱালীহঁতৰ নামৰ জাউৰি উঠিল;—

দৰাটি সজাইছে,—ক'ৰে ডেকা কাকতি,
কেনিবা চাইছে,—ক'ৰে ডেকা কাকতি,
মুখত মিচিকিয়া হাঁহি তে,—ক'ৰে ডেকা কাকতি,
দৰা সজোৱা ছল মাথো,
বুজিলোঁ হে ফাকতি।

নামযাৰি শেষ হোৱাৰ লগেলগে ডেকা চেঙেলীয়াৰ মাজত হাঁহিৰ ৰোল উঠিল, কাকতিও ৰঙ-চঙা পৰিল, নামৰ কিন্তু উপশম নঘটিল। পূৰ্ণ-পয়োভৰে বৰ মহৰীৰ জীয়েকে নাম জুৰিলে,—



"আমাৰ নাম শুনি, অ লিপট্-চিপট্,
কিয় ৰঙা পৰা অ লিপট্-চিপট্,
কালৈ কেৰাহীকৈ চোঁৱা হে অ লিপট্ বিপট্,
কালৈ চাই কাক মাতা
চকুৰে টিপত।

পুনৰ হাঁহিৰ ৰোল উঠিল আৰু হাঁহিৰ লাচতে উপেনহঁতে জেপৰ পৰা ফাণ উলিয়াই উমানে উমানে মূৰৰ চুলি ঠিক কৰাত লাগিল।

পাচত বহি তামোল-ছালি চোবাই থকা আই সকলৰ গা-মূৰ বেজ-বেজাই উঠিল। 'বেক বেঞ্চাৰ' হৈ আৰু বহি থাকিব নোৱাৰি সমাজৰ ৰৰখুটাৰূপী বৰুৱানীয়ে মাত লগালে:—

"তহঁতৰ মুখত আৰু ভাল নাম নোলায়নে—আইহঁত?" হাঁহিৰ খিকিন্দালি তুলিয়েই এজনীয়ে ঠাট্টা সুৰত কলে:—

"বাৰু আইতা আপুনিয়েই লগাই দিয়ক।"
"—আমি কিবা নাম দিব নোৱাৰোনে? নাম দি দিয়েই বুঢ়ী হলোঁ হি। আমি নাম দিলে বোলোঁ লাজৰ মূৰ খাৱ তহঁতে জানো গাবি?"

উত্তৰ স্বৰূপে মাহী শাহুৱেকৰ উপস্থিতিলৈ আওকাণ কৰি সিটো কাষৰপৰা 'মাই'য়ে পুনৰ লগাই দিলে:—

পাচত থকা বুঢ়ীপাট ইংৰাজী থানা,
মুখ নহয় কচু-পাত ইংৰাজী থানা,
কাকেনো বকনি ধৰে হে ইংৰাজী থানা
তিনচুকীয়া থানা,
যোৰানাম গাবলই,
বুঢ়ীয়ে কৰিছে মানা।

"এইখন সমাজত মই নবহোঁৱেই" বুলি আই গৰাকীয়ে সঁচাকৈয়ে খং কৰিয়েই উঠি গ'ল। ছোৱালীহঁতে নিজ নিজ অভিৰুচি মতে নাম জুৰিলে, পুনৰ ডেকাৰ দলটিৰ ওঁঠত হাঁহি বিৰিঙিল, পুনৰ উপেনহঁতৰ মূৰত ফাণ উঠিল, আৰু আশে-পাশে থকা অন্য ডেকা চেঙেলীয়াবোৰ আহি ভিতৰৰ মড়লৰ ওচৰত জুম বান্ধিলে।

দৰাক উলিয়াই নিবৰ পৰত সেই আশীৰ্ব্বাদ-সূচক নাম আজি কালি আৰু কমহে শুনিবলৈ পোৱা যায়। সেই আশীৰ্ব্বাদ-সূচক নাম সমাজৰ বৃদ্ধা আৰু আইসকলৰ মুখতহে ৰক্ষিতা থায়। সমাজৰ গাভৰু আৰু পাট-গাভৰুৱেনো কি আশীৰ্ব্বাদ দিব? সেইবাবেই হ'বলা, সেই নিশা দৰা ওলাই যাওঁতে শুনিবলৈ পালোঁ:—

"আমাৰ মাখন দাদা, কিনো সাজে সাজিলা,
ধাপলি ধৰিলা, কিনো সাজে সাজিলা,
নবৌক আনোঁ গৈ বুলিহে, কিনো সাজে সাজিলা
কলৈ যাব ওলালা?
কাৰ লগত প্ৰেম কৰি কাক বিয়া কৰালা?"

কইনাৰ ঘৰ গাঁৱত। জিলাৰ সমন্ধীয়াৰ ঘৰত থাকি ছোৱালী বিয়া দিছেহি। গাঁৱৰ আইসকলৰ দুই এগৰাকী আহি কন্যাৰ ওচৰত বহি লগাই দিয়া নামযাৰিয়ে মনটো ঘূৰাই লৈ গ'ল সেই তাহানি কাললৈ—যিটো কালতহে সেই নামবিলাকৰ প্ৰচলন আছিল। বহুত দিনৰ মূৰত নামযাৰি শুনি বৰ ভাল লাগিল:—

"সৰলৰে চ'তি, সৰলৰ মাৰলি,
ঐ ৰাম,—সৰলত লগাইছে বাতি হে,—
আজি ভীষ্মৰজাই কিবা যজ্ঞ কৰে,
ঐ ৰাম—ঋষি সকলক মাতি হে।"

হঠাতে আধুনিক নামৰ জাউৰি উঠিল,—পুৰণা নাম আঁতৰি পলাল। দুয়োফালে আধুনিক নাম প্ৰকাশ পালে। গাঁৱলীয়া আইহঁতে লাহে লাহে উঠি গৈ ভিতৰ সোমালেগৈ। দৰাঘৰীয়া আই-

সকলো পাছফালে পুনৰ বেক-বেক্কাৰ হৈ পৰিল। নাম চলিল,—ঘৰত দেখি লৈ যোৱা বহিৰ পাত লুটিয়াই লুটিয়াই আধুনিক যোৰা-নামেৰে খলকনি তুলিলে। সমাজৰ বৃদ্ধ বৃদ্ধা, ককাই, দদাই আৰু আনকি শাহু, মাহী-শাহুৰ উপস্থিতলৈ লক্ষ্য কেৰেপ নকৰি যিবিলাক আধুনিক-নাম লগাই দি ছুয়োদলে তৰ্ক আৰম্ভিলে, সেই নাম বিলাকে শ্লীলতাৰ সীমা কেতিয়া অতিক্ৰম কৰিলে কোনেও তৰ্কিবকে নোৱাৰিলে।

সকলো বিয়াতে দৰাঘৰীয়াৰ মাতব্বৰিতা বেচি। দৰাঘৰীয়াৰ ফালৰে অকথ্য অশ্ৰাব্য জোৰা-নাম প্ৰথমে প্ৰকাশ পোৱাত কন্যাঘৰেও উত্তৰ দি পঠালে—

আইদেউৰ দৰাটি অ তামোল গুৱা,
তেনেয়ে চিনাকি অ তামোল গুৱা,
আইদেউৰ লগতে থকা হে অ তামোল গুৱা,
নিতৌ দেখো পুৱা,
শহুৰৰ ঘৰতে চেলেকে ছুৱা।

নাম শুনি দৰাপক্ষৰ পৰা যিপাট শৰ মাৰি পঠালে, সেই শৰ কেনিনো পাৰ হ'ল কবই নোৱাৰিলে, বহুতৰ মুখটোহঁত সমাজত দোঁ খাই পৰিল,—

"ক'তনো ঘূৰিলা, এই পালা এই গ'ল,
ছোৱালী খুজিলা, এই পালা এই গ'ল,
বিচাৰি বিজনী পালাহে, এই পালা এই গ'ল,
যাক তুমি বাচি পালা
পঞ্চামৃতে খাবৰ হ'ল।"

\+ + + +

অৱশ্যে উক্ত বিৱৰণ ছুই এখন বিয়াৰ পৰাহে দিয়া হৈছে। কিন্তু আধুনিক বিয়ানামৰ যে পাক কেনি গৈছে তাক আইদেউ সমাজে ভু পোৱা নাই। আধুনিক নাম বিলাক নাৰী সাহিত্য বুলিব নোৱাৰি। তাত কল্পিত বা কাব্যৰস সমৃদ্ধি নাই। বহুত ক্ষেত্ৰত ইংৰাজী শব্দৰ ব্যৱহাৰো আমি পাই আহিছোঁ, আৰু কোনো অৰ্থ নথকা শব্দ বা বাক্য প্ৰয়োগ কৰি আখৰ মিলোৱা দেখি হাঁহিও উঠে, পুতৌও হয়। এঠাইত শুনিলোঃ—

"এৰোপ্লেনৰ পাইলট, আমাৰ আইদেউ সাজ কৰে
ইংৰাজী ষ্টাইলত।

কোনোবাই আকৌ গোৱা শুনিলোঃ—

"টুইংকোল টুইংকোল লিটিল্ ষ্টাৰ,
আমাৰ দাদাই বিচাৰিছে বিউটিফুল গাৰ্ল।
ফুটবলৰ ব্লাডাৰ,—ডেকা নহয়, বুঢ়া দৰা,
পাচোটিৰ ফাডাৰ॥

এনে ধৰণৰ নামে সাময়িকভাৱে লৰা ছোৱালীক অশ্লীল আমোদ দিলেও দিব পাৰে, কিন্তু তাৰ পৰিণাম অতি বেয়া। বিয়াৰ পাছ দিনাই অকণমান চাৰি বছৰীয়া ছোৱালী এজনীৰ প্ৰশ্নই আমাক হতভম্ব কৰিলে। তাই পুৱা শুই উঠিয়েই মাকক কিবা এটা প্ৰশ্ন কৰি মাকৰ ভেকাহি খালে,— "মই ক'ব নোৱাৰো,—বাপেৰক সোধগৈ যা"। তায়ো আহি বাপেকক প্ৰশ্ন কৰিলে "দেউতা, লভ-লেটাৰ মানে কি?

"—তই ক'ত পালি অ, কোনে শিকালে।"
"কালি মাখন দাদাৰ বিয়াত গাইছিল নহয়।"
"কি গাইছিল, তই গাব পাৰিবিনে?" বুলি সোধাৰ লগে লগে তায়ো থুম্বুক-থানাক মাতেৰে সুৰ লগায়েই বাপেকক গাই শুনালে,—

"ব্লাউজ চোলাৰ তলতে, কেছা খৰিৰ লাওনি,
কিনোবা লুকালা, কেচা খৰিৰ লাওনী,
কাৰে লভ-লেটাৰ পালাহে, কেছা খৰিৰ লাওনী
তুমি দিয়া লভ-লেটাৰ
কৰি দিয়া ভাওনি।

# আপত্তি নাসক

অধ্যাপক—শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী এম, এ

উনবিংশ শতিকাত বঙ্গদেশৰ শ্ৰীৰামপুৰত আড্ডা পাতি আমেৰিকাৰ বেপটিষ্ট মিশ্যনে বঙ্গদেশ আৰু অসমৰ ভাষাৰ উন্নয়নত মন দিছিল। ইয়াৰ ফল-স্বৰূপে ছুয়োখন প্ৰদেশতে স্থানীয় ভাষাত ব্যাকৰণ, অভিধান আদি ওলাব পাৰিছিল। কিন্তু মিশ্যনেৰীসকলে খ্ৰীষ্ট-ধৰ্ম্মৰ প্ৰচাৰৰ উদ্দেশ্যেহে স্থানীয় ভাষাৰ জৰিয়তে শিক্ষাবিস্তাৰ কৰিবলৈ যত্ন কৰিছিল। এই শ্ৰীৰামপুৰৰ মিশ্যনেৰীৰ পৃষ্ঠপোষকতাত বঙালী আধুনিক গদ্যৰ জন্ম হয়। খ্ৰীষ্টধৰ্ম্ম প্ৰচাৰৰ সমুখত হিন্দুধৰ্ম্মৰ গোড়ামী শক্তিশালী বাধা হৈ পৰে। অকল বাইবেলৰ অনুবাদ প্ৰচাৰ কৰাৰ উপৰিও, হিন্দু-গোড়ামীৰ যুক্তিজাল আঁতৰাবলৈ মিশ্যনেৰীসকলে কেতবোৰ ট্ৰেক্ট বা প্ৰচাৰ-পুস্তক প্ৰকাশ কৰিছিল। এই ধৰণৰ এখন ট্ৰেক্ট বঙালীৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হৈছিল ১৮৭০ চনত। কিতাপখনৰ নাম "আপত্তি নাসক" আৰু তাৰ ইংৰাজী সমানাৰ্থক আখ্যা—Hindu Objections to Christian Religion Answered। এইখনৰ ৰচনা কৰিছিল এ, এইচ্ছ, ডেনফৰ্থ নামে চাহাব এজনে আৰু ইয়াক প্ৰকাশ কৰা হৈছিল শিৱসাগৰৰ পৰা।

ডেনফৰ্থ চাহাবে হিন্দুধৰ্ম্মৰ পাণ্ডাসকলৰ আপত্তি কিমানদূৰ নাশ কৰিলে সেই বিষয় সমাজতাত্ত্বিকে আলোচনা কৰিব। ১৮৭০ চনত মিশ্যনেৰীৰ হাতত অসমীয়া গদ্যই কি ধৰণৰ গঢ় লব ধৰিছিল তাৰ আভাসৰ কাৰণেহে কিতাপখন অনুসন্ধানৰ সামগ্ৰী যেন লাগে। 'অৰুণোদই'ৰ ঠাচঁ আৰু এই কিতাপৰ ঠাচঁ একে প্ৰকাৰৰ। বাননবিলাকো চাবলগীয়া। ৺হেমচন্দ্ৰ বৰুৱাই "হেমৰ কোষেৰে ভাষাৰ ওখ দোল" বান্ধিলেও, প্ৰাকৃতৰ পৰা ওলোৱা অসমীয়া শব্দবিলাকৰ বানন আকৌ সংস্কৃতৰ ওচৰলৈ লৈ গৈ আমাৰ যে আহুকাল বঢ়ালে সেইবিষয়ে সন্দেহ কম। সেই সময়ৰ গদ্যৰ বানান আৰু বাক্য-গাঁথনি আৰু খ্ৰীষ্টধৰ্ম্মৰ প্ৰচাৰকৰ যুক্তিৰ চানেকি-স্বৰূপে বিজ্ঞাপনৰ প্ৰথম অধ্যায় ইয়াত উদ্ধৃত কৰি দিয়া হ'ল। (কিতাপখনৰ গৰাকী হ'ল গুৱাহাটীৰ শ্ৰীযুত জিতেন্দ্ৰনাথ বুজৰবৰুৱা, বি-এ, বি-টি।)—

## "আপত্তি নাসক

"এই পুথি লিখাৰ অভিপ্ৰাই

"কিছু বছৰৰ আগেয়ে বঙ্গাল দেসৰ কোনো দুষ্ট লোকে কম্পানিৰ নোট দেখি, আপোনাৰ লাভৰ কাৰনে কেতবোৰ কিৰ্তিম নোট সাজি, সেইবোৰকে স্বৰূপ নোট বুলি চলালে, তাতে তিনি চাৰি মাহলৈকে সিবিলাকৰ সেই বঞ্চনা কৰম গুপুত ৰূপে আছিল, কোনেও কতো তাৰ একো থিৰ কৰিব নোৱাৰিলে। পাচে সিবিলাকৰ সেই দুষ্টালি প্ৰকাশ পালত, নোট লবলৈ সকলোলোকৰ মনত সংসই জনমিল; কাৰন, কিজানি কেতিয়াবা কিৰ্তিম নোট লোআ হই, তেতিয়া আমাৰ অৰ্থখিনি নষ্ট হব, এই আসঙ্কা কৰি অনেকে স্বৰূপ নোটলৈকো সঙ্কা কৰিলে; আৰু লোকবিলাকে নোটৰ বিসই অতি সাৱধানে পৰিখা কৰিব

ধৰিলে । এতিয়াও জগতৰ মাজত জিবিলাক ধৰম, আৰু তাৰ সমন্ধি জি জি সাস্ত্ৰ চলিচে, সেইবিলাকতে এই দ্ৰিষ্টান্ত খাটিছে। কিয়নো সেই বিলাকৰ মাজৰ অনেক সাস্ত্ৰ আৰু মত পৰম ঈশ্বৰে দিয়া নোহোআত যি তুষ্ট লোক বিলাকে কৰা কিৰ্তিম নোটৰ নিচিনা হৈছে ; ইয়াত একো সঙ্কা নাই। সকলো দেসি লোকে চই-তানে পতা ফান্দৰ ভ্ৰমত পৰি, আপোনাৰ বাপেক ককাক আদিএ জি জি সাস্ত্ৰৰ বিধিৰে সেৱা কৰিছিল, তাকেই স্বৰূপ সাস্ত্ৰ বুলি লই তাক ঈশ্বৰে দিয়া হই নে ন হই, তাৰ একো বিবেচনা নকৰে। স্বৰূপত সকলো লোকতকৈ হিন্দুবিলাকক হলে এই দোসত প্ৰধান বুলিব লগা, কিয়নো সিবিলাকে বিসেসকৈ আপোনাৰ বাপেক ককাকে সেৱা কৰা সাস্ত্ৰৰ বিধিতে একনিষ্ট ভাব হৈ, তাক ঈশ্বৰে দিয়া হই কি ন হই, তাৰ পৰিখা কৰিবলৈ কেতিয়াও ইচা ন কৰে।

দেখাচোন, খ্ৰীষ্টৰ মণ্ডলিৰ পৰা নিজোজন কৰা অনেক পাদুৰি চাহাববিলাকে এই দেসলৈ আহি, হিন্দু বিলাকৰ হিতৰ নিমিত্তে অনেক বচৰৰ পৰা কৰিব লগা কৰমত সিবিলাকক উদগাই, প্ৰবৰ্ত্তন কৰিবলৈ নিজবোআকৈ সদাই সজ বুধি দিচে, তথাপি আজিলৈকে সিবিলাকৰ এই সকল কথাৰ প্ৰায়ে একো সিধি ন কৰিলে। বিসেসকৈ সাস্ত্ৰ পৰিখা কৰাৰ কথাত হিন্দু লোক বিলাকক জেতিয়া কোনো কথা কোআ জাই, তেতিয়া সিবিলাকে নিচয়ে কৰিব লগিয়া এই মহা কৰমৰ কথাত বিকাৰ হওক চাৰি লোকৰ নষ্ট কৰা আপোনাৰ এই কিৰ্তিম সাস্ত্ৰৰ মত ৰখ্যা কৰিবৰ নিমিত্তেহে অনেক প্ৰকাৰ মিচা কথা ৰূপ বাৰুত আস্ত্ৰয় কৰে। আৰু খৃষ্টৰ নিৰ্ম্মল ধৰম, আৰু ঈশ্বৰে দিয়া জি সত্য সাস্ত্ৰ, তাৰ ওপৰতো কেতিয়াবা কেতিয়াবা অনেক প্ৰকাৰে মিচা দোষ দিএ। তাত বাজে আপুনি বিবেচনা ন কৰি, কিচুমান অনুচিত কথা প্ৰকাস কৰি বোলে, এই এইবোৰ কাৰনৰ নিমিত্তে আপোনাৰ পুৰুসানুক্ৰমে পালন কৰা ধৰম এৰি, আমি কোনোৰূপে খ্ৰীষ্টৰ ধৰম গ্ৰহন কৰিব নোআৰোঁ। এই হেতুকে সিবিলাকৰ মঙ্গল বাঞ্চা কৰা একজন বন্ধুএ সিবিলাকে কোআ কিচুমান প্ৰধান প্ৰধান আসোঁআহৰ উত্তৰ এই পুথিত লিখাই সিবিলাকৰ গিয়ান উদয় হবৰ আৰু ভ্ৰম গুচাবৰ নিমিত্তে দিচে।

হে পাঠকসকল, তোমালোকৰ সকলো কথাৰ এই যি উত্তৰ লিখা হৈচে, তাক তোমালোকে আপোনাৰ মতৰ বিৰোধ বুলি, অবিবেচকৰ নিচিনাকৈ খঙ্গেৰে একেবেলিএ অগ্ৰাহ্য ন কৰি, এৰলিয়া ন হই, সেসলৈকে মন দি পঢ়ি, স্বৰূপ হই কি ন হই, তাক জেন বিবেচনা কৰা, তোমালোকলৈ এয়ে মোৰ নিবেদন। কিয়নো তাকে বিবেচনা কৰিলেই ইশ্বৰৰ অনুগ্ৰহৰ দোআৰাই তোমালোকৰ ভ্ৰম গুচি, বহু উপকাৰ হব পাৰিব ! আৰু জদি তোমালোকে এই পুথি পঢ়ি তাত লিখা সকলো বিসই প্ৰমান চাই, সৰল মনেৰে সত্য-সচিদানন্দ পৰম ইশ্বৰৰ আগত প্ৰাৰ্থনা কৰা, তেতিয়া তোমালোকে সত্য গিয়ান পাই তোমা-লোকৰ মন ৰূপ ভূমিত পৰমাৰ্থৰ গিয়ান জনমোআ ব্ৰিখ্য উত্‌পন হৈ, তাৰ উত্‌পন হোৱা ফলেৰে ইহকাল আৰু পৰকালে কৈ এঁটাৰ নোঅৰা মঙ্গল লাভ হব।” (পৃষ্ঠা ১-৩)

---

# অসমীয়া মন্ত্ৰ সাহিত্য

অধ্যাপক—শ্ৰীহৰিশচন্দ্ৰ ভট্টাচাৰ্য্য এম, এ,

‘মন্ত্ৰ’ শব্দটোৱে সংস্কৃতত প্ৰথমতে ৱেদৰ এটা ভাগক বুজায় ; দ্বিতীয়তে গুপ্তৰহস্যপূৰ্ণ ছন্দবদ্ধ পদ (mystical verse or incantation) বুজায় ; তৃতীয়তে, ই যেই-সেই গোপন আলোচনা বুজায়। অসমীয়াত সৰ্ব্বসাধাৰণতে ‘মন্ত্ৰ’ বুলি কলে দ্বিতীয় অৰ্থটোকে বুজায়। সেইদেখি, কোনোবাই বুজিব নোৱাৰাকৈ ফৰ্‌ফৰ্‌কৈ কিবা গাই গ’লেও অস-মীয়াত ‘মন্ত্ৰমতা’ বুলি কোৱা হয়। শ্ৰাদ্ধ আদি দৈৱিক পৈত্ৰিক কাৰ্য্য কৰাত যাজকসকলে “অন্যত্ৰ হস্তং প্ৰক্ষাল্য” বুলি কলে অশিক্ষিত অসমীয়াৰ মানত সেয়ে মন্ত্ৰ নাম পায় ; অথচ, প্ৰকৃততে ই মন্ত্ৰ নহয়। প্ৰকৃত মন্ত্ৰ উচ্চাৰণ কৰিবলৈ বা কিবা এটা কাম কৰিবলৈ সাজু হবৰ বাবে হাতখন ধুবলৈ দিয়া উপদেশহে ; ‘অইন ঠাইত হাতখন ধুই’ এই বুলি সংস্কৃত বচনষাৰ অসমীয়াত মাতিলে সি কিন্তু মন্ত্ৰ নাম নেপায় ; মন্ত্ৰৰ গুপুত ৰহস্য সাউৎ কৰে ভেদ হৈ পৰে। এই ৰহস্য ভেদত ভেটা দিবলৈকেই হবলা সংস্কৃত ভাষাত ৰচিত হোৱা মন্ত্ৰবোৰ আজিও অসমীয়া আৰ্য্য সমাজত তথা ভাৰতীয় আৰ্য্যসমাজত গুপুত হৈয়ে আছে। তাৰোপৰি, সংস্কৃত দেৱভাষা বুলিও, আৰু শব্দশক্তিৰ এটা স্বকীয়া প্ৰভাৱ আছে বুলিও, মন্ত্ৰসমূহৰ আমূল পৰিৱৰ্ত্তন কৰিবলৈ কেৱে সাহ কৰা নাই। অসমীয়া ভাষাত ৰচিত গীতা, ভাগৱত পাঠ কৰিলে তাক আমি মন্ত্ৰ নোবোলোঁ ; কিন্তু ধৰ্মকাৰ্য্য আদিত তাৰেই সংস্কৃতত লিখা বচন দুই চাৰি ফাকি গালে আমি তাক মন্ত্ৰ বুলি কওঁ। গতিকে, অসমীয়াত সাধাৰণতে ‘মন্ত্ৰ’ শব্দই কিবা এটা গুপুততত্ত্ব-নিহিত ভাৱ বহন কৰি আহিছে।

এসময়ত অসমীয়াতো এনে বিধৰ মন্ত্ৰ ৰচিত হৈছিল। সেইবোৰৰ বহুতৰে অৰ্থ ভালদৰে থিৰ কৰিব নোৱাৰি। অজ্ঞাত-লিখক সকলে তাৰ গুপুভাৱ ৰক্ষা কৰিবৰ বাবেও হয়তো ইচ্ছাপূৰ্ব্বক সৰ্ব্ব-সাধাৰণে তাক বুজিব নোৱাৰা কৰি ৰাখিব পাৰে। কেৱল অসমীয়াতেই নহয়, অন্যান্য ভাৰতীয় প্ৰাদেশিক ভাষাতো এনে মন্ত্ৰ আছে, আৰু সেই-বোৰৰ অৰ্থ বিশেষজ্ঞ সকলেও থিৰ কৰিব পৰা নাই, —অথচ, মন্ত্ৰবোৰ অতি ফলপ্ৰদ। * অসমীয়াতো এনে কিছুমান মন্ত্ৰ আছে, যিবোৰৰ অৰ্থ ভালদৰে বুজিব নোৱাৰি, অথচ, তাৰ হব লগীয়া ফল চকুৰ আগতে হাতে-হাতে দেখা পোৱা যায়। বীৰ চিলাৰায়ে এসময়ত সাপৰ মন্ত্ৰ মাতি গৌড়ৰ নৱাবৰ মাকক মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰা কথা ইতিহাস-প্ৰসিদ্ধ। এই মন্ত্ৰবোৰ কোনে কোন সময়ত ৰচনা কৰিলে

---

* “A number of Tantric documents (esp. Maithilimantras) are available in the nature of incantations and charms which are not fully understood even by the experts of mantra—Sastra, but nonetheless, they are said to do their work very efficaciously’. —Maithili literature I. by J. Misra p. 22.—

একো গম পোৱা নাযায়। পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীদেৱে 'অসমীয়া সাহিত্যৰ চানেকি'ত 'মন্ত্ৰ আৰু ভণিতা যুগ' বুলি অসমীয়া সাহিত্য সমূহৰ মাজতে এটা বিভাগ ইয়াৰ ৰচনাকাল আনুমানিক খৃঃ ৮০০—১২০০ বছৰৰ ভিতৰত পেলাইছে। মন্ত্ৰবোৰৰ স্থান আৰু মান আমাৰ সাহিত্যত এটা মন কৰিবলগীয়া বিষয়।

প্ৰথম কথা, মন্ত্ৰবোৰ আমি সাহিত্য বুলি ধৰিব পাৰোঁ নে নোৱাৰোঁ। সাহিত্যৰ গুণ-ধৰ্ম্ম ইয়াত কিমান দূৰ আছে। বৰ্ত্তমান যিবিলাক মন্ত্ৰ প্ৰকাশিত হৈছে, সেইবোৰৰ কিছুমানত সাহিত্যৰ লক্ষণ অকণো নাই যদিও কিছুমানত ভালেখিনি দেখা যায়। আলোচ্য বিষয়-বস্তুৰ ওপৰত শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰে যেই-সেই ৰচনাক সাহিত্যৰ মানলৈ আনিব পাৰে। বাচাৰ্থ, লক্ষ্যাৰ্থ আৰু ব্যঙ্গাৰ্থ আদিৰ যোগেদি পঢ়োঁতাক বা শুনোঁতাক কাব্যানন্দ দিব পাৰে। উদাহৰণ যেনে—

"জন্মাসনে থাকি আত্মাৰাম অৱতৰী,
প্ৰকৃতিত হস্তে সৃষ্টি নিয়োজন কৰি।
ইঙ্গিতে জানিলা ব্ৰহ্মা সৃষ্টি নাশ হয়,
শিৱক সম্বোধি পুনঃ বচন বোলয়।
আজ্ঞা পায়া মেৰুৰ শিখৰে চলিলা,
মেৰুৰ ওপৰে গৈয়া বসিয়া ৰহিলা।
মেৰুমূলে বসি ক্ৰন্দন কৰিলা,
চাৰি ধাৰে লোহ যাই পৃথিবীত পৰিলা।
পৃথিবীত পৰি লোহ ভৈল সুবৰ্ণ আকাৰ,
ঘৰপন্থে মনুষ্যৰ বিষ যে বিকাৰ।"

[ শ্ৰীৰাম মন্ত্ৰ ]

ইয়াত ব্ৰহ্মাই সৃষ্টি-নাশৰ ভয়ত শিৱৰ ওচৰ চাপি তাৰ প্ৰতিকাৰ কৰিবলৈ আদেশ দিলে। সৃষ্টি-নাশৰ বিষম পৰিণাম সুঁৱৰি শিৱৰ চকুপানী ওলাল, চকুলো আহি পৃথিবীত পৰি বৈ গ'ল—এয়ে বাচ্যাৰ্থ। মানুহৰ দুখ-দুৰ্গতিত দেৱতাৰ প্ৰাণ কুমলে, মানুহ অবিহনে দেৱতাৰ স্থান নাই, ভক্তাধীন ভগৱান,—এনে ধৰণৰ লক্ষ্যাৰ্থ আৰু ব্যঙ্গাৰ্থ কৰিব পৰা যায়। 'বক্ৰোক্তি' বা বিচিত্ৰ শব্দ-বিন্যাস সাহিত্যৰ অইন এটা গুণ। ইয়াৰ ব্যৱহাৰো ঠায়ে-ঠায়ে পোৱা যায়।

অৰ্থালঙ্কাৰৰ ভিতৰত উপমা, ৰূপক, উৎপ্ৰেক্ষা আদিয়েও সাহিত্যৰ মান চৰায়। মন্ত্ৰ সাহিত্যত ইয়াৰ অভাৱ নাই। 'ধৰণি মন্ত্ৰ'ই সাপৰ বিষ কেনেদৰে নমাব পাৰে, ৰচকৰ মন্ত্ৰৰ কেনে অসাধাৰণ শক্তি, এই কথা বুজাবলৈ অজ্ঞাত ৰচকে কৈছে—"সৰ্পত বসিছি দাৰুণ কলি ৰাজা।" মোহিনী মন্ত্ৰত আছে—(১) "সোণাৰ কাকৈ ৰূপাৰ ফণি, শুচি-মাজি ওভোটাই বান্ধি খোপা সভাসদৰ মুখত দিলো সোপা।" (২) "অচল পুষ্কৰ নিচল পানী, তাহাত পৰিল আকাশ কামিনী।" (৩) "অন্য ধৰ্ম্মে কি ফুল ফুলে সি ফুল গন্ধতে ভাসে।" এই আটাইবোৰ অলঙ্কাৰপূৰ্ণ উৎকৃষ্ট ৰচনা।

'শ্লেষ' অৰ্থালঙ্কাৰৰ ভিতৰত এবিধ বিশেষ অলঙ্কাৰ। এলাপেচা সাহিত্যিকে ইয়াৰ উচিত প্ৰয়োগ কৰিব নোৱাৰে। ইয়াৰ দ্বাৰা একেটা শব্দৰ একে ঠাইতে একাধিক অৰ্থ ধৰি ব্যাখ্যা কৰিব পাৰি। তাহানিৰ সংস্কৃত সাহিত্যত এইবিধ অলঙ্কাৰৰ প্ৰয়োগে আজিও সাহিত্য অনুৰাগী সকলক চমক খুৱাই ৰাখিছে। এইবিধ অলঙ্কাৰ বৰ বেছি নহলেও, দুই-চাৰি মন্ত্ৰত ইয়াৰ আভাস আমি অনুমান কৰোঁ। উদাহৰণ—"বসুমতীৰ গোত্ৰ নৱতা ক্ষেত্ৰক বান্ধো" [ দীক্ষা মন্ত্ৰ ]—ইয়াত 'গোত্ৰ' শব্দ 'কুল' বা 'বংশ' অৰ্থত সহজতে লব পৰা যায়। তাৰোপৰি, 'গোত্ৰ' মানে 'হাবি' বা 'পৰ্ব্বত'—



'গো' অৰ্থাৎ পৃথিবীক যিহে ৰক্ষা কৰে। পুৰণি আখ্যানমতে এই অৰ্থতো এই শব্দৰ প্ৰয়োগ হব পাৰে। তেনেহলে, 'বসুমতীৰ গোত্ৰ' অৰ্থাৎ 'বসুমতীক ৰক্ষা কৰোঁতা' এই অৰ্থতো মন্ত্ৰ ফাকিৰ অৰ্থ লব পাৰি। সেইদৰে এই একেটা দীক্ষা মন্ত্ৰতে এঠাইত "অনন্ত ক্ষেত্ৰক বান্ধো" বুলি লিখা আছে। ইয়াতো অনন্ত শব্দ এবাৰ 'অশেষ' অৰ্থত লৈ আকৌ এবাৰ 'সৰ্পৰাজ অনন্ত' অৰ্থতো লব পাৰি। সৰ্পৰাজ অনন্তৰ নামৰ আগতো এই অৰ্থতে এই মন্ত্ৰতে উল্লেখ কৰা আছে। সাহিত্য-সৃষ্টি কৰাটো মন্ত্ৰৰচক সকলৰ উদ্দেশ্য বোধহয় নাছিল। কিন্তু শ্ৰোতা বা মন্ত্ৰগ্ৰাহী সকলৰ আগ্ৰহ আৰু অনুভূতি জন্মাবলৈ তেওঁলোকে ইয়াত নানা ৰকমৰ অৰ্থালঙ্কাৰ আৰু শব্দালঙ্কাৰৰ সৃষ্টি কৰি থৈ গৈছে।

অৰ্থ গ্ৰহণ কৰাৰ আগতেই শ্ৰৱণ-তৃপ্তি বা শুনিলেই শ্ৰোতাৰ মন ভাল লগাব পৰা সাহিত্যৰ যি এটা গুণ, তাকো বহু ঠাইত দেখা যায়। ইয়াকে কৰিবলৈ ৰচকে ঠাইবিশেষে আৱশ্যক অনুসৰি শব্দবিশেষৰ আশ্ৰয় লব লাগে। সাহিত্য সৃষ্টিত হাত বা মন পৈণত নহলে সি হৈ নুঠে। এনে বিধৰ অলঙ্কাৰে শব্দালঙ্কাৰ নাম পাইছে। উদাহৰণ—"বিষ আছে ফন্‌ফনস্তে ভন্‌ভনস্তে। ৰুধিৰ পানী খিৰ্‌খিৰস্তে" [ধৰণি মন্ত্ৰ]। ইয়াত শব্দৰ ধ্বনিয়েই কাৰ্য্যৰ ৰূপটো শ্ৰোতাৰ কল্পনা-চকুত একেৰকম দাঙি ধৰিব পাৰে। শব্দলঙ্কাৰৰ ভিতৰত অনুপ্ৰাস বা শব্দ-সাম্য এনেক মন্ত্ৰত দেখা যায়, যেনে—(১) "ডাকিনি জুগিনি ভুত ডাহিনী··· জখিনি বিষানি কৈষ্টবৰি দৈত্যাৰি অলক্ষণি বিলোক্ষণি।" [সুদৰ্শন মন্ত্ৰ]। (২) "চল চল শৰ চল গুৰুৰ আজ্ঞায়। যি হানিছে শৰ সেই শৰ সমস্তে পৰ।"

সাধাৰণতে নাট আৰু কাব্যত ৰসৰ অনুসন্ধান কৰা হয় যদিও, অন্যান্য সাহিত্যতো ই কোনো কোনো ঠাইত থাকে। মন্ত্ৰবোৰ ধাৰাবাহিক ভাবে ৰচনা কৰা সাহিত্য নহয়, নাটও নহয়, প্ৰকৃত কাব্যও নহয়। ই মাথোন এবিধ মন্ত্ৰ-ৰচনা। কিন্তু ইয়াৰ ভিতৰতে ঠায়ে ঠায়ে আমি বিভিন্ন ৰসৰ আভাস পাব পাৰোঁ। ৰস-ক্ষেত্ৰত 'অদ্ভুত' আৰু 'ভয়ানক' ৰসেই ইয়াত বেছি দেখা যায়—(১) ব্ৰহ্মাৰ বচনে মেলিলো বোলনি, পৃথিবী লৰিলা লগে। চৈধ্যখান ব্ৰহ্মাণ্ড কম্পিবাক লৈলা শুনিয়া শবদ। মই বোলনি আছো চাই সমস্ত ভূত প্ৰেত গণ লগ পাই। কুবেৰে বোলে মই লৰি গৈলো। বোলনিৰ লগত মই বাউল ভৈলো।" [বড় হেঙ্গুলী মন্ত্ৰ]। (২) "ডাকিনী হাতে মালতী, বামহাতে পুষ্পচয়। আচোক মনুষ্য দেৱতা কাম্পয়। কম্পে অস্তগিৰি কৰে টলবল্ পাতালৰ পৰা আসি নিকালিল বল।"

[পুষ্প ঝাৰা মন্ত্ৰ]।

একেটা শব্দকে একেলেথাৰিয়ে বহুতবাৰ উল্লেখ কৰি, তাৰোপৰি একেটা শব্দৰে একে ঠাইতে বেলেগ বেলেগ বিশেষণ বহুৱাই ভাবটোক বিশেষ জোৰ দি, আৰু স্বাভাৱিক অস্বাভাৱিক কেবা প্ৰকাৰৰো বিশেষণৰ প্ৰয়োগ কৰি, কোনো কোনো মন্ত্ৰত ৰচকে হাস্য-ৰসৰ এইদৰে সৃষ্টি কৰিছে—

"জটীয়া গলাইক বান্ধো, মটীয়া গলাইক বান্ধো,
আকত " " দস্তুৰা " "
খৰা " " জঙ্গা " "
বেঙ্গা " " কোঙ্গা " "
ডাকু " " বৰবা " "
কালা " " কলীয়া " "

ই কাব্য নহয় অথচ হাঁহি-ৰস-ভৰা সুন্দৰ ৰচনা। অসমীয়াৰ মাজত প্ৰচলিত বহুৱাৰ চিত্ৰৰ সৈতে ইয়াৰ তুলনা হয়।

'মোহিনী মন্ত্ৰ'ত শৃঙ্গাৰ ৰসৰ আভাসো ঠায়ে ঠায়ে দেখা যায়—

"মোহনি মোহনি ধৰি মুহিবাক লৈলা। হস্ত গায় আঙ্গুলি জজ্ঘা দেখিলো যেন হৰৰ উম্বৰু, হলফল কৰে যেন দুই স্তন দেখিয়া পুৰুষৰ থিৰ নোহে মন, মাতিবে লাগিলা কামিনীক কাম ভাবে, সিদ্ধ পুৰুষৰ বাণী শুনি কামিনী বুলিবাক লৈলা, তোৰমান নাইহে নিলাজ পুৰুষৰ।"

মন্ত্ৰবোৰৰ ভিতৰত গদ্য-পদ্য দুয়োবিধ ৰচনাৰে চানেকি পোৱা যায়। পদ্যবোৰৰ ভিতৰত বেছি ভাগতে 'অন্ত্যানুপ্ৰাস' বা শেষ আখৰৰ মিল আছে, যেনে :—

"এৰ এৰ শঙ্কাখৰ মই বচন বুলিলো
মোৰ যত মায়া অধিকাৰ কৰি দিলো।
ব্ৰহ্মাৰ তনয় ভৈলা মিত্ৰ যেন নাম
তাহাৰ ৰূপৰ একো নাহিক উপাম ॥"
...ইত্যাদি।...

'অন্ত্যানুপ্ৰাস' অতি পুৰণি কলীয়া মন্ত্ৰ-সাহিত্যত সাহিত্যৰ গুণৰ ফালৰ পৰা এটা লক্ষ্য কৰিবলগীয়া বিষয়। কিয়নো, অন্ত্যানুপ্ৰাস সংস্কৃত সাহিত্যত প্ৰায় নাছিল বুলিলেই হয়। পুৰণি পদ্য-সাহিত্যৰ ই এক স্বকীয়া ৰীতিৰ পৰিচয় দিছে। ইয়াৰ উপৰিও, বিভিন্ন বাক্যাংশৰ মাজে মাজে একো একোটা যতি বা বিৰাম (Pause) থকা লক্ষ্য কৰা যায়; এনেবোৰ বাক্যাংশই ছন্দবদ্ধ ৰচনাত 'পৰ্ব' (measure, bar) নাম পায়। এনেবিধৰ 'পৰ্ব' প্ৰায়বোৰ ৰচনাতে আছে যদিও, কোনো কোনো বোৰ ৰচনাৰ আদিত বা অন্ততহে এনে 'পৰ্ব' আছে, বাকী ছোৱা কেৱল মাথোন শব্দ-সমষ্টি। ইয়াক প্ৰকৃত পদ্য ৰচনা বুলিব নোৱাৰি, গদ্য বুলিবও নোৱাৰি; ই গদ্য-পদ্যৰ মিশ্ৰ ৰচনাহে। মন্ত্ৰবোৰত এনেবিধৰ ৰচনাই বেছি, যেনে—"উৰি গল শগুনি পৰি গল পাখি, কোন কোন বিষক থৈছে ৰাখি: পুৰা গাম, কেঠেলুৱা গাম, পুৰা, সিঙ্গিমুৰি ..... শিয়ালগলা, শামুকীয়া, জিহ্বাবেথ, চন্দ্ৰকপালি, সূৰ্য্যকপালি, নাৰেঙ্গা......ৰামং স্বাহা স্বাহা স্বাহা।" ইয়াৰ পৰা গদ্য-পদ্যৰ মিশ্ৰ-ৰচনাৰ আভাষ পোৱা যায়। মন্ত্ৰ পাঠ কৰি জৰা-ফুকা আদি ব্যৱসায় কৰি ফুৰা মানুহবোৰক অসমীয়াত 'ওজা' বুলি কোৱা হয়। এওঁলোকে মন্ত্ৰ-পাঠ কৰোঁতে কোনো কোনো ঠাইত বেছি আৰু কোনো কোনো ঠাইত কম জোৰ দিয়ে। পাঠ কৰাত তাত একোটা তাল, মান, বা লয় ৰাখি পাঠ কৰে। কিন্তু তাৰ কোনো লিখিত নিয়ম নাই বাবে ভিন ভিন ওজাৰ মুখত একেটা মন্ত্ৰৰে পাঠ ভিন-ভিন ভাবেও হ'ব পাৰে। 'অন্ত্যানুপ্ৰাস' থকা বিলাক দেখাতেই পদ্য বুলি জানিব পাৰি; কিন্তু তেনে নোহোৱা বিলাকো তাল, লয় আৰু মান বিষয়ত কাব্যধৰ্মী।

মন্ত্ৰৰ মাজে মাজে থকা কিছুমান তৎসম শব্দৰ বিশেষ ভঙ্গীয়ে মন্ত্ৰফাকি কোন অঞ্চলত ৰচনা কৰা হৈছিল, তাৰ এটা আনুমানিক আভাস দিয়ে। যেনে—'ভোগ' শব্দৰ উজনি অসমত কথিত ৰূপ 'ভোগাই', নামনি অসমত 'ভোগো'। পক্ষীৰাজ মন্ত্ৰত আছে—"ধনঞ্জ বীৰোক বান্ধো, মায়াঞ্জ বীৰোক বান্ধো"—'বীৰ' শব্দৰ ঠাইত 'বীৰো' এই কথিত ৰূপটোৱে মন্ত্ৰফাকিৰ ৰচক নামনি অসমৰ বুলি সূচনা কৰে। সেইদৰে 'কৃষ্ণ'ৰ ঠাইত 'কৃষ্ণাই' (বা 'কিষ্ণাই') 'মধু'ৰ ঠাইত বা 'মাধৱ'ৰ ঠাইত



'মাধাই' শব্দৰ প্ৰয়োগে ৰচক উজনি অসমৰ বুলি কিঞ্চিৎ আভাস দিয়ে।

ৱেদ-পুৰাণ আদিৰ কোনো কোনো ভাগ আখ্যান মূলক। আমাৰ মন্ত্ৰ কিছুমানো এনে বিধৰ। ঠায়ে ঠায়ে একো একোটা মনোৰম আখ্যানৰ সমাৱেশ কৰি ৰচকে ইয়াক সাহিত্যৰ পিনৰ পৰা আকৰ্ষণীয় কৰি তুলিছে; দেৱ-দেৱতাৰ গুণা-গুণ আৰু কাৰ্য্যাৱলী বৰ্ণনা কৰি ৰচকে ইয়াক মনোমোহা কৰি তুলিছে। 'হেঙ্গুলী মন্ত্ৰ'ত আমি এনে ধৰণৰ আখ্যান পাওঁ—হেঙ্গুলী পাতাললৈ গ'ল, পাতাল-বাসীয়ে দেখি চক্ খাই উঠিল। হেঙ্গুলী খেদি গ'ল। সকলো মায়াক গলত জৰি বান্ধি একে ঠাই কৰিলে। পাছে অনন্তৰ তালৈ যোৱাত তেওঁ মহানন্দে ডিঙিত "ঘুঙ্কাম"ৰ জৰি বান্ধি মায়া কাটিলে। হেঙ্গুলী তেতিয়া সাগৰৰ তালৈ যোৱাত সাগৰেও ভয়তে সকলো মায়াবী আনি দিলে। তেতিয়া হেঙ্গুলীয়ে সকলো দেৱতাক বান্ধি ধৰি পৃথিৱীলৈ লৈ আহিল। পৃথিৱী কঁপি উঠিল আৰু যতমানে ভূত-প্ৰেত আছিল সকলোকে বান্ধি পেলালে।

অজ্ঞাত ৰচকে পুৰণি সংস্কৃত আখ্যানমূলক সাহিত্যৰ ঠাঁচত হেঙ্গুলীৰ এই উৎকট সাহসৰ ভ্ৰমণ (adventurous journey) বৃত্তান্ত কল্পনা কৰি কেনে উৎকৃষ্ট সাহিত্য ৰচনাৰ পৰিচয় দিছে! এনে আখ্যান ঠায়ে-ঠায়ে বহুতো আছে, আৰু ই মন্ত্ৰ কেতবোৰক শ্ৰেষ্ঠ সাহিত্যৰ শাৰীলৈ অনা-য়াসে তুলিছে।

ডাঃ এম্ উইণ্টাৰ নিজ (Dr. M. Winternitz) এ তেওঁৰ 'A history of Indian literature' Vol. I. নামৰ কিতাপত ভাৰতীয় মন্ত্ৰ-সাহিত্যক 'Popular poetry 'গণকাব্য' নাম দিছে। অথৰ্ব্বৱেদৰ সৈতে এই মন্ত্ৰ কিছুমানৰ সম্বন্ধ থকাৰ বিষয়ে মন্ত্ৰ সমূহৰ ভিতৰতে দুই এটাত উল্লেখ পোৱা যায়। তেওঁ কয় যে অথৰ্ব্বৱেদৰ মন্ত্ৰবোৰো পোনতে 'Popular poetry 'গণকাব্য' আছিল। কিন্তু কালক্ৰমত তাৰ ওপৰত ব্ৰাহ্মণ্য-ধৰ্ম্মৰ প্ৰভাৱ পৰাৰ ফলত আৰু যাজক শ্ৰেণীৰ হাত-ফুৰণি পোৱাৰ বাবে সি কিছু লৰ-চৰ্ হল। আমাৰ মন্ত্ৰ সাহিত্যৰো তেনে হব পাৰে। সময়ৰ লগে লগে ভিন-ভিন ধৰ্ম্মৰ পৰশ পাই কোনো কোনো মন্ত্ৰই আংশিক-ভাৱে ৰূপ সলোৱা অসম্ভৱ নহয়; বিশেষকৈ, ই যেতিয়া আজি বহুদিনলৈকে 'মৌখিক সাহিত্য' ৰূপেই চলি আহিছে।

কিছুমান মন্ত্ৰত বিশয বিশেষ ধৰ্ম্ম সম্প্ৰদায়ৰ পৰশ থাকিলেও, কিছুমান তেনে ভাৱৰপৰা একে-বাৰে মুক্ত; জাতিবৰ্ণ-নিৰ্ব্বিশেষে সকলোৱে তাক গ্ৰহণ কৰিবলৈ কুণ্ঠিত নহয়। নানাবিধৰ মন্ত্ৰ জনা মানুহ, বিশেষকৈ সাপৰ মন্ত্ৰ জনা মানুহ, হিন্দুতকৈ মুছলমানেই সৰহ। দেৱ-দেৱীৰ নামেৰেই এই মন্ত্ৰবোৰ ভৰা। কামৰূপৰ কামাখ্যা দেৱীৰ নাম অসমীয়া অনেক মন্ত্ৰতো আছেই, বঙ্গদেশৰ বহুত মন্ত্ৰতো আছে—

"কাওৱেৱ কামিক্ষি দেবী দিয়া গেল বৱ, বালিৱ বিন্দ ৱাজা বলে অমুক হৈলা অমৱ।"* ইয়াৰ পৰা এইটো বুজা যায় যে একসময়ত কামৰূপত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰৰ সোঁত বৈ বঙ্গদেশ পৰ্য্যন্ত পাইছিল গৈ। ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱে ১৯৩১ চনৰ 'অসম সাহিত্য সভা'ৰ অধিৱেশনৰ সভাপতিৰ

* 'হিন্দু-বৌদ্ধ যুগ' 'বঙ্গভাষা'ও সাহিত্য—দীনেশ সেন।

অভিভাষণত কৈছে যে অসমেই মন্ত্ৰবিলাকৰ উৎপত্তি স্থান আৰু ইয়াৰ পৰাই ই ভাৰতৰ ভিন ভিন ঠাইত ক্ৰমান্বয়ে সিঁচৰিত হৈ পৰিছে। ই সিদ্ধান্ত মত নহলেও, এটা আলোচনাৰ বিষয়। ওপৰত দিয়া মন্ত্ৰফাকিত উল্লেখ কৰা মতে 'বালি' নামেৰে কোনোবা ঠাইত 'বিন্দ' নামেৰে কোনোবা ৰজাই এই কথাযাৰত কৈছে। 'বালি' নামৰ ঠাই কামৰূপত এতিয়াও আছে—নলবাৰী আৰু টিহুৰ মাজত। এই ঠাই টুকুৰাৰ সৈতে মন্ত্ৰফাকিৰ কিবা সূত্ৰত সম্বন্ধ থাকিব পাৰে।

বঙ্গদেশত আৰু অসমৰ কোনো কোনো অঞ্চলত, বিশেষকৈ কামৰূপ, গুৱালপাৰা আৰু দৰং জিলাত মনসা-দেৱীৰ পূজা বহুদিন আগৰে পৰা আজি পৰিমিত চলি আছে। মনসা-দেৱী বিষহৰী। সৰ্পভয় নিবাৰণৰ উদ্দেশ্যেই বিশেষকৈ মনসা-দেৱীৰ পূজা কৰা হয়। এই দেৱীৰ অইন এটা নাম 'পদ্ম-কুমাৰী'। অসমীয়া আৰু বঙালী মন্ত্ৰ-সাহিত্যত এইজনা দেৱীৰ নাম আৰু আখ্যান বৰ্ণনা বহুত ঠাইত বহুত ৰকমে আছে।

"যেবে ছাৰি বিষ উপৰে যাস,
আই পদ্মকুমাৰীৰ মাথা খাস।"

[ অসমীয়া ]

"পেট পিট্ চরণ সারম্ আর সারম্ বুক্,
পেট পিঠ চরণ সাতি মনসার বরে।
লক্ষ লক্ষ বান অমুকের কি করিতে পারে। •

[ বঙালী ]

ইয়াৰ পৰা অনুমান হয় যে, মুছমানসকল আমাৰ দেশলৈ অহাৰ আগতেই এই মন্ত্ৰবোৰ গঢ় লাগি উঠে আৰু তেওঁলোক ইয়ালৈ অহাত মানুহৰ মুখে মুখে গৈ তেওঁলোকৰ কিছুমানৰ মাজতো প্ৰচাৰ হৈ পৰে, বিশেষকৈ এইবাবেই হব পায়, যে মুছলমান সকলৰ মাজতো এই সময়ত এই দেৱীৰ পূজা ঠায়ে-ঠায়ে প্ৰচলিত আছিল। এইবোৰ মন্ত্ৰ-সাহিত্যই সুদূৰ অতীতত হিন্দু মুছলমানৰ মাজত এটা অতি আপোন ভাৱৰ সংযোগ-সূত্ৰৰ ছবিও দাঙি ধৰে।

• দ্ৰঃ - 'হিন্দু বৌদ্ধ যুগ' অধ্যায় 'বঙ্গভাষা ও সাহিত্য'।—দীনেশ সেন।

---

# আমাৰ জন-সাহিত্য

শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস

অসমীয়া জন-সাহিত্যৰ ক্ষেত্ৰ অতি বহুল। এই সাহিত্য বিষয়ে যিমান বেচি চৰ্চ্চা আৰু অনুসন্ধান কৰা যায়,—সিমানে নিতৌ ন ন তথ্য বাহিৰ হৈ থাকিব। মানুহৰ শিৰে শিৰে অবিৰাম তেজ চলাচল হৈ থকাৰ দৰে, কোনো এটা প্ৰাচীন জাতিৰ ভিতৰতো জন-সাহিত্য মৌখিক বা লিখিত ভাৱে চলি থাকে। শৰীৰত তেজ চলাচল বন্ধ হলে মানুহৰ মৃত্যু হয়; সেইদৰে জন-সাহিত্যৰ অভাৱতো এখন দেশ ভাব-ৰাজ্যত মৰু-ভূমি সদৃশ হৈ যায়।

আমাৰ গাওঁবিলাকত এনে কিছুমান অনাখৰী লোক আছে যে,—তেওঁলোকে দেখাত লিখা-পঢ়া নাজানে সঁচা; কিন্তু গীত পদৰ হলে সাগৰ। তাৰ ভিতৰত মতা-মাইকী উভয়ে আছে। সেই কাৰণেই বোধ হয়, আমাৰ পুৰণি জন-সাহিত্যক নৰ-সাহিত্য আৰু নাৰী-সাহিত্য এই দুটি ভাগত ভগালে ভুল নহব। গাওঁবাসী এনে অনাখৰী নৰ-নাৰী সকলৰো সচিত্ৰ বহুল জীৱনী লিখি প্ৰকাশ কৰা উচিত। শাখা সাহিত্য-সভা বিলাকেও তেনে জীৱনী সংগ্ৰহ কৰি প্ৰকাশ কৰিব পাৰে। তেনে লোকৰ জীৱনীতো অনেক মৌখিক কথা থাকিব পাৰে।

বৰপেটা অঞ্চলত আগেয়ে বহাগ জেঠ মহীয়া খেল-নাৱেৰে গৈ পছু চিকাৰ কৰা নিয়ম আছিল। ই প্ৰায় ৩০-৩২ বছৰ আগৰ কথা। ছাত্ৰ-জীৱনত আমি নিজেও তাত ভাগ লৈছিলো। সেই সময়ত বৰপেটা, সুন্দৰীদিয়া, বামুণা আৰু পাট-বাউসী আদিত অনেক চিত্ৰ-বিচিত্ৰ খেল-নাৱ আছিল। সেই নাৱবেই গাৱঁৰ মানুহ বিলাকে মিলি-জুলি ওচৰৰ হাবিলৈ পছু মাৰিবলৈ গৈছিল। এই খিনিতে উল্লেখ কৰা হল, যে (১৫আগষ্ট) জগদ-গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ তিথিত বৰপেটাৰ উত্তৰে থকা মৰা-নদীত বিৰাট জনতাৰ মাজত নাৱ-খেল হয়। এনে সমাজ দেখিবলৈ পোৱাটো পৰম ভাগ্যৰ কথা। নাৱ-খেলৰ গীত বিলাকৰ একোটা স্বকীয়া বিশিষ্টতা আছে। প্ৰত্যেকটো গীতৰ সুৰেই পৃথক, অথচ বীৰত্ব-ব্যঞ্জক। এই খেলত হিন্দু-মুছলমান সকলোৱে যোগ দিয়ে। আজি কালি বৰপেটা অঞ্চলত খেল-নাৱৰ সংখ্যা কিছু কমি আহিছে। ই বৰ ভাল লক্ষণ নহয়। আজি আমাৰ সকলো বিলাক জাতীয় উৎসৱকেই জীৱন্ত কৰি ৰাখিবলৈ যত্নপৰ হব লাগে।

চিকাৰী সকলে চিকাৰলৈ যোৱাত পছু পালে বঙতে তলৰ গীতটো গাই গাই ঘৰ-মুৱা হয়:—

দিহা:—ৰাম আইলো ৰে, ওকি বনেহে মৃগ
মাৰি ৰাম আইলো ৰে।

(ৰামলীলাৰ স্বকীয়া পদ লগাই দিয়ে।)

চিকাৰত পছু নাপালে তলৰ গীতটো দীঘল সুৰেৰে গাই গাই ঘৰ-মুৱা হয়:—

দিহা:—কইনা ফুলেশ্বৰী এ,

এ হে ফুলৰে বৰ হাবিলাষ,
ফুলেশ্বৰী এ হে, ফুলে চমৎকাৰ কইনা হে ॥
পদ :—আঘোণৰ মাহতে কইনা দ্বিতীয়াৰে জোন।
ষোল বছৰে কইনা হৈ গৈল যৌৱন ॥
সোতৰ বছৰে কইনা বয়সে দিলা ভাটি।
বুঢ়া হৈলা বৃদ্ধা হৈলা হাতে লৈলা লাঠি ॥
পুহৰে মাহতে কইনা পুষ্প বৰি কুৱা।
জীৱ-নাথে প্ৰাণ-নাথে খেলৈ পাখা জুৱা ॥
পাখা খেলৈ জুৱা খেলৈ পাখাত নেদৈ ঢাল।
মই অভাগিনী নাৰী বঞ্চিম কত কাল ॥
মাঘৰে মাহতে কইনা ধৰমৰে বিষ্টি।
চিলানকে যোৱা সাউদ ভাগিন সহিতি ॥
এক হাতে জল-ফুল অগৰু চন্দন।
জলতে নামিয়া সাউদে কৰিলা চিলান ॥
ফাগুনৰ মাহতে কইনা দেউল যাতৰা।
দেউলৰ উপৰে আছে মাছ মগৰা ॥
মাছ নহয় মগৰ নহয় জগতৰে গুৰু।
যিটো নাৰীৰ পুৰুষ নাই সবাত কৰি সৰু ॥
চৈতৰ মাহতে কইনা পকি সৰে বেল।
সিও বেল লৈয়া সাউদে বণিজকে গেল ॥
বণিজকে যায়া সাউদে কিবা পালা নিধি।
ডাক-ডালিম খাইতে সাউদ সিও নাপায় নিধি ॥
বহাগৰ মাহতে কইনা দেউতাৰ গিৰ্জনি।
দেউতাৰ গিৰ্জনি শুনি মৎস্যে দেই উজনি ॥
দিয়ক দিয়ক মৎস্যে উজান বছৰে একবাৰ।
মই অনাথিনী নাৰী বঞ্চিম একলশ্বৰ ॥
জেঠৰে মাহতে কইনা জেউঠা বৰিষণ।
বুনৰে হৰিণা পহু সিও চাপে ঘৰ ॥
যাকে বোলেঁ। আপোন আপোন সিও হয় পৰ।
মই অভাগিনী নাৰী সেয়ে পটন্তৰ ॥

বৃদ্ধা—পাঠ্যান্তৰ পৰ।

আহাৰৰ মাহতে কইনা আহোৰুৱা পান।
পুষ্পৰে পালেং কইনা হই গৈল যৌৱন ॥
পুষ্পৰে পালেং কইনা নাহিলা ঘুমটি।
য'কে যোৱা সাউদৰ কোঁৱৰ ত'কে যাবো আমি ॥
শাওণৰ মাহতে কইনা কৱেতীৰে দিন।
মায়ে বাপেৰ ঘৰে কইনা থাকা কত দিন ॥
আকাশতে চন্দ্ৰ নাই নজলয় তাৰা।
যিটো নাৰীৰ পুৰুষ নাই জীৱন্তে মৰা ॥
ভাদৰৰ মাহতে কইনা ভাদ্ৰ বৰিষণ।
নদী শুকাল নালা শুকাল পৰিল বালিৰ চৰ ॥
কুৰা ৰাৱৈ কুৰী ৰাৱৈ ৰাৱৈ ৰাজ-হাঁহ।
হেলাতে গোৱাইলো কইনা বাৰিষাৰ ছয় মাহ ॥
আহিনৰ মাহতে কইনা দেৱী-পূজা খায়।
সিও দেৱী-পূজা খায় বছৰে একবাৰ ॥
কাতিৰ মাহতে কইনা কাইতল ধানৰ থোৰ।
বাৰ মাহৰ তেৰ গীত মোৰ গাইতে নাপাওঁ ওৰ ॥
বাৰ মাহৰ তেৰ গীত মোৰ লয়োৰে গণিয়া।
ইটো গীতৰ নাম জৰাইছে জয়দাৰ বনিয়া ॥
জয়দাৰ বনিয়া নহয় জগতৰে বাপ।
যিটো গাৱে যিটো শুনে তাৰো খন্দে পাপ ॥
ভাইহে বাজে ঢাক-ঢোল মোৰ মুখে মোহন বাঁহী।
ইটো গীতৰ নাম দিছে ৰাম বাৰমাহী ॥

গীতটো শুনা মতেই স্থানীয় ভাষাত প্ৰকাশ কৰা হ'ল। ইয়াৰ ভিতৰত থকা "ফুলেশ্বৰী কইনা", বণিজলৈ যোৱা "সাউদ" আৰু গীতৰ ৰচক "জয়দাৰ বণিয়া" কোন অনুসন্ধান কৰিব লগীয়া। গীতৰ ভিতৰত "বাৰমাহৰ তেৰ গীত মোৰ লয়োৰে গণিয়া" —বুলি উল্লেখ আছে। আমি ৰাম-বাৰমাহী,

চিলান=স্নান, গা ধোৱা। যায়া—যাই, গৈ।
দেউতাৰ গিৰ্জনি=মেঘৰ গাজনি ত'কে=ত'লৈ।
গিজনি



শান্তি-বাৰমাহী, সীতা-বাৰমাহী, ৰাধা-বাৰমাহী, কইনা-বাৰমাহী, সাউদ-বাৰমাহী আৰু বেশ্যা-বাৰ মাহীৰ নামো শুনিছোঁ; কিন্তু "বাৰ মাহৰ তেৰ গীত" কি কি গম পোৱা নাই। "বাৰমাহী গীত" জনা লোকসকলে এই বিষয়ে বহলভাৱে আলোচনা কৰে যেন।

আগেয়ে আমাৰ দেশৰ অতি ভিতৰুৱা গাওঁ-বিলাকতো ৰীতিমতে "ৰামায়ণ" "মহাভাৰত" "কীৰ্ত্তন" আৰু "নাম-ঘোষা" পঢ়া, গীত-পদ গোৱা নিয়ম আছিল। জনালোক এজনে সুৰ ধৰি পঢ়িব বা গাব—বাকীবিলাকে মনোযোগেৰে শুনি থাকিব—আলোচনাও কৰিব। আজি কালি তেনে নিয়ম প্ৰায় নাইকিয়া হৈছে—এই সুনিয়মটো পুনৰ চলোৱা উচিত।

ওপৰৰ গীতটো বৰপেটাৰ ওচৰৰ ভেলেঙী নৈৰ পাৰৰ মন্দিয়া গাৱঁৰ শ্ৰীমঙ্গল চৰণ দাসৰ পৰা শুনি লিখা হয়।

মন্দিয়া মৌজাৰ ভিতৰত লেহী-দঙৰা নামৰ দুখন গাওঁ আছে। তাতেই অসমীয়া ভাষাৰ আদি কবি ডাক পুৰুষৰ জন্ম হয়। বৰ্ত্তমানে তাত এঘৰো পুৰণি অসমীয়া মানুহ নাই—ভাটিৰ পৰা অহা মৈমনছিঙীয়া লোকেৰেই সেই ঠাই ভৰি পৰিছে। মন্দিয়া আৰু বাঘবৰ পাহাৰৰ আশে-পাশে থকা ঠাইবিলাকৰ গভীৰ বুৰঞ্জী আছে। সময়ত এই বিষয়ে আলোচনা কৰিবৰ মন আছে। লেহী-দঙৰা আগেয়ে কিমান উন্নত ঠাই আছিল, তাক আজিৰ মানুহে বুজিব পৰা টান।

সাহিত্য-বিজ্ঞান আদিৰ দৰে তাত ৰাগ-ৰাগিণীৰো চৰ্চ্চা হৈছিল ঠায়ে ঠায়ে বৈজ্ঞানিক প্ৰণালীত সংগীত-বিদ্যালয় স্থাপিত হৈছিল। পুৰুষত বাহিৰে তাত মাইকীৰো সমান অধিকাৰ আছিল। তাৰ অনেক প্ৰমাণ আছে। এদিন লেহীৰ সুন্দৰ কীৰ্ত্তন-ঘৰত এজন ভকতে বৰগীতৰ ৰাগ দিছিল। ভকতে ৰাগ দিলে সঁচা, কিন্তু তেওঁ সেই ৰাগ থমাব নোৱাৰিলে—ভুল হ'ল। এই কথা লেহী গাঁৱৰ এগৰাকী মাইকীৰ কাণত পৰিল। এই সময়তে তাইৰ মতাজনে হাল বাই আহি গা-পা ধুই ভাতৰ খবৰ ললে। মাইকীজনীয়ে নিজৰ স্বামীক সেই অৱস্থাতে এৰি ৰাগ টনা ভকত জনৰ ওচৰলৈ গৈ নিজে ৰাগটো ঠিকমতে টানি থমাই দিলে। নিজৰ ভুলটো বুজি পাই ভকত-জনে তাইক ধন্যবাদ জনালে।

এই বিষয়ে মানুহে এইদৰে গায়:—

লেহী-দঙৰা ডাকৰ গাওঁ,
সাতশ সাতোটা পুখুৰীৰ নাও,
লেহীৰ তিৰী পঞ্চ ৰাগ বুজে,
(১) ভইদাৰ মহে ( দামুৰা ) বিনা শিঙে যুঁজে।

'লেহীৰ তিৰী পঞ্চ ৰাগ বুজে"—মানে সেই সময়ত তাত গীত-পদ আৰু ৰাগ-ৰাগিনীৰ খুব ভাল চৰ্চ্চা হৈছিল। এই গীত ফাকিৰ মাজতেই প্ৰাচীন কামৰূপৰ বুৰঞ্জীমূলক অনেক তত্ত্ব-কথা সোমাই আছে। এই বিষয়ে বুৰঞ্জীবিদ্ পণ্ডিত সকলৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। বৰ্ত্তমান স্ত্ৰী শিক্ষাৰ প্ৰচাৰৰ যুগত ডাক পুৰুষৰ এই বচনে আমাক উৎসাহিত কৰিব। ৰাইজ আৰু চৰ্কাৰ বাহাদুৰে লগ লাগি লেহী-দঙৰাত এটা স্থায়ী স্মৃতি ৰক্ষা কৰা উচিত।

জন-সাহিত্য বিষয়ে ইয়াত চমুকৈ আলোচনা কৰা হ'ল। দেশ বাসীয়ে "আমাৰ জন-সাহিত্যক" অন্তৰেৰে সৈতে "আমাৰ" বুলি ধৰি লৈ ইয়াৰ বহুল প্ৰচাৰৰ যত্ন কৰক—এয়ে নিবেদন।

(১) আচলতে "ভইদা" নহৈ "ভইৰাহে" হব। তাত "ভইৰাৰপাম" নামৰ ঠাই এডোখৰ আজি কালিও আছে।—লিখক।

# বৰ্ণবিন্যাস আৰু উচ্চাৰণৰ বেমেজালি

অধ্যাপক শ্ৰীমহেশ্বৰ নেওগ

অসমীয়া আখৰ জোঁটনি, উচ্চাৰণ, বিশেষতে অসমীয়াত ব্যৱহৃত বিদেশী শব্দৰ উচ্চাৰণ আৰু বৰ্ণবিন্যাস আদি লৈ লেখকসকলৰ মাজত খেলি-মেলি দেখা যায়। এই খেলি-মেলি গুচাবৰ কাৰণে শিক্ষিত লোক, বিশেষকৈ বক্তা আৰু লেখকসকলে যত্ন কৰিলে আৰু একেটা আহিঁলৈ আহিবলৈ আনকো উদগালে ভাষাৰ শৃঙ্খলা ঠিক-মতে ৰয়। বক্তৃতা-মঞ্চ, অনাতাঁৰ-কেন্দ্ৰ আদিয়ে শুদ্ধ আহিঁ থাপনা কৰিবলৈ চেষ্টা কৰিলে সোনকালে তাৰ ফল ধৰিব যেন লাগে। বাক্‌-কলাৰ ওপৰতে নিৰ্ভৰ কৰি চলা অনুষ্ঠানবিলাক অৰীতিৰ অনুগামী হোৱাতকৈ ভাষা-বিষয়ত ৰীতিৰ নায়ক হোৱাটোহে বাঞ্ছনীয়। আমাৰ বৰ্ত্তমান প্ৰবন্ধত বৰ্ণবিন্যাস আৰু উচ্চাৰণ-বিষয়ক কেইটিমান কথাৰ আলোচনাৰ মূৰ মাথোন মেলিম। এই বিষয়ত চিন্তা প্ৰয়োগ কৰা কৃতীসকলৰ মতামতলৈ বাট চাই ৰৈছো।

সুধীৰ, সুৰেন্দ্ৰ, সুযেণ, সুৰেশচন্দ্ৰ, সুধাংশু আদি মানুহৰ নাম উচ্চাৰণ কৰোঁতে শ ষ আৰু স'ৰ ঠাইত অসমীয়া উচ্চাৰণ-বৈশিষ্ট্যৰ voiceless alveolar fricative বা অঘ্ৰনিত দন্তমূলীয় ঘৃষ্ট 'চ' উচ্চাৰণ কৰাৰ কোনো অৰ্থ বা প্ৰয়োজন নাই। তেনে কৰা আন বিষয়ৰ দৰে উচ্চাৰণতো আমাৰ সোপাচিলা আৰু ওপৰচকুৱা গুণৰ চিনাকি মাথোন। সি বোধগম্য মূল সংস্কৃতৰ উচ্চাৰণো ৰক্ষা নকৰে, অসমীয়া উচ্চাৰণ-ৰীতিৰো মৰ্য্যাদা নাৰাখে। আমাৰ অভ্যাস-বশতঃ এনে উদ্ভট উচ্চাৰণ এৰিবলৈ টান হ'লেও, লক্ষণীয় অসমীয়া আহিঁৰ শ, ষ, স—তিনিওটাৰ ঠাইত একেটা unvoiced glottal fricative বা অঘ্ৰনিত জিহ্বামূলীয় ঘৃষ্ট স (x) উচ্চাৰণ কৰা উচিত। এই অসমীয়া উচ্চাৰণ অদ্বিতীয়। বঙলা ভাষাত আশ্চৰ্য্যবোধক অব্যয়ৰ পদান্তত মাত্ৰ এই উচ্চাৰণ পোৱা যায়; যেনে—ইঃ। (ডঃ কাকতিৰ Assamese - Its Formation and Development, ১০৩ ছেদ; ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ A Brief Sketch of Bengali Phonetics, ২৫ ছেদ চাওক)।

ৰমেশচন্দ্ৰ, সুৰেশচন্দ্ৰ আদি শব্দত কেতিয়াবা শ হসন্ত হৈ উচ্চাৰণত চ'ৰ লগ হয়; তেতিয়া তাৰ ধ্বনি সংস্কৃতীয়া হয়। এই বিষয়ত এটি ওপৰঞ্চি টোকাৰ আৱশ্যক। (১) সুৰেন, সুৰেশ আদি শব্দ আধুনিক, বঙলা আদি ভাষাৰপৰাই সিবোৰ সোমাইছে গতিকে সেইবোৰ 'চ' উচ্চাৰণেৰেও চলিব পাৰে; (২) সৰ্ব্বানন্দ, সৰ্ব্বেশ্বৰ আদি নাম অসমত অতি পুৰণি; সেইবোৰৰ চিৰকাল অসমীয়া উচ্চাৰণ চলি আহিছে, তাৰ বিকৃতি ঘটিব নোৱাৰে। এই অভিমত বুজিবৰ বাবে সাধাৰণ কথা-বতৰাত এই দুবিধ নামৰ উচ্চাৰণলৈ লক্ষ্য কৰিলেই হ'ব। ভাষা-বিজ্ঞানৰ ফালৰপৰা প্ৰথম শ্ৰেণীৰ নামক 'দেশ্য' অৰ্থাৎ ভাৰতীয় ভাষা বঙলাৰপৰা ধাৰ কৰা আৰু দ্বিতীয় শ্ৰেণীক 'তৎসম' অৰ্থাৎ মূল সংস্কৃতৰপৰা গৃহীত বুলি বিবেচনা কৰিব পাৰি।



কিন্তু ওপৰত কোৱা ধৰণে প্ৰথম শ্ৰেণীকো 'তৎসম' শব্দৰূপে ধৰিবৰ যুক্তি আছে, আৰু সেই অনুসৰি সাধাৰণ অসমীয়া 'স' উচ্চাৰণেৰেই মতাও হয়। যিসকলে এই অসমীয়া 'স' উচ্চাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু তাৰ বঙলুৱা উচ্চাৰণৰ দ্বাৰা নিজৰ সাংস্কৃতিক গৌৰৱ ক্ষুণ্ণ হয় বুলি ভাবে, তেওঁলোকে নিশ্চয় শ-ষ-স'ক 'চ' কৰিবলৈ ভাল নাপাব। অৱশ্যেই সেই সূক্ষ্মতা সকলোৰেপৰা আশা কৰিব নোৱাৰি। তেনে থলত সুৰেন্দ্ৰক 'সুৰেন্দ্ৰ' 'চুৰেন (চুৰেন্দ্ৰ)' উভয়ভাৱেই মাতিব লাগিব। কিন্তু "শৰ্ম্মা" "দাস" আদি উপাধি বঙলাৰপৰা ধাৰ কৰা বুলি আগতে ধৰি ল'লেহে আমি তেনে উপাধিৰ লোকক "চৰ্ম্মা" 'দাচ" বুলি মাতিব পাৰিম। ইও ভাষা-বিষয়ক স্বাধীনতা-পৰাধীনতাৰ কথা।

শ, ষ, স, লগা শব্দবোৰৰ ভুল উচ্চাৰণতকৈও যেতিয়া সেইবোৰ সেই ভুল উচাৰণ অনুযায়ী লিখা হয়, তেতিয়া হাঁহি উঠা হয়—চুধীৰ, চুৰেন, হাচি-(হাসি, হাঁহি)ৰাম। আইন-সংক্ৰান্ত দলিল-পত্ৰৰ লেঠাৰ বাহিৰে সাধাৰণ লিখাত এই জোঁটনি শুধৰাই ল'বৰ সময় কেতিয়াও উকলি যাব নোৱাৰে।

অসমীয়াত চ, ছ, ত, ট, শ, ষ, স, আদিৰ সংস্কৃতীয়া উচ্চাৰণ কৰিবলৈ যোৱা 'ধুন ধৰা'ৰ বাহিৰে আন একো নহয়। এনে উচ্চাৰণ কৰোঁতা-সকল নিজেই নিজেই বিপদত পৰিব লগা হয়; কিছুমান শব্দ বুজিবলৈকে টান হয়গৈ।

শিৱাজী, সূৰদাস, তুলসীদাস, সুৰেন্দ্ৰনাথ, আশুতোষ, ৰামদাস আদি অনা-অসমীয়া নাম-বোৰ সংস্কৃত পদ্ধতিমতে উচ্চাৰণ কৰিবৰ যত্ন অসাৰ্থক। কাৰণ সেই নামবোৰৰ একোটা আভি-ধানিক অৰ্থ আছে; সেই অৰ্থ অসমীয়া শ্ৰোতাৰ ওচৰত ব্যক্ত কৰিবলৈ হলে অসমীয়া কথাৰ মাজত অসমীয়া ধৰণৰ উচ্চাৰণৰ আৱশ্যক। সৰহ সময়ত খাৰ খোৱা জিভাৰে সংস্কৃতীয়া উচ্চাৰণ কৰিবলৈ যোৱাটো হাস্যাস্পদো হয়। কোনোৱে ভাবিব পাৰে, যাক সাধাৰণতে 'চুৰেন্' বা 'তুল্চী' বুলি মতা হয়, তেওঁক সুৰেন্দ্ৰ বা তুলসী বুলিলে বেজাৰ পাব বা তেনে উচ্চাৰণ কৰিলে আনে তেওঁক চিনি নাপাবৰ আশঙ্কাৰ থলো থাকে। এই ধাৰণা ভুলৰ ওপৰত প্ৰতিষ্ঠিত। ভুল কথা যুক্তিৰ ভেঁটি হ'ব নোৱাৰে। ভুল ধাৰণামতে কাম কৰা নজনা মানুহৰ কথা; জানি-শুনি লোকক ভুলত থাকিবলৈ দিয়া একপ্ৰকাৰ পাপ।

একৈশ, ছাব্বিশ আদি 'দেশী' বা 'দেশ্য' জাতীয় শব্দবোৰৰ উচ্চাৰণ সম্পৰ্কে অসমীয়া ভাষাৰ আধুনিক গঢ়ৰ সাঁচ ঢালোঁতাসকলৰ ঘাই স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাই 'হেমকোষ'ৰ পাতনিত লিখিছে—"১৯ৰ পৰা (২০ক এৰি) ২৮ লৈকে সংখ্যা শব্দবিলাকৰ অন্তৰ শ "চ"ৰ দৰে উচ্চাৰিত হয়; যেনে উনৈশ (উনৈচ্), পঁচিশ (পঁচিচ্) ইত্যাদি। সেই উচ্চাৰণ বুজাবলৈ এই অভিধানত বেষ্টন ৰেখাৰ মাজত চ দিয়া গৈছে; যেনে, উনৈশ (চ্), চল্লিশ (চ্) ইত্যাদি। এইবিলাক শব্দ সিহঁতৰ মূল অনুসৰি বহুদিন ওপৰত কোৱাৰ দৰে লিখিত আৰু উচ্চাৰিত হৈ থকা হেতু এতিয়া সিহঁতৰ বৰ্ণবিন্যাস বা উচ্চাৰণ লৰোৱা অসম্ভৱ।……আঢ়ৈ কুৰি বুজোৱা শব্দটো পঞ্চাশ আৰু পঞ্চাচ্, দুয়ো প্ৰকাৰে উচ্চাৰিত হয়; কিন্তু লেখত প্ৰথম প্ৰকাৰে লিখাহে যুগুত।" ঘোষ, বসু আদি উপাধিবোৰো এই পৰ্য্যায়তে ধৰিব পাৰি—অৰ্থাৎ সিবোৰ লিখোঁতে আৰু পঢ়োঁতে মূলৰ দৰে জোঁটাব আৰু উচ্চাৰণ কৰিব লাগে।

আন এক প্ৰকাৰ দেশ্য শব্দ— সাল, সন, মস্থৰ আদি বৰ্ণবিন্যাস আৰু উচ্চাৰণ হয় ছাল, ছন, মছুৰ ইত্যাদি। এই শব্দবোৰৰ মূলৰ স'ৰ ঠাইত হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণবিন্যাস মতে চ আৰু বেজবৰুৱা-যুগৰ ( স'ৰ ঠাইত কোমল বুজাবলৈ ছ লিখা ) পদ্ধতিমতে ছ ব্যৱহৃত হয়। 'হেমকোষ'ৰ পাতনিত আছে—'যদি মূল শব্দৰ আখৰ ৰাখিলে কোনো অসমীয়া শব্দৰ উচ্চাৰণ লৰে' তেনেহলে তাৰ মূললৈ নেচাই উচ্চাৰণৰ অনুগামী হ'ব লাগে। এই কাৰণ "মস্থৰ" শব্দক আমাৰ উচ্চাৰণ অনুসাৰে "মচূৰ" লিখা কৰ্ত্তব্য।'

পিছ, পাছ ( পশ্চাৎ ) ; পছিম ( পশ্চিম ) শব্দত হেমচন্দ্ৰ বৰুৱাই চ ব্যৱহাৰ কৰিলেও ব্যুৎপত্তি অনুসৰি ছ লিখাই ভাল ; বেজবৰুৱাৰ দিনৰপৰা সেইমতে লিখাও হৈ আহিছে।

আদিতে ৱ থকা সংস্কৃত শব্দবোৰ অসমীয়াত লিখোঁতে ব দিব লাগে কাৰণ তেনে থলত ব'হে উচ্চাৰিত হয় ; ৱ উচ্চাৰিত নহয় ; যেনে—বেদ, বেদী, বিষ্ণু।

ইংৰাজী আদি য়ুৰোপীয় ভাষাৰ শব্দ অসমীয়াত লিখিব ( transliterate ) লগীয়া হ'লে আমি স্বৰ্গীয় সাহিত্যৰথী বেজবৰুৱা আৰু স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালাই নিৰ্দ্ধাৰণ কৰা পন্থাকে সহজে আৰু সুবিধাৰে গ্ৰহণ কৰিব পাৰোঁ। এই পদ্ধতিয়ে মূলৰ বৰ্ণবিন্যাস আৰু উচ্চাৰণ বেছি বিকৃত নকৰাকৈ ৰখোৱাত আমাক সহায় কৰিব। বেজবৰুৱাৰ 'বাঁহী' আগৰৱালাৰ প্ৰতিষ্ঠাপিত 'অসমীয়া', আৰু 'নতুন অসমীয়া' আদি কাকতে এই পদ্ধতিকে প্ৰতিষ্ঠা লাভ কৰাইছে। আমাৰ লব্ধপ্ৰতিষ্ঠ সাহিত্যিক সকলে এই পন্থাৰ অনুসৰণ কৰে। চতুৰ্দ্দশ বছৰ ষষ্ঠ সংখ্যা "বাঁহী"ত স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালাই এই বিষয়ে এটা নীতি মানি লবলৈ সকলোলৈকে সঙ্কেত দিছিল। এই পদ্ধতিমতে—

c, ch = চ (টান উচ্চাৰণ) ; চচাৰ্ (Chaucer)।

s = ছ ( কোমল উচ্চাৰণ) ; চাল্ছ্ (Charles), ছেপ্টেম্বৰ।

শব্দৰ আদি আৰু মধ্যস্থিত sh = শ্ব, শ্য, ;— শ্বেলী, শ্যেলী।

পদান্তৰ sh = ঃশ ; বৃটিঃশ্, আইৰিঃশ্।

tio = ছ, শ্য ; কমিছনাৰ্, কমিশ্যন্।

x = ক্ছ্।

t = ট ; ইলিয়ট্ (Eliot), ডক্টৰ্, ডাক্টৰ।

st = ষ্ট ; ষ্টেশ্যন্।

d = ড ; ইলিয়াড্ (Iliad), ডিচেম্বৰ্।

th = থ ; এথেন্স্, (Athens), ইথিয়'পিয়া।

v = ৱ ; (য'ত উচ্চাৰণ কোমল), গৱৰ্ণমেণ্ট্।

w = ৱ ; ৱিলিয়াম্ (William)। মন কৰিব লগীয়া, সাধাৰণ অসমীয়া শব্দৰ আদিতে ৱ নবহে।

o = অ', ও ; ৰ'গান্, ৰোমান্।

n = ন।

rn = ৰ্ণ (মাত্ৰ ছপাখানাৰ হৰফৰ সুবিধাৰ বাবেহে) গৱৰ্ণৰ্।

ই, ঈ ; উ, ঊ—ব্যৱহাৰৰ সময়ত হ্ৰস্বটো লোৱাই যুগুত। তদুপৰি বিদেশী পদত ণত্ব-বিধি, ষত্ব-বিধি মানিবৰ কোনো প্ৰয়োজন নাই।

অসমীয়া শব্দ ইংৰাজীলৈ অক্ষৰান্তৰ কৰোঁতেও 'নানা মুনিৰ নানা মত'ৰ হেতুকে অনেক কথা দুৰ্ব্বোধ্য হৈ পৰে। ইংৰাজী কাকতত ৰেডিঅ'ৰ কাৰ্য্য-সূচী পঢ়ি চালেই এই কথা বুজিব। "সাহিত্যৰ চ'ৰা" কথাটোৰ হুবহু তৰ্জ্জমা কৰোঁতে Sahityar Sora লিখা হয়। বমান আখৰ কেইটা ঘূৰাই অসমীয়ালৈ নিলে হব—সাহিত্যৰ সোৰা!!



সাধাৰণ ছপাত বা লিখাত অৰশ্যে ভাষা-পণ্ডিতসকলৰ বৈজ্ঞানিক পদ্ধতি ৰখাও টান। সেই পদ্ধতিত শ, ষ, স বুজাবলৈ s হৰফটো ক্ৰমে ওপৰত ৰেফ দি, তলত ফুট্ দি আৰু উকাকৈ লিখা হয় ; ত, থ, দ, ধ, ন বুজাবলৈ t, th, d, dh, n আৰু সিহঁতৰ মূৰ্দ্ধন্য ৰূপ বুজাবলৈ এই ৰ'মান হৰফকেইটাৰ তলত একোটা ফুট বহুৱাই দিয়া হয় ; চ, ছ বুজাবলৈ c, ch ব্যৱহৃত হয় ; দীৰ্ঘ স্বৰ বুজাবলৈ ওপৰত মাত্ৰা পিন্ধোৱা হয়। এই পদ্ধতি জটিল ; লিখাতো বেছি সময় লাগে ; উলা-মূলা বিধৰ ছপাশালে উল্লিখিত সঙ্কেত চিহ্নবোৰৰ ( diacritical marks ) যোগান ধৰিবকে নোৱাৰে। প্ৰচলিত ব্যৱহাৰ মূলৰ উচ্চাৰণ আৰু বৰ্ণ-বিন্যাসলৈ চাই তলত দিয়া পদ্ধতি সকলোৱে বাবে গ্ৰহণীয় হ'ব যেন লাগে ; পণ্ডিতসকলৰ বিজ্ঞানসম্মত আলোচনাৰ কথা বেলেগ।

অ আ—a, ই ঈ—i, উ ঊ—u, ঋ—ri, এ—e, ঐ—ai, ও—o, ঔ—au, ং ঙ—ng, n, ঃ হ—h, চ ছ—ch, য জ—j, য়—y, ট ত—t, ঠ থ—th, ড দ—d, ঢ ধ—dh, ণ ন—n, ফ—ph ( f নহয় ), ব—b, ৱ—v, w, ভ—bh, ( v নহয়) শ, ষ, স—s, ক্ষ—ksh।

————

# ইংৰাজী সাহিত্যৰ বুৰঞ্জীৰ ৰূপ-ৰেখা

শ্ৰীকালিৰাম বৈশ্য এম, এ

### *এংলো চেক্সন যুগৰ সাহিত্য*

আজি জগতৰ চকুত চমক লগাইছে ৰুচিয়াৰ সাহিত্যই। ৰুচিয়াৰ মনিষীসকলে সিবিলাকৰ চিন্তাধাৰাক সাহিত্যৰ যোগেদি এনে এটা ৰূপ দান কৰিছে যে সি জগতৰ তৰুণ-মনক সেই ফাললৈ আকৰ্ষণ কৰিছে। আজিৰ শিক্ষিত ডেকাই ভেনিটি-ফেয়াৰ, হেনৰি এচ্মণ্ড, ইষ্টলীনতকৈ, ৰুচ লেখকৰ 'মাতৃ', 'অপৰাধ আৰু দণ্ড', 'কেৰামেজভ-ভাই ককাই' 'ডন নদীৰ শান্তগতি', 'চাইবেৰিয়াত জীৱন্ত অৰণ্যাত সমাধি' * আদি বিখ্যাত নভেল পঢ়িবলৈহে স্বভাৱতে উৎসুক দেখা যায়। কিন্তু ৰুচ সাহিত্যৰ এনে প্ৰভাৱত পৰিও জগতে ইংৰাজী সাহিত্যৰ মায়াৰ জাল কাটি ওলাব পৰা নাই। স্বাধীন ভাৰতৰ প্ৰাচীনপন্থী সকলেও ইংৰাজী ভাষা আৰু সাহিত্যক একেবাৰে তালাক দি গণৰাজ্যিক ভাষা হিন্দীক আকোঁৱালি লবলৈ কিছু ইতস্ততঃ কৰিছে। দিনে দিনে জগতৰ ৰুচি পৰিবৰ্ত্তন হব পাৰে, কিন্তু ইংৰাজী সাহিত্যৰ অখণ্ড গৌৰৱ কেতিয়াও ম্লান হব নোৱাৰে। বৰ্ত্তমান জগতৰ শ্ৰেষ্ঠ সাহিত্যবিলাকৰ মাজত ইংৰাজী সাহিত্যৰ আসন অতি ওখত। এংলো চেক্সনৰ দিনৰপৰা বৰ্ত্তমান সময়লৈকে ভিন ভিন যুগৰ ইংৰাজৰ চিন্তাধাৰা, কাৰ্য্যকলাপ, জাতীয় জীৱনৰ ক্ৰম-বিকাশ ইংৰাজী সাহিত্যত পোত খাই বৈ আছে। বহু-

* এই ৰুচ উপন্যাসবিলাকৰ আদিত ইংৰাজী নাম নিদি অসমীয়া নামেৰেই পৰিচিত কৰা হ'ল। লিঃ

কাল ধৰি ছেদ নপৰাকৈ চলি অহা এটা জাতিৰ চিন্তা-প্ৰবাহ জগতত অতি কম সাহিত্যতহে দেখা যায়। ইংৰাজী সাহিত্য ইংৰাজৰ জাতীয় চৰিত্ৰৰ দাপোনৰদৰে। এনে এটা গৌৰৱময় সাহিত্যৰ কিভাৱে বিকাশ হল তাৰ কিঞ্চিৎ আভাস, সাহিত্যপ্ৰিয় লোকসকলৰ, আন একো নহলেও, আজৰি সময় কটোৱাৰ অলপ উপায় হব পাৰে। ইংৰাজী সাহিত্য কিয়—আন আন শ্ৰেষ্ঠ সাহিত্যৰ বুৰঞ্জীৰ চমু আভাসেও লোকক সাহিত্য চৰ্চাত কিছু পৰিমাণে উদগনি দিব পাৰে।

ইংৰাজী সাহিত্যৰ বুৰঞ্জী মিচ্ছৰৰ পীড়ামিদৰ দৰে বিৰাট যুগমীয়া বস্তু। বিদগ্ধ পণ্ডিতসকলে লিখা বৃহৎ গ্ৰন্থৰাজিত এই সাহিত্যৰ বুৰঞ্জীৰ আলোচনা কৰা হৈছে। ক্ষুদ্ৰ পৰিসৰৰ ভিতৰত সেই বিপুল সাহিত্যৰ বুৰঞ্জীৰ এটা ক্ষীণ ৰূপ-ৰেখা টানি দিয়াও অসম্ভৱ কথা। তথাপি কেইটামান প্ৰবন্ধত এই সাহিত্যৰ বুৰঞ্জীৰ সাৰ কথা অতি চমুকৈ কোৱাৰ চেষ্টা হব।

ইংলণ্ডৰ আদিমবাসী ব্ৰিটনবিলাকৰ কোনো লিখিত সাহিত্য নাছিল। খৃষ্টীয় পঞ্চম শতকত বৰ্ত্তমান জাৰ্মানি আৰু তাৰ ওচৰ পাঁজৰৰ দেশৰ পৰা এংল, চেক্সন আৰু জুট নামে টিউটন জাতিৰ তিনিটা শাখাৰ মানুহ আহি ইংলণ্ডত বাস কৰিবলৈ লৈছিল। এংলবিলাকৰ নাম অনুসৰি এই দেশৰ নাম হয় এংললেণ্ড, পাচত ইংলণ্ড অৰ্থাৎ এংলবিলাকৰ দেশ। যেনেকৈ, আমি বাস কৰা ৰাজ্যৰ নাম আহোম জাতিৰ নাম অনুসৰি অসম হোৱা বুলি বহুতে কয়।

চেক্সন জাতিৰ কোনো অজ্ঞাতনামা কবিয়ে বেওৱাল্‌ফ (Beowalf) নামে এখন মহাকাব্য ৰচনা কৰে। এংলো-চেক্সনবিলাকৰ ভাষাই আধুনিক ইংৰাজীভাষাৰ কণকঠিয়া হলেও, এই মহাকাব্যৰ ভাষাৰ লগত বৰ্ত্তমান ইংৰাজী ভাষাৰ মিল অতি সামান্য পৰিমাণেহে লক্ষিত হয়। এই কাব্যক এংলো-চেক্সনবিলাকৰ জাৰ্মান পূৰ্ব-পুৰুষ সকলৰ বীৰত্বৰ বিজয়-সঙ্গীত বুলিব পাৰি। ইংলণ্ডৰ মাটি, পানী, বতাহৰ লগত এই কাব্যৰ পট-ভূমিকাৰ কোনো সম্পৰ্ক নাই। মহাভাৰতৰ কোনো কোনো আখ্যানৰ লগত বেওৱাল্‌ফৰ আখ্যান ভাগৰ কিছু কিছু মিল থকা দেখা যায়। ভীমৰ বকাসুৰ আৰু হিড়িম্ব ৰাক্ষস বধৰ লগত ইয়াৰ গ্ৰেণ্ডেল (Grendel) ৰাক্ষস বধৰ বৃত্তান্ত তুলনা কৰিব পাৰি। বেওৱাল্‌ফ কাব্যৰ আখ্যান ভাগৰ চমু-বিৱৰণ এই:—

হ্ৰুথগাৰ (Hrothgar) নামে ডেনমাৰ্ক দেশৰ ৰজা এগৰাকী আছিল। অতীত কালৰ ৰজা সকলৰদৰে তেওঁৰ ৰাজ ভৱনতো নিতৌ নিশা বিবিধ নাচনীত আমোদ-প্ৰমোদৰ আনন্দ-মেলা হৈছিল। ৰজাৰ মন্ত্ৰী পাৰিষদ্ আদি ৰাজপুৰীৰ সেই নৈশ-উৎসৱৰ অংশভাগী আছিল। আমোদ-ভৱন যেতিয়া নৃত্যগীতত উত্ৰাৱল হৈ আপোন পাহৰা হয়, ঠিক তেতিয়া কৰবাৰ পৰা এটা দুৰ্জ্জয় ৰাক্ষস আহি দৰবাৰৰ পাৰিষদৰ এজনক মেকুৰীয়ে নিগনি ধৰা দি লৈ গুচি যায়, আৰু সেই জনৰ কেঁচা তেজ-মঙহেৰে উদৰ পূৰণ কৰে। সেই ৰাক্ষসৰ নাম গ্ৰেণ্ডেল। হ্ৰুথগাৰৰ ৰাজ-ভৱন গ্ৰেণ্ডেলৰ (Grendel) ভয়ত অস্থিৰ হৈ উঠিল। এই মহামাৰী স্বৰূপ নিশাচৰক বধ কৰিব পাৰে এনে কোনো বীৰ হ্ৰুথগাৰৰ ৰাজ্যত নোলাল। ৰজা-মন্ত্ৰীৰ চিন্তাৰ পাৰকূল নোহোৱা হল। গ্ৰেণ্ডেলৰ সেই প্ৰাণঘাতী অত্যাচাৰ ৰজাই নীৰৱে সহ্য কৰাত বাহিৰে আন একো উপায় বিচাৰি নাপালে। হ্ৰুথগাৰৰ



ৰাজ্যৰ এই মহা বিপদৰ কথা ওচৰ চুবুৰীয়া সকলো ৰাজ্যত বিয়পি পৰিল।

ওচৰৰ ৰাজ্য এখনৰ বেওৱালফ্ নামে ৰাজকুমাৰ এজনে এই কথা শুনিলে। তেওঁ ৰাক্ষসটোক বধ কৰিবলৈ বুলি হ্ৰুথগাৰৰ ওচৰলৈ আহিল। ৰজাই তেওঁক এবাৰ চেষ্টা কৰি চাবলৈ কলে। সেই নিশাও আগৰদৰে আমোদ উৎসৱ চলিবলৈ ধৰিলে। বেওৱাল্‌ফ্ (Beowulf) ৰাক্ষস অহালৈকে সাজু হৈ ৰল। ঠিক সময়ত ৰাক্ষস আহিলত দুয়োৰো এখন তুমুল যুদ্ধ লাগিল। ইয়াত কবিয়ে যুদ্ধৰ যি বৰ্ণনা দিছে সি আমাৰ দেশৰ মহাভাৰত পুৰাণ আদিত বৰ্ণোৱা দুই বীৰৰ দ্বৈৰথ যুদ্ধৰ অনুৰূপীয়া। বহুত পৰ যুঁজাৰ পাচত বেওৱাল্‌ফে গ্ৰেণ্ডেলৰ হাত এখন কাটি পেলালে। ৰাক্ষসে কাতৰ আৰ্ত্তনাদত মেদিনী কঁপাই সাগৰৰ তলৰ গুহা এটালৈ গৈ তাত শৰীৰ পাত কৰিলে। ৰাক্ষসৰ মৃত্যুত হ্ৰুথগাৰৰ প্ৰজাবৰ্গই স্বস্তিৰ নিশ্বাস কাঢ়িলে।

কিন্তু ৰজা আৰু ৰাজ্যৰ এই স্বস্তি-বোধ অতি ক্ষন্তেকীয়া প্ৰমাণিত হল। গ্ৰেণ্ডেল ৰাক্ষসৰ মাকে পিচদিনা নিশা ৰাজভৱনত ভুমুকি মাৰিলেহি। অসমীয়া ভীম-চৰিত্ৰত উল্লেখ থকা বকাসুৰৰ মৃত্যুৰ পাচত জম্বাসুৰে যেনেকৈ ককায়েকৰ মৃত্যুৰ প্ৰতিশোধ লবলৈ আহিছিল এই বুঢ়ী নিশাচৰীয়ো তেনেকৈ প্ৰাণসম পুত্ৰৰ মৃত্যুৰ প্ৰতিশোধ লবলৈ ৰাজপুৰীত দেখা দিলেহি। অচিৰে বেওৱাল্‌ফৰ লগত এই কবুৰ জননীৰ এখন ভয়ঙ্কৰ যুদ্ধ লাগিল। তাত কোনে হাৰে কোনে জিকে অনিশ্চিত যেন হ'ল। শেষত ৰাজকুমাৰৰ যুদ্ধৰ কোব সহিব নোৱাৰি ৰাক্ষসীয়ে সমুদ্ৰৰ গৰ্ভত থকা নিজৰ দুৰ্গলৈ পলাই গ'ল।

বেওৱাল্‌ফ্ শত্ৰুক সমূলে বিনাশ কৰিবলৈ কৃতসংকল্প। তেওঁ এজন মাথোন বিশ্বাসী অনুচৰক লগত লৈ জলধিৰ অতল গৰ্ভত প্ৰৱেশ কৰিল। বেওৱাল্‌ফৰ এই দুঃসাহসিক সমৰযাত্ৰা যেন বিষ্ণুপুৰাণত বৰ্ণিত স্যামন্তক-মণি উদ্ধাৰ কৰিবলৈ যোৱা শ্ৰীকৃষ্ণৰ ভালুকৰ অন্ধকাৰ গাঁতত প্ৰৱেশ কৰা অভিযানহে। যি হ'ক বেওৱাল্‌ফে প্ৰতিজ্ঞা ৰক্ষা কৰিলে। তেওঁ শত্ৰুক নিপাত কৰি, অনুচৰেৰে সৈতে অক্ষত দেহ লৈ ৰাজধানীলৈ উভতিল। হ্ৰুথগাৰ আৰু তেওঁৰ প্ৰজাবৰ্গই এই পৰম উপকাৰী বীৰ পুৰুষৰ চৰণত শ্ৰদ্ধাৰ পুষ্পাঞ্জলি দিলে।

ইয়াৰ পাচত কাব্যৰ দ্বিতীয় পৰ্ব্ব আৰম্ভ হ'ল। বেওৱাল্‌ফ নিজ-ৰাজ্যলৈ উভতিল। তাত তেওঁ ৰাজপাটত উঠি পঞ্চাশ বছৰ সুখ্যাতিৰে ৰাজ্য শাসন কৰিলে। কিন্তু তেওঁৰ শেষ ছোৱা কাল শান্তিত অন্ত নপৰিল। জীৱনৰ বিয়লি বেলা তেওঁৰ ৰাজ্যত এটা ডাঙৰ দুৰ্ঘটনাই দেখা দিলেহি। তেওঁৰ ৰাজ্যত এটা অদ্ভুত ৰাক্ষসৰ আৱিৰ্ভাৱ হ'ল। সেই ৰাক্ষসৰ মুখেদি আৰু উশাহ নিশাহ লওঁতে নাকেদি হুঁহুঁকৈ জুই ওলায়। যি বীৰ যোদ্ধাই দম্ভ কৰি তাৰ লগত যুঁজিবলৈ যায় তাকেই ৰাক্ষসে নিশ্বাসৰ জুইৰে পুৰি ছাই কৰে। এইদৰে গোটেইখন দেশৰ বীৰপুৰুষ সকলে সেই ৰাক্ষসৰ হাতত প্ৰাণ শোধালে। যি দুই এজন বাকী থাকিল অৱশ্যম্ভাৱী মৰণৰ ভয়ত তাৰ সমুখ হ'বলৈ সাহ নকৰিলে। অৱশেষত বুঢ়া ৰজা বেওৱাল্‌ফ নিজেই যুঁজলৈ ওলাল। ৫০ বছৰ দেশত যুদ্ধ বিগ্ৰহ নোহোৱাত অস্ত্ৰাগাৰৰ অস্ত্ৰশস্ত্ৰ বিলাকত মামৰে ধৰিছিল। সেইবোৰকে ঘঁহি মাজি লৈ ৰজাই যুদ্ধযাত্ৰা কৰিলে।

ৰজা আৰু ৰাক্ষসৰ দোৰ্ঘোৰ ৰণ লাগিল। যুদ্ধত যেনিবা ৰাক্ষসৰ পতন হ'ল। কিন্তু তাৰ নিশ্বাসৰ জুইয়ে ৰজাক তেনেই অৱশ কৰিলে। মৃত্যুৰ বিভীষিকা লাহে লাহে তেওঁ অনুভৱ কৰিবলৈ ধৰিলে। ওচৰত আছিল তেওঁৰ বিশ্বাসী অনুচৰ উৱিগ্‌লাফ (wiglaf)। ৰজাই তেওঁৰ আগত গোটেই জীৱনৰ সুখ দুখৰ শেষ কথা কলে। দৈৱৰ বিধান মানুহে খণ্ডাব নোৱাৰে। জীৱৰ মৃত্যু অৱশ্যম্ভাৱী—এনেবোৰ সত্য সনাতন কথাৰ উল্লেখ কৰি নিৰ্বিকাৰ চিত্তে ৰজা চিৰনিদ্ৰাত মগ্ন হ'ল।

ৰামায়ণ মহাভাৰত আদি ভাৰতীয় মহাকাব্য আৰু ইলিয়াদ, অডিচি আদি গ্ৰীক মহাকাব্যৰ নিচিনা এই এংলোচেক্সন মহাকাব্যৰ বিষয় বস্তু অতি ব্যাপক আৰু বিশাল নহয়। কিন্তু ইয়াৰ ভিতৰতো মহাকাব্যৰ প্ৰায় সকলো লক্ষণ বিদ্যমান। ভাষাৰ গম্ভীৰতা, ছন্দৰ মন্দাক্ৰান্তা গতি, জীৱনৰ উন্নত আদৰ্শ, চিৰন্তন সত্যৰ প্ৰকাশ এই আটাইবোৰ ইয়াত পোৱা যায়। অতীত যুগত ৰচিত এই মহাকাব্যত এংলো-চেক্সন জাতিৰ বংশধৰ ইংৰাজ জাতিৰ চৰিত্ৰৰ বৈশিষ্ট পূৰ্ণৰূপে প্ৰতিবিম্বিত হৈছে। ইংৰাজ সমুদ্ৰচৰ জাতি। সমুদ্ৰৰ তৰঙ্গায়িত বিশাল বুকু সিবিলাকৰ যেন স্বচ্ছন্দ ক্ৰীড়াক্ষেত্ৰ। ভিন ভিন যুগৰ ইংৰাজ কবি আৰু শিল্পীয়ে নিজ নিজ ৰচনাত সমুদ্ৰৰ লীলা লহৰীক অমৰ কৰি থৈ গৈছে। সাগৰৰ কল্লোল ধ্বনিৰ লগত ইংৰাজৰ হৃদয়ৰ স্পন্দন যেন এডালি জৰীৰে বন্ধা। ইংৰাজ জাতিৰ পূৰ্বপুৰুষৰ আদি কাব্য বেওৱালফ্‌ সিবিলাকৰ এই চৰিত্ৰ বৈশিষ্টৰ প্ৰথম অভিব্যক্তি। সমুদ্ৰৰ এক স্বকীয় সৌন্দৰ্য্য আছে—সি ভয়াবহ সৌন্দৰ্য্য। এই সৌন্দৰ্য্যই যে অজ্ঞাতনামা কবিৰ অন্তৰত আঘাত কৰিছিল তাক এই কাব্যৰ অন্তৰ্নিহিত সুৰৰ পৰাই বুজা যায়। বেওৱাল্‌ফৰ বীৰত্ব নিৰ্ভীকতা আৰু অদৃষ্টবাদ ইংৰাজ জাতিৰ চৰিত্ৰ বৈশিষ্টৰ ব্যক্তিগত অভিব্যক্তি।

বেওৱালফ্‌ অদৃষ্টবাদী। কিন্তু সেই অদৃষ্টবাদ ইংৰাজৰ জাতীয় অদৃষ্টবাদৰ কণকঠিয়া। ইংৰাজৰ অদৃষ্টবাদ আমাৰ অদৃষ্টবাদতকৈ সম্পূৰ্ণ বেলেগ। আমি আমাৰ অদৃষ্টক বিশ্বাস কৰি উদাসীন আৰু নিকৰ্ম্মা হওঁহঁক। আমাৰ অদৃষ্টবাদে এনে শিক্ষা দিয়ে—কপালত যি আছে হবই। যদি পাব লগা আছে পাম, যদি নাই নেপাওঁ। হেজাৰ চেষ্টা কৰিও নিয়তিৰ বিধান অন্যথা কৰিব নোৱাৰোঁ। কিন্তু বেওৱাল্‌ফৰ তথা ইংৰাজ জাতিৰ অদৃষ্টবাদৰ স্বৰূপ এনে,—মই জানো যে দৈৱ মোৰ প্ৰতিকূল; পৰিণামত পৰাজয়ো অসম্ভৱ নহয়। তথাপি পৰোৱাই নকৰোঁ। দুখ ভোগেই এই জীৱনৰ প্ৰাপ্য। বহুত কষ্ট পৰিশ্ৰম কৰিহে এই জীৱনত কিঞ্চিৎ সুখৰ মুখ দেখিব পাৰি। যদিও মানুহ মোৰ এইয়ে দশা, তথাপি প্ৰয়াসৰ বান্ধ ঢিলা হবলৈ নিদিওঁ। মৃত্যু নঘটালৈকে প্ৰতিকূল শক্তিৰ লগত "নিষ্ফল চেষ্টাৰে কিম্বা সফল প্ৰয়াসে" বীৰৰ বেশ লৈ যুদ্ধ কৰিবই লাগিব। কাৰণ, বীৰত্বই হৈছে মনুষ্য জীৱনৰ পৰম সাৰ্থকতা আৰু সেই দেখি সি পৰম কাম্য।" —এনে দৃষ্টি ভঙ্গীত ভগৱান বা নিয়তিৰ হাতত আত্ম সমৰ্পণৰ তিলমানো অৱকাশ নাই। তাৰ সলনি আছে দৃঢ় আত্ম-বিশ্বাস, বিপুল আত্ম-নিৰ্ভৰশীলতা।

এংলো চেক্সন জাতিয়ে খৃষ্টধৰ্ম্মত দীক্ষা নোলোৱাৰ আগতে বেওৱালফ্‌ কাব্য ৰচিত হয়। এতেকে, ইয়াত অখৃষ্টীয় সমুদ্ৰচৰ এংলো চেক্সন জাতিৰ মনোভাবৰ প্ৰতিবিম্ব পৰিছে। এই কাব্য



ৰচনাৰ আনুমানিক দুশ বছৰ মানৰ পাচত এংলো চেক্সন জাতিয়ে খৃষ্টধৰ্ম্ম গ্ৰহণ কৰাত খৃষ্টান যাজক সকলৰ হাতত পৰি ইয়াৰ মূল সুৰটোৰ বহুত লৰচৰ হৈছে। বেওৱালফ্‌ত কিছু পৰিমাণে খৃষ্টধৰ্ম্মৰ ৰহণ পৰিছে। ইয়াৰ ৰণোন্মাদনাৰ লগত খৃষ্টানধৰ্ম্মৰ ভগৱদ্‌ভক্তি আৰু শান্তি প্ৰিয়তাৰ সংমিশ্ৰণ হৈছে। এইদৰে খৃষ্টধৰ্ম্মৰ প্ৰভাৱত পৰিলেও ইয়াৰ বীৰ-ৰসক কোনো প্ৰকাৰে খৰ্ব্ব কৰিব পৰা নাই।

---

# গ্ৰন্থৰক্ষক যাদৱ বৰুৱা

শ্ৰীবেণুধৰ শৰ্ম্মা

খৃষ্টীয় উনৈশ শতিকাৰ শেষ-ছোৱাত গোলাঘাট অঞ্চলত এনেকুৱা এজন অধ্যৱসায়ী বিদ্যোৎসাহী গ্ৰন্থানুৰাগী, প্ৰভাৱশালী ৰাজবিষয়া আছিল, যাৰ নাম আজি কেৱল দুই চাৰিজন সমসাময়িক লোকৰ স্মৃতিতহে ঢিমিক-ঢামাককৈ জ্বলি থকা দেখিবলৈ পোৱা যায়। বাহৰ এফাল মানুহৰ একাল বুলি যে কয় এই জন পুৰুষৰ গাতেই খাটে। উখা-কহিমা-মকক্‌চাং সাম্ৰাজ্যৰ অন্তৰ্গত কৰোঁতে বৃটিছ-সাম্ৰাজ্যবাদৰ দূৰণ্ডীত ভালেমান ইংৰাজ সামৰিক বিষয়াই প্ৰাণবিসৰ্জ্জন দিয়াৰ উল্লেখ পোৱা যায়, আৰু দুৰ্ঘোৰ সঙ্কট কা-ত সেই সকল সাম্ৰাজ্য-লিপ্সুৰে বিৰূপে আত্ম-জলাঞ্জলি দিছিল তাৰো আভাস পোৱা যায়। কিন্তু, সেই সকল ৰাজপুৰুষে যশস্যা-দৌল নিৰ্ম্মাণ কৰাত এজন তলতীয়া অসমীয়া কৰ্ম্মচাৰীৰ কৃতিত্ব, ক'ত যে লুকোৱা হল ক'ব নোৱাৰি। কৰ্ম্মচাৰীজনৰ বুদ্ধি আৰু কাৰ্য্য-তৎপৰতা নোহোৱা হলে যি নগা-পৰ্ব্বতটোৰ ওপৰত আজি আমি ভাৰতীয় ধ্বজ পুতিবলৈ সমৰ্থ হৈছোঁহঁক, সেই পৰ্ব্বত এতিয়াও দুৰান্তৰৱৰ্ত্তী অৰ্থাৎ সীমাৰ বাহিৰ হৈয়ে থাকিল হয়তেন? যি সকল কৰ্ম্মপৰায়ণ পুৰুষৰ দায়িত্বশীলতাই আমাৰ ৰাজ্যিক ভেটি কটকটীয়া কৰি থৈ গ'ল। সেই সকলৰ জীৱন-বৃত্তান্ত এতিয়া খুঁচৰি উলিয়াবৰ দিন হৈছে। বৃটিছ সাম্ৰাজ্যৰ সীম-বৰ্দ্ধনত ৰাজভক্ত প্ৰজা স্বৰূপেই হওক বা নিজৰ নিজৰ বুদ্ধি প্ৰতিভাৰ পৰিচয় দিবলৈকেই হওক, ভালেমান ভাৰতীয় কৰ্ম্মচাৰীয়ে মন-প্ৰাণ ঢালি অৰিহণা যোগাইছিল। এই অৰিহণা যোগোৱাৰ সুযোগতে সেই সকলে জ্ঞানৰ অন্বেষা উপলব্ধি কৰি বৰ সমাদৰেৰে আধুনিক পৌৰাণিক গ্ৰন্থসমূহ সংৰক্ষণ কৰিছিল। এইৰূপে ইংৰাজৰ আহিত অনুপ্ৰাণিত হৈ নিজে গ্ৰন্থালয় স্থাপন কৰি মৃত্যুৰ আগ মুহূৰ্ত্তলৈকে গ্ৰন্থৰাজিৰ তত্ত্বাৱধান লৈ আছিল ওপৰত উল্লেখিয়াই অহা জনে। তেওঁৰে নাম হল ৰায় বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা।

তেওঁৰ লগত প্ৰথম দেখাদেখি হয় ১৯২২

চনৰ ডিচেম্বৰ মাহত। তেতিয়া তেওঁৰ বয়স ৭২ বছৰ। গাত বিষ, লাখুটিত ভৰ নিদিয়াকৈ উঠিবই নোৱাৰে; প্ৰায়েই বিচনাতে পৰিয়েই থাকে। এনে অৱস্থাতো দেখিব—তেওঁ পুৰণি কিতাপৰ ফটা-ছিটা পাতবোৰ এঠা দি লগ লগাই আছে। বুৰঞ্জী-পুথি বুৰঞ্জীৰ থাকত, অসমীয়া কিতাপ অসমীয়া থাকত, হাতেলিখা এত্‌লা-ৰিপৰ্ট ৰঙ্গাঘৰীয়া কাকতৰ থাকত ভাগে ভাগে থাপি থৈছে। কোনোবাই যদি কেতিয়াবা তেওঁক কিতাপ এখন পঢ়িবলৈ খোজে, তেওঁ কয়, "পঢ়া যদি, ইয়াতে পঢ়া, ঘৰলৈ নিব নোৱাৰা। আমাৰ মানুহে এবাৰ কিতাপটি সংকালেই আৰু ওলোটাই নিদিয়েহি। সমৰথ থাকিলেও, তেওঁবিলাকে কিতাপ নিকিনে। লোকে যতন কৰি সাঁচি থোৱা কিতাপখন লৈ ছুপাতমান মাথোন লুটিয়াই চায়। এনেতে কিতাপেই হেৰায়।" মুঠতে কবলৈ গ'লে, যাদৱচন্দ্ৰ বৰুৱাৰ লাইব্ৰেৰীটো (গ্ৰন্থালয়) ইংলেণ্ডৰ বদ্‌লীয়ান লাইব্ৰেৰী বা পাটনাৰ খোদাবক্স লাইব্ৰেৰীৰ লগত তুলনা কৰিব পাৰি। কলিকতাৰ মহাৰাজ মনীন্দ্ৰচন্দ্ৰই যেনেকৈ নিজৰ হাতৰ ধন ভাঙি বিৰাট গ্ৰন্থালয় এটি স্থাপন কৰিছিল। অসমৰ যাদৱচন্দ্ৰ বৰুৱাইও অন্যৰ সহায় উদগনি নোপোৱাকৈয়ে আপোনা-আপুনি তেওঁৰ ঘৰুৱা গন্ধীয়া ভঁড়ালটো পাতি লৈছিল। পুথি ভঁড়ালৰ কোনটো কিতাপত কি আছে, অইন কি, কোন পিঠিত কি বিষয়টো আছে তাকো তেওঁ সোধা মাত্ৰকে টপৰাই কৈ দিব পাৰিছিল। লাইব্ৰেৰীটোত "অৰুণোদই"ৰ দিনৰে পৰা প্ৰকাশ হোৱা সকলো অসমীয়া কাকত-পুথি সুন্দৰকৈ বন্ধাই থোৱা দেখিছিলোঁ। ১৯২৪ চনত ৭৪ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ পিছতে, বৰুৱাৰ বৰ জোঁৱায়েক ৺যোগেন্দ্ৰ নাথ বৰুৱাই ( ভূতপূৰ্ব্ব এডিশ্যনেল জজ ) পুথি পাঁজিবোৰ আনি উত্তৰ গুৱাহাটীৰ "আনন্দৰাম বৰুৱা লাইব্ৰেৰী"ক দান কৰিলে।



৺ৰায়বাহাদুৰ

যাদৱ চন্দ্ৰ বৰুৱা

জন্ম – ১৮৫১ চন


মৃত্যু – ১৯২৪ চন



যাদৱ বৰুৱা নিচেই দৰিদ্ৰ অৱস্থাৰ পৰা ডাঙৰ হোৱা মানুহ। তেওঁৰ পূৰ্ব্বতে ঘৰ আছিল নগাৰঁৰ হাতীচোঙত। ইংৰাজী পঢ়িলে জাত যোৱাৰ ভয়ত দেউতাকে ইংৰাজী পঢ়িবলৈ নিদিছিল। কিন্তু পঢ়িবলৈ বৰ মন থকাত তেওঁ পলাই আহি ভিনীহিদেৱেক নামতিয়াল কাকতী বংশৰ প্ৰিয়লাল বৰুৱাৰ ঘৰত থাকি ইংৰাজী পঢ়েহি। শিৱসাগৰ হাইস্কুলতে তেওঁ এণ্ট্ৰেঞ্চ শ্ৰেণীলৈকে পঢ়ে। তেতিয়া তেওঁৰ সহপাঠী সমনীয়া আছিল স্বৰ্গীয় বি, এ, জগন্নাথ, গোবিন্দ বৰুৱা, শিৱৰাম বৰা, হৰিপ্ৰসাদ দুৱৰা আৰু ৰমাকান্ত গোহাঁই।

সেই সময়তে বৃটিছ গৱৰ্ণমেণ্টে নগাপৰ্ব্বতটো অধিকাৰ কৰিবৰ নিমিত্তে বট্‌লাৰ নামে এজন বিষয়া পঠিয়ায়। তেওঁ আহি জামুগুৰি আৰু বৰপথাৰত ছুটা কিল্লা কৰায়হি। এই বাটেদি তেতিয়া নগা অহা যোৱা কৰিছিল। সেই কাৰণে বাটটোক নগাবাট বোলা হৈছিল। বট্‌লাৰ ছাহাব আহিয়েই জামুগুৰি বৰপথাৰেদি গোলাঘাটৰ পৰা এটা আলিবাট বন্ধায়। ছাহাবৰ লগত তেতিয়া গোটাদিয়েক হিন্দুস্থানী চিপাহীহে আছিল। জনাবুজা অসমীয়া কৰ্ম্মচাৰী এজনৰ আৱশ্যক হোৱাত বট্‌লাৰ ছাহাবে প্ৰিয়লাল বৰুৱাৰ নিৰ্দ্দেশমতে যাদৱ বৰুৱাকে মাহে ৪০৲ টকা দৰ্মহাত আলি-মহৰী কামত লয়। বৰুৱাই ডাক-ঘৰ আৰু অহাযোৱা পথ নিৰ্ম্মাণ কৰোৱায়। তেওঁ জামুগুৰিৰ লক্ষীপতি খাটনীয়াৰৰ জীয়েকক বিয়া কৰায়।

যাদৱচন্দ্ৰ বৰুৱাৰ আদি পুৰুষ আছিল ভূঞা।




ইং ১৮৫১ চনৰ ৯ এপ্ৰিলত যাদৱ বৰুৱাৰ জন্ম। ওখ ৫ ফুট ৭ ইঞ্চি। ১৮৬৮ চনৰ ৭ নৱেম্বৰতে পোনেই মাঃ ৫০৲ টকা দৰ্মহাত পুলিছ অফিছৰ কেৰেণী কামত মকৰল হয়। তাৰপৰা ক্ৰমাৎ কহিমা, মককচাং আদিত কাম কৰি কৰি ১৮৯৮ চনত চব্‌ডিপুটি কলেক্টৰ হয়। ১৯০৪ চনত অতিৰিক্ত পেন্সন পায়। ১৯০৩ চনত কামৰ পৰা অৱসৰ লয়। সুখ্যাতিৰে কাম কৰা বাবে চৰকাৰে ৰায়বাহাদুৰ উপাধিৰে বিভূষিত কৰে।

১৯০১ চনত একেটি মাথোন পুতেক জগৎচন্দ্ৰ বৰুৱাৰ ২০ বছৰ বয়সতে মৃত্যু হয়। এই পুত্ৰ শোকে তেওঁৰ জীৱনটোকে জুকলা কৰি পেলালে। চৰকাৰে ৰায়বাহাদুৰ উপাধিৰ বাহিৰেও এহেজাৰ একৰ মাটিৰ এটি গ্ৰাণ্ট দিয়ে।

ৰায়বাহাদুৰ যাদৱ বৰুৱাই কেনে সঙ্কটাৱস্থাত কাম কৰিছিল, তাক তেওঁ নিজে লেখা ডায়েৰীৰ পৰা তুলি দিয়া হ'ল :—

"১৮৭৭ চনত মেজমা নগাৰ বিৰুদ্ধে যি ৰণ চলোৱা হয় তাত নগা পৰ্ব্বতৰ ডেপুটী কমিশ্যনাৰ কাৰ্ণেগী ছাহাবৰ গাত গুলী লাগি তৎক্ষণাৎ মৃত্যু হয়। তেতিয়া আমাৰ চিপাহীয়ে লঘোনে-ভোকে থাকিব লগীয়া হোৱাত মই নগাৰে সৈতেই মিলি জুলি ৰছদ্ যোগাইছিলোঁ। ছাহাব মৰা শুনিয়েই মই ধানৰ বস্তাবোৰ মাটিত পুতি থৈ পাছত মনে মনে তাৰপৰা উলিয়াই খাবলৈ দিছিলোঁ। কৰ্ণেল মেক্‌গ্ৰেগৰ আৰু কেপ্তেইন উইলিয়ামছনৰ ফৌজ নোপোৱাহিলৈকে, সেই জুই লগাই পুৰি থৈ যোৱা গাৱঁৰ তলত পুতিথোৱা ধানকে খুন্দি উলিওৱা চাউল নিদিয়া হলে মেজমা নগাই ইংৰাজক তাতে শেষ কৰিলেহেঁতেন। নগা-ইংৰাজৰ মাজত ময়ে মধ্যস্থ হৈ কাম কৰাত ইংৰাজৰ গৌৰৱ ৰক্ষা হল।

"১৮৭৭-৭৮ চনত মেজৰ ব্ৰাইডনে ৪২ নম্বৰি গুৰ্খা পল্টনটো লৈ নগাৰ লগত যুঁজ দিওঁতে নগাই ইংৰাজৰ ছাউনী পুৰি পেলায়। তেতিয়া মইহে তাৰ হিচাপ-পত্ৰবোৰ লুকুৱাই ৰাখোঁ।

"মেজমা যুদ্ধৰপৰা ঘূৰি আহি কৰ্ণেল কীটিঙে মোকে লগত লৈহে নগা-পৰ্ব্বতৰ সদৰ ঠাই পাতিবলৈ কহিমা আৰু উখালৈ যায়। তাৰ পৰা তেওঁৰ লগতে বাট-পথ দেখুৱাই গোলাঘাটলৈ যাওঁ। মোক মিকিৰ, ৰেংমা, লোটা আৰু আঙ্গামী নগাই ৰৰ ভাল পায়, আৰু এই ভালপোৱাৰ বলতহে যে এই ডুখৰি ঠাই বঢ়াব পৰা হৈছে, তাক চীফ্ কমিছনাৰে বঢ়িয়াকৈ বুজে। কেপ্টেইন বট্‌লাৰ ছাহাবে মোৰ ওপৰতে সকলো ভাৰ অৰ্পণ কৰি দিয়ে। তেৱেঁই মোক ৰায়বাহাদুৰ উপাধি দিবলৈ লেখে। ১৮৭৯ চনত কহিমা কিল্লাটো নগাই কেউকালৰপৰা বেঢ়ি ধৰিলত, মইহে উদ্ধাৰ কৰিছোঁ। এই চনতে, ডেমেণ্ট আৰু কৰ্ণেল মেক্‌গ্ৰেগৰে চাঙ্‌মা নগাৰ গাওঁ লবলৈ যাওঁতে এটা মানুহে কলেহি বোলে নগাই গোটেই ফৌজটোৰ চিপাহীকে মাৰি শেষ কৰিলে। মইহে তেতিয়া ৰছদ পাতি লৈ গৈ লগত যোৱা চিপাহীবোৰক খোৱাৰ সমল যোগাইছোঁ।

"খনমাত ডেমেণ্ট ছাহাবক নগাই কচুকটা দিলত, সেই খবৰ আহি ৰাতি কহিমা ওলালহি। ১৮৭৯ চনৰ অক্টোবৰ মাহত এই ঘটনা হয়। খবৰটো পায়েই মই ৰাতিয়েই উখাত থকা হাইও আৰু গোলাঘাটত থকা মেক্সৱেল ছাহাবলৈ হৰকৰা পঠিয়াই খবৰটো দিওঁ। পাছদিনা বিহানেই মনিপুৰৰ পঃ এজেণ্ট কৰ্ণেল জনষ্টন ছাহাবৰ ওচৰলৈ নগা এটা পঠিয়াই বিপদৰ কথা জনাওঁ। ফৌজৰ চিপাহী তাকৰ হোৱাত জনষ্টনে আগবাঢ়িব নোৱাৰিলে। মেক্সৱেলো সেইদৰে চামগুটিঙতে খাপ দি থাকিব লগীয়া হল। আমি কিন্তু খনমাতে নেখাই-নবৈ ১৪ দিন বন্ধ হৈ থাকিলোঁ। মই নোহোৱা হলে, তেতিয়া আমাৰ দশা কি হলহেঁতেন কব নোৱাৰোঁ। মই মনে মনে কহিমাৰ পৰা গৈ বহুত ছল বুদ্ধি কৰি নগাইতক আঁতৰাই পঠিয়াওঁগৈ। তেতিয়াহে হাইও আগ বাঢ়ি যাব পাৰিছে।"

সেই সময়ত এনে এজন সামৰিক বা অ-সামৰিক উচ্চ বিষয়া নাছিল যি ৰায়বাহাদুৰৰ কাৰ্য্য-দক্ষতা শতমুখে প্ৰশংসা নকৰিছিল। ৰায়বাহাদুৰৰ



বিৱৰণীবোৰ পঢ়িলে সঁচাকৈয়ে আফ্ৰিকাৰ নিগ্ৰো জাতি বঢ়োৱাৰ দুঃসাহসিক বিৱৰণী যেন লাগে। পিছে, এইবোৰকে এতিয়া উদ্ধাৰ কৰে কোনে?

আমাৰ দাঁতিয়ে কাষৰে থকা আৰু অসমীয়াৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখোঁতা পৰ্ব্বতীয়া জাতি-বিলাকক বৰাবলৈ যোগ্য অসমীয়া মানুহহেই যে উপযুক্ত লোক তাক সেই দিনৰ বৃটিছ কৰ্ত্তৃপক্ষ-সকলে সুন্দৰকৈ হৃদয়ঙ্গম কৰিছিল। সেই নিমি-ত্তেই, মণিপুৰৰ ৰজা, আঙ্গামী খনমা নগাৰ লগত ৰাজনৈতিক সম্পৰ্ক ৰাখিবলৈ ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱাকে নিযুক্ত কৰা হৈছিল।

নগাপৰ্ব্বতৰ চুপাৰিণ্টেণ্ডেণ্ট থাকোঁতে মণিপুৰৰ ৰজাই বৰুৱাৰ বুদ্ধিমতেই এই দৰ্খাস্তখন দিছিল। তাৰ মৰ্ম্ম হৈছে বৰুৱাৰ ঘৰৰ দুৱাৰ মুখতে থকা এডোখৰ ঠাইত মণিপুৰীয়া ৰজাৰ পদচিহ্ন ৰাখিব খুজিছিল। মেক্‌কেৱ ছাহাবে সেই কাম নিজে নকৰি যাদৱ বৰুৱাৰ হতুৱাই কৰাইছিল। কবোৱাই মণিপুৰীয়া ৰজাই চিঠিখন এইদৰে লেখিছিল :—

"মহামহিম শ্ৰীযুত আৰ বি মেক্‌কেৱ সিং এম্ ঐগি থোইদোকনা চান্নাৱ মকপ :

শ্ৰীযুক্ত সাহেবতা খঙহলখি। শ্ৰীযুক্ত সাহেবনা পিৰকপা ১৪ নম্বেবৰগি লাইৰিক ফংলহুনা য়ামনা লুঙাইৰে। শ্ৰীযুক্ত সাহেবনা "হুজিক ৺ পিতা মহাৰাজগি পদচিহ্ন লৈৰিবা মফম অহু মুসলমাননা চিংবালৈ; মৰম অহুনা মফম্ অহুদগি হোংদোকতুনা শ্ৰীযাদৱ বাবুগী য়ুমগি মমঙ থংবদা। অৱাংবা মফম্ অমা লৈ মাহুদী হিন্দু সিংনা লৈ, মাহু-দ্‌কতা পাদচিহ্ন, অহুমলবদী অমসুং পদচিহ্ন অহুগী ৰক্ষণাবেক্ষণ শ্ৰীযাদৱ বাবু বু তৌহল্লবদি য়ামনা, ফগনি হাইৰকপা অহু ঐসুং মাহুমতৌনা মফম্ অহুদা থমলবদি ফগনি হাইনা খল্লি। তোই শুমৰসুং মাসিএকতা কৰি থোই দোকপা। হাইন বা লৈতে শ্ৰীযুক্ত সাহেব না চান বিহুনা হওক হোংবা অসিগি মুখেদি অমুক হোন্দাবা মফম্ অফবা য়েং হুনা থম-বিহল্লবদী, য়ামনা লুঙাইগণি। ঐসু মঙ্গল ওইনা লৈবি শ্ৰীযুক্ত সাহেবসুং য়াইফনা লৈৰিগনি।

লৈৰিগনি, ইতি—
মণিপুৰ।
শক : ১৮০৫ মাহ
১৩ অগ্ৰাহায়ণ

শ্ৰীযুক্ত সাহেবকি লেঙদবা
মকপ
শ্ৰীযুং চন্দ্ৰকীৰ্ত্তি সিংহ মহা-
ৰাজা কে সি এস আই।

এই চিঠিখনৰ মূলত দুটা কথা বিশেষকৈ লক্ষ্য কৰিব লগীয়া আছে। মণিপুৰীয়া ৰজাৰ কেৰাণীয়ে লেখোঁতে বঙ্গলা আখৰেৰে চিঠিখন লেখিছিল। কিন্তু ৰাজা কীৰ্ত্তিসিংহই চহী কৰোঁতে অসমীয়া 'ৰ' দি চহী কৰিছিল। আৰু ৰজাৰ চিঠিত আছিল অসমীয়াই ব্যৱহাৰ কৰাৰ দৰে 'শক'; বঙালীৰদৰে 'সাল' নহয়।

সেইদৰে, হাচুং হাজোৰ ২০ খন গাৱঁৰ গাওঁবুঢ়াই আঙ্গামী নগাৰ দৌৰাত্ম্যৰ হাত সাৰিবলৈ এখন দখাস্ত দিছিল। দৰ্খাস্তকাৰীৰ নাম আছিল ১। ৰাঙ্গ ঙবা নগা গাওঁবুঢ়া ভেৰন গাওঁ। ২। গিয়ংবাও গাওঁবুঢ়া, গুপুইল গাওঁ ইত্যাদি। এইখন দৰ্খাস্তও বঙ্গলাতেই লেখা। তথাপি তাতো 'লৰা-তিৰোতা' 'ৰৰিবৰ ইচ্ছা' ইত্যাদি শব্দ আছিল। নগাৰ দৰ্খাস্তবোৰ ৰায়বাহাদুৰে কেনেকৈ গত লগাইছিল, তাক লেখি-বলৈ গ'লে বুৰঞ্জী পত্ৰিকাৰ একোটি ডাঙ্গৰ প্ৰবন্ধ হব।

ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱাৰ সাহ উপস্থিত বুদ্ধি, আত্মনিৰ্ভৰশীলতা, কৰ্ত্তব্যপৰায়ণতা আৰু নিয়ম তান্ত্ৰিকতা আছিল জীৱন নিৰ্ব্বাহৰ উপায়; সৰস্বতীৰ মূৰ্ত্তপ্ৰতীক সংস্কৃতি, জ্ঞান, বিদ্যা আৰ্জ্জনেই আছিল তেওঁৰ ধৰ্ম্ম। এনে ধৰ্ম্মানুৰাগী জনৰ স্মৃতিৰক্ষা কৰা গ্ৰন্থানুৰাগীসকলৰ সৰ্ব্বতো-ভাৱে বিধেয়।

## পৰিব্ৰাত্মা

শ্ৰীতুৰ্গেশ্বৰ শৰ্ম্মা

সপোনতে আহে সপোনতে যায়
মনত সাচটো ৰয় ;
একো নিবিচাৰে আহি দেখা দিয়ে
মাথো মিঠা কথা কয় ।

নাই আৰম্বৰ নাই আছুকাল
ফাকি-ফুকা লেশ নাই,
সৰল প্ৰাণত সৰল স্নেহত
পবিত্ৰ সোৱাদ পায় ।

লগতে আছিলা আমাৰ নিজৰ
এতিয়া আঁতৰি গ'লা ;
পপিয়া জগত পৰিত্যাগ কৰি
নতুন আবাস ললা ।

মহান দেশত ওখ জীৱনত
সময় উকলি যায় ;
মোকো লইযোৱা সেই দেশলৈ
ইয়াত থাকিবৰ মন নাই ।

নাই তাত টেলিগ্ৰাম নাই টেলিফোন
ডাকঘৰ তাত নাই ;
ফুলৰ গোন্ধত কোমল সুৰত
দিলেহে বাতৰি পায় ॥

---

## দুই ৰঙৰ দুটা কৱিতা

**তোল–তোল–মোৰ ব্যথিত-ক্ষুব্ধ শিৰত তেজৰ উতল তোপ—**
**পুৰা কৰ তোক থাপি "জন-গণ-মন"—য'ত তোৰ সমাধি হ'ল।**

শ্ৰীঅম্বিকাগিৰী ৰায় চৌধাৰী

মই আছোঁ,– মই আছোঁ,— মই আছোঁ,— মই আছোঁ,—
আছিলোঁ,– থাকিম,– চিৰকাল,— মই আছোঁ,— মই আছোঁ ।

অব্যক্তৰ পোন-প্ৰথমৰ ব্যক্ত-আকুল বেদনা বৈ,
কত ৰূপ-ৰেখা জ্বলিল,— নুমাল,— একো উৱাদিহ নোহোৱা হৈ,—
–ভাঙিগুড়ি কৰা, গুড়িকেই গঢ়া নিৰৱচ্ছিন্ন মন্থনৰ,
কত প্ৰচণ্ড ঘাত-সংঘাত সহি লাখে-লাখ মন্বন্তৰ,—
মই আছোঁ,— মই আছোঁ,– মই আছোঁ,— মই আছোঁ ,
অশেষ বিৱৰ্ত্তনৰ ধুমুহা বুকু পাতি লৈ আছোঁ,— মই আছোঁ ।



সৃষ্টি-স্থিতি-প্ৰলয়-বানৰ তাণ্ডৱ কত উফৰি গ'ল,–
মোৰ গৌৰৱ-দীপ্ত-চিনাকি লেশমানো তাত নত নহ'ল, -
সত্য-ত্ৰেতা-দ্বাপৰ-কলিৰ চণ্ড-ভ্ৰূকুটি জয় কৰি,
বিপুল বিক্ৰমেৰে সুউচ্চ শিৰ তুলি জ্বলি ঠন ধৰি,
মই আছোঁ,— মই আছোঁ, – মই আছোঁ, - মই আছোঁ, –
ভাৰতৰ পূবপ্ৰান্তৰক্ষী—আছোঁ,– মই আছোঁ ।

মই শুদ্ধ, মই বুদ্ধ, মই সত্য, মই নিত্য,
অজৰ-অমৰ সেইবাবে মোৰ স্বত্ব,– মোৰ চিত্ত,—
ধৰ্ম্মাৰণ্য, কামৰূপাসম, সৌমাৰ, প্ৰাগজ্যোতিপুৰ,
নানান খ্যাতিৰে যুগে যুগে কৰি কাল-নিয়তিৰ দৰ্প চূৰ, –
মই আছোঁ, – মই আছোঁ, – মই আছো, - মই আছো,—
ভাৰত-মাতাৰ মুকুটৰ মণি—আছো,—মই আছো ।

প্ৰহ্লাদ, নৰক, বলি, ভীষ্মক, ভাস্কৰ, ভগদত্ত, বান,
ৰুদ্ৰ, লাছিত, জয়া, গদা, চিলা, নৰ-নাৰায়ণ মহান্‌প্ৰাণ,
শঙ্কৰ, সৰস্বতী, দামোদৰ, মাধৱ, কন্দলি, পুৰুষোত্তম, –
মোৰে পো-নাতিৰ জ্ঞান-বীৰত্ব গৰিমাৰে হৈ অনন্যুপম, –
– মই আছোঁ,— মই আছোঁ,— মই আছোঁ, – মই আছোঁ,—
ভাৰতৰ পূবাচল পৰিশোভি,— আছোঁ,— মই আছোঁ ।

জোঙাল-বলহু, হৰ-বীৰদত, মণি-পিয়ালীৰ বুকুৰ জুই,
মোৰে বাটে-ঘাটে, চোতালে-পথাৰে জ্বলে অবিৰল আকাশ চুই,—
কুশল, মদন, দেৱী ভোগেশ্বৰী, শুৱনী কমলা, কণকলতা,—
বুকুৰ তপত ৰক্ত ঢালি দি আনি দিলে মোৰ স্বাধীনতা, –
– মই আছোঁ,– মই আছোঁ, মই আছোঁ, – মই আছোঁ, —
অতীত-বৰ্ত্তমান-ভৱিষ্যৎ' জয় কৰি, – মই আছোঁ, - মই আছোঁ,—

মোৰ গিৰিমালা ভৰি অজন্তা-আলোৰ আছে বা কিমানখন,
গৰ্ভত আছে ক'ত মহেঞ্জোদাৰো-হাৰাপ্পা—অসাধাৰণ,–
বেদ-ভগৱদ্গীতা, ৰামায়ণ, কাব্য, পুৰাণ, মহাভাৰত,
প্লাৱিত ইমান জয়-যশোগান দম্ভেৰে কাৰ বিৰাজে ক'ত ?

সত্ৰ, ভাওনা, নৃত্য-প্ৰসঙ্গ, বৰগীত, বিহু, দেহ-বিচাৰ,
নাম, ওজাপালি, — কাৰ আছে ক'ত এনে বিচিত্ৰ কলাৰ হাৰ ?
গাল-মুখভৰা নোদোকা ইমান তেজৰঙা ডেকা-গাভৰু কাৰ ?
যাৰ পৰশত সোণ-মুকুতাৰে ভৰি-পূৰি উঠে ভুই-পথাৰ ।

কোনে কৰে আজি উপলুঙা মোক ? — এনে কদৰ্য্য সাহস কাৰ ?
শাশ্বত মোৰ স্থিতিৰ ভেটিটো টলাই তুলিছে হাই-হুঁকাৰ ?
—স্বাধীন-ভাৰত জয়-গীতিকাত নাই আজি মোৰ অমৰ-নাম—
— মৰ্য্যাদা-মোৰ ক্ষুণ্ণ কৰিছে,— বেদনা-জ্বালাত জ্বলিছে প্ৰাণ ।

— ৰুচিছ-ৰাজৰ সেৱা-স্তুতি ৰচি "জন-গণ-মন" ৰবিয়ে গায়, —
—তাকেই জাতীয়-সঙ্গীত বুলি জৱাহৰলালে সামৰি লয় ।
নাই তাত মোৰ নাম-চিন একো, — দাবিলেও মোৰ নকৰে কাণ, —
—চৰাচৰ-মানী-গৌৰৱী মোৰ কলিজাটো ভেদি হানিছে বাণ ।

নাড়ী-যোগ কাটি ভেঙুচালি মাৰি চিৰ-পৰ হৈ গ'ল যি গুচি,
তাকে থাপি তাত, — অস্থি-মজ্জা "মই"ক সমূলি পেলালে মচি ।
যাৰ একো নাই তাক দি আমোল মোৰ 'ভৰা'টোক শূন্য কৰে, —
ক্ষোভতে ক্ষোভৰ অগ্নি উজাৰি ভাৰতৰ ভুৱা-একতা গঢ়ে !

কোন তেওঁলোক ? পৰিচয় কি বা ? মোৰ দৰে এনে ত্ৰিকালজিৎ
আছে নে কি তাত গুৰু-ঐতিহ্য-ৰঞ্জিত কিবা অমৰ বিত্ ? -
—নাই, — একো নাই, — যি আছে কেৱল মোগল-সেৱাৰ কালিমা ঘোৰ,
শত্ৰু-পদত জাত-মান সপি জীৱন বচোৱা কাহিনীবোৰ ।
নাজানে, — মুশুনে গৌৰৱ-শিঙা বাজি থকা মোৰ চিৰতিকাল, —
— নহয় ৰবি বিশ্বকবি, — নহয় নেতা জৱাহৰলাল ।

যিয়ে কৰে মোক এনে অৱজ্ঞা তাক কিয় মই মানিম নেতা ?
মানিম বিশ্বকবি বুলি কিয় অজ্ঞতা যাৰ ইমান এটা ?
স্বীকাৰ কৰিম মই কিয় তাক যিয়ে কৰে মোক অস্বীকাৰ, — ?
মোৰ শিৰ কিয় নত হব তাত, সত্যৰ য'ত নাই বিচাৰ ?



যিকালত প্ৰায় গোটেই ভাৰতে মোগল-সেৱাত সপিলে প্ৰাণ—
— কোনোৱে পলালে নিজ দেশ এৰি, — লৈ অখাদ্য কোনোৱে ঘ্ৰাণ *
লভি দাসত্ব-বঁটা জমিদাৰী বিজাতি-পদত নমালে শিৰ —
— ময়েহে তেতিয়া মোচোৰি মোগল ভাৰতৰ মান ৰাখিলো থিৰ ।
এবাৰ নহয়, দুবাৰ নহয়, — সোতৰ ওঠৰ বাৰবোধিক, —
— শতৰু-ধ্বংসী সেই জয়দাপ-মুখৰ আজিও দিক্‌বিদিক্ ।

এনে মোক আজি কৰে উপেক্ষা জাতীয়-গীতত নিদিয়ে ঠাই, —
— আত্ম-চেতনা-বিলোপী মইও, হওঁ কৃতাৰ্থ তাকেহে গাই ।
ক'ত আজি সেই গৌৰৱবোধ ! সেই সম্পদ হেৰাল ক'ত ? —
— এনে অপমানী বজ্ৰ-আঘাত, — তথাপিতো গাত নাচাপে তত্ ! —
— তোল তোল মোৰ ব্যথিত ক্ষুব্ধ শিৰত তেজৰ উতল তোল —
মোক থাপি পূৰা কৰ "জন-গণ-মন," — য'ত মোৰ সমাধি হ'ল ।

* মোগলৰ ভয়ত পৈতৃক বাস-ভূমি এৰি পলাই সৰা আৰু নিজৰ অখাদ্য "বাদচাহী-খানা"ৰ "ঘ্ৰানেণ অৰ্দ্ধ ভোজনং" কৰি জমিদাৰী লাভ কৰা ইতিহাসটো মুকলিকৈ লিখাৰ প্ৰয়োজন নাই । — লেখক —

— — —

# জিৰণি কত ? নাই যে ৰেহাই, — কেৱল চলি যোৱা

শ্ৰীঅম্বিকাগিৰী ৰায় চৌধুৰী ।

আৰু কিমান দূৰ আছে বাট
আৰু কিমান দূৰ ?
কেতিয়া মোৰ পৰিব এই
বঠা বোৱাৰ ওৰ ?
কুটিল-পুৱাৰ জুৰণিতেই
বঠা হাতত ললোঁ, —
কিমান আলো অন্ধকাৰৰ
চাকনৈয়া পাৰ হলোঁ, —

তথাপিতো বঠা-বোৱাৰ
নহল দেখোঁন শেষ !
কোন অপাৰত নাৱ মেলিলোঁ,
কাৰফালে উদ্দেশ ?
বঠাৰ চাৰে-চাৰে
তৰা, গ্ৰহ, উপগ্ৰহ, —
কত উঠিল, পৰিল,
পুনু জাগিল অহৰহ ।

ভাঙা-গঢ়াৰ ডাৱাই ডাঁৱাই
বঠা চলাই যাওঁ, -
উটা-বুৰাক সমান কৰি—
যি জানোঁ পাৰ পাওঁ ।
বিপুল ঝাঁজিৰ বিপদ-ভেটাই
আগ আগছি ধৰে,—
বঠাৰ চাবত উফৰি গৈ
পথ মুকলি কৰে ।
যিমানেই নাৱ আগ বাঢ়ি যায়
কেৱল অপাৰ পাৰ,—
নাই এৰকা চিন সীমা-ৰেখাৰ
—অসীম একাকাৰ !—

জিৰণি ক'ত ? নাই যে ৰেহাই—
- কেৱল চলি যোৱা, —
চলাৰ স্ফূৰ্তীত জিৰণিহীন
চলাৰ বঠা বোৱা, —
এয়েতো মোক পুৰাই পোৱাৰ
বিৰাম-বিহীন পথ,
উঠা-পৰাৰ দোলাত তুলি
চলাই জীৱন-ৰথ ।
নিত্য-নতুন বিচিত্ৰতৰ
ফুলাই জীৱন-ফুল, —
মছি মছি চলি যোৱা
সীমা-ৰেখাৰ ভুল ।

# সাহিত্য সভাৰ কথা

[ স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামীৰ নিজ হাতৰ লিখিত সাহিত্য-সভাৰ সংক্ষেপ ইতিহাস । চৰকাৰী কামৰ পৰা অৱসৰ লৈ গুৱাহাটীত থকা কালত—১৯৪৩ চনৰ নৱেম্বৰৰ পৰা ১৯৪৪ চনৰ মেইলৈকে, এই কেই মাহৰ ভিতৰত, স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামী দেৱে 'সাহিত্য সভাৰ কথা' বুলি কিছুমান কথা লেখি থয় । সাহিত্য সভাৰ আদি গুৰি সম্পৰ্কে ইয়াত বহুতো জানিব লগীয়া কথা আছে । সাহিত্য সভাৰ ভিতৰত কেনেকৈ থৰিয়াল সোমাল আৰু ইয়াৰ প্ৰতি মানুহৰ আস্থা পিছলৈ কেনেকৈ কমি আহিল, এই বিৱৰণীৰ পৰা এই সকলো বিষয়ে আভাস পোৱা যাব । আমাৰ অনুৰোধ ক্ৰমে স্বৰ্গীয় গোস্বামী দেৱৰ সুযোগ্যা দুহিতা শ্ৰীমতী সুপ্ৰভা গোস্বামীয়ে 'সাহিত্য সভাৰ কথা' পত্ৰিকাত প্ৰকাশ কৰিবলৈ দিয়াত তেখেতৰ ওচৰত লোৱা হ'ল— সম্পাদক, পত্ৰিকা । ]

## প্ৰথম অধ্যায়
### সভা-স্থাপন

( ১ )

"সাহিত্য সভাখন মই কৰিলোঁ । অহঙ্কাৰ কৰি এই কথা লেখি থব খোজা নাই । আগলৈ আচল বিৱৰণ কাৰোবাক লাগিব বুলি লিখিলোঁ । ইয়াত যিদৰে লিখিলোঁ ঠিক তেনেদৰে ইয়াক প্ৰকাশ কৰা উচিত নহবও পাৰে । মোৰ জীৱিত কালত প্ৰকাশৰ আশা কৰা নাই । এতেকে, এতিয়া মোৰ যিমান মনত পৰিছে, ঠিক সেইদৰে লেখিলে ইয়াত কোনো মানুহৰ অসন্তোষজনক দুই এক কথাও লেখা যাব পাৰে । আৰু দিন বাৰৰো অলপ গোলমাল হব পাৰে । লেখিবৰ সময়ত কোনো কাগজ-পত্ৰ চাই এইবোৰ নিমিলালো । ভৱিষ্যতত কাৰোবাৰ আৱশ্যক হলে মোৰ কাগজ-পত্ৰৰ ভিতৰত তেনেবোৰ কাগজ-পত্ৰ পাব । মুঠতে, সাহিত্য-সভা সম্পৰ্কে এই সময়ত যি যি কথা মোৰ মনত পৰিছে, তাকেহে লেখি থলোঁ । আগলৈ সুবিধা আৰু সময় হলে কাগজ-পত্ৰ চাই পাহৰা কথা বা দিন আদি পুৰাই থম ।

( ২ )

"বহুদিনৰ কথা । ১৯০৫—০৬ ইং চনৰ কথা । ৺লক্ষ্মীনাথ বেজবৰুৱাই সদায় কামৰূপৰ মানুহক ঘিণ কৰিছিল ; আৰু তেওঁকে আদি কৰি উজনিৰ লোক সকলোৱে "ঢেকেৰী" বুলি কামৰূপৰ মাত কথা তাচ্ছিল্য কৰিছিল । সেই সময়তেই "আসাম বান্ধৱ"ৰ আৱিৰ্ভাৱ হয় । ইয়াৰ সম্পাদক আছিল পণ্ডিত তাৰানাথ চক্ৰবৰ্ত্তী কাব্যবিনোদ । আৰু পৃষ্ঠপোষক আছিল ডাক্তাৰ হৰিকৃষ্ণ দাস, শ্ৰীযুত কালিৰাম মেধি, ৺ভাৰত চন্দ্ৰ দাস, আৰু গঙ্গাৰাম চৌধুৰী । মই তেতিয়া কলেজত পঢ়োঁ । 'আসাম বান্ধৱ'লৈ প্ৰবন্ধ আদি পঠাওঁ । উষা-বাঁহী এই বিলাক আলোচনীতো প্ৰবন্ধ আদি প্ৰকাশ কৰোঁ । 'বাঁহী' আৰু 'আসাম বান্ধৱ'ৰ মাজত উজনীয়া-নামনীয়া ভাষা লৈ যি প্ৰচণ্ড তৰ্ক আৰু অনেক সময়ত বীভৎস গালা-গালি—বিশেষকৈ ৺বেজবৰুৱাৰ ফালৰ পৰা—তাৰ প্ৰতি মোৰ মন বৰ বিৰূপ আছিল । আৰু এনে তৰ্ক আৰু থৰিয়াল আমাৰ ভাষাৰ পক্ষে, উন্নতিৰ পক্ষে হানিজনক বুলি মোৰ বিশ্বাস আছিল । সেই বিশ্বাস এতিয়াও আছে । ফলত, ময়ো চাকৰী কৰি 'আসাম বান্ধৱ' চলাবলৈ কেই শ মান টকা দিছিলোঁ । কেনে অৱস্থাত দিছিলোঁ, সি বেলেগ কথা । সুবিধা হলে আন কেতিয়াবা লেখিম ।

ইং ১৯১২ খৃষ্টাব্দৰ জানুৱাৰী মাহত মই যোৰহাটলৈ ডিপুটি ইনিস্পেক্টৰ হৈ গ'লোঁ । সেই সময়ত উক্ত কাজিয়াই উগ্ৰমূৰ্ত্তি ধাৰণ কৰিছে । যোৰহাটত মোৰ অসমীয়া বন্ধু কেইবাজনো পালোঁ । প্ৰধান কৰি শ্ৰীযুত কুলধৰ চলিহা, শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা । বয়সত অলপ ডাঙৰ হলেও, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু শ্ৰীযুত দেৱেশ্বৰ চলিহাৰ লগত এনেয়ো আৰু সাহিত্যৰ আলোচনাৰ পৰাও মোৰ বিশেষ প্ৰীতি জন্মিল । কালত, শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱাৰ লগতো সাহিত্যৰ সম্পৰ্কতেই মোৰ ঘনিষ্ঠ বন্ধুত্ব হ'ল ।

মোৰ সদায় ইচ্ছা আছিল যে আমি এখন সাহিত্য সভা পাতি অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সবিশেষ যত্ন কৰোঁ ; আৰু উজনীয়া-ঢেকেৰী ভাষাৰ বিবাদটো মাৰি যিমান পাৰি তেতিয়াৰ অসমীয়া ভাষাৰ সংকীৰ্ণতা দূৰ কৰোঁ ।

অসমীয়া ভাষাৰ সংকীৰ্ণতা ইমান বাঢ়িছিল যে শিৱসাগৰত নোকোৱা শব্দ এটা ব্যৱহাৰ কৰিলেই ভাষা ছুৱা হ'ল বুলি কিছুমান উজনীয়া লোকে আটাহ পাৰি ফুৰিছিল । কামৰূপীয়া বা গোৱালপৰীয়া মাত কথা তো "বঙলুৱাই"! — সি শিষ্ট ভাষাৰ বৰ্হিভূত । এনে সংকীৰ্ণতাৰ ফলত নামনি অসমৰ অনেকেই অসমীয়া লিখিবলৈ ভয় কৰিছিল । তেতিয়াৰ দিনৰ ছাত্ৰৰ ভিতৰত মই এজন বিশিষ্ট ছাত্ৰ আছিলোঁ । আৰু ঢেকেৰুৱা লিখোঁতা বিলাকৰ ভিতৰত মোৰ লেখাই তেতিয়াই যথেষ্ট আদৰ পাইছিল । মোৰ মনত পৰে যে কোনটো শব্দ বা বাক্য লেখি বৰ সন্দেহ হয় যে সেই লেখা ঠিক শিৱসাগৰীয়া ঠাচত

উঠিল নে নাই। এনে অৱস্থাত, কামৰূপত তেতিয়াও কেইজনমান ক্ষমতাপন্নলোক আছিল, যি ভাবিছিল যে কামৰূপীয়া মানুহে উজনীয়াৰ ইমানবিলাক অত্যাচাৰ আৰু অবিচাৰ ( ভাষা বিষয়ত ) সহ্য কৰাত কৰি তেওঁলোকে বঙালি ভাষাকে গ্ৰহণ কৰা ভাল। গোৱালপাৰাত ৺প্ৰসন্ন কুমাৰ ঘোষ আৰু তেওঁৰ সম্পৰ্কীয় শ্ৰীযুত ধৰ্মনাৰায়ণ ঘোষৰ বাহিৰে, আনবিলাকেতো অসমীয়া ভাষাৰ নাম শুনিলেই সাত টাঙোন জোকাৰিছিল।

এনে অৱস্থাত, এখন বলী আৰু কামিলা সভা পাতি অসমীয়া ভাষাৰ সংকীৰ্ণতা দূৰ কৰি তাক অকল অসম উপত্যকাতেই নহয়, আমাৰ পৰ্বতীয়া জিলাকেইখনৰো সৰ্বজনা-গ্ৰাহ্য ভাষা কৰি তুলিবলৈ মোৰ মনটোত বৰ ব্যাকুলতা আহিছিল। বন্ধু সকলক ইমানবোৰ কথা কোৱা নাছিলোঁ। কিন্তু এখন সভা পাতিব লাগে, এনে কথা কলোঁ। আলোচনা কৰিলোঁ।

তেওঁলোকে প্ৰথমতে অঃ ভাঃ উঃ সাঃ ( অসমীয়া ভাষা উন্নতি সাধিনী ) সভা খনকে ভাল কৰি তুলিবলৈ পৰামৰ্শ দিলে। তেতিয়া অঃ ভাঃ উঃ সাঃ সভা আছে। যোৰহাটত কোন সম্পাদক আছিল মনত নাই। যি হক, কিবাকিবি কাৰণত অঃ ভাঃ উঃ সাঃ সভা পতা হলেও, তাৰ কাৰ্য্য-প্ৰণালী আমাৰ মনোমত নহল। অঃ ভা উ সাঃ সভাৰ এটা পৰম্পৰাও আছিল—যে ভাষা বিষয়ত ই অতি নিকাপন্থী ( Puritan ): শিৱসাগৰৰ এনা, ৰেধা, কেনাই প্ৰভৃতি অতি বিশুদ্ধ; কামৰূপৰ ছলি, আপা, আপী অতি গ্ৰাম্য ইত্যাদি।

আমি যোৰহাটত এখন যোৰহাট-সাহিত্য-সভা পাতিবৰ দিহা কৰিলোঁ; আৰু মঁয়েই সকলো লেঠা লৈ যোৰহাট সাহিত্য সভাৰ প্ৰথম অধিৱেশন আৰম্ভ কৰিলোঁ।

ইয়াৰ পূৰ্ব্বে এটা কথা লেখিবলৈ পাহৰিলোঁ যে ১৯১২-১৯১৪ ইং ভিতৰতে ৺পম্পু চিং ই, এ, চিৰ ঐকান্তিক যত্নত আৰু মোৰো চেষ্টাত যোৰহাট থিয়েটাৰ স্থাপিত হ'ল। তাত চন্দ্ৰধৰ বৰুৱা প্ৰমুখ্যে সকলো ডনা-বুঢ়া ধনী-মানী লোকে যোগ দিছিল; অভিনয় আদি কৰিছিল। থিয়েটাৰৰ এই চক্ৰটোৰ লগত নিবিড় কৰি যোগ দিয়াতো সাহিত্যসভা পাতিবলৈ মোৰ পক্ষে বৰ সহজ হৈছিল। বিশেষ কৰি, যি কাৰণতেই নহক, আদিৰে পৰা যোৰহাটৰ ৰাইজে মোক বৰ মৰম কৰিছিল আৰু বিশ্বাস কৰিছিল। সেইদেখি মই আৰম্ভ কৰা কামত সকলোখিনিতে বৰ সহায় আৰু সহযোগিতা পাইছিলোঁ।

( ৩ )

যিমান দূৰ মনত পৰিছে—যোৰহাটৰ এই প্ৰথম সাহিত্য সভাত ৺দেবী চৰণ বৰুৱা সভাপতি আছিল। দেবীচৰণ বৰুৱা এক কথাৰ মানুহ আছিল। কাকো হিংসা কুৰ্চ্চুট নকৰিছিল। অনাৱশ্যক ৰূপে কোনো মানুহৰ লগত সংশ্ৰৱ নাৰাখিছিল। অথচ, তেখেতৰ বিশ্বাস উৎপাদন কৰিব পাৰিলে, সকলো ভাল কামত সহায় কৰিছিল। মিটিংখন হৈছিল বিষ্ণুৰাম হলত। মই "কিবা কিবি বিষয়ত ৰচনা" নাম দি সেই সময়ৰ অসমীয়া ভাষা আৰু লেখক সকলক মৃদু ব্যঙ্গ কৰি এটা প্ৰবন্ধ পাঠ কৰিছিলোঁ। তাত যোৰহাটৰ গণ্য-মান্য সকলো বিলাক লোক উপস্থিত আছিল। শ্ৰীযুত উপেন্দ্ৰনাথ বৰুৱাই মোৰ ৰচনাৰ আচল উদ্দেশ্যটো উপলব্ধি কৰি ৰচনাখন ভাল প্ৰশংসা কৰিছিল। ইবিলাকেও ভাল বুলিছিল।

সেইদিনাৰে পৰা যোৰহাট-সাহিত্য-সভা স্থাপিত হল। আৰু মাহে মাহে এই সভাৰ অধিৱেশন



বহিবলৈ আৰম্ভ কৰিলে। মোৰ মনত আছে, প্ৰথম যোৰহাট সাহিত্য-সভা বহাৰ দিনা গধূলি মোৰ ঘৰত পাঠা এটা মাৰি ভাত খাইছিলোঁ। আপ্পাখন পনীয়া হৈছিল। আৰু আমি পাত-দোনা আনি খাবলগীয়া হৈছিল। খোৱা লগ আছিল—শ্ৰীযুত কুলধৰ চলিহা, ৺দৰেশ্বৰ চলিহা, শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা আৰু এজন-দুজন। তেতিয়া মই নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট। গতিকে, ১৯১৫ ইং চনৰ এপ্ৰিল-মে মাহ হব।

ইয়াৰ পাছত যোৰহাট-সাহিত্য সভা বেছ বল দি উঠিল। মই University extension Lectures ৰ দৰে কেই চিৰিজমান Lectures বন্দোৱস্ত কৰিলোঁ। ইয়াত শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মাই "সৰল জ্যোতিষ", শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱাই 'ভূতত্ত্ব', শ্ৰীযুত গোলোকচন্দ্ৰ বৰুৱাই 'এড়ী মুগা পাট' আৰু মই 'শিক্ষা বিচাৰ' —এই বিষয় কেইটা ক্ৰমিক হিচাবত ব্যাখ্যা কৰিছিলোঁ। মোৰ বক্তৃতা কেইটা পাছত 'শিক্ষা-বিচাৰ' নাম দি ছপালোঁ। ইকেইজন বন্ধুৱে এতিয়াও একো কৰা নাই। সকলোটিকে কৈ আছোঁ।

যোৰহাট-সাহিত্য-সভাৰ কাম কেইমাহমান চলাৰ পাছত তেতিয়াৰ কমিচনাৰ কৰ্ণেল গৰ্ডনৰ সভাপতিত্বত যোৰহাটত অসমৰ শিল্পাদিত উৎসাহ দিবৰ উপলক্ষ্য কৰি গৱৰ্ণমেণ্টে এখন সভা পাতে। সেই সভালৈ সেই সময়ৰ গণ্যমান্য প্ৰায় লোকেই আহিছিল। সভাৰ সময়টো মনত নাই। বোধকৰোঁ ১৯১৬ ইং চনৰ জুলাই আগষ্ট মাহ।

সেই সুযোগ লৈ যোৰহাট-সাহিত্য-সভাৰ এটা বিশেষ অধিৱেশন পাতিলোঁ। সভাপতি হৈছিল ৺ফনীধৰ চলিহা। তেখেত তেতিয়া ৰায়বাহাদুৰ হৈছে নে নাই মনত নাই। সম্ভৱতঃ হোৱা নাই। তাত শ্ৰীযুত ঘনকান্ত বৰুৱাদেৱে "চালাম ৰহস্য" নাম দি এটা বিতোপন প্ৰবন্ধ পঢ়িছিল। ব্যঙ্গ প্ৰবন্ধ। অসমীয়াত তেনে প্ৰবন্ধ বৰ বিৰল। তাৰ বহুদিনৰ পাছত নাজিৰাত স্কাউট ক্যাম্প কৰাৰ সময়ত ( ১৯৩৩ ই, সম্ভৱ ? ) শ্ৰীযুত ফনীধৰ দত্তই আৰু এটা ব্যঙ্গ পঢ়িছিল। মোৰ এই দুটা প্ৰবন্ধৰ দৰে ব্যঙ্গাত্মক প্ৰবন্ধ মই অসমীয়া ভাষাত পঢ়া বা শুনা মনত নপৰে। দুখৰ বিষয় কোনোটো প্ৰবন্ধই ছাপা হোৱা নাই।

অলপ আঁতৰি আহিলো। কাৰণ ফনীদত্তৰ ( বি, এ, - এওঁ তেতিয়া নাজিৰা স্কুলৰ মাষ্টৰ ) প্ৰবন্ধটোৰ বিষয় আৰু ক'তো উল্লেখ কৰিবৰ সুযোগ নঘটিবও পাৰে।

আকৌ, যোৰহাট-সাহিত্য-সভাৰ বিশেষ অধিৱেশনৰ কথা কওঁ। সেই সভাত দ্বিতীয় প্ৰবন্ধ পঢ়িছিল শ্ৰীযুত মোক্ষনাথ ফুকন বি, এ, দেৱে। এওঁৰ প্ৰবন্ধটোৰ নাম মনত নাই। বিষয়, জাতীয় উন্নতিৰ দৰে কথা। এওঁ প্ৰবন্ধটোত সকলো সঁচা আৰু হৃদয়গ্ৰাহী কথাকে লেখিছিল। কিন্তু ভাষা হৈছিল অতি স্পষ্টবাদী—ৰূঢ় আৰু কটু। তাতে সভাসদ সকলৰ অনেক ধিকাৰ খাই উঠিল। মই সভাৰ আহ্বান-কৰ্ত্তা হিচাবে ৰঙা-মঙা পৰিলোঁ। মুখত পানী নাই। এনে অৱস্থাত মাননীয় আব্দুল মজিদ চাহাবে বক্তৃতা দিবলৈ উঠিল। মজিদ চাহাবৰ নাম আশা কৰোঁ আৰু বহুদিনলৈ অসমীয়া মানুহে নাপাহৰিব। বিদ্বান, ক্ষমতাৱন্ত ডাঙৰ কৰ্মচাৰী। প্ৰায় চীফ কমিচনাৰৰ সমান। ধনী, মানী—কিন্তু নিৰহঙ্কাৰ, সৰল, সকলোৰে হিত কামনা কৰোঁতা। এনে মানুহ এতিয়া বিৰল হ'ল। মজিদ চাহাবে প্ৰায় একঘণ্টা কাল বক্তৃতা দিলে। বহুত কথা কলে। ফুকনৰ বক্তৃতাৰ সাৰ-কথা ভাল বুলিলে। ভাষাক নিন্দা কৰিলে এনেকুৱা ভাৱে

যে ফুকনো ক্ষুণ্ণ নহল। মুঠতে, তেখেতৰ বক্তৃতাই ফুকনৰ প্ৰবন্ধৰ জাল কাটিলে; 'বৰ' সভাসদ সকলক তৃপ্ত কৰিলে। তাৰ পাছত আৰু দুই এজনে কথা কোৱাত, চলিহা ডাঙৰীয়াই ভাল বক্তৃতা এটা দি সভা শেষ কৰিলে।

এই সভাৰ উদ্দেশ্য আছিল আজি কালিৰ ১৯৪৩ ইং ভাষাত প্ৰচাৰ-কাৰ্য্য বা প্ৰোপাগাণ্ডা। এই উদ্দেশ্য ভাল কৰি সিদ্ধ হ'ল। ২০/১১/৫৩

( ৪ )

আগেয়ে কোৱা বিশেষ Lectures বোৰ ইয়াৰ পাছত। এইদৰে কিছুদিন সময় গ'ল। তেতিয়া 'অসম সাহিত্য সভা' এখন গঠন কৰিবৰ কাৰণে আলোচনা কৰিলোঁ। এইবোৰ প্ৰধান কৰি পৰামৰ্শ কৰিছিলোঁ শ্ৰীযুত কুলধৰ চলিহাৰ লগত। মাজে মাজে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ লগতো কথা হৈছিলোঁ। শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা সেই সময়ত যোৰহাটৰ পৰা বদলি হৈ সম্ভৱতঃ মেচপাৰাৰ মেনেজাৰ হ'ল। নহলে, তেওঁৰ লগতো কথা হলোঁ হয়।

১৯১৫ কি ১৯১৬ চনত গুৱাহাটীত শ্ৰীমান গৌৰীকান্ত তালুকদাৰ, শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধুৰী আৰু কিছুমানে লগ লাগি গোটেই অসমৰ কাৰণে সাহিত্য-সভা এখন কৰিবৰ প্ৰস্তাৱ কৰিছিল। তেতিয়া শ্ৰীযুত সত্যনাথ বৰা ডাঙৰীয়া গুৱাহাটীৰ সাহিত্য ক্ষেত্ৰৰ নেতা। সকলোৱে তেখেতক মান আৰু সংকাৰ কৰে। কিন্তু সমগ্ৰ অসমৰ কাৰণে সাহিত্য সভা এখন পাতা বিষয়টোত তেখেতৰ মত নাছিল। এই সম্পৰ্কে মই তেখেতৰ লগত পাছতো কথা পাতিছিলোঁ। মোক তেখেতে মৰম আৰু বিশ্বাস কৰিছিল। মোক কৈছিল যে উজনি-নামনি ভাষাৰ খৰিয়াল লাগিব বুলি তেখেতে বৰ আশঙ্কা কৰিছিল। তাৰ অলপ আগেতে 'বাঁহী' আৰু 'আসাম বান্ধৱ'ৰ প্ৰবল যুদ্ধ। সেই বিবাদে অলপ শাম কাটিছে। তেখেত অতি শান্তিপ্ৰিয় মানুহ আছিল। হাই-হুজ্জৎ অলপো সহ্য কৰিব নুখুজিছিল। ইয়াৰ বাহিৰে তেখেতে স্বীকাৰ কৰিছিল যে পাৰিলে অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি কৰিবলৈ সংঘবদ্ধ হৈ চেষ্টা কৰা ভাল।

ইং ১৯১৬ চনৰ বৰদিনৰ বন্ধত ডিব্ৰুগড়ত আসাম এচোচিয়েচনৰ সন্মিলন বহে। তাতে কেই জনমান ডেকাই – তেওঁলোকৰ নাম পাহৰিলোঁ – শ্ৰীযুত সত্যনাথ বৰা ডাঙৰীয়াকে সভাপতি পাতি এখন বিশেষ সাহিত্যসভা পাতে।

এই দুটা উদ্যমৰ উল্লেখ কৰিলোঁ। এইদেখি যে আমি আসাম-সাহিত্যসভা পতাৰ উদ্যোগ কৰাৰ সময়তে সাহিত্যৰ প্ৰতি আদৰ কৰোঁতা সকলে এখন সদৌ-অসম-সাহিত্যসভাৰ আৱশ্যকতা অনুভৱ কৰিছিল।

প্ৰথমবাৰ ছাত্ৰ সন্মিলন গুৱাহাটীত বহে। শ্ৰীযুত পদ্মধৰ চলিহা আৰু ৺চন্দ্ৰনাথ শৰ্ম্মা মুখিয়াল। ছাত্ৰ সন্মিলনৰ প্ৰথম উদ্যোক্তা সকলে এই সন্মিলনৰ নাম দিছিল "ছাত্ৰৰ সাহিত্য সন্মিলন।" আৰু মোক সভাপতি হবলৈ মাতিছিল। তেতিয়া মই তেনে ডেকামানুহ। বয়স ২৬।২৭ বছৰ। শ্ৰীযুত কুলধৰ চলিহাৰ লগত পৰামৰ্শ কৰিলোঁ – মই সভাপতি হম নে নহম। মই অনাৱশ্যক ভাৱে আগবাঢ়ি গৈ ঢোল কোবোৱা স্বভাৱৰ মানুহ নাছিলোঁ আৰু এতিয়াও নহওঁ। আৰু আমাৰ Generationৰ ডেকা সকলৰ নীতিও আছিল—yield to your superior, – সেইদেখি আমি দুয়ো পৰামৰ্শ কৰি শ্ৰীযুত পদ্মধৰ চলিহালৈ লেখিলোঁ যে আমাৰ ডেকা তৰপৰ কোনো এজনক সভাপতি কৰাত কৰি ৺লক্ষ্মীনাথ বেজবৰুৱাক সভাপতি কৰিলে ভাল হব। বিদেশত থাকি চিৰকাল অসমীয়া সাহিত্যৰ চৰ্চ্চা কৰি থকা মানুহজনক সম্বৰ্দ্ধনা জনোৱাও হব। ছাত্ৰ সকল মান্তি হ'ল। পাছত ছাত্ৰ-সন্মিলন সাহিত্য সন্মিলন হৈ নাথাকিল। দুই তিনি বছৰ মানলৈ যদিও সাহিত্যৰ উন্নতিৰ চেষ্টাই তেওঁলোকৰ মুখ্য কাম হৈ থাকিছিল।

অসম-সাহিত্যসভা স্থাপিত হোৱাৰ পূৰ্ব্বৰ এই তিনিটা উদ্যমৰ কথা লেখিলোঁ। ২০/১১/৫৩

(৫)

এইবাৰ অসম-সাহিত্যসভা পতাৰ কথা লেখোঁ।

১৯১৭ ইং চনৰ বৰদিনৰ বন্ধত আসাম এচোচিয়েচনৰ কনফাৰেঞ্চ বহাৰ কথা। সভাপতি শ্ৰীযুত সত্যনাথ বৰা। ঠাই শিৱসাগৰ।

তাতেই আমি প্ৰথম অসম সাহিত্য সন্মিলন পাতিবলৈ স্থিৰ কৰিলোঁ। আমি মানে শ্ৰীযুত কুলধৰ চলিহা আৰু মই।

চলিহা শিৱসাগৰৰ মানুহ। তেওঁ তেতিয়া যদিও যোৰহাটত থাকে, শিৱসাগৰৰ লগত তেওঁৰ যথেষ্ট সংযোগ চলি আছিল। তেওঁ শিৱসাগৰলৈ গৈ এখন অভ্যৰ্থনা সভা পাতি আহিল। সভাপতি হ'ল ৺গুণাভিৰাম বৰুৱা, বি, এল; আৰু সম্পাদক ৺লক্ষ্মীকান্ত বৰুৱা বি, এল। আমি দুয়ো পৰামৰ্শ কৰি শিৱসাগৰত অভ্যৰ্থনা সভাৰ হতুৱাই শ্ৰীযুত পদ্মনাথ গোঁহাই বৰুৱাক সভাপতি কৰি মতালোঁ। নিমন্ত্ৰণ পত্ৰও চাৰিওফালে দিয়ালোঁ। ডিচেম্বৰৰ ২৭ তাৰিখে ( সম্ভৱতঃ ) দিন কৰিলোঁ।

সেই সময়ত মই যোৰহাটৰ তৰাজানত নিজা এটা খেৰী ঘৰ কৰি থাকোঁ। মোৰ পাছৰ ফালে শ্ৰীযুত কুলধৰ চলিহা থাকে। আমি দুয়ো সদায় পৰামৰ্শ কৰোঁ। নিয়মাৱলী প্ৰস্তুত কৰিলোঁ। চলিহাই কোনো কথাৰ details লৈ যাব নোখোজে। দিহা দিলেই তেওঁ ভাবে কাম হ'ল বুলি। অৱশ্যে এনে মনোভাৱৰো মূল্য আছে। যিহক, নিয়ম কৰি তাক লিথো কৰি লৈ আমি শিৱসাগৰলৈ ওলালোঁ।

শেষত কিন্তু মই যাওঁতে দুদিনমান পলম কৰিব লগীয়া হ'ল। চলিহা আগতে গ'ল। গুৱাহাটীৰ পৰা দাদা (পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী) শ্ৰীযুত বিষ্ণু ৰাম মেধি, শ্ৰীযুত গৌৰী তালুকদাৰ আৰু কোনোবা এজন শিৱসাগৰলৈ যাবলৈ গৈ যোৰহাটত সোমাল। তেওঁলোকে যোৰহাটত ৩।৪ দিন মান থাকিবৰ ইচ্ছা প্ৰকাশ কৰিলত, ময়ো থাকিবলৈ বাধ্য হলোঁ। তেওঁলোক থকা দিন কেইটাতে মই 'কীৰ্ত্তনত সাহিত্য সৌষ্ঠৱ" বুলি প্ৰবন্ধ এটা লিখিলো। এই প্ৰবন্ধ সাহিত্য সন্মিলনত পঢ়া হৈছিল। পাছত ১৯৩৯ কি ১৯৪০ ইং চনত সাহিত্যসভা-পত্ৰিকাত এই প্ৰবন্ধ প্ৰকাশ হৈছিল।

আসাম-এচোচিয়েচনৰ ফালৰ পৰা অভ্যাগত প্ৰতিনিধি সকলক সোধপোছ কৰিবলৈ বিশেষ যোগাৰ কৰিছিল। তাৰ ভাগ আমিও পালোঁ। দাদা, মেধি, তালুকদাৰ, মই, আমি একে লগে থাকিলোঁ।

ইয়াতে সেই সময়ত সন্মিলন আদিত উপস্থিত হবলৈ মানুহে যিমান যো-যা কৰিছিল। তাৰে অলপ কথা কওঁ।

গণ্যমান্য ইংৰাজী জনালোক মাত্ৰেই কলা গৰম কাপোৰৰ কোট পেণ্টলুন বা চোগা-চাপকন পিন্ধিছিল। বিশেষ ফেছন কৰিব খোজা বা চাহাব যেন গোন্ধোৱা কেইজনে পূৰা ইংৰাজী পোছাক পিন্ধিছিল। ইবিলাক মানুহেও পাৰ্য্যমানে মুগা

আৰু পাটৰ চাপকান পিন্ধি গৈছিল। মোৰ যিমানদূৰ মনত পৰে, মই জনা মানুহৰ ভিতৰত কেৱল দাদাইহে সাধাৰণ ধুতি চোলা পাগুৰি পিন্ধি সন্মিলনলৈ গৈছিল। তেওঁৰো এজোৰা কলা আল-পাকাৰ চোগা-চাপকন আছিল। কিন্তু তাক দুই এক বছৰৰ পৰাই পিন্ধিব এৰিলে; আৰু পোছাক জোৰা তেওঁৰ আবাল্য সখি পণ্ডিত তাৰানাথ কাব্য-বিনোদক দিলে। তেতিয়াৰ দিনৰ ভদ্ৰতাৰ চিন কোট পেণ্টলুন। সভা সমিতিৰ পোছাকো তেনে। মই এজোৰ কলা কোট পেণ্ট-পিন্ধি গৈছিলোঁ।

সাহিত্য সন্মিলন বহিল। গোহাঁই বৰুৱাই সভাপতিত্ব কৰিলে। তেওঁৰ অভিভাষণখন বৰ দীঘল হৈছিল, কিন্তু মানুহে কাণ পাতি শুনিলে। তাৰ পাছত দুটামান প্ৰবন্ধ পাঠ হ'ল। মোৰ প্ৰবন্ধটো মই তেনেই নপঢ়িলোঁ। কাৰণ, গোধূলি হ'ল। ৺ সত্যনাথ বৰা ডাঙৰীয়াই কলে প্ৰবন্ধটো বৰ ভাল হৈছিল; বেলেগে এখন সভা কৰি পঢ়িলেও ভাল।

সেই দিনা ৰাতি বিষয়-বাচনি সভা বহি আমি কৰি নিয়া নিয়মবোৰৰ আলোচনা হ'ল। আৰু সেইবোৰ গৃহীত হ'ল।

সেই সভাৰ সম্পাদক পাতিলে মোক। ইয়াতে কৈ থওঁ যে General Secretary ৰ এতিয়া প্ৰচলিত অসমীয়া প্ৰতিশব্দ "প্ৰধান সম্পাদক" পোনতে ময়েহে ব্যৱহাৰ কৰোঁ। সহকাৰী সম্পাদক বোধ কৰোঁ পোনতে শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী হৈছিল। এতিয়া ঠিক মনত নাই। সহকাৰী সম্পাদক সকলৰ কথা পাছত লেখিম।

সাহিত্য সভা পাতিলৈ টকাৰ কথা ওলাল। ওলোৱা মাত্ৰকতে ডাঃ হৰিকৃষ্ণ দাসে ঘপহ কৰি দহ টকাৰ নোট এখন সভাত উলিয়াই দিলে। মোৰ যিমানদূৰ মনত পৰিছে, ডাঃ হৰিকৃষ্ণ দাসৰ এই দহ টকাই সাহিত্য সভালৈ হৃষ্টচিত্তে দিয়া প্ৰথম দান। সাহিত্য-সভা শেষ হবৰ দিনা গোধূলি মই যোৰহাটলৈ আহিলোঁ। তেতিয়া শিৱসাগৰ-লৈ ৰেল হৈছে। দাদা আৰু তেওঁৰ লগৰীয়া সকল দুই তিন দিন থাকিল।

যোৰহাটলৈ ফিৰিবৰ দিনাৰ এটা কথা মনত আছে। ডাঃ ৰায়বাহাদুৰ, সূৰ্য্যকুমাৰ ভূঞা দেৱে সেই সময়ত M. A. পাছ কৰি উঠি যোৰহাটৰ মিচনৰি স্কুলত মাষ্টৰি কৰে। তেওঁ এতিয়াৰ দাস কোম্পানীৰ সমুখৰ সৰু ঘৰ এটা ভাৰা কৰি থাকে। আমি ৰাতি ১২।১ মান বজাত যোৰহাটৰ ষ্টেচন পাওঁ। ষ্টেচনত কুলি নাই। আমাৰ লগৰ বিছনা-পত্ৰ কি কৰোঁ! দুয়ো লগ লাগি দুয়োৰে মাল-পত্ৰখিনি সাঙি কৰি ললোঁ, আৰু ভূঞা থকা ঠাইলৈ কঢ়িয়াই আনিলোঁ। তাতে মোৰ বস্তুখিনি লৈ মই ঘৰলৈ গ'লো। তেতিয়াও মই যোৰহাটৰ তৰাজানৰ ঘৰটোত আছিলোঁ।

এই কথা লৈখিলোঁ।—কাৰণ, মনত পৰিল। আৰু আমি যে ডেকাকালত তেনেই আনৰ ওপৰত নিৰ্ভৰ কৰি নাছিলোঁ, তাৰো এটা সৰু নিদৰ্শন।

26/11/43

## দ্বিতীয় অধ্যায়

### সভাৰ প্ৰথম জীৱনৰ কাৰ্য্য

( ৬ )

ইং ১৯১৭ চনৰ বৰদিনৰ বন্ধত সভা স্থাপিত হ'ল। যোৰহাটত আমি সভাৰ কাৰ্য্য আৰম্ভ কৰিলোঁ। তেতিয়া মই নৰ্মাল স্কুলৰ চুপাৰি-ণ্টেণ্ডেণ্ট। অকল শিক্ষাবিভাগৰ লোকেই নহয়, তেতিয়াৰ দিনৰ অসমীয়া উকিল, হাকিম, ব্যৱসায়ী সকলোৱে মোৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস ৰাখিছিল। মই চাৰিওফালে চিঠি পত্ৰ লেখি শাখা সভা,



স্বীকৃত সভা আদি পাতি থবৰ দিহা কৰিলোঁ। আৰু সেই সময়ত সাহিত্যৰ প্ৰতি মানুহৰ ইমান ৰাপ আছিল যে অলপ দিনৰ ভিতৰতে প্ৰত্যেক নগৰ আৰু ডাঙৰ গাঁৱলীয়া কেন্দ্ৰত একোখন সাহিত্য-সভা হৈ উঠিল। এওঁবিলাকৰ লগত চিঠি-পত্ৰ লেখা এটা বেচ কাম হৈ পৰিল। এই বোৰ কৰিবলৈ মোৰ সহায় প্ৰায় কোনো নাছিল। শ্ৰীযুত হৰিনাথ পাঠক সহকাৰী সম্পাদক থকা কালত অৱশ্যে বহুতো কামত তেওঁ ঢেৰ সহায় কৰিছিল,— আৰু যেতিয়াই যিটো কাম কৈছিলোঁ তাকে কৰিছিল।

যোৰহাটত মই সম্পাদক থকা কালত অৰ্থাৎ ১৯১৮ ইং চন আৰু ১৯২১ ইং ৰ পৰা ১৯২৭ ইং চনলৈ তলত লেখা বন্ধু কেইজন সহকাৰী সম্পাদক আছিল। শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী, শ্ৰীযুত দেৱেশ্বৰ শৰ্মা গভৰ্ণমেণ্ট প্লীডাৰ। এওঁক কেন্দুগুৰীয়া দেৱেশ্বৰ শৰ্মাৰ পৰা পৃথক বুজাবলৈ গভৰ্ণমেণ্ট প্লীডাৰ লেখা হ'ল। শ্ৰীযুত দেৱেন্দ্ৰনাথ বুজৰবৰুৱা, শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা আৰু শ্ৰীযুত আদ্য-নাথ শৰ্মা।

এওঁবিলাকৰ প্ৰতিজনে অতি নিঃস্বাৰ্থভাৱে মোক সকলো কামত বিশেষ সহায় কৰিছিল। ৰায়বাহাদুৰ সন্দিকৈ ডাঙৰীয়াৰ পৰা দান পাবৰ সময়ৰ পৰা আৰু তাৰ পূৰ্বৰ পৰা কাম কাজ বহুত বেছি হোৱাত শ্ৰীযুত দেৱেশ্বৰ শৰ্মাই সভাৰ টকাৰ হিচাব আদি বৰ পৰিপাটিকৈ ৰাখি বহুতো কাম কৰিছিল।

শ্ৰীযুত পূৰ্ণানন্দ শৰ্মা মোৰ দিনত সহকাৰী সম্পাদক আছিল নে নাই মনত নাই। কিন্তু তেওঁৰ পৰা সভাৰ কাজত আৰু লেখা-পঢ়া কৰাত বহুতো সহায় পাইছিলোঁ। শ্ৰীযুত শৰ্মাদেৱে পাঠক উপাধি লেখে। সাহিত্য সভাৰ কাৰ্য্য বিৱৰণী তেওঁ প্ৰায় লেখে দেখি আমি তেওঁক 'লেখক' বুলিও ধেমালি কৰিছিলোঁ।

শ্ৰীযুত বেজবৰুৱা, দত্তবৰুৱা আৰু আদ্য শৰ্মাই মোক গুৰুজনৰ নিচিনা শ্ৰদ্ধা ভক্তি কৰিছিল, আৰু মানিছিল। শ্ৰীযুত হৰিনাথ পাঠক শ্ৰীযুত দেৱেশ্বৰ আৰু শ্ৰীযুত পূৰ্ণ শৰ্মাও অনুজৰ নিচিনা আছিল; আৰু যোৰহাটৰ গোটেই ডোখৰ কাল সেইদৰে ব্যৱহাৰ কৰিছিল।

মোৰ এই বিলাক স্মৃতি বৰ আনন্দৰ। বহু লেখিবৰ মন যায়। ইয়াত অপ্ৰাসঙ্গিক হব। সময় হলে আন প্ৰসঙ্গত কেতিয়াবা লেখিম।

সাহিত্য-সভাৰ বছৰেকীয়া ৰিপোৰ্ট আৰু কাৰ্য্য-বিৱৰণীৰ বহীবোৰ আছে। কোন বছৰত কি কাম হ'ল ইত্যাদি কথা কোনোবাই জানিব খুজিলে সেই বিলাকৰ পৰা পাব। মই ব্যক্তিগত সোঁৱৰণৰ কথাহে লেখি থলোঁ।

মনত পৰোঁতে ইয়াকে লেখি থওঁ যে চৰকাৰী আৰু লোকেল বোৰ্ডৰ সহায় নোপোৱা দিনলৈ যতখিনি ডাক-খৰচ আৰু কাগজৰ খৰচ কৰিব লাগিছিল, সেই সকলো খৰচ মোৰ নিজৰ টকাৰে কৰিছিলোঁ, আৰু কোনো সন্মিলন চাবলৈ বা কিবা আন কাৰণে মোৰ নিজৰ বাবে সম্পাদক হিচা-বেও মই সাহিত্য সভাৰ এটা পইচাও খৰচ কৰা নাছিলোঁ।

( ৭ )

সাহিত্য সভাৰ দ্বিতীয় সন্মিলন ১৯১৮ ইং চনৰ বৰ দিনৰ বন্ধত গোৱালপাৰাত বহিছিল। সভাপতি আছিল সাহিত্যৰত্ন (তেতিয়া তেখেতে এই উপাধি পোৱা নাই) শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা। সভাৰ নিয়মমতে সভাপতি বাচিবলৈ যত্ন কৰা হৈছিল। কিন্তু সময়মতে সি সকলৰ পৰা সম্বিধান

নাপাই কুলধৰ চলিহা আৰু মই গৈ চন্দ্ৰধৰ বৰুৱাক ধৰিলোঁ। তেওঁ বহুত চিন্তা কৰি পাছত মান্তি হ'ল। আৰু অনেক ভাবি-গুণি আমাক সকলোকে দেখুৱাই সভাপতিৰ অভিভাষণ ৰচনা কৰিলে আৰু ছপা কৰি উলিয়ালে।

যোৰহাটৰ পৰা আমি কেইজনমান ওলালোঁ। ইবিলাকৰ নাম মনত নাই। সভাপতি, কুলধৰ আৰু মই একে জাহাজতে গোৱালপাৰা পাইছিলোঁ গৈ। মই সেই সম্মিলনলৈ যাব পাৰিম নে নোৱাৰিম ঠিক নাছিল। কাৰণ, সেই সময়তে মোৰ স্ত্ৰীৰ অতিপাত অসুখ, শেতেলীৰ পৰা উঠিব নোৱাৰে। ঘৰত মাইচানা—তেতিয়া তাইৰ দেৰ বছৰমান বয়স। মাধৱ চৌধ্য পোন্ধৰমান বছৰীয়া। এনেকৈ ঘৰত যাব পাৰা মানুহ কেৱে নাই। কিন্তু নৰ্মালস্কুলৰ গোটাই শিক্ষকসকল আৰু ছাত্ৰসকল মোৰ ঘৰোৱাহ নিজা মানুহৰ দৰে আছিল। আৰু ঘৰত 'মানিক—কা' নামৰ আমাৰ আপোন মানুহ এজন ঘৰৰ গিৰী হৈ আছিল— তাক চাকৰ বুলিলে নুশুৱায়। এই মানুহজনৰ কথা সময় পালে বেলেগে কেতিয়াবা লেখিম।

যাবৰ দিনা পুৱা কুলধৰে কলে "ৰাজহুৱা কাম কৰিব লাগিলে নিজৰ লৰা তিৰোতালৈ চালে কেনেকৈ হব? কৰ্ত্তব্যক আগ কৰি লওক।" এনে ধৰণৰ কথা। তেতিয়া আমাৰ লগৰীয়া বিলাকৰ ভিতৰত উচ্চ-আদৰ্শ ( high ideals ) বিলাক কথাতে আৱদ্ধ নাথাকিছিল। আমি যিমান পাৰোঁ "tried to live up to those ideals"—সেই আদৰ্শমতে কাম কৰিবলৈ যত্ন কৰিছিলোঁ। যি হক, বহুত ভাৱ-চিন্তা কৰি, মোৰ স্ত্ৰীৰো ইচ্ছাক্ৰমে গোৱালপাৰালৈ যাত্ৰা কৰিলোঁ।

কুলধৰ আৰু মই বেলেৰে গলোঁ। পাছদিনা গুৱাহাটী পাই চলিহাৰ শহুৰেকৰ ঘৰত থাই-বই গোৱালপাৰাৰ জাহাজত উঠিবৰ কথা। চলিহাৰ শহুৰেক ৺নীলকণ্ঠ বৰুৱা। তেতিয়া উজান বজাৰত ডাঙৰকৈ ঘৰ-দুৱাৰ কৰি থাকে। সেই ঘৰ এতিয়া ৰায়চাহাব নীলনাথ শৰ্মাই লৈছে। গুৱাহাটী পাই দেখোঁ জাহাজ নাই। আমি থাই-বই দুই ৰাতি গুৱাহাটীত থাকিলোঁ। পাছদিনা গোধূলি জাহাজ আহিল।

জাহাজত শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আহিবৰ কথা। তেওঁক জাহাজত লগ পালোঁ। তেওঁ প্লেনটাৰ দেখি কম খৰচতে first class ত আহিব পাৰে। গতিকে সেইদৰে আহিছিল।

আগেয়ে কৈছোঁ যে "আসাম এছোছিয়েচন"ৰ কনফাৰেন্সৰ সংগত সাহিত্য-সম্মিলন বহে। সেই বাৰ "আসাম এছোছিয়েছন"ৰ সভাপতি আছিল ৺তৰুণৰাম ফুকন। জেনেৰেল চেক্ৰেটাৰী ৺ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱা। তেখেত সকলকো জাহাজত লগ পালোঁ। গতিকে, জাহাজত আমি এটা ডাঙৰ দল হলোঁ।

সেই সময়ৰ উৎসাহ আৰু উদ্যমৰ কথা মনত পৰিলে ভাল লাগি যায়। আমি সভা সমিতি পাতি কিবা উপকাৰ কৰিব পাৰিলোঁ নে নাই কব নোৱাৰোঁ। কিন্তু আমাৰ সকলোৱে মনত যে আত্ম-প্ৰসাদ লাভ কৰিছিলোঁ আৰু যথাৰ্থতে নিঃস্বাৰ্থভাৱে দেশৰ হঁকে পৰিশ্ৰম কৰিছিলোঁ—এই কথাতে মন উৎসাহান্বিত আৰু আশাবাদী হৈ আছিল। আজিৰ এই দুৰ্ঘোৰ যুদ্ধৰ পৰিস্থিতি,* ৰাজনৈতিক বিশৃঙ্খলাৰ মাজত, আৰু ডাঙৰৰে পৰা সকলোকে, বিষয়া অবিষয়া নিৰ্বিশেষে দুৰ্নীতিৰ ঘোৰ অত্যাচাৰত তেতিয়াৰ দিনৰ কথা সত্যযুগৰ কথা যেন লাগে।

* দ্বিতীয় মহাযুদ্ধ- ১৯৩৯—৪৫।



গোৱালপাৰা পোৱাত আমাৰ জাহাজৰ দেৰী হল। গোৱালপৰীয়া ৰাইজে আমাক আদৰিবলৈ ৰৈ আছে। জাহাজ নাহে। যেতিয়া জাহাজ আহিল তেতিয়া কি যে আনন্দৰ ঢৌ! কিমান মানুহ আহি আদৰিলে, কিমান যো-জা, কিমান আগ্ৰহ!

যিসকলে গোৱালপাৰাত সম্মিলনৰ-আয়োজন কৰিছিল সি সকলৰ মাজত শ্ৰীযুত ধৰ্মনাৰায়ণ ঘোষ শ্ৰীযুত বিপিনচন্দ্ৰ ঘোষ বি এল, শ্ৰীযুত কমলেশ্বৰ নাথ, শ্ৰীযুত সভাৰাম চৌধুৰী, আদি প্ৰধান আছিল। গুৰিত পৰামৰ্শদাতা আছিল শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা (তেতিয়া মেচপাৰা জমিদাৰীৰ মেনেজাৰ) আৰু শ্ৰীযুত কালীৰাম মেধি ( তেতিয়া উক্ত জমিদাৰীৰ বিশেষ চেটেলমেণ্ট অফিছাৰ )। মেচপাৰাৰ অন্যতম জমিদাৰ শ্ৰীযুত যতীন্দ্ৰ নাৰায়ণ চৌধুৰী অভ্যৰ্থনা সভাৰ সভাপতি আছিল। তেতিয়াৰ দিনতো গোৱালপাৰাত বঙালি ভাষাৰ ইমান প্ৰতিপত্তি আছিল যে শ্ৰীযুত যতীন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে অসমীয়াতে অভিভাষণ পাঠ কৰা এটা নতুন আৰু অভাৱনীয় কথা বুলি মানুহে ভাবিছিল।

সম্মিলনৰ আয়োজন কৰোঁতা আৰু দুই চাৰিজন মানুহৰ নাম নিশ্চয় বাদ পৰিছে। মোৰ মনত থাকা লোক সকলৰ কথা লেখিলোঁ।

( ৮ )

সম্মিলন মহা পয়োভৰেৰে হল। আসাম এছোছিয়েছনৰ কাৰণেও অনেক গণ্যমান্য লোক গোট খাইছিল। শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা তাত উপস্থিত আছিল। কি কাৰণত মনত নাই,—কিবা এটা ক্ষুদ্ৰ কথাত তেওঁৰ খেহ লাগি বৰ খং কৰিলে। গোৱালপৰীয়া মানুহে আৰু আমিও বৰ বেয়া পালোঁ। গোৱালপাৰা তেতিয়াও সম্পুৰ্ণ ৰূপে অসমীয়া হোৱা নাই। আমি অতি ভালদৰে সম্মিলন বিলাক শেষ কৰি গোৱালপৰীয়া আৰু তাত থাকা বঙালি লোক সকলৰ মাজত এটা ভাল ভাব ( impression ) এৰি থৈ আহিবলৈ উৎসুক। গোহাঁই বৰুৱাৰ অহমিকাই ইয়াত বাধা দিয়ে যেন দেখিলোঁ। চন্দ্ৰধৰ বৰুৱা, কুলধৰ চলিহা, দুৰ্গেশ্বৰ শৰ্মা আৰু মই বহু যত্ন কৰি গোহাঁই বৰুৱাৰ খেহ ভাঙিলোঁ। ফুকনেও চেষ্টা কৰিছিল। কিন্তু বোধকৰোঁ নিজে গোহাঁই বৰুৱা থাকা ঠাইলৈ আহা নাছিল।

সাহিত্য-সভাৰ প্ৰথম দিনা টকা তোলাৰ প্ৰস্তাৱ হ'ল। গোহাঁই বৰুৱাই প্ৰায় একঘণ্টা কাল নানা প্ৰকাৰ কথা কৈ এটা বক্তৃতা দিলে। তাৰ ফলত, থিতাতে সাহিত্য সভালৈ ছয়শৰ ওপৰ টকা আদায় হ'ল ( সম্ভৱ ৬২৩৲ টকা )।

তেতিয়া সাহিত্য সভাৰ অফিচ ক'ত হব আলোচনা হৈ স্থিৰ হ'ল যে সেই বছৰলৈ ( তৃতীয় বছৰ ১৯১৯ ইং ) অফিচ হব তেজপুৰত আৰু সভাৰ প্ৰধান সম্পাদক হব শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা।

তেজপুৰৰ আন আন সভ্যৰ ভিতৰত শ্ৰীযুত দণ্ডিনাথ কলিতা আৰু শ্ৰীযুত মহাদেৱ শৰ্মা সম্মিলনত উপস্থিত আছিল। D.12.43

তেওঁবিলাকে গোধূলি মোক, চলিহাক আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাক গোপনে কলে যে যি টকা উঠিল সেই টকা প্ৰধান সম্পাদকৰ হাতলৈ যাব নালাগে। তাৰ এটা স্থায়ী ধন-ভঁৰাল গঠন কৰিব লাগে। ঠিক হ'ল—পাছদিনাৰ সভাত এটা অৰ্থৰক্ষক সমিতি হব।

পাছদিনাৰ সভাত সাহিত্য-সভাৰ ধন-ভঁড়াল স্থাপন আৰু এটা "বোৰ্ড অৱ ট্ৰাষ্টি" গঠনৰ কাৰণে প্ৰস্তাৱ কৰিলে শ্ৰীযুত মহাদেৱ শৰ্ম্মাই আৰু শ্ৰীযুত দণ্ডিনাথ কলিতাই। "বোৰ্ড অৱ ট্ৰাষ্টি"ৰ মেম্বৰ হ'ল —শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা শ্ৰীযুত কুলধৰ চলিহা আৰু মই হলোঁ চেক্ৰেটাৰী ( Secretary )। প্ৰকৃততে এই ৬০০৲ টকাই সাহিত্য সভাৰ পাছত টনকিয়াল অৱস্থা হোৱাৰ মূল ভেটি। আমি এই টকা লৈ যোৰহাটলৈ আহিলোঁ।

গোৱালপাৰাৰ সন্মিললৈ অনেক লোক গৈছিল। দাদায়ো সন্মিলনলৈ গৈছিল। গোৱালপাৰাৰ পৰা ফিৰিবৰ বেলিকা আমি একেলগে আহিলোঁ। প্ৰথমতে জাহাজ পোৱাই টান। ৰখি ৰখি জাহাজ পালোঁ। খৰ-ধৰ কৰি জাহাজত উঠি গুৱাহাটী পালোঁহি—পাছদিনা ৰাতি ১১।১২ বজাত। গুৱাহাটীত আমাৰ থাকা-মিলাৰ বৰ অসুবিধা। কোনো আপোন মানুহ নাই। পানবজাৰৰ এটা ঘৰত মই চিকিৎসাৰ কাৰণে মোৰ পৰিবাৰক আনি ১৯১৪ ইং চনত ৰাখিছিলোঁ। পাছলৈ সেই ঘৰটোত ৺হলিৰাম দাস উকিল আছিল। তেওঁ উকালতী ব্যৱসায় আৰম্ভ নকৰালৈকে মরেই সেই ঘৰৰ ভাৰা দি আছিলোঁ। গোৱালপাৰাৰ সন্মিলনৰ সময়ত মই ভাৰা দি আছিলোঁ নে নাই মনত নাই। যি হ'ক, আমি সেই ঘৰত উঠিলোঁ, আৰু ৰাতি বোধকৰোঁ ৰান্ধি-বাঢ়ি খালোঁ।

পাছদিনা গোধূলিৰ গাৰীত যোৰহাটলৈ ওলালোঁ। গাৰীত উঠোঁতে মোৰ মনত বৰ ফুৰ্ত্তি। গাও সম্পূৰ্ণ ভাল। সন্মিলন ভাল হৈ গ'ল। গোহাঁই বৰুৱা প্ৰধান সম্পাদক হল যদিও, ৰাইজে টকা-কড়ি আদি বিষয়ত মোকেই বিশ্বাস কৰিলে। আৰু সাহিত্য-সভাৰ যে প্ৰধান গুৰিয়াল মই, তাক সকলোৱে স্বীকাৰ কৰিলে। গতিকে মোৰ মনত আনন্দ।

কিন্তু পাছদিনা পুৱা বৰপথাৰ ষ্টেচন মানত যে সাৰ পাওঁ মোৰ গাত ৰৰ বিষ আৰু জ্বৰ। মোৰ ইনফ্লুয়েঞ্জা হ'ল। সেই সময়ৰ অলপ আগতে ইনফ্লুয়েঞ্জা সংক্ৰামক ভাৱে হৈ বহুত মানুহ মৰিছে; আৰু মানুহৰ বৰ ভয় হৈছে। সেই গাৰীতে ৺গৌৰীকান্ত ডেকাও গৈছিল। তেওঁ মোৰ কামৰালৈ আহি ২য় শ্ৰেণীত বৰ আতি-পতি কৰি মোক যোৰহাট পোৱালেগৈ। ভাগ্যগুণে যোৰহাটত মই মোৰ পৰিবাৰৰ যি বেমাৰ দেখি আহিছিলো, তেওঁ ভাৰপৰা উঠিছে।

যোৰহাটত তেতিয়া মই নৰ্মালস্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট। বজাৰ নিচিনা কৰি থাকোঁ। বন্ধু-বান্ধৱৰ কথাই নাই। যোৰহাটৰ নৰ্মাল স্কুলৰ দেৰ-শ দু-শ ছাত্ৰ সকলোৱে মোৰ প্ৰতি বৰ স্নেহ আৰু শ্ৰদ্ধা।

যোৰহাটত বেমাৰ গালোঁ। কিন্তু বেমাৰৰ কষ্টত কৰি সেই দিনত সকলোৱে পৰা যি মৰম আৰু শ্ৰদ্ধা পাইছিলোঁ সেই কথাহে মোৰ মনত পৰিছে। শ্ৰীযুত ডম্বৰু খাউণ্ড আৰু শ্ৰীযুত ভাৰতচন্দ্ৰ চলিহাই মোৰ বিছনা-পাতি কৰি দি আৰু আন নানা প্ৰকাৰে মোক বৰ আতি-পতি কৰিছিল। এচিষ্টাণ্ট চাৰ্জন ডাক্তৰ ৺ৰঞ্জনী মোহন দাসে নানা প্ৰকাৰ যত্ন কৰি আপেল আঙুৰ আদি ফল আনি দিছিল। তেতিয়াৰ দিনত এইবিলাক বস্তু যোৰহাটৰফালে দেখৰো দুৰ্লভ আছিল। তেতিয়া মোৰ দৰমহা দু-শ আঢ়ৈ-শহে আছিল। কিন্তু যিদৰে সুখত, চিন্তা নোহোৱা কৰি আৰু আনন্দত আছিলোঁ, তেনে স্বাচ্ছন্দ্যত জীৱনৰ আন ভাগ অতিবাহিত নহল।

ইং ১৯১৮ চনত ১ম মহাযুদ্ধ বন্ধ হল। ১৯১৯ ইং "ৰাওলাট-এক্ট" জালিনৱালা-বাগ হত্যাকাণ্ড



ইত্যাদি ঘটনা ঘটিল। সাহিত্য-সভাৰ অফিচ তেজপুৰত। গোঁহাই বৰুৱাই তেওঁৰ মতেৰে সাহিত্য সভাৰ কাম আৰম্ভ কৰিলে। নিয়মাৱলী সলালে। তাত পৰিবৰ্ত্তন হল প্ৰধান সম্পাদকৰ ঠাইত ঘাই সম্পাদক। সাহিত্য-সভাৰ গাৰ পৰা বঙলুৱা ভাষা আঁতৰিল। তাৰ পাছত সকলো বন্ধ।

আমি যোৰহাটৰ টকা ছয় শ মকৰাই ডিমা বুকত বান্ধা-দি বান্ধি থলোঁ। তেতিয়া বেঙ্ক আদি নাছিল। অমি ট্ৰাষ্টি তিনিও জনে ৪০০৲ টকা যোৰহাট থিয়েটাৰক ধাৰলৈ দিলোঁ। সুত বছৰি শতকৰা ১২৲ টকা; আৰু সাহিত্য সভাৰ কাৰণে যেতিয়াই বিচাৰোঁ, তেতিয়াই "বেনিফিট নাইট"। বাকী ২২৩৲ টকা যোৰহাটৰ প্ৰভাত কোম্পানী (পাছলৈ ষ্টাৰ কোম্পানী)ত জমা থলোঁ। সুত শতকৰা ১২৲ টকা বছৰি আৰু বোৰ্ড-অৱ ট্ৰাষ্টিৰ যি অলপ লিখা সৰঞ্জাম আৱশ্যক সিবোৰ ফ্ৰী। পাছলৈ যোৰহাট থিয়েটাৰে আৰু "Star & Co."এ টকা দিলে। সুত কেনেকৈ দিলে মনত নাই, সম্ভৱ সম্পূৰ্ণ দিলে।

ইয়াতে কৈ থওঁ যে ট্ৰাষ্ট বোৰ্ডৰ কাম কৰোঁতে সাহিত্য সভাৰ এটা পইচাও মই খৰচ কৰা নাই। সকলো ডাক খৰচ আদি মই নিজে দিছোঁ। ষ্টেছনাৰী ওপৰত কোৱাদৰে যি পাইছোঁ, - নহলে মই নিজে দিছোঁ।

বছৰৰ বাকী কাল ডোখৰত একো কাম নহল। সেইবাৰ সন্মিলন বহিল বৰপেটাত। সভাপতি নিৰ্বাচিত হ'ল মোৰ আপ্ত বন্ধু শ্ৰীযুত কালীৰাম মেধি। বৰদিনৰ বন্ধ, ১৯১৯ ইং। মই সন্মিলনলৈ যাব নোৱাৰিলোঁ। আগতে যাম বুলি ভাবিছিলোঁ। পাছত কিয় নগলোঁ কাৰণ মনত নাই। সম্ভৱ সেই সময়ত টকাও হাতত নাছিল।

ট্ৰাষ্ট-ফাণ্ডৰ এটা চমু ৰিপ্ৰোট নোপোৱাত মোৰ ওপৰত আক্ৰমণ কৰি সন্মিলনত দুই-এক আথাৰ কথা ওলাইছিল। তাৰ প্ৰতিবাদ কৰিছিল শ্ৰীযুত গোপীনাথ বৰদলৈয়ে।

এইদৰে কথা ওলাই থাকোঁতে সভাপতিৰ হাতত গৈ মোৰ ৰিপোৰ্ট পৰিল। সভাপতিয়ে সেই কথা কৈ ৰিপোৰ্ট পঢ়ি শুনালত, বৰদলৈৰ কথাৰ উচিত প্ৰমাণ হল। মই এই কথা শুনিছিলোঁ মোৰ দাদাৰ পৰা। তেওঁ সন্মিলনত আছিল আৰু শ্ৰীযুত মেধিয়েও কৈছিল।

[১০]

তাৰ পাছত-১৯২০ ইং সভাৰ হেড্ অফিচ আহিল গুৱাহাটীলৈ। আৰু সম্পাদক হল ৺ সত্য নাথ বৰা ডাঙৰীয়া। প্ৰাচীন লোক সকলে তেতিয়াৰ দিনত সাহিত্য সভাৰ সম্পাদক হব খোজাৰ পৰা সকলোৱে বুজিব পাৰিব যে এই বাবটোত যথেষ্ট গৌৰৱ আৰু সন্মান আছিল। এই বছৰতো ৰাজনৈতিক পৰিস্থিতি ইমান অনিশ্চিত আছিল যে সাহিত্য-সভাই একো কাম কৰিব নোৱাৰিলে। তেজপুৰত.. যেনিবা "প্ৰধান" শব্দটো "ঘাই" হৈছিল! গুৱাহাটীত সিমান খিনিও নহল। বৰা ডাঙৰীয়া বা তেওঁৰ সহকৰ্মী সকলৰ দায় নাই। দিন হৈছিল তেনে। আজি কালিও (১৯৪৩-৪৪) তাতোকৈ আমাৰ অৱস্থা বেছি সংকট-জনক। ইফালে জাপান, - সিফালে মৈমনসিংহীয়া আদি। এফালে বস্ত্ৰ-বাবৰ হাহাকাৰ; আনফালে ভেটি খোৱ্যাৰ উপদ্ৰৱ। তেতিয়াৰদৰে আজিও সকলো সাহিত্য প্ৰচেষ্টা বলহীন প্ৰেৰণাহীন।

জানো ভগৱন্তৰ পেটত আমাৰ বিষয়ে কি আছে!

সেইবাৰ সন্মিলন বহিল তেজপুৰত। সভাপতি হল ৺ পণ্ডিত হেমচন্দ্ৰ গোস্বামী। মোৰ নাম-

টোও সভাপতিৰ পদৰ কাৰণে উঠিছিল। ৺হেম গোঁসাইৰ লগত প্ৰতিযোগিতা কৰিব লাগে দেখি মই মোৰ নাম তুলি ললোঁ। ইতিমধ্যে গোঁসাই দেৱ এটা ভোটত নিৰ্বাচিত হল। মোৰ চিঠি অলপ পলমে পালে। যি হক, মই ভাল পালোঁ। হেম গোসাই নহই মই সভাপতি হোৱা হলে বৰ লাজ আৰু সংকোচনা আহিলহেঁতেন ?

এই ঘটনাৰ পৰা সাহিত্য-সভাৰ মঙ্গল হল। পাছলৈ কম।

তেজপুৰৰ সন্মিলনত মই উপস্থিত নাছিলোঁ। তাৰো কাৰণ বোধকৰোঁ টকাৰ টানেই। তেতিয়া মোৰ দৰমহাৰে মোৰ বহল পৰিয়ালটোলৈ টকা কৰি দি মোৰ হাতত যি থাকে তাৰে মোৰ স্ত্ৰী-কন্যাৰ কোনোমতেহে ভৰণ-পোষণ হয়। প্ৰায় সদায় ধাৰ লাগে। গতিকে, পৰাপক্ষত টকা খৰচ কৰিবলৈ বৰ টান পাইছিলোঁ।

যি হক, তেজপুৰ সন্মিলনে মোক সম্পাদক নিৰ্বাচন কৰিলে,— আৰু তাৰে পৰা আজিলৈকে সাহিত্য-সভাৰ অফিচ যোৰহাটত আছে।

( ১১ )

এইখিনিতে যোৰহাটত স্থায়ীভাৱে সাহিত্য-সভাৰ অফিচ থকা বিষয়ে মোৰ মত ব্যক্ত কৰি থওঁ। পৰবৰ্তী সময়ত যোৰহাটৰ পৰা সাহিত্য-সভা সলনি কৰিবলৈ বহুতো চেষ্টা হৈছিল। মই সেই চেষ্টাৰ সদায় বিৰোধিতা কৰিছোঁ। তাতে অনেকে কৈছিল যে যোৰহাটৰ গা-গধূৰ ডাঙৰীয়া কেইজনমানে সাহিত্য-সভাৰ সকলো ক্ষমতা নিজৰ হাতত ৰাখিবলৈ চেষ্টা কৰে; অথচ কাম হব নিদিয়ে। প্ৰকৃততে সেইটো কথা নহয়।

মোৰ ধাৰণাত সাহিত্য-সভা এখন গৱেষণা-মূলক অনুষ্ঠান ( Research Institution) তাৰ গঠন-প্ৰণালী গণতান্ত্ৰিক ( democratic ) অনুষ্ঠান যদিও, সাহিত্য-সভা নালাগে, যেই-সেই অনুষ্ঠানে কিবা কাম কৰিব খুজিলে, তাৰ স্থায়ী এখন অফিচ-ঘৰ, লাইব্ৰেৰী ইত্যাদি লাগে। হেড্ কোৱাটাৰ স্থায়ী নহলে এইবিলাক একো হব নোৱাৰে। এইবিলাক হলেহে আন কাম হাতত লব পাৰি। যোৰহাটত নানান প্ৰবন্ধ কৰি এটা ভাল ঘৰ আৰু ভাল মাটি এডোখৰ পোৱা হৈছে; আৰু তাত সাহিত্য-সভাৰ লাইব্ৰেৰীও ভাল হৈ উঠিছিল। আন ঠাইলৈ অফিচ গ'লে এইবোৰ নাথাকে। অফিচ অহা-যোৱা কৰোঁতে খেলি-মেলিতে কিছুদিন সময়ো লাগে। আৰু মূল্যৱান ৰেকৰ্ড-বোৰো হেৰাবৰ ভয় থাকে। এইবোৰ কাৰণত সাহিত্য-সভাৰ অফিচ অন্য ঠাইলৈ নিয়া কথাৰ মই সদায় বিৰোধী আছিলোঁ। এতিয়াও মই গুৱা-হাটীক আহিলো। এতিয়াও মই এই কথাৰ বিৰোধী। সাহিত্য-সভাৰ অফিচ যোৰহাটতহে থাকিব লাগে।

যিসকলে অফিচ সলনি কৰিব খোজে সিসকলে দুটা যুক্তি দেখুৱায়। প্ৰথম, যোৰহাটৰ পৰা আন ঠাইলৈ অফিচ আহিলে, নতুন উৎসাহ হব। দ্বিতীয়, যোৰহাটত সাহিত্য-সভাখন কিছুমান বুঢ়া অকামিলা কল্পনা নোহোৱা মনুহৰ হাতত পৰি একো কাম নকৰা হল।

দুয়োটা কথাত যুক্তি আছে। কিন্তু দুয়োটা আপত্তিকে সহজতে খণ্ডন কৰিব পাৰি। অসমৰ প্ৰতি ঠাইতে সাহিত্য-সভাৰ শাখা আছিল। সেই শাখাবোৰ শকত কৰি লৈ মূলসভাৰ দৰে কাম কৰাত একো বাধা নাই। বৰং, তাৰ কাৰণে উৎসাহহে দিব পাৰি। লাগিলে মূলসভাই টকা-কড়ি দিও তেনে সভাক উৎসাহ দিব পাৰে। দ্বিতীয়, যোৰহাটত প্ৰকৃততে সাহিত্যৰ কাৰণে ভাল চেষ্টা কৰা লোকৰ হাতত-সাহিত্য সভাৰ ভাৰ অৰ্পণ কৰিলে ভাল। দুখৰ বিষয় যোৰহাটতো সাহিত্য সভাক ছুটা কৰি লৈ কিছুদিনৰ পৰা দুই দল হৈ জেদহে খেলোৱা হৈছিল।

কথাৰ পৰা আঁতৰি আহিলোঁ। ১৯২১ ইং চনৰ প্ৰথম তিনিমাহ মই ছুটি লৈ আহিলোঁ। নলবাৰীত মোৰ জ্যেষ্ঠা কন্যা ৺ প্ৰতিভাদেৱীৰ বিয়া পাতিব লাগে। বৰ শ্ৰীমান উমাকান্ত গোস্বামী এম, এ,। গতিকে, যোৰহাটলৈ অফিচ অহাৰ তিনিমাহমানলৈ সাহিত্য-সভাৰ একো কাম নহল।

ইতিমধ্যে মহাত্মা গান্ধীৰ অহিংস অসহযোগ আন্দোলন আৰম্ভ হব ধৰিছে। আমি নলবাৰীত থাকোঁতে ৰাজনৈতিক নেতা সকলে মিটিং আদি কৰি ফুৰিছে। কোট পেণ্ট এৰি খদৰৰ ধুতি পিন্ধিবলৈ আৰম্ভ কৰিছে।

ইং ১৯১৯ চনৰ নতুন ৰিফৰ্ম মতে নিৰ্বাচন হল। এতেকে, নিৰ্বাচনৰ লেঠা লাগিল। আগষ্ট ( ১৯২১ ) মাহত মহাত্মা গান্ধী অসমলৈ আহিল। যোৰহাটলৈকো গ'ল। চাৰিওফালে তোলপাৰ। সাহিত্যৰ কথাকে কোনেও নুশুনে। চিঠি লেখোঁ। দুই-একে মোৰ নিজৰ প্ৰতি খাতিৰ কৰি দুই-এক উত্তৰ দিয়ে। কিন্তু সাহিত্যৰ প্ৰতি আগ্ৰহ একে-বাৰেই নুমাল। মই নৰ্মাল স্কুলত। নৰ্মাল স্কুলত মোৰ ছাত্ৰ দুই চাৰি জনলৈ লেখা-লেখি কৰি কোনোমতে সভাখান জীয়াই ৰাখিলোঁ। কিন্তু কাম একো নহল। ১৯২১ ইং বৰদিনৰ বন্ধত যি সন্মি-লন হব লগীয়া আছিল সি সন্মিলন নহল।

ইং ১৯২২ চন আৰম্ভ হল। সাহিত্য-সভাৰ ফালে তেনে অৱস্থা। মই মাজে-মাজে দুই এখন সভা পাতোঁ। টকাখিনিৰ হিচাব দাখিল কৰোঁ। কাৰ্য্যনিৰ্বাহক সভা সকলৰ ভিতৰত কোনো আহে কোনো নাহে। সেই সময়ত মানুহৰ অসহযোগ আন্দোলনৰ বাহিৰে আন একোৰে প্ৰতি মন নোহোৱা হৈছিল। আজি ( ১৯৪৪ ফেব্ৰুৱাৰী ) পলিটিকেলি দেশৰ অৱস্থা তেতিয়াৰ দৰেই। কিন্তু তেতিয়া যুদ্ধৰ ভীষণ ভয়, আৰু জাপানৰ বিভী-ষিকা দেশত নাছিল। তেতিয়া মানুহে ভাবিবও পৰা নাছিল যে কুৰি বছৰ পাছত জাপানে আমাৰ দেশৰ সীমাত বহি আমাৰ বুকলৈ বন্দুক ডাঙি ভয় খুৱাই থাকিব।

## তৃতীয় অধ্যায়

### যোৰহাট সাহিত্য সভাৰ পুনৰ-জীৱন

( ১২ )

ইং ১৯২২ চনত, বোধকৰোঁ বাৰিষা কালত, ৺হেম গোসাঁই যোৰহাটলৈ বদলি হল। এওঁৰ কথা অনেকে অনেক কৈছে। ময়ো কৰবাত কিবা চিঠি লেখিছোঁ। কিন্তু দুটা গুণে তেওঁৰ প্ৰতি মোৰ মন আকৃষ্ট কৰিলে। তেওঁ বৰ ধেমেলীয়া, ৰসিক কথা পাতিব পৰা মানুহ আছিল। সেইদেখি সমাজিক লোক আছিল। তাতো কৰি ডাঙৰ গুণ আছিল— এওঁ বৰ আশা-বাদী (optimist )। তেওঁ সদায় কৈছিল—অসমীয়া মানুহৰ বহুত উন্নতি হৈছে,— ভাৰতবৰতো কথাই নাই। আৰু যিমানে যি নহক, আমাৰ ভাল নহই নোৱাৰে। অসমীয়া সাহিত্যৰো ভাল দিন আহিছে। এওঁৰ এই গুণটোৱে মোৰ মনত বৰ বিশ্বাস জন্মালে।

সাহিত্য-সভাৰ কথা পাতিলে গোসাঁয়ে কয়— ৰবা, দিন আহক। চাবা তেতিয়া। এইদৰে গোসাঁইৰ লগত কথা-বাতৰা পাতি—আমি ঠিক কৰিলোঁ যে মানুহ যেতিয়া সভালৈ নাহে—চাহ খাবলৈ কি জানি আহিব। ইয়াকে ভাবি আমি

নাম আৰু 'চাহ মেল' মিহলাই এটা নতুন অনুষ্ঠান পাতিলোঁ। তুয়ো গই ৰায় বাহাতুৰ দেৱী চৰণ বৰুৱাক কলোঁ।—তেৱেঁ প্ৰথম নিমন্ত্ৰণটো কৰক। ৰায়বাহাতুৰৰ কথা আগতে লেখিছোঁ। তেওঁ এই কথাত মান্তি হল,— আৰু তেওঁৰ ঘৰতে আমি ১৫।২০ জন মান মানুহ গোট খালোঁ। নাম বুলিছোঁ এই কাৰণে যে আমি চাহৰ লগত আন আন বস্তুৰ উপৰি গাজি-মাহ, কুঁহিয়াৰ, নাৰিকল ইত্যাদিও দিছিলোঁ। অনুষ্ঠানটোৰ কোনো প্ৰোগ্ৰাম নাছিল। সকলোৱে নানা প্ৰকাৰ কথা পাতিলে। হেম গোঁসায়ে নানাবিধ গল্প কৈ মানুহক হঁহুৱালে। সাহিত্যৰো আলোচনা হল। দুই তিনি ঘণ্টা এইদৰে থাকি আমি উঠিলোঁ। এই সামাজিক মিলনটো সকলোৰে পক্ষে নতুন ঘৰত আৰু তৃপ্তিপদ হল। গতিকে, ইয়াৰ পাছতো যাতে তেনে মিলন হয় তাৰবাবে সকলোৰে আগ্ৰহ হল।

ৰায়বাহাতুৰৰ পাছত—মোৰ ঘৰত, ৰায়বাহাতুৰ কৃষ্ণকুমাৰ বৰুৱাৰ ঘৰত আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ ঘৰত এইদৰৰ টি-পাৰ্টি হল। বন্ধু-বান্ধৱ গোটখাই কথা-বাৰ্তা পাতি সকলোৰে মন প্ৰস্তুত হল যে আমি যোৰহটীয়া ইমানখিনি শিক্ষিতলোকে কিবা এটা ভাল কাম কৰিব লাগে।

সাহিত্য-সভা was always in the offingৰ। গতিকে, সাহিত্য-সভা পাতা ঠিক হল। বৰদিনৰ বন্ধত (১৯২২ ইং) সম্মিলন মাতাৰ কথা আছিল। কিন্তু বোধকৰোঁ কোনো ৰাজনৈতিক কাৰণত তেতিয়া সম্মিলন নাপাতি ১৯২৩ ইং ইষ্টাৰত পাতা হল। সভাপতি হল ৺অমৃতভূষণ অধিকাৰী।

এই যে সম্মিলন হল, তেতিয়াৰে পৰা হঠাৎ যেন সাহিত্য-সভাৰ ভাগ্যৰ আকাশখন মুকলি হই গ'ল। ধুবুৰীৰ পৰা আৰম্ভ কৰি সদিয়া, কলিকতা, ঢাকা, কাশী আদি কৰি সকলো কেন্দ্ৰতে সাহিত্য-সভাৰ শাখা পাতিবলৈ এটা প্ৰবল আগ্ৰহে দেখা দিলে। এই সময়তে শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী, শ্ৰীমান দেৱেশ্বৰ শৰ্ম্মা, শ্ৰীমান আত্মনাথ শৰ্ম্মা আদি কৰি মোৰ সহকাৰী কৰ্ম্মী আছিল। পাছলৈ শ্ৰীযুত দেবেন্দ্ৰ নাথ বেজবৰুৱা, শ্ৰীযুত পূৰ্ণানন্দ পাঠক, শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা—সাহিত্য সভাৰ কামৰ লগত যুক্ত আছিল। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা পত্ৰিকা সম্পাদক আছিল। কিন্তু এইবিলাক, যেতিয়া সাহিত্য-সভা অতি স্থায়ী ৰূপে স্থাপিত হল, তেতিয়াহে।

শাখা-সভা আদি স্থাপনত মই মোৰ ছাত্ৰ শিক্ষকসকলৰ পৰা বৰ সহায় আৰু সহযোগিতা পাইছিলোঁ। মোৰ দিনত নৰ্মালৰ তৃতীয় বাৰ্ষিক পাছ কৰি উঠা লৰাবিলাক প্ৰকৃততে শিক্ষিত, মাৰ্জ্জিত-ৰুচি সম্পন্ন, প্ৰকৃত শিক্ষক আৰু স্বদেশ-প্ৰেমিক মানুহ হৈ উঠিছিল। তেওঁ বিলাকৰ অনেকেই পাছত শিক্ষক হিচাবে, সাহিত্যিক হিচাবে আৰু দেশৰ জনাবুজা মানুহ হিচাবে যথেষ্ট মান, সৎকাৰ আৰ্জ্জিছে। সাহিত্য-সভাৰ আদি ভাগত তেওঁলোকেই বৰ উৎসাহী সভ্য আছিল,— আৰু নানা পৰি যত্ন কৰি সাহিত্য-সভাৰ শাখা সভাবোৰ পাতিছিল।

[১৩]

এই সময়ত উত্তৰ বঙ্গৰ বানপানী। বোধকৰোঁ ১৯২৩ ইং চনৰ বাৰিষা। বঙালি কথা কব জনা জাতি; আৰু আজি কালিৰ ভাষাত কৃতী প্ৰচাৰকৰ কষ্ট নিশ্চয় হৈছিল। চাৰ পি, চি, ৰয়ে 'সংকটত্ৰাণ সমিতি' বুলি ৰিলিফৰ কাম হাতত লৈছে। কলিকতীয়া কাগজৰ পিঠিত উত্তৰ-বঙ্গৰ নানা প্ৰকাৰ



দুদৰ্শাৰ ঘটনা আৰু ছবি। মানুহৰ মন দানৰকালে উদগ্ৰীৱ। যোৰহাটত টকা তুলিবলৈ সমিতি হল। এছিষ্টাণ্ট চাৰ্জ্জন ডাঃ হিৰণ্যকুমাৰ সেন মোৰ বিশেষ বন্ধু। তাৰ অলপ আগতে মোৰ টান জ্বৰ হৈছিল। তাৰপৰা তেওঁ বহুতো পৰিযত্ন কৰি মোক ভাল কৰি তুলিছে। টকা তোলাত সহায় যি পাৰোঁ চেষ্টা কৰিলোঁ।

বাহুলিপাৰাৰ শ্ৰীযুত ৰাধানাথ গোস্বামী সেই সময়ত যোৰহাটলৈ আহিল। এওঁবিলাক মাহৰাৰ গোসাঁই। তেওঁৰ অগ্ৰজ ৺দেৱেশ্বৰ গোসাঁয়ে বাহুলিপাৰৰ ওচৰতে কুঁহিয়াৰ-বাৰী কৰি চেনিৰ কল স্থাপন কৰিছিল। যি সময়ৰ কথা কৈছোঁ,—তেতিয়া তেওঁলোকে চাহৰ খেতিও কৰিছে। ধনী মানুহ।

শ্ৰীযুত ৰাধা গোসাঁই আহি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ ঘৰতে আছে। ৺দেৱেশ্বৰ গোসাঁই ৺হেমচন্দ্ৰ গোসাঁইৰ বিয়নি। চন্দ্ৰধৰ বৰুৱাৰ ঘৰতে উত্তৰ-বঙ্গ বানপানীৰ কাৰণে বহুতো (৫৫৯৲) টকা উঠিল। ৰাধা গোসাঁয়ো কিছু টকা দিলে ২০৲।২৫৲। কথাই কথাই ৰাধা গোসাঁয়ে কলে যে তেওঁ তেওঁৰ মাকৰ নামত কোনো সৎ-কামত কিছু টকা দিবৰ মন কৰে। হেম গোসাঁই, চন্দ্ৰধৰ বৰুৱা আৰু মইও তালৈ আহিলোঁ। আমি পোনতে সাহিত্য-সভাৰ কথা তুলি ধৰিলোঁ। কথা হল যে গোসাঁয়ে ঘৰলৈ গৈ সকলো কথা-বাৰ্তা হব। মাককো সুধিব। আমি প্ৰস্তাৱ কৰিলোঁ, যে দুহাজাৰ টকা দিলে গোসাঁইৰ মাক কমলাদেৱীৰ নামত এটা সাহিত্য-সভাৰ ঘৰ সাজা হব,— আৰু তাৰ নাম হব "কমলাদেৱী সাহিত্য মন্দিৰ।"

গোসাঁই ঘৰলৈ গ'ল। এই সময়তে শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱাই এখন নতুন মোটৰ-গাড়ী কিনিছে। তেতিয়া মোটৰ-গাড়ী যোৰহাটত – আৰু অসমত বৰ কম। এদিন বেজবৰুৱাৰ গাড়ীত— হেম গোসাঁই, ৰামেশ্বৰ বৰুৱা আৰু মই আমি শ্ৰীযুত ৰাধানাথ গোস্বামীৰ ঘৰ ওলালো গই। শ্ৰীযুত পূৰ্ণানন্দ পাঠকে ৰাধা-গোসাঁইৰ মাজুজন দাদাকৰ ছোৱালী বিয়া কৰাইছিল। তেওঁ সিদিনা মোটৰত গ'ল নে নাই মনত নাই। কিন্তু এই টকা পোৱা কামত তেৱোঁ যথেষ্ট সহায় কৰিছিল।

আমি গোসাঁইৰ ঘৰত খাই-বই তৃপ্ত হই আহিলোঁ। ৺কমলা দেৱীকো চাই-চিন্তি আহিলোঁ। তেওঁ তেতিয়া বুঢ়ী। কিন্তু আমাৰ লগত অতি সুন্দৰভাৱে কথা-বাৰ্তা কলে।

ইয়াৰ পাছতেই ৰাধা-গোসাঁয়ে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱালৈ টকা দি পঠালে; আৰু প্ৰথমতে আমি সেই টকা "ষ্টাৰ এণ্ড কোং" বুলি বিশ্বাসী আৰু সকলোৰে মৰমৰ দোকানত এখনত জমা থলোঁ। পাছলৈ নি যোৰহাট 'টাউন-বেঙ্কত' থলোঁ।

( ১৪ )

সাহিত্য-সভাৰ ঘৰ কৰিব লাগে। টকা হল এতিয়া ঠাই নাই।

এতিয়া য'ত 'চন্দ্ৰকান্ত সন্দিকৈ হল' আছে, তাত পূৰ্বে গভৰ্ণমেণ্ট হাইস্কুলৰ হোষ্টেল আছিল। এই সময়ত (১৯২৩-২৪) সেই ঠাই ডোখৰ খালি আছিল; আৰু যোৰহাট পোষ্টাফিচ আৰু এই ঠাই ডোখৰৰ মাজত হাইস্কুলৰ হেড্‌মাষ্টৰৰ ঘৰ আছিল। হেডমাষ্টৰ আছিল ৺ৰামেশ্বৰ বৰুৱা। খালি ঠাই ডোখৰ হাইস্কুলৰ জিম্মাত। স্কুলৰ ইনিস্পেক্টৰ আছিল ৰায়চাহাব ৺দুৰ্গাধৰ বৰকটকী। বৰকটকী চাহাব সেই সময়ত ৰামেশ্বৰ বৰুৱাৰ ঘৰটোত থাকে।

এই খালি ঠাই ডোখৰত প্ৰথমতে মোৰ চকু পৰিল। ৰামেশ্বৰ বৰুৱা আৰু বৰকটকীৰ লগত

কথা-বাৰ্তা হই ঠিক কৰিলোঁ। যে এই ঠাই ডোখৰো শিক্ষ-বিভাগক নালাগে বুলি পি, ডব্লিউ, ডিক, ধৰিব লগীয়া হল।

তেতিয়া মিঃ ডিছেনী চীফ ইঞ্জিনিয়াৰ। এওঁ তাৰ পূৰ্বে যোৰহাটত চুপাৰভাইজিং ইঞ্জিনিয়াৰ আছিল। তাত থাকোঁতে মোৰ লগত অলপ জানা-শুনা আছিল,— আৰু নৰ্মাল স্কুলৰ কিবা ঘৰ বান্ধা কথাত মই কামিলা মানুহ বুলি তেওঁৰ অলপ ধাৰণা আছিল বুলিও বিশ্বাস।

অনেক ভাবি-গুণি ডিছেনী চাহাব মফছললৈ যোৰহাটক আহাত তেওঁক ধৰাকে স্থিৰ কৰিলোঁ। হেম গোঁসাই, শিক্ষা বিভাগক মাটি নালাগে বুলি কবলৈ হেডমাষ্টাৰ ৰামেশ্বৰ বৰুৱা, মছলমান বুলি খাঁ বাহাদুৰ কেৰামত আলি (তেতিয়া তেওঁ খাঁ বাহাদুৰ হোৱা নাই), বঙালি বুলি গভৰ্ণমেণ্ট প্লিডাৰ ৰায় বাহাদুৰ প্ৰমদা কিশোৰ ৰায়, আৰু মই— আমি পাচোঁজনে ডিছেনী চাহাবক দেখা কৰিলোঁ গই। ডিছেনী চাহাব অষ্ট্ৰেলিয়াৰ মানুহ। কথা পাতোঁতে দেখা গ'ল যে তেওঁৰ পুৰণি তথ্যাদি সম্পৰ্কে কিছু স্বাৰ্থ আছে। এতেকে মাটি দিয়া কথাত তেওঁৰ সহানুভূতি পালোঁ। আৰু পাছদিনা মোক মাতি নি, পি, ডব্লিউ, ডি,ৰ ফালৰ পৰা মাটি সাহিত্য সভাক দিলে একো আপত্তি নাই বুলি লেখি দিলে। তেতিয়া শিক্ষা-বিভাগৰ ফালৰপৰাও লেখাই ললোঁ। যোৰহাটত তেতিয়া ডিপুটী কমিছনাৰ সম্ভৱতঃ মিঃ এলেন, নহলে, মিঃ গানিং। যেয়ে নহক, ডিপুটী কমিছনাৰক কোৱা মাত্ৰকতে সাহিত্য-সভাক মাটি দিলে। পাট্টা পোৱাত আৰু কিবা-কিবি কথাত দেৰী হল।

এটা কথা ইয়াতে লেখি থওঁ। সাহিত্য-সভাৰ কামত সকলো মানুহৰ ইমান সহানুভূতি আছিল, আৰু মোৰ প্ৰতি যোৰহাটৰ মানুহৰ ইমান শ্ৰদ্ধা আছিল যে মই মোৰ সকলো কামতে কাছাৰীৰ আমোলা-মহৰী, আৰু আন বাহিৰা মানুহ আদি যাৰ পৰা যেতিয়াই কিবা সহায় বিচাৰিছিলোঁ, তাকে অতি সহজতে পাইছিলোঁ। গতিকে মাটিখিনি পোৱাত মই অকণো কষ্ট কৰিবলগীয়া হোৱা নাছিল।

আইন বিষয়ক কিবা কথা কৰিব লগীয়া হলে শ্ৰীমান দেৱেশ্বৰ শৰ্ম্মা জি, পিয়ে সেইবোৰ অতি সোনকালে মোৰ অলপো দুখ নোহোৱা কৰি দিহা দিছিল।

আজি গুৱাহাটীত মই তিমানখিনি সহায় সম্পদ পোৱা নাই। আগলৈ পাম বুলি আশা কৰোঁ।

[১৫]

টকা পালোঁ। মাটি হ'ল। এতিয়া ঘৰ কৰিব লাগে।

'কমলা দেৱী সাহিত্য মন্দিৰ' নাম দি ঘৰৰ নক্সা তৈয়াৰ হল।

এনেতে এটা ঘটনা ঘটিল। মই ৺বিষ্ণুৰাম লাইব্ৰেৰীৰ চেক্ৰেটৰি আছিলোঁ। সেই সময়ত মোৰ সহকাৰী আছিল ৺চন্দ্ৰকান্ত সন্দিকৈ বি,এ। ৺চন্দ্ৰকান্ত বৰ ধুনীয়া ডেকা লৰা। কথা-বাৰ্তাত বৰ সুন্দৰ। ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ বিখ্যাত চাহ খেতিয়ক, ধনী। গভৰ্ণমেণ্টৰ ডাঙৰ কাম কৰি পেঞ্চন লৈ আছে। চন্দ্ৰকান্ত তেওঁৰ দ্বিতীয় পুত্ৰ। কথা-বাৰ্তাই অমায়িক। ৰাজহুৱা কাম কৰিবৰ মন। মোৰ প্ৰতি শ্ৰদ্ধাশীল। তেতিয়াৰ দিনৰ সকলো যোৰহাটীয়া ডেকাদলে মোক বৰ শ্ৰদ্ধা আৰু মৰম কৰিছিল। গতিকে মোৰ সহকাৰী লাইব্ৰেৰীয়ান হৈ চন্দ্ৰকান্ত সন্দিকৈ বৰ আপ্যায়িত। প্ৰায়েই আমাৰ ঘৰক আহে, চাহ খায়। ঘৰৰ সকলোৰে লগত মিলে। ১৯২৩ চনৰ মে কি জুন মাহত মোৰ



বেছি ৰকম জ্বৰ হল। মই ডাক্তৰৰ পৰামৰ্শমতে চিলঙলৈ গ'লোঁ। তাৰপৰা ফিৰি আহিলোঁ আগষ্টত।

আগত লেখি অহা উত্তৰ-বঙ্গ-বানপানী বোধ কৰোঁ ১৯২২ চনৰ অক্টোবৰ মাহত হৈছিল।

বছৰটোৰ অলপ খেলি-মেলি লাগিল। মোৰ যিমান মনত পৰিছে, ১৯২৩ ইং চনৰ ৯ চেপ্তেম্বৰ তাৰিখৰ দিনা টাইফয়ড্ জ্বৰ হৈ চন্দ্ৰকান্ত সন্দিকৈ ঢুকাল। তাৰ এসপ্তাহ আগতে তেওঁৰ ভায়েক ৰায়বাহাদুৰৰ চতুৰ্থ পুত্ৰ ইন্দ্ৰকান্ত মৰিছে। প্ৰথমতে ইন্দ্ৰকান্তৰ টাইফয়ড হৈ আছিল। তেওঁক শুশ্ৰূষা কৰোঁতে সেই বেমাৰে চন্দ্ৰকান্তক ধৰিলে। এসপ্তাহৰ ভিতৰত ওপৰা-ওপৰি কৰি দুজন লৰা ঢুকুৱাত সন্দিকৈ আৰু সন্দিকৈয়নীৰ অৱস্থা সহজতে অনুমান কৰিব পাৰি। তেওঁলোকৰ আন দুই পুত্ৰ কৃষ্ণকান্ত আৰু লক্ষ্মীকান্ত তেতিয়া বিলাতত।

ইয়াতে এটা কথা লেখিবৰ মন গ'ল। ইন্দ্ৰকান্তৰ টাইফয়ড হওঁতে ঘৰৰ বাকীখিনি মানুহক এণ্টি-টাইফয়ড বেজী দিয়া হলে চন্দ্ৰকান্ত মৰিবলৈ নাপায়। ভাল ডাক্তৰেই চিকিৎসা কৰিছিল। তেতিয়া কি হল হয়? বোধকৰোঁ মোৰ এই বিৱৰণ লেখাৰ আৱশ্যক নহল হয়। ইও এটা 'যদি'।

[১৬]

এই সময়ত যোৰহাটৰ পৰা শ্ৰীযুত কৃষ্ণকান্ত পেস্কাৰে "আসাম বিলাসিনী" উলিয়ায়। এই কাগজখনত কোনোবা এজনে [ পাছত শুনিছিলোঁ মৌঃ পঞ্জিকদ্দিন আহমদ বুলি ] এটা প্ৰৱন্ধ লেখিলে। প্ৰৱন্ধটোৰ ভাৱ এই যে চন্দ্ৰকান্ত মৰিল— দুখৰ কথা। কিন্তু ইয়াৰ পৰা ভাল ফলো হল। কাৰণ সন্দিকৈ ডাঙৰীয়াই তেওঁৰ দুই পুত্ৰৰ স্মৃতিৰ অৰ্থে এটা মেডিকেল স্কুলত আৰু এটা কটন কলেজত বৃত্তিৰ বিধান কৰিব খুজিছে। ক'ত কেনেকৈ ঈশ্বৰৰ সদিচ্ছা লুকাই থাকে বুজিব নোৱাৰি।

প্ৰৱন্ধটোৰ ভাৱ যিয়েই নহক, ভাষাত সন্দিকৈ সন্দিকৈয়নীক সান্ত্বনা দিবৰ কোনো চেষ্টা নাছিল; বৰং লাভৰ কথাহে আছিল। তাতে তেওঁবিলাক দুয়োজন ভালেমান ক্ষুণ্ণ হল।

এদিন আবিলে মই ফুৰিছোঁ। ইনিস্পেক্টৰৰ অফিচৰ আগত এজোপা বৰ ডাঙৰ আহঁত গছ আছে— তাৰে ওচৰত—চন্দ্ৰকান্তৰ মৃত্যুৰ এমাহ দেৰমাহ মানৰ পাছত। সিফালে সন্দিকৈ ডাঙৰীয়াও আহিল।

তেতিয়া সন্দিকৈ ডাঙৰীয়াৰ লগত মোৰ বিশেষ বন্ধুত্ব বা স্নেহৰ সম্পৰ্ক নাছিল। তেখেত সেই সময়ত বাগিছাত থাকে। যোৰহাটত থাকাতো কাৰো লগত আহা-যোৱা নকৰে। ইত্যাদি কাৰণত আমাৰ সম্পৰ্কে একে নগৰত থাকা দুজন মানুহৰ চিনাকিৰ দৰে।

কথাই কথাই 'আসাম বিলাসিনী'ৰ প্ৰৱন্ধৰ কথা ওলাল। তেতিয়া মই কলোঁ যে বৃত্তি দুটা দিয়াৰ পৰা তেওঁৰ মৰমৰ পুত্ৰ দুজনৰ যথেষ্ট স্মৃতি ৰক্ষা কৰা নহব। কাৰণ, তেনেকুৱা বিশেষ বৃত্তি অনেক আছে। কোনে দিছে, কোনে পায়, কোনোৱে নাজানে। এই প্ৰকাৰ কথা কোৱাত, তেওঁৰ ইচ্ছা হল পাৰিলে আন প্ৰকাৰে কিবা কৰিলে বেয়া নহব। কথাতে মোক পৰামৰ্শ সুধিলে। * মই কলোঁ, সাহিত্য-সভাৰ কাৰণে এটা লাইব্ৰেৰী কৰি দিলে ভাল হয়। কিমান টকা লাগে বুলি সোধাত মই কলোঁ যে বৃত্তি দুটাৰ কাৰণেও পাঁচ-হাজাৰ মান টকা দিব লাগিব; সেইখিনি টকাৰেই লাইব্ৰেৰীও কৰা যাব পাৰে।

তেতিয়া 'কমলাদেৱী সাহিত্য মন্দিৰ"ৰ কথা কলোঁ। দুহাজাৰ টকাৰে অফিচ হব; পাঁচহাজাৰ

* সাহিত্য সভা always [illegible] in the offing.

সভাৰ ফালৰ পৰাও চেষ্টা কৰা নহল আৰু গোঁসায়ো স্বৰ্গী হল।

তাৰ পাছত ১৯২৮।২৯ চনত যোৰহাটত যি সাহিত্য সম্মিলন হয়, সেই সময়ত ৺সোমেশ্বৰ শৰ্মাৰ পুত্ৰ শ্ৰীযুত পদ্মনাথ শৰ্মাৰ ( চেনিজান ) শ্ৰীযুত ৰামেশ্বৰ শৰ্মা আৰু শ্ৰীযুত ফণীধৰ শৰ্মা প্ৰভৃতিয়ে তেওঁলোকৰ পিতৃৰ নামৰ গৌৰৱ উপলক্ষে কেই হাজাৰমান টকা দিব বুলি কোৱা-কুই কৰিছিল। কিন্তু সাহিত্য-সভাৰ কৰ্ম-শৈথিল্যৰ কাৰণে এই টকা পোৱা নহল।

প্ৰকৃততে এই তিনিটা ট্ৰাষ্টফণ্ডৰ বাহিৰে আজিলৈ সাহিত্য-সভাই কোনো স্থায়ী টকা লোৱা নাই। ই দুখৰ কথা। 19/2/44

## চতুৰ্থ অধ্যায়

### 'চন্দ্ৰকান্ত সন্দিকৈ হল,' 'চন্দ্ৰকান্ত অভিধান' আদি

( ১৯ )

সাহিত্য সভাৰ বিতোপন ঘৰ-দুৱাৰ, কম্পাউণ্ড, চকি মেজ ইত্যাদি হই উঠিল। প্ৰকৃততে অসমত তেনে অনুষ্ঠান দ্বিতীয় নাছিল। সৰু হলেও ঘৰ, চকিমেজ, বহী-পত্ৰ ইত্যাদি সকলো চিকচিকিয়া, জিকিমিকি প্ৰকাশ কৰি আছিল। ঘৰদুৱাৰ হোৱাৰ লগে লগে আচল কৰি নানান কাৰ্য্যও আৰম্ভ হল।

নানা প্ৰকাৰ লেখা পঢ়া কৰি মই অসম উপত্যকাৰ লোকেলবোৰ্ড বিলাকৰ পৰা আৰু দুখন মান মিউনিচিপালেটিৰ পৰা সাহিত্য-সভালৈ বাৰ্ষিক বৰঙনি আনিছিলোঁ। প্ৰথম বৰঙনি দিছিল শিৱসাগৰ লোকেলবোৰ্ডৰ চেয়াৰমেন শ্ৰীযুত তাৰাপ্ৰসাদ চলিহাই ; আৰু শেষ দিছিল গুৱাহাটী লোকেলবোৰ্ডৰ চেয়াৰমেন ৺তৰুণৰাম ফুকনে। ৺তৰুণ ফুকনে টকা দিয়া কথাটো এটা গল্পই হয়। তেখেতে কয়, "গোঁসাই, তুমি মোক আমনি নকৰিবা। মোৰ গুৱাহাটীৰ বোৰ্ডৰ ইমান আলি, ইমান স্কুল, ইমান ডাক্তৰখানা। গভৰ্ণমেণ্টে ইমান কম টকা দিয়ে। সাহিত্য-সভাক দিবলৈ মোৰ ক'ত টকা আছে!" মই কওঁ, "চাৰ, ইমান বিলাক খৰচ। সেই বোৰ্ডে নো সাহিত্যৰ কাৰণে এশ টকাও দিব নোৱাৰেনে?"

পাছলৈ এনে হল যে ফুকনে পাৰিলে মোক টকা নিদিয়ে। মোৰো এনে হল যে মই ফুকনৰ পৰা টকা উলিয়াইহে এৰিম। শেষত কিবা এটা কথাত তেখেত ইমান সন্তুষ্ট হই কলে যে "তোমাৰ ধৈৰ্য্য আছে। লাগি থাকিবও পাৰা। বাৰু, তোমাৰ সাহিত্য-সভাক এই বছৰলৈ পঞ্চাশ টকা দিম।"

তাৰ পাছতো বোৰ্ডে এই টকা দি আছিল ফুকনৰ এই কথাটো লেখিলে। তেখেতৰ বন্ধুত্বৰ প্ৰতি সন্মান দেখুৱাবলৈ। তেখেতে পৰীক্ষা কৰি চালে প্ৰকৃততে সাহিত্য-সভাই ধৈৰ্য্য ধৰি কাম কৰিব পাৰিব নে নাই।

ফুকনৰ পৰাই সাহিত্য-সভাই বহুত সহায় পাইছে—বিশেষকৈ ধুবুৰী সম্মিলনত। সেই কথা পাছত ওলাব গই।

গভৰ্ণমেণ্টৰ পৰাও অনেক লেখা-লেখি কৰাত কিছু সহায় পোৱা হল। বোধকৰোঁ, পোনৰবাৰ তিনি শ মান টকাহে পোৱা হল, পাছলৈ এহেজাৰ হল। মাজতে চাৰি হাজাৰো হৈছিল। ক্ৰমে ওলাব।

সভ্য সকলেও আৰু শাখা সভা বিলাকেও নিয়মিত বৰঙনি দিয়া হল। আৰু প্ৰতি সম্মিলনতো অলপ নে অলপ টকাৰ যোগাৰ হল।

এনে সময়ত সাহিত্য-সভাৰ এটা নিয়মিত অফিচ কৰিলোঁ। কেৰানী এজন ৰাখিলোঁ। চকি-



দাৰ এজন, পিয়ন এজন ; আৰু মানুহ ৰাখাই নহল। তেওঁলোকৰ যথেষ্ট কামো হল।

মই গোধূলি সদায় ৬ মান বজাৰ পৰা ৯ মান বজালৈ কাম কৰোঁ। কেৰাণী দুবাৰ আহে। এবাৰ পুৱা আৰু এবাৰ গোধূলি বেলিকা।

চন্দ্ৰকান্ত হল ঘৰে-দুৱাৰে, মেজে-মজিয়াই, বিজুলী-পোহৰে, বিজুলী-ফেনে চিক্‌মিকাই থাকে। নগৰৰ সকলো গণ্যমান্য মানুহে গোধূলি এবাৰ নে এবাৰ সাহিত্য-সভাৰ হলত সোমাই যায় ; আৰু মই সহকাৰী সকলোৰে লগ লাগি নিৰ্দিষ্ট মতে হৃষ্ট মনেৰে কাম কৰোঁ।

ডেকা কালৰ এই দিন সুঁৱৰি আজিও মন হৰ্ষিত হৈ উঠে। গুৱাহাটীত তেনে এটা কেন্দ্ৰ কৰিবৰ মন। সময় পৰিল বেয়া ; সহকাৰী নাই। মনতো বোধকৰোঁ আগৰ দৰে উৎসাহ আৰু আকাংক্ষা নাই। কিন্তু আমাৰ সাহিত্যৰ অৰ্থে তেনেকুৱা আৰু এটা উজ্জ্বল যুগ আনিব নোৱাৰিলে আমাৰ ভাৰসা নাই।

অকল সাহিত্য-সভাই নহয়। পাৰ্বত্য অঞ্চলত অসমীয়া প্ৰচাৰৰ অৰ্থে আৰু আন নানান প্ৰকাৰে অসমীয়া সাহিত্যৰ অঙ্গ পূৰাবলৈ মই নানান চেষ্টা কৰিছোঁ। এতিয়া সেইবোৰ টনকিয়াল কৰিব বিচাৰোঁ। কিন্তু আজিলৈ ভাল সুযোগ ওলোৱা নাই। 19/12/44

[ ২০ ]

ঘৰ দুৱাৰ যেতিয়া হৈ উঠিল। তেতিয়া চৰকাৰৰ পৰা আৰু অলপ বেছি সহায় পাব পাৰিলে ভাল,—এনে এটি আকাংক্ষা হল। সাহিত্য সভাৰ কাৰ্য্য-ক্ৰম এনেকুৱা আছিল :—

[১] ছাপাখানা এখন স্থাপন কৰি চন্দ্ৰকান্ত অভিধানকে আদি কৰি সাহিত্য-সভাৰ সকলো কাম কৰিব লাগে, আৰু বাহিৰা কাম কৰি ছাপাখানাৰ সাধাৰণ খৰচ উলিয়াব লাগে। (২) এটা ৰিচাৰ্চ লাইব্ৰেৰী স্থাপন কৰি তাত অন্ততঃ তিনিজন ৰিচাৰ্চ-স্কলাৰ ৰাখি ভাষা, ৰাজনৈতিক বুৰঞ্জী আৰু সাহিত্যৰ আৰু ধৰ্ম্মৰ (Cultural) বুৰঞ্জীৰ বিষয় নিয়মিত অনুসন্ধান কৰা। (৩) কমলাদেৱী শিশু সাহিত্য, নৱদেৱ গ্ৰন্থাৱলী আদিৰ দৰে বিজ্ঞান, দৰ্শন, জীৱনী, ভ্ৰমণ কাহিনী, গল্প প্ৰভৃতি বিষয়ক নতুন আৰু অনুবাদ-গ্ৰন্থ প্ৰণয়ন কৰোৱাই তাক প্ৰকাশ কৰা।

এই কেওটা বিষয়ে স্কলাৰ প্ৰস্তুত কৰি কাম হাতত লোৱা হৈছিল। বহুত দুষ্প্ৰাপ্য-গ্ৰন্থ সংগ্ৰহ কৰি সাহিত্য-সভাৰ লাইব্ৰেৰীত ৰখা হৈছিল ; আৰু লাইব্ৰেৰী ব্যৱহাৰৰ নিয়ম আদিও কৰ হৈছিল।

যি হক, এইবিলাক কাজ হাতত লৈ গভৰ্ণমেণ্টক টকাৰ কাৰণে অনুৰোধ কৰিবৰ দিহা কৰা হ'ল।

'চন্দ্ৰকান্ত সন্দিকৈ হল' তৈয়াৰ হৈছে। তাকে লোৱাৰ উপলক্ষ্য কৰি উদ্বোধন উৎসৱৰ বাবে তেতিয়াৰ গৱৰ্ণৰ চাৰ জ'ন কাৰক 'চন্দ্ৰকান্ত সন্দিকৈ হল' মুকলি কৰিবলৈ নিমন্ত্ৰণ কৰা হ'ল। সেই সময়ত সাহিত্য সভাৰ কাম ভাল কৰি চলিছে। চন্দ্ৰকান্ত অভিধান লেখা হব ধৰিছে। শিশু সাহিত্যও দুই এখন ওলাইছে। নৱদেৱ ট্ৰাষ্ট-ফাণ্ডৰো প্ৰথম গ্ৰন্থ ছপা হৈছে।

উদ্বোধন-উৎসৱ বৰ ভাল হৈ গ'ল। তাৰ পাছত টি-পাৰ্টি। তাতো সকলোৱে যোগ দিলে। সেই সময়ত চাৰ জ'ন কাৰক পুৰণি অসমীয়া পুথি আদিৰ কথা কলোঁ। যোৰহাটৰ খেলমাটিৰ ওচৰৰ ফুকন এঘৰৰ পৰা ছবি থকা পুথি এখন (সাঁচিপতীয়া) অনাই ৰাখিছিলোঁ। সেইখনৰ চিত্ৰবোৰ আৰু ২৫০।৩০০ বছৰ আগেয়ে লেখা পুথিৰ জকমক

কৰি থকা আখৰবোৰ গভৰ্ণৰ চাহাবে চালে। তেওঁ বুজিলে যে সাহিত্য-সভাৰ কৰিব লগীয়া কাম বহুত আছে; আৰু অসমীয়া সাহিত্যৰ প্ৰাচীনতা আৰু সমৃদ্ধি বিশেষ মন কৰিব লগীয়া কথা। শেষত গভৰ্ণৰে সাহিত্য-সভাৰ কাৰ্য্য-ক্ৰমৰ বিষয় আলোচনা কৰিলে। তেতিয়া টকাৰ কথা উঠিল। কাৰ্য্য-নিৰ্ব্বাহক সভাৰ আগৰ কথা আছিল যে আমি মাহেকত এশ টকাকৈ সাহায্য বিচাৰিম। কিন্তু কাৰ চাহাবক বিশেষ প্ৰীত হোৱা যেন দেখি মই ঘপৰাই কলোঁ যে আমাক বছৰি পাঁচ হাজাৰ টকা লাগে। আন আন সভ্যসকল অলপ আচৰিত হল; আৰু মোকো কলে, "গোসাঁই, আপুনি বহুতো বিচাৰিলে।"

যিহক, সেই বছৰ গভৰ্ণমেণ্টৰ পৰা ৪০০০৲ চাৰি হাজাৰ টকা পালোঁ। এহেজাৰ ৰেকাৰিং গ্ৰাণ্ট আৰু তিনি হাজাৰ সেই বছৰলৈ। কিন্তু কাম দেখুৱাব পাৰিলে আৰু টকা পোৱা হ'ব। এই দৰৰ কথা পোৱা হল।

চাৰ জ'ন কাৰে পৰিদৰ্শন কৰি যোৱাৰ পাছৰ পৰা আন আন ৰাজপুৰুষবো সাহিত্য-সভাৰ প্ৰতি দৃষ্টি পৰিল। এই কথা ১৯২৫ ইং।

তাৰ পূৰ্বতে সাহিত্য-সভাহে অসমীয়া মানুহৰ এক মাত্ৰ জীৱন্ত অনুষ্ঠান বুলি এটা ধাৰণা সাধাৰণ মানুহৰ মাজত হৈছিল। এতিয়া ৰজা-প্ৰজা চাৰিওফালে সাহিত্য সভাৰ বিশেষ খ্যাতি, প্ৰতিপত্তি হ'ল।

এইবোৰ কথা লিখোঁতে আশাকৰোঁ মোৰ আপোন-বৰ ভাৱ ওলোৱা নাই। এনেকি, তেনে ভাব মোৰ মনতো নাই। সেই দেখি ইয়াতে কৈ থওঁ যে যোৰহাটৰ বন্ধুসকলৰ সকলো কথাতে পৰামৰ্শ, সহযোগ অকাতৰ পৰিশ্ৰম পোৱা নহলে, অকল মই নহয়, কোনো লোকে এনেকুৱা কাম কৰিব নোৱাৰিলেহেঁতেন।

(২১)

সাহিত্য সভা Benares Hindu University নহয়; এনেকি Calcutta University ও নহয়। গতিকে, এই অনুষ্ঠান গঠন কৰা কাৰ্য্যত বৰাই কৰিব লগীয়া অলপো কাৰণ নাই। এই কথাটো বিশেষ কৰি বুজোঁ। কিন্তু সাহিত্যৰ অনুষ্ঠান হিচাবত আৰু অসমীয়া মানুহৰ আৰ্থিক অৱস্থা আৰু তেওঁলোকৰ সংখ্যাল্পতা আৰু আধুনিক অসমীয়া সাহিত্যৰ গতি—ইত্যাদিলৈ লক্ষ্য কৰিলে কব পাৰি যে সাহিত্য-সভাই অসমীয়া সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি কৰিবলৈ এখন দৃঢ় ভেটি বান্ধি দিলে। আগ ডোখৰত যি উৎসাহ ঐক্য আৰু সঙ্ঘ প্ৰেৰণা দেখা গৈছিল, উত্তৰকালতো সেই খিনি আন্তৰিক বল পাই থাকিলে আজি সাহিত্য-সভাই অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে অনেক কাম কৰিব পাৰিলেহেঁতেন। এতিয়াও মই আশা এৰা নাই। সাহিত্য-সভাৰ ভেটি দৃঢ়। যোৰহাটত কাম কৰিব পৰা আৰু কাম কৰিব খোজা এজন দুজন মানুহ ওলালে সাহিত্য-সভাৰ যোগত অসমীয়া সাহিত্যৰ অনেক কাম হব পাৰিব।

এই আশা ৰাখি সম্প্ৰতি চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ কথা সংক্ষেপ কৰি লেখোঁ।।

'চন্দ্ৰকান্ত সন্দিকৈ হল' হোৱাৰ লগে লগে 'চন্দ্ৰকান্ত অভিধান' লেখোৱাৰ দিহা কৰা হল। পোনতে ৰায় চাহাব দুৰ্গাধৰ বৰকটকীক এই কাম দিয়া হল। তেখেতে অলপ দিন চেষ্টা কৰি এই কাম এৰি দিলে; আৰু নিজে প্ৰকাশকৰ ব্যৱসায় কৰিব বুলি কলিকতালৈ গ'ল। তেতিয়া মানুহ বিচাৰি স্থিৰ হল, শ্ৰীযুত কৌহিৰাম দাস বি, এ দেৱক এই কামৰ কাৰণে আনিব লাগে।



শ্ৰীযুত কৌহিৰাম দাসে ১৯০৫।০৬ চনত ভাল কৰি বি, এ পাছ কৰে। এওঁ বৰ মেধাৱী মানুহ। দৈৱ দুৰ্বিপাকত তেওঁ কোনো ভাল চাকৰি নাপালে। তেতিয়া ঘৰতে বহি আছে। মই তেওঁক ভাল কৰি চিনি নাপাওঁ। তেওঁৰ গুণ আৰু বিদ্যাহে জানোঁ। শ্ৰীযুত দেৱেশ্বৰ চলিহা, শ্ৰীযুত কুলধৰ চলিহা আদিয়ে তেওঁক ভাল কৰি জানে। গতিকে, তেওঁক অনা হ'ল।

তেওঁক আনি এটা ডাঙৰ কাম কৰা হ'ল। অভিধান লেখাৰ যিমান কাম, আৰু তাৰ মাজত যিমান বেমেজালি, আৰু শব্দ এটাৰ অৰ্থ ব্যাখ্যা লিখিবলৈ যিমান ধৈৰ্য্য আৰু শ্ৰমৰ আৱশ্যক হ'ল—তাকে দেখি আৰু ভালদৰে জানি মোৰ দৃঢ় বিশ্বাস হল, যে কৌহিৰাম বাবু ব্যতিৰেকে তেতিয়া আন কোনো এজন অসমীয়া মানুহ নাছিল যি এনে বৃহৎ কামটো ইমান ভাল কৰি কৰিব পাৰিলেহেঁতেন। মই মাজে মাজে ভাবোঁ যে কৌহিৰাম বাবুৰ দৰে তেতিয়াৰ দিনৰ কৃতবিদ্য মানুহ এজনে এটা গৱৰ্ণমেণ্ট চাকৰি নোপোৱাটোতেই যেন বিধিৰ বিধান লুকাই আছিল যে এদিন অসমীয়া ভাষাত 'চন্দ্ৰকান্ত অভিধান' এখন ওলাব লাগিব। যি হক, যি চন্দ্ৰকান্ত অভিধান ছাপা হৈ ওলাল, সি কৌহিৰাম বাবুৱে লেখা সম্পূৰ্ণ অভিধান নহয়। নানান প্ৰকাৰ উদাহৰণ আৰু প্ৰয়োগ দেখুৱাই শব্দাৰ্থ আদি লেখিছিল, আৰু শব্দও আছিল অনেক। পাছৰ কালত অভিধান ছপাৱৰ সময়ত বিশেষ বিশেষ বিবেচনা নকৰা কৰি কৌহিৰাম বাবুৱে লেখা বহুত প্ৰয়োগ ব্যাখ্যা শব্দ আদি কাটি দিয়া হল। চন্দ্ৰকান্ত অভিধান লেখা সম্পৰ্কে এই কথা বৰ বেদনাদায়ক। ইয়াত উজনি-নামনিৰ মাজত ঈৰ্ষা। কৌহিৰাম বাবুৰ প্ৰতি ব্যক্তিগত দ্বেষ আদি নীচ কথা কিছুমান মিহলি হল। এইবিলাক কথা ইমান হেয় যে তাক এই গোপনীয় বহীখানতো মোৰ লেখিবৰ ইচ্ছা নহল।

ঈৰ্ষাই ইমান পালে গৈ যে চন্দ্ৰকান্ত অভিধানৰ পাতনিত বা আন ক'তো মোৰ নামৰ কথাই নাই, কৌহিৰাম বাবুৰ নাম পৰ্য্যন্তও উল্লেখ নহল।

[২২]

অভিধান কি প্ৰণালীত লেখিব লাগিব তাকে স্থিৰ কৰিব লগীয়া হল। মই ভাবি চিন্তি আৰু জনাবুজা মানুহৰ লগত পৰামৰ্শ কৰি কিছুমান নিয়ম কৰিলোঁ। নিয়মবোৰ নিজহাতে লেখি এটা দীঘলীয়া পকা বহিত থলোঁ। আশাকৰোঁ, এই বহী সাহিত্য-সভাৰ অফিচতে আছে। সেই নিয়মকে অৱলম্বন কৰি অভিধান লেখা হল। বৰ্ত্তমান ছাপা অভিধানত সেই নিয়মবোৰৰ আৰ্হি দেখা যাব। তাত শব্দৰ আখৰৰ কি Type, অৰ্থৰ কি Type, অৰ্থত কোনটো আগ, কোনটো পাছ, প্ৰয়োগৰ নমুনা কেনেকৈ দেখুৱা হব—এইবিলাক কথা আছে; আৰু কাৰ্য্য-কাৰক সকলে কোনে কি কৰিব ইত্যাদি কথাও বিশেষ ভাৱে লেখা আছে।

পোন প্ৰথমৰ ৫০।৬০ টা শব্দৰ অৰ্থ লেখোঁতে আমি দুই তিনি মাহ সময় নিয়াব-লগীয়া হৈছিল। বহুত অভিধান চাই, নানান প্ৰবন্ধ কৰি কিছুমান অৰ্থ প্ৰয়োগ আদি লেখি উলিয়াওঁ। পাছত চাওঁ মনোমত নহল। তাকে আকৌ পুনৰ লেখা হয়। এইদৰে বহু চিন্তা আৰু পৰিশ্ৰমৰ ফলত দুমাহ তিনি মাহ মানৰ মূৰত এশ মান শব্দ লিখি উলিয়া হল। তাৰ পাছত কাম ভালদৰে চলিল।

চন্দ্ৰকান্ত অভিধান তৈয়াৰ কৰাত এই কেইজন মানুহে খাটিছিল। শ্ৰীযুত কৌহি

ৰাম দাস – সৰ্থেবাৰী, ৺ ৰুদ্ৰকান্ত গোস্বামী-নগাওঁ, শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা – যোৰহাট ।

কোঁহিৰাম বাবুৱে "ম" পৰ্য্যন্ত অভিধান লেখি উলিয়ায় । তেতিয়া মই Special dutyত চিলঙত । চন ১৯২৭-২৮ ইং । সেই সময়তে কামৰূপীয়া উজনীয়া জেদৰ কাৰণে কোঁহিৰাম বাবুক যোৰহাটৰ পৰা খেদা হল । তেতিয়া শ্ৰীযুত দেবানন্দ ভৰালীয়ে "হ" আখৰটো লেখে । শ্ৰীযুত দেৱেশ্বৰ চলিহা সভাৰ সম্পাদক । পাছত শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈয়ে proof চোৱা কাম কৰে । পাতনি লেখিলে শ্ৰীযুত দেৱেশ্বৰ চলিহাই । তাত সকলো কথা কিয় নিলিখিলে তাক তেওঁহে জানে । এই বিষয়লৈ পাছত কাগজে-পত্ৰই বহুত লেখালেখি হৈছিল ।

মোৰ তত্বাৱধানত "হ" আখৰ বাদে অভিধানৰ বাকীখিনি কাম হৈছিল । কাৰ্য্যৰ প্ৰণালী আছিল এই ৰূপে,—পুৱা কোঁহিৰাম বাবুৱে প্ৰাচীন পুথি ( প্ৰকাশিত আৰু অপ্ৰকাশিত ) আদি পঢ়ি শব্দ আৰু তাৰ প্ৰয়োগ টুকি থয় । দুপৰীয়া সকলোৱে খাব-বৰলৈ যায় । আবেলি কোঁহিৰাম বাবুৱে অভিধান লেখে । তেওঁৰ সহাকাৰীয়ে শব্দবোৰ সজায় । আনফালৰ পৰা শব্দ বিচাৰে ; আৰু সকলো প্ৰকাৰে সম্পাদকক সহায় কৰে । পুৱাৰ বেলিকা মই সাহিত্য সভাৰ অফিচলৈ নাহোঁ । আবেলি সদায় আহোঁ । আৰু দিনে কিমান কাম হল, কেনে কাম হল, আন অভাৱ অভিযোগ, কোঁহিৰাম বাবু আৰু তেওঁৰ সহাকাৰীৰ অমিল হলে তাৰ মীমাংসা—ইত্যাদি কৰোঁ ।

ইয়াতে ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈৰ কথা কব লাগে । এই অভিধান প্ৰণয়ন কৰা কাল ডোখৰত তেওঁ অভিধানখনি সৰ্বাঙ্গ সুন্দৰ কৰিবলৈ অশেষ পৰিশ্ৰম কৰিছিল । মোৰেদৰে তেওঁ প্ৰায় প্ৰত্যহ অভিধানৰ খবৰ লয়, কাম কৰে ! বহুত গছ আৰু আন দ্ৰব্যৰ ইংৰাজী নাম তেওঁ Watt চাহাবৰ Dictionary of Economic Productsৰ পৰা সংগ্ৰহ কৰি দিয়ে । সন্দিকৈয়নীক সুধি তাঁতবোৱা, সূতাকটা, আৰু আন ঘৰুৱা কাৰ্য্য সম্পৰ্কে নানান শব্দ আৰু তাৰ অৰ্থ যোগাৰ কৰি দিয়ে । ছপাকাৰ্য্য শেষ নোহোৱালৈকে ৰায়বাহাদুৰ ডাঙৰীয়াই সদায় অভিধান সম্পৰ্কে সকলো খবৰ ৰাখিছিল ।

পাছত অভিধানত পৰিশিষ্ট এখন দিবৰ কথা হৈছিল । কাৰণ, ছপা কৰিবৰ সময়ত কোঁহিৰাম বাবুৱে লেখা অনেক শব্দ,—তাৰ ভিতৰত বহুতো লাগতিয়াল—তেতিয়াৰ কৰ্ত্তাসকলে কাটি দিছিল । গতিকে, অভিধানত বহুতো শব্দ নাই । কিছুমানৰ অৰ্থ অসম্পূৰ্ণ বা বেয়া । বাননবো গোলমাল । এইবোৰ চকুত পৰাত পণ্ডিত শ্ৰীযুত উমাকান্ত মিশ্ৰক পৰিশিষ্ট লেখিবলৈ দিয়া হৈছিল । এই কাম সম্পূৰ্ণ নহল ।

অভিধান ছাপোৱা সম্পৰ্কেও অলপ কথা আছে । মোৰ ইচ্ছা আছিল যে সাহিত্য-সভাৰ পৰা পাঁচ-ছয় হাজাৰ টকা খৰচ কৰি এখন প্ৰেছ পাতা যাব, আৰু তাতেই অভিধান ছপোৱা হব । অভিধানৰ কাম প্ৰায় শেষ হোৱাৰ সময়ত মই চিলঙলৈ বদলি হলোঁ । তাতে দেৰ বছৰ থাকা হল । ইতিমধ্যে অভিধান ছপাবৰ কথা হল । সন্দিকৈকে আদি কৰি সাহিত্য-সভাৰ কৰ্ত্তা সকলে প্ৰেছ আনা কথাটো বাদ দিলে ।

সাহিত্য-সভা স্থাপনৰ লগে লগে যোৰহাটৰ বিশিষ্ট ব্যৱসায়ী ৰায়চাহাব জিতেন্দ্ৰ দাসক (হাবা বাবু) মই এখন press স্থাপন কৰিবলৈ কওঁ । তেওঁ



তেতিয়া ডেকা মানুহ – মোত কৈ বয়সত কম – মোৰ কথা বাতৰা শুনে । ( ৰায় চাহাব হল পাছত —১৯৪০ ইং মানত ) বিশেষ কৰি সাহিত্য-সভাৰ চন্দ্ৰকান্ত অভিধান ছপা কৰিবলৈ পাব বুলিয়েই তেওঁ প্ৰেছ স্থাপন কৰে । হাবাবাবুৱে টকা-কড়ি দি সকলো প্ৰকাৰে সাহিত্য-সভাৰ লগত প্ৰকৃত অসমীয়াৰদৰে নিজক সংযোগ কৰিছিল । মোৰ অবৰ্ত্তমানত এই বিষয়তো সংকীৰ্ণতা সোমাল । দৰ্পণ প্ৰেছ যোৰহাটৰ পুৰণি প্ৰেছ ; কিন্তু একো কাম নকৰে । টাইপ নাই, ভগা-ছিগা । দাস কোং ( হাবাবাবুৰ ) প্ৰেছ নতুন । তেওঁ জকমকীয়া কৰি কাগজপত্ৰ ছপাই প্ৰেছৰ কাম সকলোৰে মনত লগা কৰি তুলিলে । তেতিয়া দৰ্পণ-প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ পুতেক সকলে দৰ্পণ প্ৰেছলৈকো নতুন Type, Treadle Machine ইত্যাদি আনিলে । দৰ্পণ-প্ৰেছো ভাল প্ৰেছ হৈ উঠিল । গতিকে, দুয়োখান প্ৰেছৰ লগত চন্দ্ৰকান্ত অভিধান ছপোৱা লৈ পেটে-পেটে অৰিয়া-অৰি চলিব ধৰিলে ।

এনেতে মই চিলঙৰ পৰা ইনিস্পেক্টৰ হৈ আহি যোৰহাট পালোঁ (September 1928) । অভিধান ছপা হব লাগে । অথচ Press আৰু Type ঠিক কৰিব নোৱাৰি একো কাম কৰিব পৰা নাই । ভিতৰত জেদ আৰু ঈৰ্ষাৰ ভাব ।

যি হক, মোৰ বহুদিনৰ চিনাকি কলিকতাৰ সান্যাল কোঃ ( ভাৰত মিহিৰ প্ৰেছ ) লৈ লেখি চন্দ্ৰকান্ত অভিধানৰ শব্দবোৰ যি এন্টিক টাইপত ছপা হৈছে, তেনে টাইপ বিশেষ কৰি Cast কৰাই আনিলোঁ । অৰ্থৰ আখৰবোৰ সাধাৰণ Small Pica.

সমশেষত কোকিলামুখত শান্তি আশ্ৰম থকা প্ৰেছখনতে অভিধান ছপোৱাৰ ঠিক কৰা হল । লেখা পঢ়া কৰা হল মোৰ ঘৰত—যোৰহাটৰ ইনিস্পেক্টৰৰ বঙলাত । এইবিলাক মীমাংসা কৰি স্থিৰ কৰাত আকৌ মোৰ সেই পুৰণি বন্ধু সাহিত্য সভাৰ প্ৰথম উদ্যোগত সহায় কৰোঁতা শ্ৰীযুত কুলধৰ চলিহা ।

ইয়াৰ অলপ পাছতে শান্তি-আশ্ৰমৰ প্ৰেছ যোৰহাটৰ বৰকটকী কোম্পানীয়ে কিনি তাৰ নাম দিলে অন্নদা-প্ৰেচ । চন্দ্ৰকান্ত অভিধান এই প্ৰেছতে ছপা হল ।

প্ৰেছৰ কাম ভাল সন্তোষজনক বুলিব লাগিব । যোৰহাটৰ অসমীয়া প্ৰেছ এটাই এনে বৃহৎ কাম নিয়মিত সময়ত নিয়মমতে কৰি দিয়া বৰ আনন্দ আৰু উৎসাহৰ কথা । প্ৰেছৰ মালিক শ্ৰীযুত গঙ্গাধৰ বৰকটকী আৰু তেওঁৰ সুযোগ্য পুত্ৰ ৺অজধৰ বৰকটকীৰ মই হলে এই কামৰ বাবে বৰ শলাগ লওঁ । ৺অজধৰ বাঁচি থকা হলে অসমীয়া সাহিত্যৰ প্ৰকাশৰ ফালটো বহুতো উন্নত হলহেঁতেন । তেওঁৰ ভায়েক শ্ৰীমান গৌৰী চৰণেও এতিয়ালৈ ভালকে কৰি আছে ।

বৰকটকী কোংক ডাঙৰ প্ৰকাশক কৰাটোত মোৰ সম্পূৰ্ণ হাত আৰু কাৰ্য্য আছে । এই প্ৰসঙ্গত তাক নেলেখোঁ । আন প্ৰসঙ্গত সময় হলে লেখিম । মোৰ সৰুকালৰ পৰা অসমত এটা ডাঙৰ প্ৰকাশক—গুৰুদাস বন্দোপাধ্যায়ৰ দৰে—পাতিবৰ হেপাহ থাকিল । এতিয়া আৰু নোৱাৰিম । এই উদ্দেশ্যৰে বৰকটকীক গঢ়ি তুলিব খুজিছিলোঁ, নহল । ৺অজ থকা হলে হলহৈ কিজানি ।

নলবাৰীৰ দত্তবৰুৱাৰ উমা প্ৰেছৰো গুৰি এই আকাংক্ষাই । শ্ৰীমান হৰিনাৰায়ণক এই Press আৰু Publishing House পাতোঁতে মই আৰম্ভণি একো আৰ্থিক সহায় কৰা নাই ।

এওঁ বিলাকৰ লগত মোৰ যোগ থোৱাৰো কথা আছিল। ইনিস্পেক্টৰ হৈ থকা কালত এইদৰে Publishing House ত সংশ্লিষ্ট থাকাটো নীতি বিগর্হিত বুলি যোগ দিয়া নহল – টকাৰ ফালৰ পৰা। কিন্তু মোৰ Patronage, পৰিশ্ৰম, চেষ্টা আদি সকলো আর্থিক মূলধনৰ সুযোগ এই দুই অনুষ্ঠানে ভোগ কৰিছে।

অলপ অপ্ৰাসঙ্গিক কথা ওলাল। তেত্ৰ আৰু এটা কথা যোগ কৰি থওঁ। মোৰ সমস্ত কর্ম্ম-জীৱনত অসমীয়া ভাল কিতাপ, ভাল টেক্সবুক আৰু ভাল প্ৰকাশক তৈয়াৰ কৰিবলৈ যথাশক্তি পৰিশ্ৰম কৰিছোঁ। নৰ্মালস্কুলৰ ( ১৯১৭ ইং ) কাম কৰা কালখিনিত নতুন গ্ৰন্থকাৰ সকলে যিমানখিনি কিতাপ লিখিছে তাৰ প্ৰায় ভাগকে মই চকু ফুৰাই দিছোঁ। সেই সময়ত যেই-সেই কিতাপত এই কথা স্বীকাৰ কৰিছিল। এতিয়া নকৰিবও পাৰে। তেনেকৈ প্ৰেছ আৰু প্ৰকাশৰ সম্বন্ধেও। কিন্তু এইবোৰ কামৰ বাবে মই কাৰো এটা পইছাও লোৱা নাই।

## —পঞ্চম অধ্যায়—

### —বিবিধ –

[ ২৩ ]

সন্মিলন :—প্ৰথম চাৰিটা সন্মিলন বছৰে বছৰে হ'ল। শিৱসাগৰ, গোৱালপাৰা, বৰপেটা আৰু তেজপুৰ। ১৯২১ আৰু ১৯২২ চনত Non-Co-operation Movement ৰ কাৰণে সন্মিলন নহল। ১৯২৩ ইষ্টাৰৰ বন্ধত যোৰহাটত পঞ্চম অধিৱেশন হয়। তাৰে পৰা কেবা বছৰলৈ বছৰে বছৰে সন্মিলন হৈ আছিল। পাছত, মাজতে সাহিত্য-সভাৰ কাৰ্য্য কাৰক সকলৰ শৈথিল্য-দোষত গৱৰ্ণমেণ্টে আৰু লোকেল বোর্ড বিলাকে টকা নিদিয়া হল বা টকা কমালে। তেতিয়াৰ পৰা সাহিত্য সন্মিলনৰ বছৰে পতি হোৱা নাই। এই সন্মিলন বিলাকৰ ভিতৰত নগাওঁত বহা সপ্তম সন্মিলন [ ১৯২৫ ইং ] আৰু ধুবুৰীত বহা অষ্টম সন্মিলনৰ [ ১৯২৬ ইং ] কিছু গুৰুত্ব আছে।

নগাওঁৰ সন্মিলনৰ গুৰুত্ব মোৰ নিজৰ বিষয় লৈ। সকলো কথাত যেনেকুৱা হয়, মোৰ হাতত সাহিত্য সভাৰ অৱস্থা উন্নত হৈ অহা দেখি কেইজনমান মানুহ মোৰ প্ৰতি ঈর্ষান্বিত হয়। তেওঁলোকে যোৰহাটৰ পৰা সাহিত্য-সভাৰ অফিচ উঠাই নিবলৈ বুদ্ধি পাঙে। মুল উদ্দেশ্য, মোক প্ৰধান সম্পাদক পদৰ পৰা গুচায়। অথচ, প্ৰকাশ্যে এইটো প্ৰস্তাৱ কৰিবলৈকো টান পায়। মই এনে এটা ষড়যন্ত্ৰৰ উমান পাই প্ৰকাশ্য সন্মিলনত কথাটো কলোঁ; আৰু ইয়াকো কলোঁ যে প্ৰকৃততে সম্পাদকৰ পদ এৰি দিবলৈ মোৰ অলপো সংকোচ নাই। আচল পক্ষেও এই পদ এৰি দিবলৈ পাৰিলে ভাল—এনে ধাৰণা মইও কৰি আছিলোঁ। মোৰ আন্তৰিকতা বুজিব পাৰি সন্মিলনৰ সকলোৱে মোক সম্পাদক ৰাখিব লাগে বুলি ধৰি উঠিল। যি সকলে পেটে-পেটে এই কথা ভাল নাপাইছিল, সিসকলেও সেই কথাকে সমর্থন কৰিলে। মোৰ ভাল লাগিল। কাৰণ, সমূহ ৰাইজৰ শ্ৰদ্ধা আৰু বিশ্বাস মোৰ ভাগ্যৰ কথা।

নগাওঁ সন্মিলনত ৺ৰজনী কান্ত বৰদলৈ সভাপতি আছিল। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু বোধ কৰোঁ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাও উপস্থিত আছিল। সিসকলে—বিশেষ কৰি ৺ৰজনী বৰদলৈয়ে –মোক আকোৱালি ধৰি সম্বৰ্দ্ধনা জনালে।



জীৱনৰ এনে একোটা ক্ষণ আনন্দৰ আৰু গৌৰৱৰ।

[ ২৪ ]

ধুবুৰী সন্মিলনৰ গুৰুত্ব বৰ বেছি। তাৰ ফল প্ৰকৃততে অসমীয়াৰ পক্ষে ভাল হল নে বেয়া হল আজিলৈকে ধৰিব পাৰা নাই।

তেতিয়া ৰায় বাহাদুৰ ৺আনন্দ চন্দ্ৰ আগৰৱালা দেৱ ধুবুৰীত থাকে—গোৱালপাৰাৰ পুলিচ চুপাৰিণ্টেণ্ডেণ্ট। তেখেতৰ উৎসাহতে ধুবুৰীত সাহিত্য-সন্মিলন পাতা হয়। ৰায় বাহাদুৰ পাঁচু গোপাল মুখাৰ্জ্জী- গুৱাহাটীৰ স্থায়ী বাসিন্দা—ধুবুৰীৰ ডিপুটি কমিচনাৰ। অভ্যর্থনা সভাৰ সভাপতি আছিল ৺ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী—মেচপাৰাৰ ( লক্ষ্মীপুৰ ) জমিদাৰ।

সকলো আয়োজন বৰ ভাল হৈছিল। গৌৰীপুৰৰ ৰজাৰ পৰা সকলো প্ৰকাৰ সহায় পোৱা হৈছিল। ৰায় বাহাদুৰ বিৰাজ মোহন দত্তই ( এওঁ ধুবুৰীৰ বৰ ক্ষমতাশালী আৰু প্ৰতিপত্তি থকা লোক ) সকলো প্ৰকাৰে এই আয়োজনত সহায় কৰিছিল। অসমীয়া বঙালী সকলোৱে টকা-কড়ি দিছিল আৰু সকলো প্ৰকাৰে সহযোগিতা কৰিছিল।

সন্মিলনত অসমীয়া সকলো লোক উপস্থিত আছিল। ধুবুৰীত বহুদিন ডিঃ ইঃ কৰা খানচাহাব মহম্মদ আলিও যোৰহাট কি তেজপুৰৰ পৰা গৈছিল। ৺লক্ষ্মীনাথ বেজবৰুৱা, ৺তৰুণৰাম ফুকন প্ৰভৃতি বহুত মানুহ গোট খাইছিল।

সভাপতি আছিল— শ্ৰীযুত বেণুধৰ ৰাজখোৱা। আমি – অৰ্থাৎ যোৰহাটৰ পৰা যোৱা পাৰ্টিটো —সভাপতিৰ লগত একে দিনাই একে গাড়ীতে গ'লো। বাটত গৌৰীপুৰ। গৌৰীপুৰত তেতিয়া ৺পীতাম্বৰ চক্ৰবৰ্ত্তী অসমীয়া শিক্ষক, কিন্তু তেওঁৰ খাতিৰ বৰ ডাঙৰ। ৰাজা বাহাদুৰৰ পৰা আদি কৰি সকলোৱে তেওঁক বৰ মৰম কৰে,— আৰু গোটেই অসমতে তেওঁ এজন ৰসিক ব্যক্তি বুলি সুপৰিচিত। গৌৰীপুৰ ষ্টেচনত তেওঁ সভাপতিক এখন আৰু মোক এখন অভিনন্দন পত্ৰ দি অভিনন্দিত কৰে।

এইদৰে সকলো প্ৰকাৰে নানা প্ৰকাৰ উৎসাহ, উদ্যোগ আৰু আনন্দৰ মাজত ধুবুৰীত সন্মিলন আৰম্ভন হল।

সন্মিলনৰ সভাপতিৰ অভিভাষণ সাধাৰণতে সভাপতিয়ে লেখে। আগৰ সভাপতি কোনো কোনো জনে মাজে মাজে মোকো পৰামর্শ কৰি অভিভাষণ লিখিছিল। ৰাজখোৱাই অভিভাষণ লেখি ছপা কৰি লৈ গৈছিল। সন্মিলনত পঢ়াৰ আগতে সেইখন এবাৰ চাবলৈ মই বিশেষ ইচ্ছা কৰিছিলোঁ। কাৰণ, সম্পাদক জনে, সভাপতিৰ নো কি Suggestion আদি থাকে তাক অলপ আগতে জনা ভাল। কিন্তু ৰাজখোৱাই নিদিলে, আৰু আন কাকো নেদেখুৱালেও।

নানান প্ৰকাৰ গান-বাজনা উৎসৱ আদিৰ সৈতে জকমক্ কৰি সন্মিলন আৰম্ভ হল। অসমীয়া বঙালী বহুলোক। ইমান ডাঙৰ সভা ধুবুৰীত কেতিয়াবাহে হয় বুলি মানুহ বিলাকে কলে।

সভাপতিয়ে অভিভাষণ পাঠ কৰিছে। শেষৰ ফালে তেওঁ অসমীয়া বঙালীৰ তুলনা কাৰছে। তাত কেৰে একো বেয়া পোৱা নাই—যদিও এই সন্মিলনত তেনে কথা ৰৱ ৰুচিকৰ হোৱা নাছিল। ৰাজখোৱাই বঙালি লিখকৰ কিবা যুক্তিৰ দোষ দেখুৱাই এটা কথা লেখিছিল। এই কথাত

উপস্থিত বঙ্গালীলোক সকলে অতি বেয়া পালে। তথাপিতো সেই প্ৰকাশ্য সভাত কোনোৱে একো নকলে। সকলোৱে গহীন গম্ভীৰ ভাৱত সন্মিলনৰ কাৰ্য্য নিয়মিতৰূপে সমাধা কৰি সেই দিনলৈ সন্মিলনৰ কাম সমাধা কৰিলে।

ধুবুৰীত মোৰ সহপাঠী আৰু অন্তৰঙ্গ বন্ধু ( ৰায়বাহাদুৰ তেতিয়া হোৱা নাই ) শ্ৰীযুত অপূৰ্ব কুমাৰ ঘোষ আৰু শ্ৰীযুত প্ৰমথ নাথ চক্ৰবৰ্ত্তী উকিল, শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মাও সন্মিলনত উপস্থিত আছিল। আমি কথা বতৰা পাতি স্থিৰ কৰিলোঁ যে পাছদিনা সন্মিলনত সভাপতিয়ে এটা চুম্বক বিবৃত্তি দিব যে তেওঁ কাকো অপমান কৰিব খোজা নাই, আৰু যদি কোনোবাই তেওঁৰ বক্তৃতাৰ কিবা কথা শুনি বেয়া পাইছে তাৰ বাবে তেওঁ দুঃখিত। সভাপতিয়ে কি কব তাক লেখা হল। মযে লেখি দিলোঁ। বেজবৰুৱা, আগৰৱালা, ফুকন (তৰুণৰাম) (নবীন) বৰদলৈ আদি কৰি যি সকল গণ্য-মান্য আমাৰ মানুহ উপস্থিত আছিল, —সকলোৱে এই কথাটো সমৰ্থন কৰিলে। বৰদলৈ উপস্থিত আছিল নে নাই কথাটো স্থিৰকৈ মনত পৰা নাই। আছিল বুলি বিশেষ অনুমান হৈছে।

ৰায়বাহাদুৰ বিৰাজ মোহন দত্তকে আদি কৰি সকলোৱে ভালে পালে।

পাছদিনা দুপৰীয়া সন্মিলন আৰম্ভ হল। আগদিনাত কৰিও মানুহ থাহ-খোৱা। আগৰৱালা আহিছে S. P. ৰ Uniform পিন্ধি আৰু Uniform পিন্ধা পুলিচৰো সংখ্যা অনেক। তেতিয়া ভাব পৰা নাছিল। এতিয়া কিন্তু ভাবিছোঁ —বোধ কৰোঁ ইমান Uniform parade নোহোৱা হলেই ভাল আছিল। এইবোৰ দেখি শুনি অজানিত ভাবেই মানুহৰ মন এটা বিৰুদ্ধতাৰ কাৰণে প্ৰস্তুত হৈ আছিল বুলি অনুভব কৰিব পাৰি।

সভা আৰম্ভ হল। সভাপতিয়ে তেওঁৰ বিবৃত্তি দিবলৈ উঠিল। তেওঁ লেখি থোৱা কাগজখান পঢ়ি দিলেই হৈছিল। তাকে নকৰি তেওঁ মুখেৰে কবলৈ প্ৰয়াস পালে। কিবা এটা কথাত অপমান যেন বোধ কৰি অভ্যৰ্থনা সভাৰ সভাপতি ৰবীন্দ্ৰ বাবুকে আদি কৰি ধুবুৰীত বেচিভাগ মানুহেই গিজ নি মাৰি সভাঘৰৰ পৰা উঠি গুচি গ'ল।

তোলপাৰ লাগি পৰিল। পুলিচৰ বল নোহোৱা হলে বা আজি-কালিৰ দৰে দিন হলে —কিজানি মাৰামাৰিয়ে লাগিলহেঁতেন। যি নহক, মাৰামাৰি নহল।

সমুখতে ৺ৰবীন্দ্ৰ চৌধুৰীৰ ঘৰ আৰু ডাঙৰ গোতাল। বিৰুদ্ধ পক্ষই সভাস্থলৰ পৰা উঠি গৈ তাত meeting পাতিলে।

সেই সন্ধিক্ষণত ৺ তৰুণৰাম ফুকনৰ প্ৰত্যুৎপন্নমতিত্ব দেখিলোঁ। মই তেওঁৰ ওচৰলৈ গৈ সুধিলোঁ। কি হব। তেওঁ কলে, ভালে বেয়াই তো যি হ'ল হ'লেই। Let us make the best out of the situation এই বুলি তেওঁ এটা বক্তৃতা দিলে প্ৰায় ৪০।৪৫ মিনিট। সভাপতিৰ কাৰ্য্য যে একো বেয়া হোৱা নাই—ধুবুৰীৰ লোক সকলে আমাক ভুল বুজিলে—ইত্যাদি নানান কথা কই ভাঙি-যোৱা সভা আৰু মৰি যোৱা মনলৈ তেওঁ উদ্যম আৰু বিশ্বাস অনালে। তেওঁৰ বক্তৃতাৰ পাছত সভাৰ আন যিবিলাক কাম হব লাগে নিয়মমতেই হল। মানুহো যথেষ্ট থাকিল। আদিতে যে এনে এটা দুৰ্যোগ হৈ গল, সভাৰ শেষলৈ মানুহে সেই কথা পাহৰিলে।



কিন্তু তাৰ ফল থাকিল বহুদিন—প্ৰকৃততে আজিলৈ। ধুবুৰীৰ সন্মিলন হৈছিল ১৯২৬ ইং বৰদিনৰ বন্ধত।

তাৰ পূৰ্বে প্ৰায় ১০।১২ বছৰ মৌলবী মহম্মদ আলি ইয়াৰ ডিপুটি ইন্সপেক্টৰ আছিল। এওঁ যোৰহাটৰ মানুহ। বৰগুণী আৰু সজ চৰিত্ৰৰ বিষয়া। অসমীয়াৰ কাৰণে পৰি মৰে। এওঁ ডি, আই, থাকা কালত ধুবুৰীৰ সকলোলোককে এওঁ অসমীয়াৰ ফলীয়া কৰি লব পাৰিছিল। ৰায়বাহাদুৰ বিৰাজ মোহন দত্ত আৰু তেওঁৰ পিতাক ৰায় বাহাদুৰ প্যাৰীমোহন দত্ত — দুয়ো পিতাকৰ পাছত পুতেক — ধুবুৰী লোকেলবোৰ্ডৰ চেয়াৰমেন আছিল। এওঁবিলাক বৰ প্ৰতিপত্তিশালী মানুহ। মহম্মদ আলি চাহাবে এওঁলোকক সম্পূৰ্ণ অসমীয়া কৰি লৈছিল। এই সময়ত ধুবুৰীৰ অনেক স্কুলত অসমীয়া চলিছে; আৰু গোটাই মহকুমাতে অসমীয়া চলিব লাগে বুলি সাধাৰণৰ ধাৰণা হৈছে। বঙালী উকিল কেজনমানহে তাৰ বিৰোধ কৰোঁতা।

সাহিত্য-সন্মিলনৰ পাছত অসমীয়াৰ বিপক্ষে এটা ডাঙৰ দল হল। গৌৰীপুৰৰ ৰাজা বাহাদুৰক নানা প্ৰকাৰে কথা লগাই বঙালিতে "প্ৰান্তবাসী" নামেৰে এখন কাকত উলিয়ালে। আগেয়ে অসমীয়া পঢ়োৱা বহুত স্কুলত বঙালি চলিল। এই সময়তে পীতাম্বৰ চক্ৰবৰ্ত্তীৰ মৃত্যু হল। গৌৰীপুৰৰ ৰাজাই তেওঁৰ স্কুলৰ পৰা অসমীয়া উঠাই দিলে। ইয়াতে কৈ থওঁ যে গৌৰীপুৰৰ ৰাজাবাহাদুৰ প্ৰভাত চন্দ্ৰ বৰুৱা এজন শিক্ষিত, মাৰ্জ্জিত, প্ৰকৃত Aristrocate আছিল। এওঁৱেই Assam Associationক টকাৰে সহায় কৰি অসমীয়াৰ হকে বহুতো কামত আগ বাঢ়িছিল। অসমীয়া মানুহৰ অসাঠনৰ দোষত তেনেজন মানুহেও অসমীয়াক সহায় নকৰা হল। কিন্তু মোৰ মনত ৰাজাবাহাদুৰ কেতিয়াও অসমীয়াৰ বিৰুদ্ধবাদী হোৱা নাছিল।



ইয়াৰ পাছত গোৱালপাৰাত বিশেষ কৰি ধুবুৰী মহকুমাৰ অসমীয়া-বঙালী লৈ নানান প্ৰকাৰ কাজিয়াৰ আবিৰ্ভাৱ হল। ১৯২৮ ইং চনত মই ইন্সপেক্টৰ হলোঁ। মই এই কামত থাকি চৌধ্য বছৰৰ ভিতৰত নানান প্ৰকাৰে এই বিবাদ মাৰি গোৱালপাৰা জিলাৰ তথা ধুবুৰীৰ প্ৰকৃত ভাষা যে অসমীয়া তাক স্থাপন কৰিবলৈ বৰ চেষ্টা কৰিছোঁ। আজিও কিন্তু ভিতৰি ভিতৰি এই বিবাদ অলপ অলপ চলি আছে।

সন্মিলনৰ দিনা ৺তৰুণ ৰাম ফুকনে মোক কৈছিল, "গোসাঁই, যি হ'ল ভালকে বুলিবা। কাৰণ, আমি সদায় ধুবুৰীক আমাৰ আমাৰ বুলি সাৱটি ধৰোঁ। তেওঁলোকে আঁতৰি যায়। এদিন নে এদিন তো কথাবোৰ খোলা-খুলি হবই। আজিয়েই হল। এইবাৰ যদি এই কাজিয়া মৰে, তেতিয়া ধুবুৰীয়ে নিজক বঙালী বুলি কবলৈ নাযায়। আজি কালি বাৰু কামৰূপৰ কোনোবা মানুহে বঙালী-ভাষা ভাল বুলি কব খোজেনে? গতিকে, এইফালেই নো কি হয় চোৱাচোন।"

মই ইন্সপেক্টৰ হলোঁ। কিন্তু সন্মিলনৰ সময়ত মই যে ইন্সপেক্টৰ হম, এনে আশা কৰাৰ একো স্থল নাছিল। সকলোতে বিধাতাৰ ইঙ্গিত দেখা মোৰ মনৰ গতি বা বিলাস নহয়। কিন্তু যদি ভৱিষ্যতে গোৱালপাৰা জিলাত অসমীয়া ভাষা আনন্দ চিত্তেৰে সকলোৱে নিজ ভাষা বুলি স্বীকৃত হয়, তেনেহলে সন্মিলনৰ বিবাদ, মোৰ ইন্সপেক্টৰ হোৱা আদি কাৰ্য্যত কিবা এটা বিধাতাৰ ইঙ্গিত আছে বুলি আমাৰ লৰা-ছোৱালীহঁতে স্বীকাৰ কৰিব পাৰিব।

27/2/44

[ ২৫ ]

নৰদেৱ গ্ৰন্থাৱলী :—দক্ষিণপটীয়া সত্ৰাধিকাৰ ৺শ্ৰীশ্ৰীনৰদেৱ অধিকাৰ গোস্বামী প্ৰভুৱে কেনেকৈ ট্ৰাষ্টফণ্ড গঠন কৰিলে তাক আগত কোৱা হল। উক্ত গোস্বামী প্ৰভুৰ নিৰ্দেশক্ৰমে আৰু ট্ৰাষ্ট deedৰ লেখা মতে শ্ৰীশ্ৰীদামোদৰ দেৱৰ জীৱন চৰিত্ৰ আৰু শ্ৰীশ্ৰীবনমালী দেৱৰ জীৱন চৰিত্ৰ পুৰণি পুথিৰ পৰা সংগ্ৰহ কৰি ছপোৱা হল। ট্ৰাষ্ট ফাণ্ড গ্ৰহণ, পুথি দুখন ছপোৱা, ছপা পুথিৰ গ্ৰহণ আৰু প্ৰশংসা সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সভাত আৰু ভিন ভিন সম্মিলনত হৈ গৈছে।

তথাপিতো এইবোৰ কাম হৈ যোৱাৰ কেইবা বছৰৰ পাছতো এই দুখন পুথিৰ বিৰুদ্ধে নানা প্ৰকাৰ কথা ওলাই এই Trust fundৰ পৰা হব পাৰা বহুতো কামৰ ক্ষতি কৰিছে।

কিয় এনেকুৱা হল তাৰ মুল মই ভাবি চাইছোঁ; আৰু মোৰ মনত এনেকুৱা কাৰণ বুলি জ্ঞান হৈছে।

প্ৰথমতে মহাপুৰুষীয়া, দামোদৰীয়াৰ কাজিয়া। এই কাজিয়াৰ মূল আকৌ ৺লক্ষ্মীনাথ বেজবৰুৱা। সেইদেখি শ্ৰীমন্ত শঙ্কৰদেৱ সম্পৰ্কীয় অলপ কথাতে নানান প্ৰকাৰ অপব্যাখ্যা কৰা কিছুমান অসমীয়া মানুহৰ স্বভাৱ হৈছে। এই দুখন পুথিত জ্ঞানতঃ যিমান পাৰি সত্যৰ অপলাপ নোহোৱা কৰি মই শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিভা আৰু মহত্ব স্বীকাৰ কৰিছোঁ। দামোদৰ-চৰিত্ৰত এক ছেদ আছে, য'ত শ্ৰীমন্ত শঙ্কৰদেৱৰ পত্নীক শ্ৰীদামোদৰদেৱে ধৰ্ম দিয়া কথা আছে। এই কথা সঁচা নহবও পাৰে। কিন্তু যি মূল পুথিত আছে তাৰ পৰা মই ইয়াক বাদ নিদিলোঁ। বাদ দিয়া অনুচিত। কিন্তু মই এটা কথা কব পাৰিলোহেঁতেন যে যদিও এই কথা এই পুথিত আছে, তাৰ সত্যতা সম্পৰ্কে সন্দেহ থাকে। কিন্তু এনে কৰা হলে দামোদৰীয়া পক্ষই, বিশেষ দক্ষিণপাটে এই কথাত দোষ ধৰিলেহেঁতেন। যিখন পুথি ছপা হল, সেইখন পুথি ৺নৰদেৱ গোসাঁয়ে ৺হেম গোসাঁই আৰু ৺ৰজনী বৰদলৈৰ হতুৱাই নিজে গোটাইছিল। আৰু সেইখন ছপাবলৈহে সাহিত্য-সভাৰ কাৰ্য্যনিৰ্বাহক সভাই, তথা সম্মিলনে গাত লৈছিল। উক্ত তিনিজন বিশিষ্ট লোকে কিছু কথা আদল বদল কৰিলে আৰু শ্ৰীশঙ্কৰদেৱৰ পত্নীয়ে শৰণ লোৱা কথাখিনি সুমাই দিলে,—তথাপিতো সম্পাদক হিচাবত সেইকথা বাদ দিবৰ বা তাৰ বিষয়ে মন্তব্য দিবৰ মোৰ কোনো অধিকাৰ নাছিল।

সেইদেখি মই পাতনিত ধৰ্মৰ বিষয় আলোচনা নকৰি জীৱনী আৰু বুৰঞ্জীৰ ফালটোহে আলোচনা কৰিছিলোঁ।

দ্বিতীয় কাৰণ এই :—মোৰ কাৰ্য্যকালত সাহিত্যিক হিচাবত, চৰকাৰী চাকৰিয়াল হিচাবত, নিজৰ ব্যক্তিগত হিচাবত অসমৰ চাৰিওফালে মোৰ নাম আৰু প্ৰতিপত্তি বিয়পি পৰিছিল। তাত অনেক মানুহৰ মোৰ প্ৰতি অসূয়া হোৱা স্বাভাৱিক।

তৃতীয় কথা,—এই বিষয়ে এই, যে যিবিলাকে এই পুথিৰ প্ৰতিকূল আচৰণ কৰিলে, তেওঁলোকে অনেকেই পুথিখন ভাল কৰি পঢ়াই নাই; আৰু পাতনিত কথাবোৰ পৰিপাটি কৰি বুজা নাই। আমাৰ মাজত ভাল-বেয়া আলোচনা এইদৰেই হয়। প্ৰকৃত গুণ দোষলৈ কোনোৱে নাচায়। ব্যক্তিগত হিচাবত মানুহজনক ভাল লাগিল নে বেয়া লাগিল, তেওঁৰ প্ৰতি কিবা খিয়াল কপট আছে নে নাই— এনে কথাৰে আমাৰ সমালোচনাবোৰ চলিত হয়।

যি হক, দামোদৰ চৰিত্ৰ আৰু বনমালীদেৱৰ চৰিত্ৰ পুথি দুখন পঢ়ি তাৰ পাৰ্য্যমানে বিৰুদ্ধ



সমালোচনা কৰিবলৈ শ্ৰীযুত ডিম্বেশ্বৰ নেওগ M.A, B.Sc., B.T.ক দিছিলোঁ। এওঁ ভাল সমালোচক, যোগ্যতাও আছে, আৰু মহাপুৰুষীয়া। তেওঁ ভাল কৰি পঢ়ি চাই মোক লিখিত মত দিলে যে মোৰ পাতনিত মহাপুৰুষীয়া বা শ্ৰীমন্ত শঙ্কৰদেৱৰ বিদ্বেষ-মূলক কোনো কথা নাই।

নৰদেৱ গ্ৰন্থাৱলীৰ সম্পৰ্কত আৰু এখন গ্ৰন্থ মই সম্পাদন কৰিলোঁ—সাত্বত-তন্ত্ৰ। ইয়াৰ এখন পাণ্ডিত্যপূৰ্ণ পাতনি দাদাৰ হতুৱাই লেখাই ( পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী ) সাহিত্য-সভালৈ দি পঠালোঁ। তাৰ সভ্য সকলে এই পাতনিখন সম্পুৰ্ণ নছপালে।

নৰদেৱ Trust fundত এতিয়াও অনেক টকা আছে। আজি ( ১৯৪৪ মে ) বোধকৰোঁ হাজাৰ টকা আছে। অথচ সাহিত্য-সভাই পুৰণি গ্ৰন্থ ছপাবৰ দিহা কৰিব নোৱাৰে। দুৰ্কপাল!

[২৬]

সাহিত্য-সভা পত্ৰিকা :—সাহিত্য-সভা পত্ৰিকা সম্পৰ্কে কিবাকিবি কথা লেখিব খুজিছিলোঁ; কিন্তু পাহৰিলোঁ। যিখিনি মনত পৰিছে লেখিলোঁ।

পত্ৰিকাৰ প্ৰথম সম্পাদক হল শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন। এওঁক সাহিত্য ৰত্ন উপাধি কামৰূপ সংস্কৃত-সঞ্জীৱনী সভাই দিলে। এওঁৰ কথা আগতে কেবাবাৰো লেখিব পাওঁ। অতি ভদ্ৰ (courteous), বিনয়ী, সকলো কথাৰ দুয়োফাল বিচাৰ কৰা, বিবেচক, সদালাপী অসমীয়া মানুহ— বৰুৱাদেৱত কৰি নাই। তেওঁ কাৰো প্ৰতি কপট কুচুট কৰে বুলি মোৰ মনে নধৰে। তথাপি, যোৰহাটত তেওঁৰ আৰু তেওঁৰ পৰিয়ালৰ শত্ৰু অনেক আছিল। তাৰ কাৰণ, প্ৰথম, তেওঁলোকে ৺জগন্নাথ বৰুৱাৰ বহু সম্পত্তি পালে;—দ্বিতীয়, শ্ৰীযুত বৰুৱাদেৱ সাহিত্যিক আৰু ৰাজনীতিৰ ক্ষেত্ৰতো জনাজাত মানুহ হল;— আৰু তৃতীয়, বিলাতৰ Round Table Conference ( ১৯৩১-৩২ ) লৈ তেখেতক দুবাৰো নিমন্ত্ৰণ কৰি নিলে। ইমানখিনি সৌভাগ্য অসমীয়া মানুহে সহিব নোৱাৰে। গতিকে, বৰুৱাদেৱৰ শত্ৰুৰ অন্ত নাছিল।

কিন্তু পত্ৰিকাৰ সম্পাদক হিচাবত তেওঁত কৰি যোগ্যলোক আজিলৈকে ওলোৱা নাই। কিবা প্ৰকাৰে পত্ৰিকাত শ্ৰীযুত বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্যই লেখা প্ৰবন্ধ এটা প্ৰকাশ হল। মই দেখাত তাত আপত্তি কৰিব লগীয়া একো কথা নাছিল। কিন্তু তাকে লৈ বহুতো তৰ্কাতৰ্কি হল।

শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্য-সভাৰ সম্পাদক হল; আৰু শ্ৰীযুত পূৰ্ণানন্দ পাঠক, শ্ৰীযুত দেৱানন্দ ভঁৰালী, শ্ৰীযুত ৰামেশ্বৰ বৰুৱা, শ্ৰীযুত ডিম্বেশ্বৰ নেওগ ইত্যাদি লোকসকল পত্ৰিকাৰ সম্পাদক হ'ল। কেইদিনমান কোনোজন অকলে, আৰু কেতিয়াবা দুই তিনি জন একেলগে সম্পাদক হোৱা হল। এওঁলোকৰ দিনত কিমান কোন্দল, কিমান ক্ষুদ্ৰ ক্ষুদ্ৰ কথা লৈ খৰিয়াল—সেইবিলাক মনত পৰিলেও লাজ লাগে। সাহিত্য-সভাৰ দৰে জাতীয় অনুষ্ঠান এটাৰ লগত ইমান সংকীৰ্ণতা, ক্ষুদ্ৰতা আদি সংশ্লিষ্ট হোৱাতহে এই অনুষ্ঠান এতিয়া এটা নাম মাত্ৰত পৰ্য্যবসিত হৈছে। বৰ দুখৰ কথা।

( ২৭ )

সাহিত্য-সভাৰ গ্ৰেণ্ট :—মই সম্পাদক থকা কালত (১৯২৭ ইং লৈ) সাহিত্য-সভাৰ গ্ৰেণ্ট তলত লেখাবোৰ আছিল। গবৰ্ণমেণ্টৰ গ্ৰেণ্ট ৪০০০৲, লোকেলবোৰ্ড-মিউনিচিপালিটী ১৫০০৲ সাহিত্য-সভাৰ পক্ষৰ পৰা ১৫০০৲ অন্ততঃ। পাছলৈ এই গ্ৰেণ্ট বোৰ কমি গ'ল। শেষত, শ্ৰীযুত দেবেশ্বৰ চলিহা

সম্পাদক থকা দিনত গৱৰ্ণমেণ্ট গ্ৰেণ্ট নিদিয়াই হল।

মই তেতিয়া ইনস্পেক্টৰ; ১৯৩২ কি ১৯৩৩ ইং। মিঃ ডেনেহী চাহাব শিক্ষা-বিভাগৰ চেক্ৰেটাৰী। মই ডেনেহী চাহাবক গ্ৰেণ্ট সম্পৰ্কে দেখা কৰিলোঁ। তাৰ পূৰ্ব্বে চাহাবে গ্ৰেণ্টৰ দৰ্খাস্ত মঞ্জুৰ কৰা নাই। ডেনেহীয়ে উলিয়ালে যে সাহিত্য-সভাই একো কাম কৰা নাই। মৌলিক একো নকৰে। একো কাৰ্য্য তালিকা নাই। এই প্ৰকাৰে দেৰ ঘণ্টামান তেওঁৰ লগত কথা-বতৰা পাতি সাহিত্য-সভাৰ উপযোগিতা, তাক গ্ৰেণ্ট দিলে ৰাজনৈতিক কি লাভ হয়—ইত্যাদি বিষয় বুজাব লগীয়া হল। শেষত ছপাবলৈ বুলি তেওঁ ৬০০৲ ছয় শ টকা দিবলৈ গান্ত ললে। এই ছয় শ গ্ৰাণ্ট কিছু দিনলৈ চলিল। তাৰ পাছত শ্ৰীযুত গোপীনাথ বৰদলৈ কি শ্ৰীযুত ৰোহিনী কুমাৰ চৌধুৰী শিক্ষামন্ত্ৰী হোঁতাত এই গ্ৰেণ্ট এহেজাৰ টকা হল। এতিয়া (১৯৪৪) এই গ্ৰেণ্টেই চলি আছে।

সাহিত্য-সভাৰ গ্ৰেণ্টৰ কথা কওঁতে তাৰ ফাণ্ডৰ কথাও কওঁ। মই সম্পাদক-পদ এৰাৰ কালত সাহিত্য-সভাৰ ৮৷১০ হাজাৰ টকা আছিল,—নিজৰ ট্ৰাষ্ট ফাণ্ডৰ মূলধন আৰু আয় এৰি। এই টকাৰ ভিতৰত ৭৫০৲ টকা "বৃত্ত মঞ্জুৰী" ছপাবৰ কাৰণেও আছিল। মোৰ দিনত কেৰাণীত বাহিৰে কোনোৰে খৰছ লৈ সম্মিলনক যোৱা নাছিল। পাছত সম্পাদক আৰু ২৷৩ জন সভ্য সাহিত্য-সভাৰ পৰা দ্বিতীয় শ্ৰেণীৰ টি, এ লৈ সম্মিলনক যোৱাৰ নিয়ম কৰিলে; আৰু আন প্ৰকাৰেও সাহিত্য-সভাৰ সকলো টকা এনেদৰে খৰচ কৰা হল যে তাতেই ট্ৰাষ্ট-ফাণ্ডৰ অনেক টকা খৰচ হৈ গ'ল; আৰু সভাৰ খৰচৰ কাৰণে টকাৰ অনাটন হ'ল। কেৰাণী, চাকৰ, চকিদাৰ আদিৰ দৰমহা বাকী পৰিল। এইদৰে কেইবা বছৰো চলিল। তাৰ পাছত শ্ৰীযুত ৰামেশ্বৰ বৰুৱা, সাহিত্য-সভাৰ সম্পাদক হল। এওঁৰ দিনত এওঁৰ লগত পৰামৰ্শ কৰি নানা প্ৰকাৰে খৰচ কমাই আয় বঢ়াই সাহিত্য-সভাক Solvent কৰা হল। প্ৰথমতে বেছি দৰমহা পোৱা কেৰাণী শ্ৰীমান নন্দিনাথ গোস্বামীক মই অফিচত কাম দিলোঁ। বৰুৱা দেৱে ট্ৰাষ্ট-ফাণ্ড বিলাকৰ পৰা অলপ অলপ টকা সভাৰ মাহেকীয়া খৰচলৈ আনিলে। চৰকাৰী গ্ৰেণ্টও বাঢ়িল। এই প্ৰকাৰে বৰুৱাদেৱৰ বিশেষ চেষ্টাত যেনিবা বৰ্ত্তমান সাহিত্য-সভাৰ আৰ্থিক অৱস্থা টনকিয়াল হৈ আছে। (১৯৪৩ ত মই যোৰহাট এৰাত)। ইয়াৰ কৃতিত্ব শ্ৰীযুত ৰামেশ্বৰ বৰুৱাৰ।

(২৮)

সাহিত্য-সভাৰ আৰম্ভতে যিবিলাক লোকে এনে এখন সভা পাতিবলৈ বৰ আগ্ৰহ কৰিছিল—তাৰ ভিতৰত আগেয়ে অনেকৰ নাম কৰিছোঁ। শ্ৰীযুত গৌৰীকান্ত তালুদাৰ, শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধাৰী—এওঁবিলাক দুয়োজন তাৰ ভিতৰত প্ৰধান। তালুকদাৰে গুৱাহাটীত এই অৰ্থে সভা সমিতি পাতিছিল। আৰু ৰায়চৌধাৰীয়ে লেখা-লেখি কৰি এনে এটা অনুষ্ঠান সমগ্ৰ অসমত হব লাগে বুলি বৰ উদ্যম দেখুৱাইছিল।

পাছৰ দিনত শ্ৰীযুত ডিম্বেশ্বৰ নেওগে আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখে। ইয়াৰ বাবে শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ট্ৰাষ্ট-ফাণ্ডৰ কাৰণে মই প্ৰাইজ দিওঁ। নেওগক মাত্তি আনি সকলো প্ৰকাৰে এই বুৰঞ্জী লেখাত সহায় কৰোঁ। অনেক মাল-মছলা যোগাওঁ। তাৰ প্ৰুফ আদিও কিছু চাই দিওঁ।



(২৯)

সভাপতি:—মই এতিয়ালৈকে সাহিত্য-সভাৰ সভাপতি হোৱা নাই; আৰু বাকী কেইদিনত হবৰো আশা ৰাখা নাই। কাৰণ সাহিত্য সম্মিলন হয় নহয় তাৰেই ঠিক নাই। আৰু এতিয়া সম্প্ৰতি কেইবাটাও কাৰণত মোৰ কথা বোধকৰোঁ বৰ্ত্তমান সাহিত্যিক সকলৰ মনত বৰকৈ নপৰে।

তেজপুৰত বহা সম্মিলনৰ কাৰণে মোৰ নাম সভাপতিৰ বাবত প্ৰস্তাৱিত হৈছিল। তাৰ অন্যতম প্ৰাৰ্থী আছিল ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামী। এই কথা মই পাছত যেতিয়া জানিব পাৰিছিলোঁ, তেতিয়া ৺গোসাঁইদেৱৰ লগত প্ৰতিদ্বন্দিতা কৰিবলৈ মই লাজ পালোঁ। তেওঁ বয়স, বিদ্যা, কীৰ্ত্তি, যশস্যা—সকলোতে মোত কৰি শ্ৰেষ্ঠ। ইফালে মোৰ সমনীয়া পৰমবন্ধু শ্ৰীযুত কামাখ্যা ৰাম বৰুৱাৰ শহুৰ। সেইদেখি মোক যেয়ে সুধিলে, তাকে ৺গোসাঁইদেৱকহে ভোট দিবলৈ কলোঁ। মোৰ নাম উঠাই লবৰ সময় নাছিল। যি হক, ৺গোসাঁইদেৱত কৰি মই দুটা কি এটা ভোট কম পালোঁ। মই এটা বৰ বেয়া অৱস্থাৰ পৰা ৰক্ষা পৰিলোঁ।

ইয়াৰ পূৰ্বেও কেইবা ঠাইত মোক সভাপতি পদ যাচাত মোৰ বয়োজ্যেষ্ঠ আৰু আন প্ৰকাৰে শ্ৰেষ্ঠ ব্যক্তিৰ কাৰণে মই সেই পদ এৰি দিছোঁ। ইও মোৰ কাৰ্য্যৰ এটা নীতি।

বিশেষকৈ, ১৯২৭ ইং পৰ্য্যন্ত মই সাহিত্য-সভাৰ প্ৰধান সম্পাদক। গতিকে, মই সভাপতি হোৱাৰ কথাটো নুঠিল।

১৯২৮ ইং গোৱালপাৰাত বহা সম্মিলনৰ কাৰণে সভাপতি পদ যাচা হলে মই হলোহেঁতেন। কাৰণ, তেতিয়া মই স্পেচিয়েল অফিচাৰ, চৰকাৰী চাকৰিৰ খাতিৰ নাই, আৰু সাহিত্য-সভাৰ নানান কাম কৰি সভাখন সুন্দৰ কৰি পাতি তুলিছোঁ। মই তেতিয়া চিলঙত। কিন্তু সেইবাৰ সভাপতি পদৰ কাৰণে মোৰ নাম বোধকৰোঁ কোনোৱে নুলিয়ালে।

তাৰ পাছতেই মই স্কুল সমূহৰ ইনিস্পেক্টৰ হলোঁ। তেতিয়া প্ৰায় প্ৰতিবছৰে কোনো না কোনো লোকে মোক সাহিত্য-সভাৰ সভাপতি কৰিবলৈ বিচাৰিছিল। ইয়াৰ ভিতৰত অতি প্ৰধান আছিল গোৱালপাৰাৰ শ্ৰীযুত সভাৰাম চৌধুৰী। এওঁ মোক বৰ স্নেহ কৰে, আৰু মোৰ যি কিলাক ৰাজহুৱা কাম, সেই বিলাকৰো বৰ মূল্য দিয়ে। এওঁ এজন সৎ বিবেচক, পৰোপকাৰী, নিৰহঙ্কাৰী আৰু বৰ ভাগ্যৱান লোক। এওঁৰ কথা পাৰিলে আন প্ৰসঙ্গত লেখিম। এওঁৰ বাহিৰে বাকীবিলাক হয় মোৰ তলত চাকৰি কৰা লোক, বা মোৰ অনুগ্ৰহ প্ৰাৰ্থী বা মোৰ নৰ্মাল স্কুলৰ ছাত্ৰ। ইনিস্পেক্টৰ থকাত সভাপতি হবলৈ মোৰ আপত্তি আছিল। কাৰণ, তেতিয়া মোক সভাপতি হবলৈ যিসকলে কব, সেই সকলৰ অনেকেই মোৰ চাকৰিৰ ক্ষমতাৰ খাতিৰতো কব পাৰে—এনে এটা ধাৰণা মোৰ সদায় আছিল। যি হক, ইনিস্পেক্টৰ হৈ থকা কালত মই সভাপতি হবলৈ মন নকৰিলোঁ।

পাছে এবাৰ ১৯৩৯ কি ১৯৩৮ চনত মোৰ এজন বন্ধুৱে বৰ তোলপাৰ লগালে। তেতিয়া শ্ৰীযুত নীলমনি ফুকনে চলায় 'দৈনিক বাতৰি' আৰু শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈয়ে চলায় তিনিদিনীয়া 'অসম'। ব্যক্তিগত আৰু ৰাজনৈতিক কাৰণত দুয়ো সম্পাদকৰ ভিতৰত আৰু দুয়োখন কাগজৰ ভিতৰত কাজিয়া। 'দৈনিক বাতৰি'য়ে শ্ৰীযুত নীলমনি ফুকনক সভাপতি কৰিব লাগে বুলি কব ধৰিলে। সেই প্ৰস্তাৱৰ বিৰোধ কৰিবলৈ "অসমে" মোৰ নাম লেখিলে। তুমুল বাক-বিতণ্ডা চলিল। মই কিবা লেখিবৰ সুযোগকে

নাপালোঁ। । অৱশেষত মই বাতৰি কাকতত এখন বিবৃত্তি দিলোঁ, যে মই প্ৰত্যক্ষে বা পৰোক্ষে সাহিত্য-সভাৰ সভাপতিৰ বাব বিচৰা নাই ; আৰু কোনোবাই যাচি দিলেও মই সেইবাৰলৈ সেইবাব গ্ৰহণ নকৰোঁ। । তেতিয়াহে ৰক্ষা ।

এই বিলাক সম্মানৰ প্ৰতি মোৰ মনৰ ভাব লেখিলোঁ। । এইবোৰ সম্মান মোক নালাগে এনে নহয় । কিন্তু মোৰ মানুহ জনৰ প্ৰকৃত মূল্য আৰু মৰ্য্যাদা আদৰ কৰি দিলেহে লাগে । চৰকাৰী চাকৰিৰ খাতিৰত, অনুগ্ৰহ-প্ৰাৰ্থী লোকৰ পৰা যি সম্মান পোৱা যায়, সেইটো এক প্ৰকাৰ তোষমোদ ; আৰু ইনিস্পেক্টৰ থাকা কালত মই বহুতো টি-পাৰ্টি, অভিনন্দন, সম্বৰ্দ্ধনা আদি গ্ৰহণ কৰিবলৈ অসন্মত আছিলোঁ। । কিন্তু পেঞ্চন পোৱাৰ পাছত, নগাওঁ আৰু গুৱাহাটীত মোক যি অভিনন্দন দিলে তাত পৰম প্ৰীত হলোঁ। । কাৰণ, তাত ক্ষমতাক খুচি কৰাৰ কোনো বান্ধ নাছিল ।*

* ৺শৰৎচন্দ্ৰ গোস্বামীয়ে নিজহাতে লিখি থৈ যোৱা এই "সাহিত্য-সভাৰ কথা"ত তেখেতে নিজে লিখি থোৱা ইচ্ছা মতেই বহু সত্য কথা সম্প্ৰতি প্ৰকাশ কৰা সমিচীন নহব বুলি ভাবি, সেইবোৰ বাদ দি প্ৰকাশ কৰা হল ইতি—সম্পাদক—সাঃ-সঃ পত্ৰিকা ।

## ভগৱানলৈ প্ৰাৰ্থনা

শ্ৰীঅম্বিকাগিৰী ৰায় চৌধাৰী, — সভাপতি "অসম-সাহিত্য-সভা"

ছিলংত অসম-সাহিত্য-সভাৰ ২২ অধিৱেশন বহিব । মাহ-সময়-বাৰ ঠিক হোৱা নাই যদিও "মুকুল-সঙ্ঘ"ৰ চেষ্টাত শক্তিশালী অভ্যৰ্থনা-সমিতি গঠিত হৈ প্ৰাথমিক কাম উদ্যমেৰে আৰম্ভ কৰা হৈছে । ইং ১৯৫০ চনত মাৰ্ঘেৰিটাত বহা ২১শ অধিৱেশনৰ সভাপতি আছিলোঁ মই । মাজতে ২ বছৰীয়া ফাঁক এটা পেলাই এই ২২ শ অধিৱেশন বহুৱাবলৈ দিহা কৰা হৈছে ৰাজধানী ছিলংত । মাজতে এই দুই বছৰীয়া ফাঁকটো কিয় পৰিল, তাৰ কাৰণ সম্প্ৰতি উল্লেখ নকৰি, ছিলংৰ এই ২২ শ অধিৱেশনক বিৰাট সাফল্য দিবলৈকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। ।

ইং ১৯৫০ সনৰ পৰাই মই গাড়ো-পৰ্ব্বতৰ ওচৰ-চুবুৰীয়া কোনো ঠাইত, কাছাৰত নাইবা ছিলংত সাহিত্য-সভাৰ এই ২২ শ অধিৱেশন পতাৰ চেষ্টাত লাগি আছিলোঁ। । গাড়ো-পৰ্ব্বত বা ধুবুৰীৰ কোনো ভিতৰুৱা ঠাইত ১৯৫১।৫২ৰ ভিতৰতে এই অধিৱেশন পতাৰ বন্দবস্ত কৰিবলৈকে ধুবুৰীৰ কংগ্ৰেছ নেতা শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ ( ex : M. L. A. যোগেদি আৰু ছিলংত পাতিবলৈকে "ছিলং মুকুল-সঙ্ঘ"ৰ যোগেদি যত্ন কৰি আছিলোঁ। । শ্ৰীশৰৎ চন্দ্ৰ সিংহই কেবাবাৰো চেষ্টা কৰি নোৱাৰিলে বুলি কোৱাত "মুকুল-সঙ্ঘ"ৰ ওপৰতে বেছিকৈ ভৰ দিলোঁ। । বহুতদিন 'মুকুল-সঙ্ঘ'ই মোৰ অনুৰোধলৈ কাণ দিয়া নাছিল । কিন্তু মোৰ নেৰা-নেপেৰা



আগ্ৰহত, আৰু কাৰ্য্য-নিৰ্ব্বাহক সভাৰ পৰাও অনুৰোধ কৰাত, ছিলংত অসম-সাহিত্য সভাৰ অধিৱেশন এখন বহুৱাৰ আৱশ্যকতা বুজি 'মুকুল সঙ্ঘ'ই এই ২২শ অধিৱেশনৰ আয়োজন কৰিছে । এইবাবে "মুকুল-সঙ্ঘ"লৈ মোৰ শলাগ জনাই, অসমীয়া ভাষা-সাহিত্যৰ সেৱক মাত্ৰককে সনিৰ্ব্বন্ধ অনুৰোধ জনালোঁ, যেন পৰ্ব্বত-ভৈয়ামৰ সাহিত্যিকবৃন্দ ভাগি গৈ ছিলংৰ এই অধিৱেশনত উপস্থিত হৈ অসমত অসমীয়া ভাষা-সাহিত্যক বিশ্ব-বৰেণ্যৰূপ দিবলৈকে অসমীয়াৰ ভিতৰত বজ্ৰগোট বান্ধে ।

মই সভাপতি নিৰ্ব্বাচিত হোৱাৰ দিনাখনৰ পৰাই ( ইং ১৯৫০ৰ মে মাহ ) মনত স্থিৰ কৰিছিলোঁ, যে এইবাৰ সাহিত্য-সভাৰ যোগেদি পৰ্ব্বত-ভৈয়ামৰ গোটেইটো অসমীয়া জাতিক দৃঢ় বন্ধনত গাথি পেলাই অসমত অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ অধিকাৰ সুদৃঢ়কৈ প্ৰতিষ্ঠিত কৰিবলৈ মন-প্ৰাণ ঢালি কাম কৰিম । এই সঙ্কল্পেৰে প্ৰথমতে কৰ্ম্ম-ক্ষেত্ৰত সোমাই আগ বাঢ়িছিলোঁও । সেই কাম কেটাৰ সাফল্যৰ খবৰ প্ৰত্যেকজন ভূ-ৰখা অসমীয়াই জানে । গতিকে, মই বহলাই কবৰ আৱশ্যকতা সম্প্ৰতি অনুভৱ নকৰিলোঁ। । কিন্তু মই কামত এহাগুধিয়াকৈ আগ বাঢ়ি যোৱাৰ বাবে তাত নিয়তিৰ কুটিল-কুচক্ৰ পৰিহাস পৰিল । গতিকে, মোৰ কৰ্ম্ম-গতিও স্তব্ধ হৈ পৰিল । এইবোৰ কথা সম্প্ৰতি কবলৈ মোৰ মন নগ'ল । এইবাবে মই মনত যি বেদনা পাইছোঁ, তাৰ খবৰ মাজে-সময়ে কাকত-পত্ৰত ৰাইজক জনাই আহিছোঁ । মন দি পঢ়িলে, সাহিত্য-সভা পত্ৰিকাৰ "নতুন প্ৰকাশ"ৰ এই ২য় ৩য় সংখ্যাত লিখকসকলৰ, বিশেষকৈ অসম-সাহিত্য-সভাত নিঃস্বাৰ্থ কৰ্ম্ম-শক্তিৰে প্ৰাণ-প্ৰতিষ্ঠা কৰোঁতা ৺শৰৎ গোস্বামীৰ নিজ হাতেৰে লিখি থৈ যোৱা "সাহিত্য-সভাৰ কথা" খিনিৰ পৰাই পাব ।

ছিলংৰ এই ২২ শ অধিৱেশনত, সাহিত্য-সভাৰ পৰা তাৰ কলিজা খুলি খোৱা এই বিষাক্ত কীটৰ বীজ সমূলি ধ্বংশ কৰি তাক নদন-বদন জগৎ-জিমিকা কৰি তুলিবলৈ সকলোৰে অন্তৰত সৎ-সাহসৰ ধাৰা ঢালি দিবলৈকে ভগৱানৰ ওচৰত পুনৰ প্ৰাৰ্থনা জনালোঁ। । আশা কৰো নিৰাশাত নপৰিম ।

*বিৰাট-আশাৰ বিজুলী-চাটিৰ চিকিমিকি সো*
*জ্বলে আগত—*
*পৰ্ব্বত-ভৈয়াম, উজনি-নামনি হোৱা একপ্ৰাণ*
*এটা গোটত ।*

## পূজ্যপাদ শ্ৰীশ্ৰীআউনিআটি সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ আশীৰ্ব্বাদ

"প্ৰত্যেক জাতিৰেই জাতীয়তা ৰক্ষা কৰিবলৈ হলে, সেই জাতিৰ ভাষাৰ সাহিত্য-সভা থকা বিশেষ প্ৰয়োজন। সেই প্ৰয়োজন উপলব্ধি কৰি অসমৰ সাহিত্যানুৰাগী কৃতী সন্তান সকলে সাহিত্য-সভা গঠন কৰি সেই সভাখনি সতেজভাৱে জীয়াই ৰাখিবৰ কাৰণে সাহিত্য-সভাৰ মুখ পত্ৰিকা খনিও প্ৰকাশ কৰি গৈছিল। ভাগ্যৰফেৰত পৰি পঞ্চপাণ্ডৱে ১২ বছৰ কাল বনবাস খটাত যেনেকৈ ইন্দ্ৰপ্ৰস্থ ( বৰ্তমান দিল্লী নগৰ হেনো ) জঁয় পৰি আছিল, সেইৰূপেই অসম-সাহিত্য-সভা-পত্ৰিকা খনিৰো একযুগ নিৰ্ব্বাসন হোৱাত অসম সাহিত্য-সভাখনিও জঁয় পৰি গৈছে। পাণ্ডৱ বনবাসৰ পৰা ঘূৰি অহাত ইন্দ্ৰপ্ৰস্থ-বাসীৰ যি আনন্দোৎসৱ হৈছিল, অসম সাহিত্য-সভাৰ মুখপত্ৰ পত্ৰিকা খনিও ১২ বছৰ বনবাসৰ পাচতে পুনঃ প্ৰকাশ হোৱাত সাহিত্যানুৰাগী মাত্ৰেই যে আনন্দিত হব, তাত কোনো সন্দেহ নাই। আমি আশাকৰোঁ, আপোনাৰ সম্পাদনাত, অসম সাহিত্য-সভা-পত্ৰিকাই নতুন সাজেৰে, নতুন বলেৰে বলিয়ান হৈ অসমীয়া সাহিত্যৰ পুষ্টি সাধন কৰিব। আৰু লেখক সকলেও নিয়মীয়া ভাৱে প্ৰৱন্ধাদি পঠাই পত্ৰিকাখনি জীৱিত ৰখাত সহায় কৰিব। পত্ৰিকাখনিৰ দীৰ্ঘ-জীৱন কামনা কৰি মনিঅৰ্ডাৰ যোগে পত্ৰিকাৰ বাৰ্ষিক বৰঙণি ফেৰি পঠোৱা হ'ল। ইতি—"

———

## সুসাহিত্যিক শ্ৰীযুত চিন্তাহৰণ পাটগিৰী ডাঙৰীয়াৰ চিঠি

"নতুনকৈ প্ৰকাশ হোৱা "অসম সাহিত্য-সভা পত্ৰিকা"ৰ কপি এটা পাই মনত বৰ আনন্দ উপজিল; আৰু তাহানি কালৰ সাহিত্য-সভাৰ স্মৃতি মনত জাগি উঠিল। 'পত্ৰিকা'ৰ মই আগতেও গ্ৰাহক আছিলোঁ, এতিয়াও গ্ৰাহক থাকিম। বৰঙণিৰ টকাখিনি মই সুবিধা পালেই পঠাই দিম। পত্ৰিকা মোলৈ পঠাই থকা হয় যেন।

৺শৰৎচন্দ্ৰ গোস্বামী দেৱ সম্পাদক থকা কালত অসম-সাহিত্য-সভাৰ মই এজন সক্ৰীয় সভ্য আছিলোঁ। আজি অসম-সাহিত্য-সভাৰ ভিতৰত যি কেৰোণ চকুত পৰা হৈছে, সি ইং ১৯২৭ চনৰ পূৰ্ব্বতেই সভাৰ অন্তঃস্থল দখল কৰিছিল। ধুবুৰী সাহিত্য-সম্মিলনত আমি এটা দলে উক্ত কেৰোণৰ বিৰুদ্ধে লাগি চাব ওলাইছিলোঁ; কিন্তু দুৰদৰ্শী পুৰুষ ৺গোস্বামীদেৱৰ হকা-বাধাত আগবাঢ়িব নোৱাৰিলোঁ। ১৯২৮ চনৰ গোৱালপাৰা সম্মিলনতো উক্ত কেৰোণে অলপ গা কৰা আমাৰ চকুত পৰিছিল। আমি বিৰুদ্ধে দুটা প্ৰস্তাৱ তুলিছিলোঁ। এটা ভোটত হাৰিলো, আনটো সভাপতিৰ (৺তৰুণৰাম ফুকনৰ) আশ্বাস পাই উঠাই লৈছিলোঁ। তেতিয়াৰ পৰাই মোকে আদি কৰি কিছুমান সভ্য নিষ্ক্ৰীয় হৈ আজিলৈ বহি আছোঁ। তোমাৰ আৰু শ্ৰীযুত ৰায় চৌধাৰীৰ নেতৃত্বত অসম সাহিত্য-সভা কেৰোণ মুক্ত হৈ পুনৰ ঠন ধৰি উঠা দেখা পালে, আমি অকল সন্তোষেই নলভিম, কঁকালত টঙালি আটি বুঢ়া-কালতো তোমালোকৰ পিচত থিয় হম। ইতি—"

———

## ডঃ কাকতি-স্মৃতি

শ্ৰীঅম্বিকাগিৰী ৰায় চৌধাৰী

বাণীৰ বৰ-পুত্ৰ ডাঃ কাকতিৰ আকস্মিক অন্তৰ্দ্ধানত অকল অসমৰে নহয়, সেই প্ৰাগৈতিহাসিক যুগৰে পৰা আজিলৈকে, যাইকৈ ভাৰতক কেন্দ্ৰ কৰি নানা যুগত নানা গঢ় লৈ অহা মানৱ জাতিৰ প্ৰৱহমান সাংস্কৃতিক ইতিহাস ধাৰাৰ তত্ত্ব-জ্ঞান-গৱেষণাৰ বিশাল ক্ষেত্ৰত যি এটা খাল পৰিল, সেই খাল কেতিয়া কাৰ দ্বাৰা পৰিপূৰিত হব, তাৰ উমান এতিয়াও আমি ধৰিব পৰা নাই। হয়তো, তেখেতৰ অতিপ্ৰিয় স্নেহাস্পদ বন্ধু অসমৰ কৃতী-সন্তান ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ তপত তৎপৰতাত ৰাওহুৱা ধন-ভঁৰাল সৃষ্ট হৈ ডাঃ কাকতিৰ নামত "ইণ্ডোলজী" বিষয়ত ভাৰতৰ সুধী পণ্ডিত বৃন্দৰ গৱেষণাৰ অৰ্থে যি প্ৰচেষ্টা মূৰ্ত্ত্যমান কৰি তোলা হৈছে, এয়ে সেই কাম কৰিব। তাকে আশা কৰি আমি সান্ত্বনা লভিবলৈ যত্ন কৰিলোঁ। তেতিয়ালৈকে ডাঃ কাকতিৰ মেধা-শক্তিৰ প্ৰাখৰ্য্য, নিৰ্ভীক মৌলিক সুস্থ গৱেষণাৰ গভীৰতা, একান্ত তত্ত্বসেৱা আৰু জ্ঞান-পিপাসুতাৰ অতলস্পৰ্শতা, চৰিত্ৰৰ নিৰ্ম্মলতা আৰু স্বাধীন-চিন্তাৰ জোখ-মাখৰ পৰিমাণ আমি উপলব্ধি কৰিব নোৱাৰিম।

ডাঃ কাকতিৰ স্মৃতি সম্বন্ধে বহু কথা কবলৈ থাকিলেও, ইয়াত কেৱল সংক্ষেপ ভাৱে কেটামান কথাহে স্মৃতিলৈ আমি তেখেতৰ স্বৰ্গবাসী আত্মালৈ মোৰ অন্তৰৰ সশ্ৰদ্ধ প্ৰনাম জনাই শোকৰ বেদনা পাতলাবলৈ আকাঙ্ক্ষা কৰিলোঁ। কথাকেটা আমাৰ ব্যক্তিগত সম্পৰ্কৰ, তেখেতৰ জ্ঞান-বিদ্যা সম্পৰ্কীয় নহয়।

ডঃ কাকতি মোৰ অন্তৰঙ্গ বন্ধু—একেলগে শাঙ্কৰী এক-শৰণী নাম-ধৰ্ম্মত শৰণ লোৱা সখি,—একে পথৰ যাত্ৰী। হয়তো, দুয়োৰো আত্মিক যোগসূত্ৰ আছিল নিবিড়। বহু সময়ত দুয়োৰো বিপদ-আপদ, আনন্দ সম্পদ আৰু মনোবাঞ্ছাৰ কথা দূৰান্তৰত থাকিও পৰস্পৰে উপলব্ধি কৰিছিলোঁ, আৰু আত্মিক সংস্পৰ্শতেই সম্ভৱতঃ, পাৰস্পাৰিক আকৰ্ষণত পৰি পিছ মুহূৰ্ত্ততে দুয়োৰো দেখা-সাক্ষাৎ ঘটাত যেতিয়া সেই কথাৰ সত্যতা প্ৰমাণীত হৈ উঠিছিল, তেতিয়া উভয়ে আনন্দত উৎফুল্লিত হৈ হাঁহিছিলোঁ। ডাঃ কাকতিৰ সেই সময়ত হাঁহিখিনি ফুলিছিল শাৰদী-নিয়ৰৰ মুকুতা ছুই জকমকাই সৰি পৰা শেৱালীৰ সুগোন্ধৰ দৰে, আৰু মোৰ হাঁহিটো ফুটিছিল ব্ৰহ্মপুত্ৰৰ বুকুৰ উৰ্দ্ধ-শীৰ শিলত ভৰ-বাৰিষাৰ প্ৰচণ্ড সোঁত ঠেকা খাই উঠা বিস্ব-শৰদেৰে;— আৰু দুয়োৰো দুবিধ হাঁহি লগ লাগি আমি বহি থকা কোঠাটোত এনে এটা পৰিস্থিতিৰ উদ্ভৱ হৈছিল, যে ঘৰৰ পৰিয়াল আৰু ওচৰৰ আলিয়েদি যোৱা লোকেও উৎসুক দৃষ্টিৰে আমালৈ চাই আনন্দ উপভোগ কৰিছিল।

ডাঃ কাকতিৰ আৰু মোৰ ব্যক্তিগত আৰু পৰিয়ালগত জীৱনৰ প্ৰায় বিলাক কথাই আমি পৰস্পৰৰ ভিতৰত জনা-শুনা আছিল। কোনো জনৰ কথা কোনো জনৰ ওচৰত প্ৰায় গুপ্ত

নাছিল। সেই কথাবোৰ নানা ৰকমৰ বৈজ্ঞানিক, দাৰ্শনিক, সাহিত্যিক ৰসৰ দ্বাৰা পৰিসিক্ত কৰি আমি আলোচনা কৰিছিলোঁ। ডাঃ কাকতিৰ জ্ঞানান্বেষী-গৱেষণাৰ প্ৰখৰতাত আৰু মোৰ কৰ্ম্ম সোঁতৰ কঠোৰতাত যেতিয়াই দুয়োৰো মন অৱসাদিত হয়, তেতিয়াই দুয়ো লগ-লাগি এইবোৰ কথাৰ আলোচনাৰে দুয়োৰো ভাৰাক্ৰান্ত মন উৎফুল্ল কৰি তুলি পুনৰ কৰ্ম্মক্ষেত্ৰত সোমাবলৈ শক্তি সংগ্ৰহ কৰোঁ। ডঃ কাকতি আৰু মই দুয়ো প্ৰেমিক। তেখেতৰ প্ৰেমৰ গতিটো কুল-কুলকৈ বৈ থকা জুৰিটিৰ দৰে শান্ত-শীতল, আৰু মোৰ গতিটো প্ৰচণ্ড প্ৰখৰ। এই কথা লৈও দুয়োৰো ভিতৰত সদায় নানা ৰং-ৰহস্যৰ আলোচনা হৈছিল।

ডাঃ কাকতিৰ লগত মোৰ সাহিত্য-সংস্কৃতি, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, বিষয়ক দেশৰ সকলো প্ৰকাৰৰ পৰিস্থিতি লৈ আলোচনা সদায় চলিছিল। মোৰ ৰাজহুৱা আৰু ঘৰুৱা জীৱনৰ কঠোৰ গতি যেতিয়াই কঠোৰতৰ হৈ উঠে, সাময়িক ভাৱে একো উৱাদিহ নোপোৱা হওঁ, সমস্যাৰ ওপৰত সমস্যাই আহি জাউৰি দি হেঁচি ধৰে, তেতিয়াই মই ডাঃ কাকতিৰ লগত সেইবোৰ সম্বন্ধে আলোচনা কৰি সুসিদ্ধান্তৰ সান্ত্বনাত উপনীত হবলৈ যত্ন কৰোঁ। আলোচনাৰ ফলত, মোৰ কৰ্ম্ম-গতিত কেতিয়াবা তেখেতে দিয়া সিদ্ধান্তৰ প্ৰভাৱ পৰে, কেতিয়াবা নপৰে। তেখেতৰ সিদ্ধান্তৰ পৰামৰ্শ আন্তৰিকতা ভৰা। অথচ, মই সেই পৰামৰ্শ গ্ৰহণ নকৰিলে তেখেতৰ মন কোনো প্ৰকাৰৰ ক্ষুণ্ণ নহৈছিল।

ডাঃ কাকতিয়ে মোক ৰাজনীতিৰ ক্ষেত্ৰ এৰি সাহিত্য-সেৱাত একাণপতীয়াকৈ লাগিবলৈকে ইং ১৯১৬ চনৰ পৰাই ( এই সনতে মোৰ "তুমি" "বীণা" আৰু "জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনৰ উপায়" আদি পুথি মই প্ৰকাশ কৰোঁ, আৰু ইং ১৯১৯ চনত "চেতনা" সম্পাদন কৰোঁ।) তেখেত বিদায় লোৱাৰ সময়লৈকে দঢ়াই দঢ়াই মোক কৈ আছিল, আৰু মই মুগুনা দেখি মোৰ প্ৰতি নানা ভাৱৰ খং প্ৰকাশ কৰিছিল। তেখেতে মোক সদায় কৈছিল, মই হেনো মন পুতি সাহিত্য-সেৱাত লাগিলে পৃথিবীৰ প্ৰথম শ্ৰেণীৰ সাহিত্যিক-কৱি সকলৰ শাৰীত পৰিব পাৰিম,—মই হেনো তালৈ পিঠি দি চেলেপু ৰাজনীতিত লগাত দেশদ্ৰোহীৰ শ্ৰেণীত পৰিছোঁ। ডঃ কাকতিয়ে মোৰ ভিতৰত কি বস্তু দেখি এনে মত পোষণ কৰিছিল সেইটো মই উপলব্ধি কৰিব নোৱাৰিলোঁ। কাৰণ, সাহিত্য আৰু কৱিতা কাক কয়, আৰু কেনে বস্তু মই এতিয়াও চিনি পোৱা নাই।

ডঃ কাকতিয়ে মোক ৰাজনীতি এৰি সাহিত্যসেৱাত মন পুতি লাগিবলৈ উৎসাহ দিবলৈকে, মই ইং ১৯১২ চনৰ পৰাই বাহিৰত আৰু জেলত ৰচনা কৰা পুৰণি আৰু নতুন গীত আৰু কৱিতা কেটামান বাছি বাছি ইংৰাজীত অনুবাদ কৰি দিয়ে, আৰু তেখেতৰ পৰামৰ্শতেই ইং ১৯৪২ ৰ মে মাহত তাৰে ১৫ টাৰে "Songs of the Cell" নাম দি 'চাৰ্ভেণ্ট অব ইণ্ডিয়াচচাইটি'ৰ সক্ৰিয় সদস্য উৰিষ্যাৰ বিখ্যাত পণ্ডিত— শ্ৰীযুত লক্ষ্মীনাৰায়ণ চাহুৰ সুলিখিত ইংৰাজী পাতনি সৈতে, আৰু লগতে "ডেকাডেকেৰীৰ বেদ" আৰু "স্বাধীন পঞ্চায়েৎ ৰাষ্ট্ৰ গঠনৰ প্ৰাথমিক আঁচনি" নামেৰে ৩ খন পুথি ছপাই অসমৰ আৰু ভাৰতৰ সৰলোকালে, আৰু সেই সময়ত জেল-আৱদ্ধ লোকপ্ৰিয় ৺ গোপীনাথ বৰদলৈ আদি নেতা সকললৈ জেলৰ ভিতৰত মি গুপুতভাৱে বিলাই দিয়া হয়। সেই সময়ত গুৱাহাটী আৰু যোৰহাট জেলত ৺বৰদলৈৰ লগত আন আন দেশকৰ্ম্মী সকলৰ সৈতে অধ্যক্ষ শ্ৰীহেম বৰুৱা, বৰপেটাৰ শ্ৰীমধুসূদন দাস উকীল আদি কংগ্ৰেছসেৱক সকলো আছিল। শ্ৰীমধুসূদন দাস উকীলে জেলৰ পৰা খালাছ হৈ অহাৰ দিনাখনেই মোৰ ওচৰলৈ আহি সম্বৰ্দ্ধনা জনাই মোক কৈছিল যে —"আপোনাক এটা ডাঙৰ আনন্দৰ সুখবৰ দিবলৈ আহিছোঁ।" মই পঠাই দিয়া মোৰ উক্ত পুথি ৩ খন পঢ়ি ৺বৰদলৈয়ে হেনো আনন্দ প্ৰকাশ কৰি মুক্তকণ্ঠে কৈছিল যে মোৰ পৰিকল্পনা, চিন্তাশীলতা আৰু কৱিত্ব-প্ৰতিভা পৃথিবীৰ বিখ্যাত লোকসকলৰ সমকক্ষ। কোনো কোনোৱে প্ৰশ্ন কৰাত এই কথা হেনো ৺বৰদলৈয়ে আৰু দঢ়কৈ জোৰ দি কৈছিল। অধ্যক্ষ শ্ৰীহেম বৰুৱাই কৈছিল আৰু আজিলৈকে কৈ আছে, যে ৺ বৰদলৈয়ে হেনো জেলত প্ৰাতঃকৃত্য শেষ হোৱাৰ পাছত তেখেতৰ সকলো কেজন জেলবাসী সহকৰ্ম্মীক মাতি আনি ওচৰত বহুৱাই মোৰ "Songs of the Cell"ৰ প্ৰত্যেকটো গীত-কৱিতাকে ডাঙৰ ডাঙৰ সুৰেৰে আবৃত্তি কৰি শুনাই আনন্দত গদগদ হৈ অভিমত প্ৰকাশ কৰি কৈছিল যে ৰায়চৌধুৰীৰ দেশাত্মবোধক কৱিত্ব-শক্তিয়ে পৃথিবীৰ যি কোনো ভাষাৰ কৱিৰ কৱিত্ব-শক্তিৰ লগত ফেৰ মাৰিব পাৰে।

'Songs of the Cell'ৰ কেইটামান "বোম্বে ক্ৰনিকল," "হিন্দু" "হিন্দুস্থান ষ্টেণ্ডাৰ্ড" আদি দৈনিক কাকতত প্ৰকাশ হোৱাত পুথিখন পঠাবলৈ সুদূৰ ইংলণ্ড, এডেন, বৰ্ম্মা আদিৰ পৰা আৰু ভাৰতৰো কেবা ঠাইৰ পৰা অৰ্ডাৰ আহিছিল আৰু সেইমতে পঠোৱাও হৈছিল। বোম্বাই, পুনা আৰু মাদ্ৰাজত এই পুথিখন বেছি বিক্ৰী হৈছিল।

"Songs of the Cell"ৰ একোটা ছপা কপি মহাত্মা গান্ধী, নেহৰু, পেটেল, ৰাজেন্দ্ৰ প্ৰসাদ, আজাদ আদি ভাৰত-নেতা সকললৈও ডঃ কাকতিৰ পৰামৰ্শ মতেই পঠোৱা হৈছিল আৰু সকলোৰে ওচৰত সমাদৰ পাইছিল। তাৰ আগতে ইং ১৯২৬ চনত কংগ্ৰেছ-মহাসভাৰ পাণ্ডু-অধিৱেশনত গোৱা গীত দুটাৰ ইংৰাজী অনুবাদ তেতিয়াৰ ফ্ৰী-প্ৰেছৰ যোগেৰে ভাৰতময় প্ৰকাশ হৈছিল, আৰু সকলোৰে ওচৰত সমাদৰ পাইছিল। এই গীত দুটা ভাৰতময় ইমান সমাদৃত হৈছিল, যে পাণ্ডু-কংগ্ৰেছৰ পাছতো কংগ্ৰেছৰ কলিকতা আৰু মাদ্ৰাজ অধিৱেশনতো দৈনিক কাকত বিলাকে সেই গীত দুটাক ডাঙৰ ডাঙৰ আখৰেৰে মুখপাতত ছপাই জনসাধাৰণক সম্বৰ্দ্ধনা জনাইছিল; আৰু সেই সময়তে পুনা, বোম্বাই আদি কংগ্ৰেছ অধিৱেশনত যোগ দি আহি ৺ হেম বৰুৱা আৰু শ্ৰীঅমিয়কুমাৰ দাস আদিয়ে ইয়াত প্ৰকাশ কৰিছিল যে ৺ পেটেল, ৺ যমুনালাল বাজাজ ৺ খৈতান আদিয়ে হেনো অসমৰ সেই জাতীয়-গীত দুটা প্ৰশংসা কৰি ভাৰতৰ আন কোনো প্ৰাদেশিক ভাষাতেই তেনে ভাৱৰ জাতীয়-গীত ৰচিত হোৱা নাই বুলি অভিমত প্ৰকাশ কৰিছিল, আৰু ডঃ কাকতিৰ লগতে এখেত দুজনেও মোক ৰাজনীতি এৰি সাহিত্য-সেৱাত মনপুতি লাগিবলৈ দঢ়াই দঢ়াই কৈছিল।

ডঃ কাকতিয়ে মোক কৈছিল যে বাছি বাছি মোৰ কিছুমান গীত আৰু কৱিতা তেখেতে ইংৰাজীত অনুবাদ কৰি দি ভালকৈ ছপাই "নোবেল প্ৰাইজ" প্ৰতিযোগীতাৰ বাবেও পঠাব। সেইবাবে তেখেতে দঢ়াই দঢ়াই মোক ৰাজনীতি এৰি সাহিত্য-সেৱাত লাগিবলৈ সদায় উদ্গনি দিছিল, আৰু মই মুগুনা দেখি নানা ৰকমৰ খং মোৰ প্ৰতি নিক্ষেপ কৰিছিল। কিন্তু ইমানতো মই "সংৰ-

ক্ষিণী” আৰু “জাতীয় মহাসভা”ৰ কামোৰ এৰিবলৈ অক্ষম হৈ তেখেত সকলক উত্তৰ দিছিলোঁ। যে অসমীয়া জাতিটোৱেই যাবলৈ ওলাইছে, মোৰ কবিতা নো কোনে পঢ়িব ? কিন্তু মোৰ গীত কেইটাৰ এনে ভাৰতময় সমাদৰৰ মূলত ডঃ কাকতি।

ডাঃ কাকতিয়ে চিৰবিদায় লোৱাৰ কেদিনমান আগতেও মোৰ কেটামান কৱিতা ইংৰাজীত অনুবাদ কৰিছিল। তাৰে দুটামান Assam Tribuneত প্ৰকাশ হৈছে।

ডাঃ কাকতিৰ আন্তৰিক চেষ্টা আৰু ইচ্ছা আছিল, অৱজ্ঞিত অসমীয়াৰ যদি কিবা প্ৰতিভা আছে, সেইটোৱে সমগ্ৰ ভাৰতত প্ৰতিষ্ঠা লাভ কৰক। অসমীয়া জাতিক ভাৰতত আৰু জগতত সম্মানিতকৈ প্ৰতিষ্ঠা কৰা আন্তৰিক যত্নটোৱে আছিল তেখেতৰ সকলো বিলাক কামৰ মূল উৎস। সেই বাবেই তেখেতৰ লগত মোৰ সম্বন্ধও নিবিড় আছিল।

ডাঃ কাকতিৰ ইচ্ছা ক্ৰমেই, মোৰ “স্বাধীন পঞ্চায়েৎ ৰাষ্ট্ৰ গঠনৰ প্ৰাথমিক আঁচনি” খন তেখেতৰ উচ্চশিক্ষিত যোগ্য জ্যেষ্ঠ-পুত্ৰ শ্ৰীমান দেৱকান্ত কাকতিৰ দ্বাৰা ইংৰাজীত অনুবাদিত হৈ ছপা হৈছিল, আৰু তেখেতৰ পৰামৰ্শ মতেই তাৰ একোটা ছপা কপি মহাত্মাগান্ধী, পেটেল, নেহৰু, ৰাজেন্দ্ৰ প্ৰসাদ, জয় নাৰায়ণ, নৰেন্দ্ৰদেৱ, ডাঃ লোহিয়া, মুকুট বিহাৰী লাল আদি সৰ্ব্ব ভাৰতীয় নেতা সকললৈ, বিখ্যাত দৈনিক কাকত বিলাকলৈ আৰু প্ৰত্যেকটো প্ৰাদেশিক গৱৰ্ণমেণ্টলৈ পঠাই দিয়া হৈছিল। এই পুথিখনেও সৰ্ব্ব ভাৰতীয় উক্ত নেতা সকল আৰু বাতৰি-কাকত বিলাকৰ ওচৰত আদৰ পাইছিল। বিহাৰৰ, চাৰ্চলাইট' আৰু মাদ্ৰাজৰ 'হিন্দু্‌ই' এই পুথি খন প্ৰশংসা কৰি সমালোচনা কৰিছিল আৰু এই সম্বন্ধে চৰকাৰৰ তত্বাৱধানত এক চিৰিজ বক্তৃতা দি মাদ্ৰাজৰ লোক সজ্ঞক বুজাবলৈ মাদ্ৰাজ গৱৰ্ণমেণ্টৰ পৰা মোলৈ নিমন্ত্ৰণ আহিছিল। কিন্তু মোৰ যোৱা নহ'ল। মোৰ এই প্ৰশংসাৰ মূলতো ডাঃ কাকতিৰ অনুপ্ৰেৰণা।

মোৰ সম্বন্ধে শ্ৰীদীন বন্ধু তালুকদাৰৰ লিখা “অসম কেশৰী অম্বিকাগিৰী” আৰু শ্ৰীতিলক চন্দ্ৰ দাসে লিখা “অম্বিকাগিৰী আৰু তেওঁৰ জীৱন-দৰ্শন” পঢ়ি ডাঃ কাকতিয়ে মোক কৈছিল—“এওঁ বিলাকে আপোনাৰ এইবোৰ কি লিখিছে, আপোনাৰ জীৱন চৰিত মইহে লিখিব পাৰিম আৰু লিখিমো।” এই কথা কৈয়ে ডঃ কাকতিয়ে ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু কটন কলেজৰ ইংৰাজীৰ অধ্যাপক শ্ৰীতাৰিণী চৰণ ভট্টাচাৰ্য্যৰ লগত পৰামৰ্শ আলোচনা কৰি “Study in the Personality of Sj Ambikagiri” নাম দি ইংৰাজীত এটা দীঘলীয়া প্ৰৱন্ধ লিখি, তেখেতৰ মৃত্যুৰ প্ৰায় ৪ মাহ মান আগতে টাইপ কৰি 'আসাম ট্ৰিবিউন'ত প্ৰকাশ কৰিবলৈকে অনুৰোধ কৰি নিজে গৈ সম্পাদকৰ হাতত দি যায়। আৰু সম্পাদকেও প্ৰকাশ কৰিব বুলি প্ৰৱন্ধটো ৰাখি থয়। এমাহৰো বেছি উত্তীৰ্ণ হৈ যোৱাতো প্ৰকাশ নকৰা দেখি আন কাকতলৈ পঠাই দিব বুলি প্ৰৱন্ধটো ডাঃ কাকতিয়ে সম্পাদকক খুজি পঠিয়ায়। সম্পাদকে সোনকালে প্ৰকাশ কৰিব বুলি কৈ পঠিয়াই প্ৰৱন্ধটো পুনৰ ৰাখি থয়। কিন্তু তথাপি প্ৰকাশ নকৰা দেখি ডঃ কাকতিয়ে প্ৰৱন্ধটো সম্পাদকক পুনৰ খুজি পঠায়। দ্বিতীয় বাৰ খুজি পঠোৱাত সম্পাদকে ডঃ কাকতিক কৈ পঠিয়ায় যে প্ৰৱন্ধটো হেৰাই গ'ল। “ট্ৰিবিউনৰ” সম্পাদকৰ এনে ব্যৱহাৰত দুঃখীত হৈ ডঃ কাকতিয়ে মাত্ৰ কলে—miserable irresponsibility and



small-mindedness যি হওক, ডঃ কাকতিয়ে নিজ হাতেৰে লিখা প্ৰৱন্ধটোৰ মূল কপিটো আছিল। তাৰ পৰাই ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই টাইপ কৰোৱাই থৈ দিয়াইছে ডঃ কাকতিৰ এটা মূল্যৱান প্ৰৱন্ধ বুলি।

ডঃ কাকতিৰ আৰু মোৰ চিন্তাধাৰাৰ গতি আৰু আদৰ্শ দুই এটা বিষয়ত বাদে প্ৰায় মিল আছিল। মিল নাছিল যোল অনা কেৱল সাংসাৰিক বিষয়ত। মই মোৰ সাংসাৰিক বিষয়ত একেবাৰে চিন্তা ৰহিত হৈ চলা বাবে, আৰু বহু সময়ত সাংসাৰিক উন্নতিৰ সুবিধা আৰু সুযোগ আপুনি আহি আগত উপস্থিত হোৱাৰ স্থলতো মই গ্ৰহণ নকৰা বাবে ডঃ কাকতিয়ে মোক সদায় তিৰস্কাৰ কৰাৰ দৰে কৰিছিল আৰু মোৰ লৰা-ছোৱালীকো তেনে কৰিবলৈ মোক নিদিবলৈকে দবিয়াই কৈছিল। ডঃ কাকতি আৰু মই, দুয়ো বিলাসিতাৰ বিৰোধী।

সহধৰ্ম্মিনী ঢুকুৱাৰ পাছত ডঃ কাকতিৰ মন বৰ অস্থিৰ হয়। তেখেতে মোক কৈছিল—“দিনৌ একেবাৰ মোৰ ওচৰলৈ আপুনি আহিব, মই সান্ত্বনা পাম”—সুৰটো বুকুত লগা বৰ করুণ আছিল। মই সেইমতে গৈ আছিলোঁ। সেই কেদিনত তেখেতৰ সৈতে মোৰ যিবিলাক কথা হৈছিল, সেই বিলাক সাংসাৰিক হাৱা-পানীৰ একো সংশ্ৰৱ নথকা আৰু গভীৰ তত্বমূলক। ডঃ কাকতিৰ মোৰ লগত সংশ্ৰৱ, আৰু নানা ডাঙৰ-সৰু বিষয় লৈ মোৰ সদায় যিবিলাক কথা হৈছিল, সেইবিলাক পৰিপাটিকৈ লিখি উলিয়াব পাৰিলে, সম্ভৱতঃ এটা বিশেষ আনন্দদায়ক ৰহস্যময় বস্তু হৈ পৰিলহেঁতেন। কিন্তু সময় ক'ত ? মোৰো দিন চুতি হৈ আহিল।

মোৰ সংশ্ৰৱত ডঃ কাকতিৰ অন্তৰখনৰ চিনাকি দিবলৈকে ইয়াত মাত্ৰ এটা কথাৰ উল্লেখ কৰি প্ৰৱন্ধটো সামৰি থব খোজোঁ। ইং ১৯১৯ চন। গুৱাহাটীত তেতিয়া মই সামান্য ভাৱে ‘অৰুণা প্ৰেছ” স্থাপন কৰি “চেতনা” চলাইছিলোঁ। প্ৰেছৰ সৰঞ্জাম খুব কম—মাত্ৰ ‘চেতনা’ খন ৪ পিঠীয়াকৈ ছপাবলৈ আঁটে। তেতিয়া গুৱাহাটীত আন কোনো প্ৰেছ নাছিল। “নিউ প্ৰেছ” খন পাছত হৈছে। সেই সময়তে ভাৰতৰ নতুন শাসন-সংস্কাৰৰ দফা আৰম্ভ কৰাৰ যো-যাত নতুনকৈ ভোটাৰ-লিষ্ট ছপোৱাৰ উম-ঘাম চলিছে। গুৱাহাটীত তেতিয়া কমিছনাৰ মিঃ এলেন আৰু ডিপুটী-কমিছনাৰ মিঃ বেণ্টিঙ্ক। দুয়ো ভোটাৰ লিষ্ট ছপোৱাৰ বন্দৱস্ত কৰিবলৈকে মোৰ অৰুণা প্ৰেছত গৈ উপস্থিত হয়। বহুত টকাৰ দায়িত্বপূৰ্ণ ডাঙৰ কাম। এনে ডাঙৰ কাম কৰিবৰ জোখাৰে মোৰ প্ৰেছৰ সাজ-সৰঞ্জামো নাই। অথচ কামটো এৰি দিবৰো মন নাই। মই দোধোৰ-মোধোৰত পৰোঁ। প্ৰেছখনৰ নতুন সৰঞ্জাম কিনিবলৈকেও টকা-পইচা নাই। মই দুখীয়া বুলি কোনো ধনীয়ে মোক বিশ্বাস নকৰে। ডঃ কাকতিয়ে এই কথাবোৰৰ গম পালে। তেখেতে তেতিয়া মাহেকত মাত্ৰ দুশ নে আড়াই শ টকা দৰমহাত কটন-কলেজৰ প্ৰফেছৰ। পানবজাৰৰ সৰু ভাৰাঘৰ এটাত থাকি কোনোমতে সংসাৰ চলায়। তেখেতে তেতিয়া নিজে উপযাচি গৈ মোক কথাটো সুধিলে। মই সকলো অসুবিধাৰ কথা কলোঁ। তেখেতে তেতিয়া মোক সাহ দি কলে,—“আপুনি ভোটাৰলিষ্ট ছপাৰ দায়িত্বটো যেনেতেনে লওক। ইয়াৰ লাভেৰেই আপুনি “অৰুণা প্ৰেছ” খন ডাঙৰ কৰিব পাৰিব। ছপাৰ যি নতুন আখৰ আৰু আন সৰঞ্জাম লাগে তাৰবাবে মই টকা যোগাৰ কৰি দিম।” ডঃ কাকতিৰ এই কথাত কামটো লবলৈ

মোৰো সাহ হ'ল আৰু পাছদিনাখনেই মই মিঃ এলেন আৰু মিঃ বেন্টিঙ্কক সেই কথা জনালোঁ-গৈ। ডঃ কাকতিয়েও সেই দিনা খনেই কৰবাৰ পৰা ৫০০৲ টকা আনি কোনো ৰচিদ আদিৰ কথা নুলিয়াই মোৰ হাতত দি কলে, আপুনি আজিয়েই কলিকতালৈ নতুন আখৰৰ অৰ্ডাৰ দিয়ক জৰুৰীকৈ নিৰ্দ্দেশ দি। মইও সেইদৰে কলিকতাৰ পৰা নতুন আখৰ আৰু আন সৰঞ্জাম আনি ভোটাৰ লিষ্টৰ কাম কৰি দি দুমাহৰ ভিতৰতে প্ৰায় ৫।৬ হেজাৰ টকা লাভ কৰিলোঁ, আৰু তাৰেই "চেতনা" খন সুবিধাকৈ চলাব পৰাকৈ "অৰুণা প্ৰেছ" খন বঢ়াই ললোঁ। ডাঃ কাকতিয়ে কোনো লিখা-পঢ়া নোলোৱাকৈ দিয়া সেই ৫০০৲ শ টকা তেখেতক ঘূৰাই দিলোঁ। তেখেতেও আনন্দ প্ৰকাশ কৰিলে, —টকা ঘূৰাই দিয়াৰ বাবে নহয়, "চেতনা" খন ভালকৈ উলিয়াই থাকিব পৰাৰ যে এটা সুবিধা হ'ল, তাৰ বাবে। মই পাছত জানিলোঁ, ডঃ কাকতিয়ে সেই ৫০০৲ পাঁচ শ টকা গুৱাহাটীৰ জজ কোৰ্টৰ চিৰস্তাদাৰ ৺যজ্ঞৰাম দাসৰ পৰা সুতৰ বন্দৰস্তত হেণ্ডনোট দি ধাৰ কৰি আনি মোক দিছিল। অথচ, ডঃ কাকতিয়ে মোৰ পৰা কোনো হেণ্ডনোট নোলোৱাকৈয়ে টকা খিনি মোক দিছিল। যি নহওক, মই সেই ৫০০৲ টকাৰ লগতে সুত খিনিও হিচাপ কৰি ৺যজ্ঞৰাম বাবুক দিছিলোঁ।।

ডঃ কাকতিৰ অন্যান্য কাৰ্য্যৰ উপৰিও মাজ্ৰাজৰ নেটছন কোম্পানীয়ে প্ৰকাশ কৰা "Teachings of Sankardev", "Assamese and its Formation", "Godess Kamakhya", "Bishnua a Myth", "কলিতা জাতিৰ ইতিহাস" আদি অমূল্য পুথিবোৰ মানৱীয় জ্ঞান-ভাণ্ডাৰত গোটখোৱা একোটা মৌলিক অভ্ৰভেদী কীৰ্ত্তিস্তম্ভ আৰু তেখেতৰ গভীৰ পাণ্ডিত্যৰ চিৰকলীয়া সৌধ। ইয়াৰ মৰ্য্যাদা অসমীয়াই সম্যক ভাৱে উপলব্ধি কৰিব নে? শ্ৰীশঙ্কৰদেৱৰ নামৰ আগত শ্ৰীমন্ত বিশেষণ আৰোপ কৰিছিল পোন প্ৰথমতে ডঃ কাকতিয়েই।

———

# সম্পাদকৰ ক'বলগীয়া

## (১) আমাৰ নিবেদন :—

ৰাইজৰ সহানুভূতি আৰু সদিচ্ছাৰ ওপৰত ভাৰসা ৰাখি আমি পত্ৰিকাৰ পুনঃ প্ৰকাশৰ কাম হাতত লৈছিলোঁ। সাহিত্য-সভাখনক নতুন যুগৰ উপযোগী কৰি জীৱন্ত অনুষ্ঠান হিচাবে ৰাখিবলৈ হলে এই অনুষ্ঠানৰ মুখপত্ৰ এখনৰ আৱশ্যকতা কোনেও নুই কৰিব নোৱাৰে। 'নতুন প্ৰকাশ'ত প্ৰথম সংখ্যা কাকত ৰাইজৰ হাতত দি ৰাইজৰ প্ৰতিক্ৰিয়া সম্পৰ্কে আমি সঠিককৈ একো গম ধৰিব নোৱাৰিলোঁ। বহুতো সু-সাহিত্যিক আৰু সভাৰ হিতাকাঙ্ক্ষী লোকে এই উদ্যমৰ প্ৰসংশা কৰিছে, আৰু কোনো কোনো উপ-কৰা সমালোচকে ইয়াক সজ চকুৰে চাব পৰা নাই। যি সকল সদাশয় আৰু সাহিত্যানুৰাগী লোকক পত্ৰিকাৰ গ্ৰাহক শ্ৰেণী ভুক্ত কৰা হৈছিল, সিসকলৰ ভিতৰত শতকৰা দহ জনেৰো কমেহে পত্ৰিকাৰ বৰঙণি ফেৰা আদায় কৰি দিছে। গতিকে, আমি আশা কৰা মতে পত্ৰিকাৰ টকাৰে পত্ৰিকা চলোৱা সম্ভৱ হৈ নুঠিল। ২য় সংখ্যা কাকত সময়মতে উলিয়াব নোৱাৰাৰ এটা কাৰণ ধনৰ অভাৱ। পত্ৰিকা প্ৰকাশৰ বাবে বছৰৰ আয়-ব্যয়ৰ তালিকাত ধৰা পৰিমাণৰ ধন সাহিত্য-সভাৰ পুঁজিত থাকিলেও সেই ধন আজিও বেঙ্ক বিলাকত বন্ধ হৈ থকা বাবে আমি অইন প্ৰকাৰে ধন সংগ্ৰহ হোৱালৈ বাট চাই থাকিব লগীয়া হৈছিল। *

দ্বিতীয় কাৰণ, আমাৰ নিজৰ সামৰ্থ্যৰ নাটনি। অস্থায়ী ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি আমি প্ৰায় অকলশৰেই সভাৰ যাৱতীয় কাম, এবাৰ গুৱাহাটীৰ পৰা, এবাৰ শিলচৰ পৰা চলাবলগীয়াত পৰিছোঁ। পত্ৰিকাৰ নিমিত্তে উপযুক্ত প্ৰৱন্ধ আদি গোটোৱাও এটা দায়িত্বপূৰ্ণ কাম। সভাপতি আৰু কাৰ্য্যনিৰ্ব্বাহক সভ্য কেইগৰাকীমানৰ নেৰা-নেপেৰা উদ্গনিয়েহে পত্ৰিকা সম্পাদনৰ কাম কোনোমতে সম্ভৱ কৰি তুলিছে। ২য় সংখ্যা কাকত সময় মতে উলিয়াব পৰা নহ'ল। সেই বাবে আমি দুঃখিত। ২য় আৰু ৩য় সংখ্যা কাকত এতিয়া একেলগে উলিয়াই ১ম সংখ্যাত কোৱাৰদৰে আমি আকৌ কওঁ যে সাহিত্য-সভাৰ সভ্যসকলৰ আৰু ৰাইজৰ সহানুভূতিয়েহে পত্ৰিকাৰ নতুনকৈ আৰম্ভ হোৱা জীৱন-কাল সুদীৰ্ঘ কৰি তুলিব পাৰিব। আমি আশা কৰোঁ, এই সংখ্যা পত্ৰিকা পোৱা মাত্ৰে সদাশয় গ্ৰাহক সকলে অনাদায় বৰঙণি ফেৰা আদায় দি ইয়াৰ ভৱিষ্যৎ প্ৰকাশৰ বাট মুকলি কৰি ৰাখিব।

* বেঙ্কত থকা পুঁজিত সোমোৱা দেৰপাক আৰু তাৰপৰা সভাৰ কি কি অনিষ্ট হৈছে, সেই বিষয়ে আমি আমাৰ বক্তব্য কাঃ নিঃ সমিতিৰ প্ৰস্তাৱ সমূহৰে সৈতে অহা সংখ্যা কাকতত প্ৰকাশ কৰিম।—পঃ সঃ—

## (২) সাহিত্য সভাৰ ভৱিষ্যৎ :–

'সাহিত্য-সভাৰ পুনৰ্গঠনৰ প্ৰশ্ন' শীৰ্ষত যোৱা সংখ্যা কাকতৰ সম্পাদকীয় স্তম্ভত সভাৰ বৰ্ত্তমান অৱস্থা আৰু ইয়াৰ সংগঠনৰ আৱশ্যকতা সম্পৰ্কে বিশদ আলোচনা কৰা হৈছিল। সাহিত্য-সভাৰ আগত দেখা দিয়া সমস্যা বিলাকৰ প্ৰতি অসমৰ শিল্পী, শিক্ষাবিদ্‌ আৰু চিন্তাশীল লোক সকলৰ দৃষ্টি আকৰ্ষণ কৰি ইয়াৰ সমাধানৰ অৰ্থে তেওঁবিলাকৰ সহায় আৰু সহযোগ কামনা কৰা হৈছিল। অসম সাহিত্য-সভাখন কোনো লোক বিশেষৰ বা ঠাই বিশেষৰ সম্পত্তি নহয়। ই সদৌ অসমৰে জাতীয়-অনুষ্ঠান। গতিকে, গোটেই জাতিটোৰ সমৰ্থনৰ ওপৰতহে ইয়াৰ পৰিপুষ্টি নিৰ্ভৰ কৰে। জাতীয় চৈতন্যৰ সাময়িক লয় হেতুকেই হওক, বা যুদ্ধ, ৰাজনীতি আদিৰে ভাৱাক্ৰান্ত যুগৰ হেঁচাতেই হওক, এনে এটা অনুষ্ঠান যদি মুষ্টিমেয় কেইজনমান লোকৰহে অনুষ্ঠান হৈ পৰেগৈ, তেন্তে ইয়াৰ কৰ্ম্মশক্তি যে শিথিল হব অথবা ইয়াৰ পৰা অথন্তৰৰহে যে সৃষ্টি হব, এই কথা সহজে অনুমান কৰিব পাৰি। সাহিত্য-সভাৰ তেনে এটা অৱস্থা বেছি দিন স্থায়ী নহব বুলি আমি আমাৰ আলোচনাত আশা প্ৰকাশ কৰিছিলোঁ। সম্প্ৰতি আমাৰ আবেদনে ফল ধৰা দেখি আমি সাহিত্য-সভাৰ ভৱিষ্যৎ সম্পৰ্কে বিশেষ আশান্বিত হব পাৰিছোঁ। অসমৰ কেইফালৰ পৰা ইতিমধ্যে সাহিত্য-সেৱী আৰু সাহিত্যানুৰাগী বহুতো লোকে এই সভাৰ সভ্যভুক্ত হৈ ভৱিষ্যতৰ ওপৰত আশাৰ ৰেঙনি পেলাইছে। এই সকল অনাড়ম্বৰ দেশকৰ্ম্মীৰ পৰশত সাহিত্য-সভাই নিশ্চয় এটা নতুন জাগৰণৰ সন্ধান পাব আৰু নতুন যুগৰ সূচনা দেখিবলৈ পাব। এদিন আছিল, অসমৰ প্ৰায়ভাগ সাহিত্যিকেই সাহিত্য-সভাৰ পৰা আঁতৰত,—কিন্তু আজি অসমৰ সাহিত্য আৰু সংস্কৃতিৰ চৰ্চ্চাৰ কৰা বহু লোকেই সাহিত্য-সভাৰ ভিতৰত। ৰাজধানীত হব লগীয়া সভাৰ আগন্তুক অধিৱেশনৰো সাফল্য সেইবাবে নিৰ্ভৰ কৰিছে যাইকৈ অসমৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ আচল প্ৰতিনিধিবৰ্গৰ উপস্থিতিৰ উপৰতে।

## (৩) শাখাসভা সমূহ :—

প্ৰথম সংখ্যা কাকত ওলোৱা সময়ত বেছিভাগ শাখাতেই নিষ্ক্ৰিয় আৰু ম্ৰিয়মান অৱস্থালৈ চাই নিৰাশ হব লগীয়া হৈছিল, আৰু সকলো ঠাইতে শাখা সভাবিলাক পুনৰ সঞ্জীৱিত কৰি তুলিবলৈ সভাৰ হিতাকাঙ্খী সকললৈ বিনীত অনুৰোধ জনোৱা হৈছিল। তাৰ পিছতো, ব্যক্তিগত সাক্ষাৎ আদিৰ যোগেদিয়ে হওক, বা চিঠি পত্ৰেৰে কৰা আবেদন নিবেদনতেই হওক,—শাখা সংগঠনৰ বাবে যত্ন লোৱাত ত্ৰুটি কৰা হোৱা নাই। সভাৰ আগন্তুক শ্বিলং অধিৱেশনখন সকলো প্ৰকাৰে সদৌ অসমৰে প্ৰতিনিধিমূলক কৰি তোলাৰ আৱশ্যকতাৰ গুৰুত্বও বাইজে উপলব্ধি নকৰাকৈ থকা নাই। বৰ সন্তোষৰ কথা, যে আজি সাহিত্য সভাৰ অন্তৰ্ভূক্ত শাখা-সভাৰ সংখ্যা অতীতৰ সকলো সীমা পাৰ হৈ গৈছে। ১৯৪৩-৪৫ চনত তেতিয়া প্ৰধান সম্পাদক শ্ৰীডিম্বেশ্বৰ নেওগৰ যত্নত সাহিত্য-সভাৰ শাখ-সভা প্ৰায় ২০ খন হৈছিল আৰু ইবিলাকৰ যোগেদি হোৱা সভাৰ সাধাৰণ সভ্যৰ সংখ্যা প্ৰায় ৪০০ হৈছিল। আজি স্বীকৃত শাখা-সভাৰ সংখ্যা ত্ৰিশৰো বেছি, আৰু ইবিলাকৰ যোগেদি ভুক্ত হোৱা সাধাৰণ সভ্যৰ সংখ্যা ৭০০ বো অধিক। শ্বিলঙৰ বাহিৰে পাৰ্ব্বত্য



এলাকা এৰি সাহিত্য-সভাৰ শাখা-সভা নথকা কোনো এখন জিলা নাই। জিলা হিচাবে গোৱালপাৰাত ২ খন; কামৰূপত ৭ খন; নগাওঁত ২ খন দৰঙত ১ খন; কাছাৰত ১ খন; শিৱসাগৰত ৬ খন; লক্ষিমপুৰত ১০ খন আৰু শ্বিলঙত ৪ খন শাখা-সভা গঠিত হৈ উঠিছে। গোৱালপাৰা, দৰং আৰু নগাওঁত আৰু ২।৪ খন শাখা-সভা গঠিত হৈ উঠা বাঞ্ছনীয়। যোৱা কেইবছৰ মানৰ ভিতৰত বাহিৰৰ পৰা আহি অসমত নিগাজীকৈ বসতি স্থাপন কৰা অনা-অসমীয়া লোকৰ সংখ্যা এই তিনিখন জিলাত বিশেষ মন কৰিবলগীয়া, আৰু ইবিলাক লোকৰ মাজত অসমীয়া ভাষা আৰু সাহিত্য প্ৰচাৰ কৰাৰ প্ৰয়োজনীয়তাও কম নহয়। তালৈ চাই অদূৰ ভৱিষ্যতত এই জিলা কেইখনত উপযুক্ত পৰিমাণে সাহিত্য-সভাৰ শাখা স্থাপন কৰাটো মূল-সভাৰ কৰ্ত্তব্য হব। মূল সভাৰ তাতোকৈ ডাঙৰ দায়িত্ব হব নতুনকৈ সংগঠিত কিম্বা সঞ্জীৱিত হৈ উঠা শাখা সভা বিলাকৰ লগত উপযুক্ত যোগা-যোগ ৰক্ষা কৰি ইবিলাক সক্ৰিয় আৰু সজাগ কৰি ৰখাটো। দুয়োফালৰ বাঞ্ছিত উপযুক্ত মনোভাৱ গঢ়ি উঠিলে আৰু সাহিত্য-সভাৰ নীতি আৰু কাৰ্য্যপন্থা সুদক্ষ লোকৰ দ্বাৰা উদ্ভাৱিত আৰু পৰিচালিত হলে, এই কাম টান নহব বুলিয়ে আমাৰ বিশ্বাস। বিশেষকৈ, স্বাধীনতা লাভৰ পিছত ভাষা-সাহিত্য আৰু সংস্কৃতিৰ ঔৎকৰ্ষ্য সৰ্ব্বতোভাৱে সাধন কৰাও যেতিয়া জাতিৰ এটা যাই কাম।

শাখা-সভা বিলাকৰ সংগঠন আৰু সম্প্ৰসাৰণত বহুতো সাহিত্যব্ৰতীয়ে লাগি-ভাগি কাম কৰা দেখি আমি নথৈ বং পাইছো আৰু তেওঁলোকৰ শলাগ লৈছোঁ। তেওঁলোকৰ ভিতৰত গোমাৰ সাহিত্য পৰিষদৰ সম্পাদক (ডিনিচুকীয়া) শ্ৰীপ্ৰেমধৰ ৰাজখোৱাৰ, গুৱাহাটী সাহিত্য-সভাৰ সম্পাদক অধ্যাপক শ্ৰীহৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্যৰ, যোৰহাট সাহিত্য-সভাৰ সম্পাদক শ্ৰীটঙ্কেশ্বৰ চলিহাৰ, মঙ্গলদৈ সাহিত্য-সভাৰ সম্পাদক শ্ৰীভৱানন্দ ৰাজখোৱাৰ বজালী সাহিত্য-সভাৰ সভাপতি শ্ৰী হৰেন্দ্ৰনাথ শৰ্মাৰ আৰু মুকুল সঙ্ঘৰ সভাপতি শ্ৰীহৰিপ্ৰসাদ বৰুৱাৰ নাম বিশেষ উল্লেখযোগ্য। আগ্ৰহাতিশয্যৰ বাবেই হওক, বা অইন যি কোনো কাৰণেই নহওক, দুই এক ঠাইত শাখা-সভাৰ সংখ্যা আশাতীত বা প্ৰয়োজনাতীত ভাৱেও বৃদ্ধি পোৱা দেখা গৈছে। আমি আশা কৰোঁ, ইবিলাকৰ বেছি ভাগেই অতি সোনকালে সংখ্যাধিক্যৰ মোহ এৰি নিগাজীকৈ জী থাকিব পৰা দুই এখনৰ সৌষ্ঠৱ বঢ়োৱাত সহায়তা কৰিব। লোকৰ আস্থা কেৱল সংখ্যাত নহয়, কামতহে।

## (৪) সভাৰ অহা অধিৱেশন :—

১৯৪৮ চনত ডিব্ৰুগড়ত বহা অধিৱেশনতেই 'শ্বিলং মুকুল সঙ্ঘ'ৰ পক্ষৰ পৰা সাহিত্য-সভাৰ পৰৱৰ্ত্তী অধিৱেশন শ্বিলঙত পাতিব লাগে বুলি এক প্ৰকাৰ নিমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু সেই অনুপাতে তেতিয়া লাগতিয়াল যো-জা কৰিব পৰা নহ'ল আৰু মাৰ্ঘেৰিটাৰ ৰাইজৰ আগ্ৰহলৈ চাই সভাৰ পৰৱৰ্ত্তী অধিৱেশন তাতেই বহুৱা হ'ল। সাহিত্য-সভাৰ এটা অধিৱেশন অনতি-পলমে শ্বিলঙত বহুওৱাৰ আৱশ্যকতালৈ তাৰ পিছত কেবা প্ৰকাৰেও 'মুকুল সঙ্ঘ'ৰ দৃষ্টি আকৰ্ষণ কৰা হয়। সম্প্ৰতি 'মুকুল সঙ্ঘ'ৰ তৎপৰতাৰ গুণতেই শ্বিলঙৰ ৰাইজে অসম সাহিত্য-সভাৰ দ্বাবিংশতি সাধাৰণ অধিৱেশন শ্বিলঙলৈ আহ্বান কৰিছে। শ্বিলঙত হোৱা এই আয়োজনৰ গুৰি ধৰা বাবে আমি

অসমৰ ৰাজহ আৰু বিত্তীয়মন্ত্ৰী শ্ৰীমতিৰাম বৰাদেৱৰ শলাগ লৈছোঁ। শ্ৰীবৰা কেৱল সুশিক্ষিতেই নহয়, দেশৰ সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি অটুট শ্ৰদ্ধা থকা ব্যক্তি। তেখেতৰ ভাৱ-প্ৰৱণতা আৰু কৰ্ম্ম-কুশলতা অসমবাসী ৰাইজৰ আদৰৰ বস্তু। শ্বিলঙৰ ৰাইজে সাহিত্য-সভাৰ আগন্তুক অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ নেতৃত্ব শ্ৰীবৰাৰ হাতত অৰ্পণ কৰাত কেৱল অভ্যৰ্থনা সমিতিয়ে নহয়, সাহিত্য-সভাও অনুপ্ৰাণিত হব বুলি আমি আশা কৰিছোঁ।

শ্বিলঙত বহিব লগীয়া সভাৰ এই অধিৱেশন কেবা প্ৰকাৰেও গুৰুত্বপূৰ্ণ হব বুলি ধৰিব পাৰি। শৈলাবাসকুঁৱৰী শ্বিলং অসমৰ ৰাজধানী, অসমৰ মুখ্য জনজাতি খাছিয়া সকলৰ আবাসস্থল। ভাৰতৰ নানা ঠাইৰ পৰা আহি অসমত ডাঙৰ ডাঙৰ বিষয় খোৱা আৰু ব্যৱসায় আদিত প্ৰভুত্ব পোৱা বহু লোক ইয়াত থাকে। বঙ্গীয় সাহিত্য-পৰিষদ, ৰামকৃষ্ণ মিছন, অসম ৰাজ্য ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি আদি অনা-অসমীয়া কেবাটাও অনুষ্ঠানৰ কেন্দ্ৰ ইয়াত আছে। এই অধিৱেশনত অসম-সাহিত্য সভা কি কামৰ উপযুক্ত আৰু কি ধৰণে ইয়াৰ কাম চলে, এই সকলো বিষয় লৈ নানা লোকে মন কৰিবৰ সুবিধা পাব। সেইবাবে অসমৰ সকলো ঠাইৰে পৰা উপযুক্ত প্ৰতিনিধি সকল এই সন্মিলনলৈ আহি অসমৰ আৰু অসমীয়া ভাষা-সাহিত্যৰ গৌৰৱ বঢ়োৱাত সহায়তা কৰিব বুলি আশা কৰা হৈছে। এই অধিৱেশনৰ নেতৃত্বৰ ভাৰো সেইবাবে এগৰাকী সুযোগ্য আৰু সুদক্ষ লোকৰ হাতত দিবা উচিত হব।

অহা অধিৱেশনৰ মূল সভাপতি কোন হোৱা উচিত; এই বিষয়ে আমালৈ অহা চিঠি-পত্ৰৰ উত্তৰত, নাইবা আমাৰ লগত হোৱা আলোচনা প্ৰসঙ্গত, আমি আমাৰ মতামত এনেভাৱে প্ৰকাশ কৰিছোঁ, —অসম সাহিত্য-সভাৰ সভাপতি জন এনে লোক হোৱা উচিত, যি নিজৰ সাধনাৰে অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিক চহকী কৰি তুলিছে, যাক সদৌ অসমে শ্ৰদ্ধ কৰি অহিনৰো শ্ৰদ্ধাৰ পাত্ৰ কৰি তুলিছে, আৰু যাৰ কেৱল কৰ্ম্ম-ক্ষমতাই নহয়, কামৰ বাবে আজৰি সময়, আদৰ্শ-প্ৰৱণতা আৰু মৌলিক চিন্তাশীলতাও আছে। আমাৰ একান্ত বিশ্বাস, শাখা-সভা সমূহে তেনে এজন লোককেই এইবাৰ সন্মানিত কৰিব।

ভাৰতৰ অবিচ্ছেদ্য অংশ হিচাবে অসমেও স্বাধীন ভাৰতৰ ৰাজ্যিক-মৰ্য্যাদা পাইছে যদিও, অসমীয়া ভাষা আৰু সাহিত্যৰ সঙ্কট আঁতৰি যোৱা নাই। অসমীয়া ভাষাই আজিও অসমৰ ৰাজ্য-ভাষাৰ মৰ্য্যাদা পোৱা নাই। অসমৰ একতা দৃঢ় কৰিবলৈ হলে ইয়াৰ সুবৃহৎ জন-জাতীয় এলাকাত অসমীয়া-ভাষা আৰু সাহিত্য প্ৰচাৰৰ সুচিন্তিত ব্যৱস্থা গ্ৰহণ কৰি তাক কাৰ্য্যত পৰিণত কৰা উচিত। তাৰ উপৰি, অসমীয়া সাহিত্যৰ কলেৱৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে আধুনিক যুগৰ উপযোগী নানা গ্ৰন্থাদি প্ৰণয়ন আৰু প্ৰকাশৰো ব্যৱস্থা হব লাগে। অসম সাহিত্য-সভাই এনেবোৰ সমস্যাৰ সন্মুখিন হব লগীয়া হোৱাত সভাৰ গুৰি ধৰোঁতা হিচাবে এনে এজন লোক নিৰ্ব্বাচিত হোৱা উচিত, যাৰ পৰা সমস্যা সমাধানৰ বাবে নতুন পথৰ ইঙ্গিত পাব পৰা হব আৰু যাৰ কৰ্ম্মক্ষমতাই সাহিত্য-সভাকো সকলো আভ্যন্তৰিণ বেমেজালিৰ পৰা মুক্ত কৰি কৰ্ম্মক্ষম কৰি তুলিব পাৰিব।

### (৫) *সাহিত্য, সংস্কৃতি আৰু চৰকাৰ ঃ—*

সাহিত্য ভাষা, সংস্কৃতি, সঙ্গীত, নৃত্য নাটক আৰু কলাৰ উৎকৰ্ষতা সাধনৰ উদ্দেশ্যে স্বাধীন ভাৰতৰ গণ-তান্ত্ৰিক চৰকাৰে ইতিমধ্যে নানা পৰিকল্পনা হাতত লোৱাৰ কথা ৰাইজে জানে। ভাৰত



চৰকাৰে প্ৰতিষ্ঠা কৰিবলৈ লোৱা একাডেমী অৱ লেটাৰ্ছ, একাডেমী অৱ ডেন্স, ড্ৰামা এণ্ড মিউজিক, আৰু একাডেমী অৱ আৰ্ট, আৰু বেচৰকাৰী ভাৱে প্ৰতিষ্ঠিত হোৱা সৰ্ব্ব ভাৰতীয় 'কালচাৰেল একাডেমী'ৰ অনুৰূপ অনুষ্ঠান ৰাজ্য সমূহতো গঢ়ি উঠা উচিত। নানা বিষয়ত অসমক 'ক্ষুদ্ৰ ভাৰত' আখ্যা দিব পাৰি, আৰু সেই ফালৰ পৰা গম ধৰি চালে সাংস্কৃতিক সমীকৰণৰ অৰ্থে অসমত এনেবিধ অনুষ্ঠানৰ বিশেষ প্ৰয়োজন উপলব্ধি কৰিব পাৰি। কিন্তু চৰকাৰী সাহায্য আৰু পৃষ্ঠপোষকতা নহলে অসমৰ নিচিনা দুখীয়া দেশত এনেবোৰ অনুষ্ঠান সহজে হৈ নুঠে। প্ৰায় দুবছৰ আগতে গুৱাহাটীত সাহিত্য সভাৰ সভাপতি শ্ৰীৰায় চৌধুৰীয়ে আৰম্ভ কৰা 'অসম কালচাৰেল একাডেমী'য়ে সেইবাবে গা কৰিব পৰা নাই। কিছু দিন আগতে ৰাজ্যপাল শ্ৰীজয়ৰাম দাস দৌলতৰামৰ নেতৃত্বত অসমত যি 'সঙ্গীত নাটক একাডেমী'ৰ উদ্বোধন কৰা হ'ল, তাৰ প্ৰাৰম্ভিক ব্যৱস্থাপনা নিখুঁত নহল বুলি সমালোচনা হৈছে যদিও, আমি এই অনুষ্ঠানৰ উন্নতি আৰু যশস্যা কামনা কৰোঁ। একাডেমী অৱ লেটাৰ্ছ এখন প্ৰতিষ্ঠাৰ হকেও ৰাজ্যপালে অনতি-পলমে ব্যৱস্থা হাতত লব বুলি জানিব পাৰি আমি আনন্দ পাইছোঁ।

ৰাইজে দেখাত আমাৰ চৰকাৰে দেশৰ সাহিত্য আৰু সংস্কৃতিৰ উদ্গতিৰ প্ৰতি মন দিয়াত যথেষ্ট বিলম্ব কৰিছে। ভৱিষ্যতলৈ এই চোৱা কালৰ ইতিহাস যেতিয়া লেখা হব, সাহিত্য সংস্কৃতিৰ প্ৰতি চৰকাৰৰ ঔদাসীন্য, দেশৰ মস্তিষ্ক-শক্তিৰ অনাদৃত অৱহেলিত অৱস্থা আৰু প্ৰায় ঠাইতে অৰ্থোপাৰ্জ্জনৰ খোৱা-কামোৰাৰ কথাইহে তাত ঠাই পাব বুলি আমাৰ ধাৰণা হয়। কেৱল অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰগতিৰ হকেই নহয়, অসম চৰকাৰে জনজাতীয় লোক সকলৰ ভাষাৰ অধ্যয়ন আৰু বিশ্লেষণৰ বাবেও উপযুক্ত ব্যৱস্থা হাতত লোৱা উচিত। এই ভাষা সমূহৰ সম্যক গৱেষণাই অসমীয়া ভাষা আৰু সংস্কৃতি সম্পৰ্কীয় জ্ঞানৰ পৰিসৰো যে বহলাব, তাত সন্দেহ নাই। এনে দুই এটা ভাষাৰ অধ্যয়ন গুৱাহাটী বিশ্ববিদ্যালয়ে সম্প্ৰতি হাতত লোৱাটো সন্তোষৰ কথা।

প্ৰায় তিনি বছৰ আগতে অসম চৰকাৰে দুটা নে তিনিটা সাহিত্যিক-পেঞ্চন ঘোষণা কৰি দুই তিনিজন অৱস্থাহীন কৃতী-সাহিত্যিকক দিয়া বুলি বাতৰি কাকতত দেখিবলৈ পোৱা গৈছিল; কিন্তু পিছলৈ এই পেঞ্চনৰ আদেশো নাহিল আৰু পেঞ্চনো নাহিল। এই দেশত কোনো সাহিত্যিকৰ নাখাই মৰিব লগীয়া অৱস্থা হলেও, উদ্ধাৰৰ কোনো আশা আছে বুলি কব নোৱাৰি।

অসম সাহিত্য সভাকো অসম চৰকাৰে আগৰ বৃটিছৰ দিনৰ দৰে ধৰোঁ-নধৰোঁ মনোভাৱ এৰি নতুন উদ্দীপনা যোগোৱা উচিত। কিছুদিন আগতে পশ্চিম-বঙ্গ চৰকাৰে 'বঙ্গভাষা আৰু সাহিত্য' সম্পৰ্কীয় গ্ৰন্থ প্ৰণয়নৰ অৰ্থে দহ পোন্ধৰ হেজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰা বাতৰি কাকতত দেখিবলৈ পোৱা গৈছিল। অসম চৰকাৰেও তেনেকৈ অসমৰ মূল আঞ্চলিক-ভাষা আৰু সাহিত্যৰ প্ৰগতিৰ হকে উপযুক্ত পৰিমাণে অৰ্থদানৰ ব্যৱস্থা হাতত ললে ৰাইজে সন্তোষ পাব। সম্প্ৰতি অসম চৰকাৰে অসম সাহিত্য-সভাক দিয়া বছৰেকীয়া সাহায্যৰ পৰিমাণ বৰ্ত্তমান সময়ৰ আৱশ্যকতালৈ চাই অতি কম বুলি কব লাগিব। বেতনভোগী পৰিচালক আৰু অফিছ সহকাৰী আদি লৈ, যোগ্যতা অনুসাৰে শাখা-সভা আদিক অৰ্থ-সাহায্য আদি দি, সাহিত্য সভাখন উপযুক্ত জাতীয় অনুষ্ঠান হিচাবে চলাবলৈ হলে আৰু সভাৰ উদ্দেশ্য নিয়মীয়াকৈ কামত পৰিণত কৰিবলৈ হলে, সাহিত্য-সভাই অসম চৰকাৰৰ পৰা অন্ততঃ দহ হেজাৰ টকাৰ বছৰেকীয়া সাহায্য পোৱা উচিত। আমি আশা কৰোঁ, অসম চৰকাৰৰ শিক্ষামন্ত্ৰী আৰু ৰাজহ আৰু বিত্তমন্ত্ৰীয়ে এই বিষয়ে দকৈ গমি চাব।

### (৬) *অবাঞ্ছিত প্ৰভাৱ ঃ—*

এই সূত্ৰতে আমি অহিন এটা কথালৈ আঙুলিয়াব লগাত পৰিলোঁ। স্বাৰ্থ থকা বা স্বাৰ্থত আঘাত পোৱা

কোনো কোনো ব্যক্তিয়ে সাহিত্য-সভাৰ বিৰুদ্ধে আৰু সভাৰ বৰ্ত্তমান কাৰ্য্যকৰ্ত্তা সকলৰ বিৰুদ্ধে সঁচা-মিছা নানা কথা চৰকাৰী মহলত কৈ ফুৰা কথা আমি নজনা নহয়। বিশিষ্ট সভ্য এজনে, আনকি, সভাৰ টকা জমা থকা বেঙ্ক এটাকো গৱৰ্ণমেণ্টক সুধিহে আমাক টকা উঠাবলৈ দিয়াৰ কথা লিখিছে। ইয়াৰ অৰ্থ এয়ে যে, হয় তেখেতে চৰকাৰৰ সংশ্লিষ্ট বিষয়াক তেওঁৰ মতে বেঙ্কক নিৰ্দ্দেশ দিবলৈ ঠিক কৰি ৰাখিছে, নাইবা তেওঁ এনে প্ৰভাৱশালী লোক যে সংশ্লিষ্ট বিষয়াই তেওঁৰ পৰামৰ্শ লৈহে আৱশ্যকীয় নিৰ্দ্দেশ দিব পাৰে। কিন্তু চৰকাৰী সাহায্য থকাৰ বাবে সভাৰ হিচাব-পাতি চৰকাৰৰ পৰীক্ষাধীন হলেও, চৰকাৰৰ হাতত সভাৰ ওপৰত কোনো কৰ্তৃত্ব নাই, আৰু থকাও উচিত নহয়। চৰকাৰৰ উচ্চ-পদবীত অধিস্থিত থকা কোনো চৰকাৰী বিষয়াই তেনে লগোৱা কথাত পতিয়ন গৈ সভাৰ বিৰুদ্ধে সভাৰ স্বাৰ্থ-হানিকৰ কোনো ব্যৱস্থা লব বুলি আমি নাভাবো। সেই-বাবে মিছা অভিযোগলৈ কাণ কৰি চৰকাৰে ১৯৫২-৫৩ চনৰ সাহায্য বন্ধ কৰি সভাপতিলৈ চিঠি দিয়াত আমি আচৰিত হৈছিলো। সভাপতিয়ে তাৰ যথা-যথ উত্তৰ দি অভিযোগৰ ভিত্তিহীনতা সম্পৰ্কে চৰকাৰক জনোৱাত চৰকাৰে পুনৰ সাহায্যৰ টকা দিবলৈ বন্দোবস্ত কৰা বুলি শুনি সন্তোষ পাইছো। ইতিমধ্যে সভাৰ হিচাব-পত্ৰও চৰকাৰী হিচাব পৰীক্ষকক পৰীক্ষা কৰি চাবলৈ দিয়া হৈছিল।

অসম সাহিত্য-সভাই অসমৰ গণতান্ত্ৰিক চৰকাৰৰ পৰা সকলো প্ৰকাৰৰ সহায়, সহযোগ আৰু সজ পৰামৰ্শ পাবলৈ বিচাৰিব, কিন্তু এই সাংস্কৃতিক অনুষ্ঠানটোৰ ওপৰত কোনো প্ৰকাৰৰ চৰকাৰী প্ৰভাৱ পৰাটো বা চৰকাৰী পদবীত থকা কোনো লোকৰ পদবীৰ প্ৰভাৱ অনুষ্ঠানৰ কাৰ্য্য সূচীত পৰাটো আমাৰ মতেৰে বাঞ্ছনীয় নহয়। লোকে নিজৰ উদ্দেশ্য সাধনৰ অৰ্থে তেনে পদবীত থকা লোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি কাম কৰাবলৈ যোৱাটোও গৰ্হিত হব। সাহিত্য-সভাৰ ভৱিষ্যতলৈ চাইহে আমি আমাৰ অভিজ্ঞতাৰ পৰা এই যাৰ কথা কোৱাৰ প্ৰয়োজন বিবেচনা কৰিলোঁ।

সাহিত্য-সভাখন ৰাজনীতিৰ নীতিৰে কোনো দল বা উপদলে হাত কৰিব লগীয়া অনুষ্ঠান নহয়। সাহিত্য আৰু সংস্কৃতি সাধনাত নিযুক্ত থকা এনে বিধ অনুষ্ঠানৰ পূৰ্ণ গণতান্ত্ৰিক স্বাতন্ত্ৰ্য সকলো প্ৰকাৰে অক্ষুণ্ণ থকা উচিত, নহলে আচল উদ্দেশ্যৰ পৰা পিছলি পৰি অনুষ্ঠানটো স্বাৰ্থান্বেষী লোকৰ হাতৰ পুতলা হৈ পৰাৰ আশঙ্কা কেতিয়াও দূৰ নহব।

**(৭) শ্ৰদ্ধাঞ্জলীঃ—**

সাহিত্যাচাৰ্য্য ডঃ বাণীকান্ত কাকতিৰ পৰলোক প্ৰাপ্তিত অসমৰ সাহিত্য জগতত সৃষ্টি হোৱা শূন্যটো সোনকালে পূৰণ হব বুলি আশা কৰিব নোৱাৰি। ডঃ কাকতি জীৱিত থকা কালত তেওঁৰ অগাধ পাণ্ডিত্য আৰু অতুল প্ৰতিভাৰ কথাকে লোকে জানিছিল। বিখ্যাত দাৰ্শনিক পণ্ডিত ছক্ৰেটিছৰ দৰে এই জনা অসমৰ মনীষী যে এজন নীতিবাদী শিক্ষক আৰু আধুনিক শিক্ষা আৰু সমাজৰ নানা প্ৰকাৰ অসাৰ আবৰ্জনাৰ তীক্ষ্ণ সমালোচক আছিল, এই কথা তেওঁৰ ব্যক্তিত্বৰ আকৰ্ষণত তেওঁৰ ওচৰ চাপি আহি দৈনন্দিন জীৱনত তেওঁৰ পৰা শিক্ষা আৰু উপদেশ লাভ কৰা লোকেহে জানে। বৰ পৰিতাপৰ কথা যে এনে হেন মনীষী এজনক অসম সাহিত্য-সভাই সভাপতিৰ আসনত বহুৱা গৌৰৱ নাপালে। ডঃ কাকতিৰ পবিত্ৰ স্মৃতিৰ উদ্দেশ্যে শ্ৰদ্ধাৰ অৰ্ঘ্য আগবঢ়োৱা হ'ল।

শিক্ষাবিদ অধ্যক্ষ ৺তুলসী নাৰায়ণ শৰ্ম্মা এসময়ত অসম সাহিত্য-সভাৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল। তেওঁৰ অকাল মৃত্যুত শিক্ষা আৰু সাহিত্য ক্ষেত্ৰত অসমে এজন বিশিষ্ট কৰ্ম্মী হেৰুৱালে। অধ্যাপক ৺হংসনাথ ভট্টাচাৰ্য্যৰ অকাল মৃত্যুতো অসমৰ তেনে ক্ষতি হ'ল। এই দুজনা সাহিত্য-সেৱীৰ পুণ্য-স্মৃতিতো শ্ৰদ্ধাঞ্জলী অৰ্পন কৰা হ'ল।

—শেষ—

# পত্ৰিকাৰ নিয়মাৱলী

১। এই পত্ৰিকা প্ৰতি তিনি মাহে একো সংখ্যাকৈ ওলাব। সাধাৰণতে সকলো গ্ৰাহকেই প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছৰেকীয়া বৰঙনি ৬ টকা আগধৰি দিব লাগে। প্ৰতি সংখ্যাৰ মূল্য—১॥০ টকা; অসম সাহিত্য সভাৰ সভ্যসকলে আধা বেচতে পাব।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি এপিঠিত ফটফটীয়াকৈ লেখি, আৰু কাকত সম্পৰ্কে আন চিঠি-পত্ৰ আৰু টকা-কড়ি "প্ৰধান সম্পাদক, অসম সাহিত্য-সভা," সভাপতিৰ কাৰ্য্যালয়, গুৱাহাটী, এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গৱেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

---

## জাননীৰ নিৰিখ

| | | | প্ৰতি সংখ্যাত |
|---|---|---|---|
| এপিঠিত | ... | ... | ৪০৲ |
| আধ পিঠিত | ... | ... | ২২৲ |
| সিকি পিঠিত | ... | ... | ১২৲ |
| বেটুপাতৰ তৃতীয় পিঠিত | ... | ... | ৫০৲ |
| বেটুপাতৰ চতুৰ্থ পিঠিত | ... | ... | ৫৫৲ |

জাননীৰ লগতে তাৰ বৰঙনিফেৰি পঠাব লাগে।

FOR VARIETIES OF SILK, FASHIONABLE AND OTHER CLOTHS ; WOOLS AND WOOLLEN GOODS ; PERFUMERY AND TOILETS ; PHOTO GOODS ; PRESENTATION SETS ; MEDICINES AND MEDICAL STORES. ETC. ETC.,

**Please Write, Call or phone—**

**BARGOLA**

*Props* :– **Mahasing Rai Meghraj Bahadur Dhanpatsing,**

**GAUHATI, ASSAM.**

Telegram : BARGOLA. Telephone No.–85

## পত্ৰিকাৰ নিয়মাৱলী

১। এই পত্ৰিকা প্ৰতি তিনি মাহে একো সংখ্যাকৈ ওলাব। সাধাৰণতে সকলো গ্ৰাহকেই প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৬৲ টকা আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ মূল্য – ১৷৹ টকা। অসম সাহিত্য-সভাৰ সভ্যসকলে আধা বেচতে পাব।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি এপিঠিত ফটফটীয়াকৈ লিখি, আৰু কাকত সম্পৰ্কে আন চিঠি-পত্ৰ আৰু টকা-কড়ি "প্ৰধান সম্পাদক, অসম সাহিত্য-সভা," সভাপতিৰ কাৰ্য্যালয়, গুৱাহাটী, এই ঠিকনাত পথাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গৱেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

---

## জাননীৰ নিৰিখ

| | | | প্ৰতি সংখ্যাত |
|---|---|---|---|
| এপিঠিত | ... | ... ... | ৪০৲ |
| আধ্ পিঠিত | ... | ... ... | ২২৲ |
| সিকি পিঠিত | ... | ... ... | ১২৲ |
| বেটুপাতৰ চতুৰ্থ পিঠিত | | ... ... | ৫৫৲ |

জাননীৰ লগতে তাৰ খৰচকেৰি আগধৰি পঠাব লাগে।

অসম

# সাহিত্য সভা পত্ৰিকা

| ৪ৰ্থ—সংখ্যা | নতুন প্ৰকাশ | ১৮৭৪-৭৫—শক |
|---|---|---|

## সূচী


| | বিষয় | | | পৃষ্ঠা |
|---|---|---|---|---|
| ১। | বৈষ্ণৱ যুগৰ সাহিত্য ( ১ম ছোৱা ) | ... | শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা | ১৯১ |
| ২। | অসম গঠনত আহোম সকল | ... | „ সৰ্ব্বানন্দ ৰাজকুমাৰ | ২০৬ |
| ৩। | বিদেশী শব্দৰ অসমীয়া অক্ষৰান্তৰ | ... | „ তীৰ্থনাথ শৰ্ম্মা | ২১৬ |
| ৪। | অসম সাহিত্য সভাৰ তাৎপৰ্য্য | ... | „ ভবানন্দ দত্ত | ২২৪ |
| ৫। | অসমীয়া জন-সাহিত্য | ... | „ শ্ৰীৰামচন্দ্ৰ দাস | ২৩০ |
| ৬। | যা—যা— সকলো শুচি যা | ... | „ অম্বিকাগিৰী ৰায়চৌধুৰী | ২৩৪ |
| ৭। | তিনোটা এটাতে গঁথা | ... | ঐ | ২৩৫ |
| ৮। | সভাৰ বা-বাতৰি | ... | | ২৩৬ |
| ৯। | শাখা সভাৰ তালিকা – ১৯৫৩ চন | ... | | ২৪৫ |
| ১০। | শাখা সভাৰ কাৰ্য্য-বিৱৰণীৰ চমু আভাস | ... | | ২৪৬ |
| ১১। | সম্পাদকৰ ক'ব লগীয়া | ... | | ২৪৯ |